দিশপুর মহাবিদ্যালয়
তমসো মা জ্যোতির্গময়
স্থা ঃ ১৯৭৮ ইং
দিশপুরিয়ান
দিসপুরিয়ন
DISPURIAN
চতুর্বিংশত্তম সংখ্যা-২০১৮-২০১৯
CERTIFICATE
দিশপুৰ মহাবিদ্যালয় আলোচনী
তত্বাৱধায়িকা
ত্রিবেণী বৰকটকী
সম্পাদিকা
গীতিকা শর্মা

প্ৰসঙ্গ সঙ্গীত ঃ দিশপুৰ মহাবিদ্যালয়

ৰচনা ঃ কীৰ্ত্তিকমল ভূঞা
সুৰ ঃ অনুপম চৌধুৰী

দীপ্ত শিখাৰে জ্বলে অক্ষয়
জ্ঞানৰ বন্তি জ্বলে,
আমাৰ যাত্ৰা পথ পোহৰাই
আশাৰ বন্তি জ্বলে।
আমি নতুনৰ অভিযাত্ৰী
চকুত নতুন স্বপ্ন।।

আশাশুধীয়া দূৰদৃষ্টিৰে
যিসকলে কৰি যুক্তি
উচ্চ শিক্ষা প্ৰসাৰৰ হকে
থাপি গ'ল এই ভেটি,
সবাকে সুঁৱৰি জনাওঁ আমাৰ
প্ৰণিপাত সশ্ৰদ্ধ।
আমি যাত্ৰী জ্ঞানমাৰ্গৰ
লক্ষ্য নৰ দিগন্ত।।

বৰ্ষে বৰ্ষে নৰ ৰূপেৰে
আমি চিৰ যৌৱন শক্তি,
দিগদৰ্শক গুৰুকুললৈ
অচলা আমাৰ ভক্তি
গঢ়াৰ মন্ত্ৰে দীক্ষিত হৈ
আমি হ'ম সুযোগ্য।
সৰ্বজনৰে হিতৰ হকে
যাচিম সেৱাৰে অৰ্ঘ্য।

প্ৰসঙ্গঃ সঙ্গীত, দিশপুৰ মহাবিদ্যালয়- অৰ্থাৎ দিশপুৰ মহাবিদ্যালয় সঙ্গীতটি ৰচনা কৰে স্বনামধন্য গীতিকাৰ শ্ৰীযুত কীৰ্ত্তিকমল ভূঞাদেৱে আৰু বিশিষ্ট সুৰকাৰ শ্ৰীযুত অনুপ চৌধুৰীদেৱে গীতটিত সুৰ আৰোপণ কৰে।

২০১৮ চনৰ ফেব্ৰুৱাৰী মাহৰ ৯ তাৰিখে শ্ৰীযুত কীৰ্ত্তিকমল ভূঞাদেৱে গীতটি মহাবিদ্যালয় কৰ্ত্তৃপক্ষৰ হাতত অৰ্পণ কৰে। শ্ৰীযুত অনুপম চৌধুৰীদেৱে জুন মাহত গীতটিৰ সুৰ সংযোজনৰ কাম সম্পন্ন কৰে। জুলাই মাহত গীতটি বাণীবদ্ধ কৰা হয়। গীতটিত কণ্ঠদান কৰা শিল্পীসকল হ'ল- স্পন্দন চক্ৰৱৰ্ত্তী, ৰুবুল কলিতা, প্ৰিয়ংকা ভাগৱতী, দেৱ শৰ্মা (দিশপুৰ মহাবিদ্যালয়), ঈশান নাহা, কৃতাঞ্জলি গোস্বামী, মিতালী বৰুৱা, মৃন্ময়ী চেতিয়া আৰু লীনা বৈশ্য (দিশপুৰ মহাবিদ্যালয়)

২০১৮ চনৰ আগষ্ট মাহৰ ২৮ তাৰিখে মহাবিদ্যালয়ৰ চল্লিশ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মহাবিদ্যালয় সংগীতটি পোন প্ৰথমবাৰৰ বাবে পৰিবেশন কৰা হয়। গীত পৰিবেশনত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী সকল হ'ল - লীনা বৈশ্য, দেৱ শৰ্মা, বিনীতা কলিতা, চিমি বৈশ্য, বিনীতা বৈশ্য, ভনীতা নাথ, অনামিকা বৰ্মন, ৰীমা ৰাজবংশী, আৰতি দেৱী, নীতা দাস, কৰবী শইকীয়া, তৃষ্ণা তালুকদাৰ, গৰিমা কলিতা, জুমি বৰ্মন, ডিম্পী দাস, গীতাঞ্জলি দাস আৰু পুষ্পা তালুকদাৰ।"

Library copy

শ্ৰদ্ধাৰে সুঁৱৰিছো

DISPUR COLLEGE LIBRARY GUWAHATI-6

ভাৰতৰ প্ৰাক্তন কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেটলি, প্ৰাক্তন কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী সুষমা স্বৰাজ, লোকসভাৰ প্ৰাক্তন সাংসদ মণি কুমাৰ চুব্বা, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ ৰাম জেঠমালানি, গোৱাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ পাৰিকৰ, দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শীলা দীক্ষিত, অসমৰ প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান খগেন শৰ্মা, সাহিত্যিক তথা আৰক্ষী বিষয়া পাৰ্থ বিজয় দত্ত, দিশপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি টাবুৰাম টাইড, বিশিষ্ট চিত্ৰ-শিল্পী বেণু মিশ্ৰ, সাহিত্যিক পূৰৰী বৰমুদৈ, পুলৱামাৰ সন্ত্ৰাসবাদত নিহত বীৰ জোৱানসকল, নিয়তিৰ নিষ্ঠুৰ আৰাহনৰ ফলত প্ৰাণ হেৰুৱা লোক, প্ৰাকৃতিক দুৰ্যোগত নিহত সকলৰ লগতে মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা বৰ্তমানলৈকে একছল্লিছ বছৰীয়া ইতিহাসৰ সুদীৰ্ঘ পৰিক্ৰমাত জড়িত শ্ৰদ্ধাৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ বন্ধু, সতীৰ্থ জ্ঞাতে-অজ্ঞাতে আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি যোৱা সকলোলৈ 'দিশপুৰিয়ান'ৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

সম্পাদিকা
দিশপুৰিয়ান



উচৰ্গা

দিশপুৰ মহাবিদ্যালয়ৰ
সমূহ ছাত্ৰ-ছাত্ৰীৰ হাতত
চতুৰ্বিংশতম মুখপত্ৰ
'দিশপুৰিয়ান'
উচৰ্গা কৰা হ'ল।

সিদ্ধাৰ্থ ভট্টাচাৰ্য্য
Siddhartha Bhattacharya, MA, LLB
Cabinet Minister
Department of Education
Guwahati Development Department
Department of Law and Justice
Government of Assam

সত্যমেব জয়তে

Block-D, 4th Floor,
Assam Secretariat, Dispur,
Guwahati-781006, Assam
Tel. No. 0361-2237267
Mobile No. 94350-10789
e-mail:siddharthabhatta@gmail.com
ministeredu26@gmail.com

শুভেচ্ছাবাণী

মই জানিবলৈ পাই অতিশয় আনন্দিত যে, প্ৰতিবছৰৰ দৰে এইবাৰো দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "দিশপুৰিয়ান" প্ৰকাশৰ দিহা কৰিছে।

মহাবিদ্যালয় আলোচনীসমূহ সাহিত্য চৰ্চাৰ এক উত্তম মাধ্যম। যুৱ প্ৰজন্মৰ মাজত বৌদ্ধিক, সামাজিক উত্তৰণৰ ক্ষেত্ৰত সাহিত্য তথা সৃষ্টিশীল মনোভাৱ গঢ়ি তোলাৰ ক্ষেত্ৰত মহাবিদ্যালয় আলোচনীসমূহৰ ভূমিকা অনন্য। দিশপুৰ মহাবিদ্যালয়ৰ আলোচনীখনেও ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য চৰ্চাৰ পৰিবেশ গঢ়ি তুলিব বুলি আশা ৰাখিলো।

"দিশপুৰিয়ান" সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশিত হৈ মহাবিদ্যালয়খনৰ নাম উজ্জলাই ৰাখিব বুলি কামনা কৰিলো।

সিদ্ধাৰ্থ ভট্টাচাৰ্য্য

(সিদ্ধাৰ্থ ভট্টাচাৰ্য্য)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

Prof. Pratap Jyoti Handique
Vice Chancellor
Phone : +91-361-2570412 (O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
pjhandique@rediffmail.com

MESSAGE

I am happy to learn that Dispur College, Guwahati is going to publish its Annual College Magazine for the session 2018-19 very soon. College Magazine is a strong medium for the constituent members of a college for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I hope that the said publication will be richly endowed with contributions from both the students and teaching community and will make interesting reading. I wish all success in the effort and hope the Magazine will be well accepted by the readers.

Date : 22.01.2020

P. J. Handique
(P.J. Handique)

Address : Gopinath Bardoloi Nagar
Jalukbari, Guwahati-781014
Assam:India

Phone : 0361 257 0412

Web : www.gauhati.ac.in

DISPUR COLLEGE
ESTD. 1978
Ganeshguri, Dispur, Guwahati - 6
www.dispurcollege.com

Prof. Srijib Kr. Chakravarty, M.Sc, AES (Retd.)
President, Governing Body
Dispur College, Guwahati-781006
Formerly Professor, Deptt. of Zoology
Cotton College, Guwahati-781001 and
Retd. Additional Director of Education (Hills) Haflong, Assam
099540-55860 (M)

Residence :
'NIRMALALAYA'
H/No-20, Byelane -6
Natun Sarania, Gandhibosti
Guwahati-781003
Ph. : 0361-2662658

Ref. No.....

Date.....

শুভেচ্ছাবাণী

দিশপুৰ মহাবিদ্যালয় বার্ষিক মুখপত্ৰ 'দিশপুৰিয়ান' প্ৰকাশ পাব বুলি জানি সুখী হৈছো। দিশপুৰ মহাবিদ্যালয়ে ইতিমধ্যে ভালেকেইগৰাকী সফল কবি, সাহিত্যিক, সাংগঠনিক, সাংবাদিক, শিল্পী, খেলুৰৈ উলিয়াবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় শিক্ষানুষ্ঠান মূল্যাংকন পৰিধি (নেচনেল ইনষ্টিটিউট ৰেংকিং ফ্ৰেমৱৰ্ক)ৰ মূল্যায়নত দেশৰ ১৫০-২০০ শ মহাবিদ্যালয়ৰ শ্ৰেণীত একেৰাহে দ্বিতীয় বছৰৰ বাবে স্থান লাভ কৰা বাতৰিয়েও আশাৰ বতৰা কঢ়িয়াই আনিছে। শিক্ষা প্ৰতিষ্ঠানটোৰ এই ধাৰাবাহিকতা ভৱিষ্যতে যাতে অধিক উজ্জ্বল ৰূপত প্ৰকট হয়, তাকেই কামনা কৰিছো।

পৰিৱৰ্তিত পৰিস্থিতিত অসমৰ মাটি পানীৰ স'তে বিশ্বক সংযোগ কৰাৰ অভিনৱ সুযোগ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকল সংকল্পবদ্ধ হোৱাৰ সময় সমাগত। তেওঁলোকে আত্ম বিশ্বাসেৰে সমাজৰ সুযোগ্য নাগৰিক হ'বলৈ মন ডাঠ কৰাৰ ওপৰতে আমাৰ সমাজৰ অগ্ৰগতি নিৰ্ভৰ কৰে। বার্ষিক মহাবিদ্যালয়ৰ আলোচনীখন যাতে সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পায় আৰু ইয়াৰ জৰিয়তে ভৱিষ্যত সাহিত্যিক সৃষ্টি হৈ ভাষা জননীলৈ সেৱা আগবঢ়াব পাৰে তাকেই কামনা কৰিলো।

শ্ৰীশ্ৰীজীৰ কুমাৰ চক্ৰৱৰ্ত্তী

(শ্ৰী শ্ৰীজীৰ কুমাৰ চক্ৰৱৰ্ত্তী)
সভাপতি
দিশপুৰ মহাবিদ্যালয় পৰিচালনা সমিতি

শুভেচ্ছা বাণী

দিশপুৰ মহাবিদ্যালয়ৰ ২০১৮-২০১৯ বৰ্ষৰ বাৰ্ষিক আলোচনী "দিশপুৰিয়ান" প্ৰকাশৰ পথত বুলি জানিবলৈ পাই নাথে আনন্দিত হৈছো । আশা ৰাখিছো আলোচনীখনে মহাবিদ্যালয়ৰ সময়ৰ বালিত খোজ ৰাখিবলৈ সক্ষম হ'ব ।

এই আলোচনীৰ মাজেৰে আমাৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ পূৰ্ণ প্ৰতিফলন ঘটাৰ আশাৰে

অমৰ শইকীয়া
অধ্যক্ষ
দিশপুৰ মহাবিদ্যালয়

সম্পাদনা সমিতি - 'দিশপুৰিয়ান'

প্ৰথম শাৰী (বহি) ঃ বনশ্ৰী কলিতা (শিক্ষক সদস্য), ত্ৰিবেণী বৰকটকী (তত্বাৱধায়িকা), ড° জয়জ্যোতি গোস্বামী (উপ-সভাপতি), ড° অমৰ শইকীয়া (সভাপতি), ড° সুনীতা আগৰৱালা (শিক্ষক সদস্য), ড° মালবিকা ভট্টাচার্য্য (শিক্ষক সদস্য), ড° সঞ্জীৰ কুমাৰ শৰ্মা (অনুপস্থিত)
দ্বিতীয় শাৰী (থিয় হৈ) ঃ গীতিকা শৰ্মা (সম্পাদিকা), ৰাখী চক্ৰৱৰ্ত্তী (ছাত্ৰ সদস্য), প্ৰেৰণা দাস (ছাত্ৰ সদস্য), নিশান্ত বসুমতাৰী (ছাত্ৰ সদস্য), মৃদুস্মিতা গগৈ (অনুপস্থিত), নিপন কুমাৰ ডেকা (অনুপস্থিত)

'দিপুৰিয়ান' সম্পাদনা সমিতি

সভাপতি	ঃ	ড° অমৰ শইকীয়া
উপ-সভাপতি	ঃ	ড° জয়জ্যোতি গোস্বামী
ছাত্ৰ কল্যাণ বিষয়া	ঃ	ৰাতুল বৰা
তত্বাৱধায়িকা	ঃ	ত্ৰিবেণী বৰকটকী
সম্পাদিকা	ঃ	গীতিকা শৰ্মা
শিক্ষক সদস্য	ঃ	ড° সুনীতা আগৰৱালা (হিন্দী বিভাগ), ড° মালৱিকা ভট্টাচার্য্য (অসমীয়া বিভাগ), ড° সঞ্জীৰ কুমাৰ শৰ্মা (ইংৰাজী বিভাগ), বনশ্ৰী কলিতা (ইংৰাজী বিভাগ)
ছাত্ৰ সদস্য	ঃ	ৰাখী চক্ৰৱৰ্ত্তী (অসমীয়া বিভাগ), নিশান্ত বসুমতাৰী (ইংৰাজী বিভাগ), নিপন কুমাৰ ডেকা (অসমীয়া বিভাগ), প্ৰেৰণা দাস (ইংৰাজী বিভাগ), মৃদুস্মিতা গগৈ (হিন্দী বিভাগ)
বেটুপাত (সন্মুখ পৃষ্ঠা)	ঃ	মুক্তধি কলিতা, পঞ্চম ষাণ্মাসিক, পৰিচালনা বিভাগ
শেষ পৃষ্ঠা	ঃ	অভিষেক ভাণ্ডাৰী, তৃতীয় ষাণ্মসিক, পৰিচালনা বিভাগ
অংগসজ্জা আৰু পৰিকল্পনা	ঃ	সম্পাদনা সমিতি
মুদ্ৰক	ঃ	এছ. এন এচ ছিয়েট, দিশপুৰ, গুৱাহাটী - ৫

আগবঢ়াওঁতে কৃতজ্ঞতাৰে

যিসকলৰ আন্তৰিক কৃপা আৰু সহযোগিতা লাভ কৰিলোঁ-

মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰ শইকীয়া, উপাধ্যক্ষা ড° জয়জ্যোতি গোস্বামী, তত্ত্বধাৰিকা ত্ৰিবেণী বৰকটকী

খোজত খোজ মিলাই যাওঁতে যিসকলে সহায়ৰ হাত আগবঢ়ালে-

ড° মঞ্জুশ্ৰী শৰ্মা, ড° সুনীতা আগৰবালা, ড° মালবিকা ভট্টাচাৰ্য্য, ড° অজয় মিত্ৰ, বনশ্ৰী কলিতা প্ৰমুখ্যে

মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকাবৃন্দ আৰু কৰ্মচাৰীসকল।

মোৰ বন্ধু-বান্ধবীসকল,

বাণী চক্ৰৱৰ্তী, নিপন কুমাৰ ডেকা, নিশান্ত কুমতী, প্ৰেৰণা দাস, মৃদুস্মিতা গগৈ, মুক্তশ্ৰী কলিতা, বাজ শিখা, জয়শ্ৰী, কলিতা, অনিৰ্বান বৰ্মন, ভট্টবিকা শৰ্মা, আব্দুল জাবেদ, হীৰকজ্যোতি কলিতা, অভিষেক ভাণ্ডাৰী, জিতু ছেত্ৰী, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সন্মানীয় সদস্য, বাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সমূহ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা, বাষ্ট্ৰীয় ক্যাডেট কৰ্পৰ সমূহ সদস্য, লেখক-লেখিকাৰ লগতে আলোকচিত্ৰৰ যুগল কিশোৰ দাস দিশপুৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী।

এছ, এন, এচ ছিয়াটৰ স্বত্বাধিকাৰী প্ৰমুখ্যে কৰ্মচাৰীবৃন্দ।

সদৌটিৰে এচত মোৰ আন্তৰিক কৃতজ্ঞতা, শলাগ তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সম্পাদিকা

দীপপ্ৰীয়া

তত্ত্বাৱধায়িকাৰ কলমৰ পৰা

গুৱাহাটী মহানগৰীৰ গণেশগুৰিত ১৯৭৮ চনত প্ৰাণ পাই উঠা দিশপুৰ মহাবিদ্যালয়ে একচল্লিশ বৰ্ষ অতিক্ৰম কৰিলে। ১৯৯২-৯৩ বৰ্ষত মহাবিদ্যালয়খনৰ প্ৰথম সংখ্যা আলোচনীখন 'অৰুণ' নামেৰে প্ৰকাশ পায়। এই 'অৰুণ'কে ২০১৭ চনৰ ১৯ জানুৱাৰীত নতুন নামেৰে নামাংকন কৰা হ'ল 'দিশপুৰিয়ান'। নামৰ পৰিবৰ্তন হ'লেও আলোচনীখনে ইয়াৰ স্বকীয় বৈশিষ্ট্য আৰু ঐতিহ্য পূৰ্বৰ দৰেই ধৰি ৰাখিবলৈ সক্ষম হোৱাৰ লগতে নতুন নতুন শিতান অন্তৰ্ভুক্তিৰে আলোচনীখন সৰ্বাংগ সুন্দৰ কৰি তুলিছে। চতুৰ্বিংশত্তম প্ৰকাশিত 'দিশপুৰিয়ান' অলংকৃত হৈছে গল্প, কবিতা, প্ৰবন্ধ, চিত্ৰৰ একো একোটা মুকুতাৰে। দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু তথা কৰ্মচাৰী সকলৰ সাহিত্যিক আৰু সাংস্কৃতিক প্ৰতিভা এই আলোচনীখনত প্ৰকাশিত হৈছে। সন্দিকৈ মহাবিদ্যালয়ৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা তথা বিশিষ্ট লেখিকা ড° অঞ্জলি শৰ্মাৰ ২০১৭-১৮ বৰ্ষৰ ত্ৰয়োবিংশত্তম 'দিশপুৰিয়ান'ত এটি পৰ্যালোচনা প্ৰকাশ কৰা হৈছে। তেখেতৰ এই পৰ্যালোচনাটোয়ে এই সংখ্যাৰ আলোচনীখন প্ৰকাশত পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিছে আৰু তাৰেই আলম লৈ এই সংখ্যাৰ আলোচনীখন সজাই তুলিবলৈ চেষ্টা কৰা হৈছে। তেখেতলৈ মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। সাহিত্যাচাৰ্য্য ড° পৰাগ কুমাৰ ভট্টাচাৰ্য্যৰ "সাহিত্যত আধুনিকতা আৰু নন্দনতত্ব" শীৰ্ষক প্ৰবন্ধটোৱে শিতানটোক শুৱনি কৰি তুলিছে। তেখেতৰ এই মূল্যৱান বৰঙণিৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। ইংৰাজী বিভাগৰ অতিথি শিতানত ড° গোবিন্দ প্ৰসাদ শৰ্মাৰ "Importance of Being bilingual" প্ৰবন্ধটোৱে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। তেখেতৰ বহুমূলীয়া প্ৰবন্ধটিৰ বাবে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। হিন্দী বিভাগত অতিথি শিতানত ড° সুচিত্ৰা পাঠকৰ "भक्ति आंदोलन और संत कबीर" শীৰ্ষক লিখনীটোৱে আলোচনীখনৰ লগতে হিন্দী বিভাগটোৰো সৌষ্ঠৱ বৃদ্ধি কৰিছে। এই ছেগতে তেখেতক অশেষ ধন্যবাদন জ্ঞাপন কৰিলো। ড° বুলজিৎ বুঢ়াগোহাঁইৰ বৃত্তি বাচনি সম্পৰ্কীয় দিহা পৰামৰ্শৰ প্ৰশ্ন উত্তৰ শিতানটোৱে ছাত্ৰ-ছাত্ৰীক বৃত্তি সম্পৰ্কীয় নতুন নতুন জ্ঞান দিব পাৰিব বুলি আশা কৰিলোঁ। সেয়েহে এই ছেগতে তেখেতলৈ শলাগ যাচিলোঁ। এইসকল স্বনাম ধন্য সাহিত্যিক, গৱেষকে তেওঁলোকৰ লিখনীসমূহ মহাবিদ্যালয়ৰ আলোচনী "দিশপুৰিয়ান"ত প্ৰকাশৰ সুযোগ দিয়া বাবে তেওঁলোকৰ ওচৰত *সদায় কৃতাৰ্থ হৈ থাকিম।*

শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী সকলোৰে সমুহীয়া প্ৰচেষ্টাত "দিশপুৰিয়ান"খনে এক পূৰ্ণৰূপ পাবলৈ সক্ষম হৈছে। চতুৰ্বিংশত্তম "দিশপুৰিয়ান"খনৰ তত্ত্বাৱধায়িকা হিচাপে মোক যোগ্য বুলি বিবেচিত কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰ শইকীয়া মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখন প্ৰকাশৰ সময়ত প্ৰতিটো খোজতে যথোপযুক্ত দিহা-পৰামৰ্শ তথা উৎসাহ উদ্দীপনা দি কামত অগ্ৰসৰ হোৱাৰ পথ দেখুৱাই দিয়াৰ বাবে অধ্যক্ষ মহোদয়ক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। আলোচনীখন সৰ্বাংগ সুন্দৰ কৰি তোলাৰ প্ৰচেষ্টাত উৎকৃষ্ট দিহা পৰামৰ্শৰে কৃতাৰ্থ কৰা বাবে মহাবিদ্যালয়ৰ পৰিচলনা সমিতিৰ সভাপতি শ্ৰীযুত শ্ৰীজীৱ চক্ৰৱৰ্ত্তী, উপাধ্যক্ষা ড° জয়জ্যোতি গোস্বামী বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সম্পাদনা সমিতিৰ সমূহ সদস্যয়ে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জনালোঁ। ইয়াৰোপৰি মোক সকলো দিশৰ পৰা সহায় আগবঢ়োৱা তথা উৎসাহ যোগোৱাৰ বাবে ড° ৰীণা চৌধুৰী, ড° অজয় মিত্ৰ, ড° মালবিকা ভট্টাচাৰ্য্য, বনশ্ৰী কলিতা বিশেষ ভাৱে শলাগৰ পাত্ৰ। মৰমৰ ছাত্ৰ মুক্তধি কলিতাই একাগ্ৰ প্ৰচেষ্টাৰে মহাবিদ্যালয়ৰ আলোচনীখনৰ বেটুপাত অংকন কৰাৰ বাবে অশেষ ধন্যবাদ। সম্পাদিকা গীতিকা শৰ্মা, মৰমৰ ছাত্ৰ নিশান্ত বসুমতাৰী, নিপন ডেকা, অভিষেক ভাণ্ডাৰী, জিতু ছেত্ৰী, ছাত্ৰী ৰাখী চক্ৰৱৰ্ত্তী, প্ৰেৰণা দাস আৰু মৃদুস্মিতা গগৈ তেওঁলোকৰ একান্ত সহযোগিতাৰ বাবে বিশেষ ভাৱে শলাগ ল'লো। আলোচনীখন উচিত সময়ত সকলোৰে হাতত সজাই-পৰাই তুলি দিয়া বাবে এছ. এন এচোছিয়েটৰ সমূহ কৰ্মকৰ্তা তথা স্বত্বাধিকাৰী, বিশেষকৈ সাগৰ পাঠকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ আৰু সদৌটিক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

"জয়তু দিশপুৰ মহাবিদ্যালয়"

"জয়তু দিশপুৰিয়ান"

ত্ৰিবেণী বৰকটকী

(ত্ৰিবেণী বৰকটকী)

তত্ত্বাৱধায়িকা

দিশপুৰিয়ান



সম্পাদকীয়

"তমসো মা জ্যোতিগময়"

সাহিত্য এক কলা। সাহিত্য সংস্কৃতি জাতিৰ জীৱন। সাহিত্যৰ মাজেৰে এটা জাতিৰ চিন্তা ধাৰণা সংস্কৃতিৰ প্ৰতিফলন ঘটে। কেৱল এটা জাতিৰে নহয়, সমগ্ৰ মানৱ জাতিৰ চিন্তাধাৰণা, আশা-আকাংক্ষা সাহিত্যৰ মাজেৰে প্ৰতিফলন হয়। ইয়াৰ উপৰি সাহিত্যই সময়ৰ ছবিখন ধৰি ৰাখে। কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে কৈছিল- " সাহিত্য যে কেৱল ভাৱে ভাবে ভাষা ভাষাই মিল তেনে নহয়," মানুহৰ লগত মানুহৰ, অতীতৰ লগত বৰ্তমানৰ, দূৰৰ লগত ওচৰৰ মিলন। সাহিত্য এটা জাতিৰ দাপোণ স্ৱৰূপ। সাহিত্য অবিহনে এটা জাতিৰ অস্তিত্ব তথা স্বকীয় ৰূপ প্ৰকাশ পাৱ নোৱাৰে। পৌৰাণিক কালৰে পৰা সাহিত্যৰ বিভিন্ন শাখা যেনে গল্প, কবিতা, উপন্যাস, নাটক, গীত আদিয়ে বিভিন্ন দিশেৰে সমাজ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

সাম্প্ৰতিক সময়ত অসমৰ লগতে ভাৰতত ৰাজনৈতিক বাতাবৰণে জনসাধাৰণক অস্থিৰ কৰি তুলিছে। আজি আদৰ্শৰ অভাৱৰ বাবেই অপৰাধ দুষ্কৃতিক আকোঁৱালি লৈছে। এখন সমাজৰ গতি সলনি কৰিবলৈ এজাক মানুহ নালাগে। লাগে মাথো আন্তৰিকতাৰে নিজৰ কৰ্তব্যক প্ৰাধান্য দিয়া এমুঠি দায়িত্বশীল ব্যক্তিৰ। ইয়াৰ বাবে আগবাঢ়ি আহিব লাগিব যুৱ প্ৰজন্ম। যুৱ প্ৰজন্মই সক্ৰিয় ভূমিকা গ্ৰহণ কৰিলে সকলো সমস্যা সমাধান হ'ব।

দিশপুৰ মহাবিদ্যালয়ৰ মুখপত্ৰ 'দিশপুৰিয়ান' উক্ত শব্দ গাঁথাৰ দাপোন স্ৱৰূপ ছাত্ৰ-ছাত্ৰীৰ চিন্তন মনৰ বিকাশৰ ঘাই সোপান হৈছে একোখন আলোচনী যিয়ে তেওঁলোকক সৃজনীশীলতা আৰু আত্মপ্ৰকাশৰ বাবে এখন মঞ্চ প্ৰদান কৰে। মহাবিদ্যালয়ৰ আলোচনীয়ে একোজন কবি সাহিত্যিকৰ সৃষ্টি ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। এই আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা সাহিত্যৰ দিশত আগবাঢ়ি যাবলৈ প্ৰেৰণা দি আহিছে আৰু অনাগত দিনত এই মুখপত্ৰই এনেদৰেই ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ জ্যোতি প্ৰদান কৰিব বুলি মই আশাবাদী। বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন দিশত পাৰদৰ্শিতা দেখুৱাই অহা ছাত্ৰ-ছাত্ৰীসকলৰ পৰিচয় জ্ঞানৰ খতিয়ান চিৰদিনৰ বাবে বন্দী হয় আলোচনীখনৰ বুকুত আৰু পিছৰ চাম ছাত্ৰ-ছাত্ৰীৰ বাবেই হৈ পৰে প্ৰেৰণাৰ উৎস।

অসমৰ ৰাজধানীৰ দাঁতিতে প্ৰতিষ্ঠিত দিশপুৰ মহাবিদ্যালয়ে ইতিমধ্যে সুদীৰ্ঘ একচল্লিছটা বছৰ অতিক্ৰম কৰিলে। এনে এখন মহাবিদ্যালয়ৰ মুখপত্ৰ 'দিশপুৰিয়ান'ৰ সম্পাদনাৰ দায়িত্ব পালন কৰিবলৈ পাই মই নথৈ আনন্দিত হৈছো। এই সুযোগতে ২০১৮-১৯ বৰ্ষৰ আলোচনী বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰা সকলো দিশপুৰিয়ানলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আলোচনী এখন নিৰ্দিষ্ট সময়ত প্ৰকাশ কৰি উলিওৱাটো সম্ভৱ হয় তেতিয়াহে যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ লিখনি সমূহ সময়ত সম্পাদিকাৰ হাতত জমা দিয়ে। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা লিখনি উলিয়াই অনাটো সম্পাদিকাৰ বাবে এটা দুৰূহ কাম। এই বেলি অৱশ্যে আমাৰ অনুৰোধ ৰক্ষা কৰি ছাত্ৰ-ছাত্ৰীসকলে সময়মতে তেওঁলোকৰ লিখনি সমূহ জমা দিছিল।

আলোচনীখন প্ৰকাশৰ বাবে সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত মই অনুভৱ কৰিছো আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনত সমাজৰ উন্নতি আৰু উত্তৰণৰ বাবে ধাউতি আছে। তেওঁলোকৰ বহুকেইটা লিখনিত স্পৰ্শকাতৰ বিষয়সমূহ আলোচিত হৈছে আৰু বৰ্তমান পৰিস্থিতি সম্পকে তেওঁলোক সজাগ। এই লিখনিসমূহ লৈ আমি সম্পাদনা সমিতিয়ে এখন নিৰ্ভুল আৰু সৰ্বাংগসুন্দৰ আলোচনী প্ৰকাশ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছোঁ। অজ্ঞাতসাৰে ইয়াত যিবোৰ ভুল ভ্ৰান্তি থাকিগ'ল তাৰবাবে সম্পাদিকা হিচাপে সকলোৰে ওচৰত ক্ষমা প্ৰৰ্থনা মাগিছো আৰু সুধী সমাজৰ পৰা গঠনমূলক আলোচনাৰ আশা কৰিছোঁ যি সমালোচনাই 'দিশপুৰিয়ান'ৰ পৰৱৰ্তী সংখ্যাৰ মান অধিক উন্নত কৰাত সহায় কৰিব।

সৰ্বশেষত 'দিশপুৰিয়ান' আলোচনীখনত কিছু কাৰণবশত বহু উৎসাহিত ছাত্ৰ-ছাত্ৰীৰ লেখা প্ৰকাশ কৰিব নোৱাৰাত দুঃখিত। মুখপত্ৰ 'দিশপুৰিয়ান' আৰু দিশপুৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি মই মোৰ সম্পাদকীয় সামৰিলোঁ।

জয়তু দিশপুৰ মহাবিদ্যালয়

জয়তু দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

জয় আই অসম

গীতিকা শৰ্মা

সম্পাদিকা, দিশপুৰিয়ান

দিশপুৰিয়ান ঃ ত্ৰয়োবিংশতম্ সংখ্যা, ২০১৭-২০১৮

DISPUR COLLEGE
GUWAHATI-6

'দিশপুৰিয়ান'। দিশপুৰ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ। ত্ৰয়োবিংশতম্ সংখ্যা ২০১৭-২০১৮ বৰ্ষৰ দিশপুৰিয়ান খনি হাতত লৈ ভাল লাগিল। গহীন ৰঙীণ বেটুপাতৰে বন্ধা আৰু ভিতৰৰ লেখনিৰে সমৃদ্ধ দিশপুৰিয়ানখনি হাতত লৈ ভাল লাগিবৰে কথা।

বিদ্যালয় বা মহাবিদ্যালয় এখনৰ বাবে আলোচনী এখনৰ প্ৰয়োজন বা গুৰুত্ব ক'ত? বিগত এটা বছৰ ধৰি শিক্ষাৰ ক্ষেত্ৰত অনুষ্ঠানটোৰ পৰিচয় কেনে? এইবোৰ কথাৰ খতিয়ন এই আলোচনীতে পাব পৰি। শিক্ষানুষ্ঠানটিৰ শিক্ষাগুৰুসকলে শৈক্ষিক দিশত ছাত্ৰ-ছাত্ৰী সকলক নিৰ্দিষ্ট গতিৰে আগুৱাই নিব পাৰিছেনে এই বিষয়েও অনুমান কৰিব পাৰি এই আলোচনীখনৰ মাজেদিয়েই। শিক্ষকসকলৰ জ্ঞানৰ সাধনা, তেওঁলোকৰ ব্যক্তিত্ব, ছাত্ৰ-ছাত্ৰীসলক দিয়া বৌদ্ধিক নেতৃত্বও এই আলোচনীৰ মাজতে জিলিকি উঠে। উদাহৰণ স্ৱৰূপে ক'ব পাৰি দিশপুৰ কলেজখনৰ অসমীয়া বিভাগৰ প্ৰবক্তা ড° ৰীণা চৌধুৰীয়ে লেখা "ইংৰাজ লেখকৰ ৰচনাত ব্ৰহ্মপুত্ৰ' নামৰ প্ৰৱন্ধটো এটা গৱেষণামূলক প্ৰৱন্ধ। এই প্ৰৱন্ধত লেখিকাই ইংৰাজ লেখকে কেনেকৈ, কিয়, ক'ত, ব্ৰহ্মপুত্ৰ নদীৰ সম্পৰ্কত তেওঁৰ মতামত ব্যক্ত কৰিছে, সেই কথা উদাহৰণেৰে দাঙি ধৰিছে। আনএটা এই লেখীয়া প্ৰৱন্ধ হ'ল সেই একে অসমীয়া বিভাগৰ প্ৰবক্তা ড° মালবিকা ভট্টাচাৰ্যৰ "লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত বিশ্বাসঃ অনুষ্ঠানকেন্দ্ৰিক লোকসংস্কৃতিৰ সমল"। এই প্ৰৱন্ধটোত লোকসংস্কৃতি কাক বোলে, লোকসংস্কৃতিৰ বিভাগ সমূহ কি লোকসংস্কৃতিৰ সমল আদিৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছে। এনে গৱেষণামূলক প্ৰৱন্ধৰ উপৰি আলোচনীখনত প্ৰাক্তন ছাত্ৰ বিশ্বজিত কলিতাই লেখা "নাগৰিকত্ব আইন আৰু অসম" এটা উল্লেখযোগ্য প্ৰৱন্ধ। বৰ্তমান নাগৰিকত্ব আইন এই বিষয়টোৱে এক গণ আন্দোলন ৰূপ লৈছে, দেশ তোলপাৰ হৈ আছে। এনে এটা বিষয়ৰ

প্ৰৱন্ধ ৰচনাই আজিৰ ছাত্ৰ-ছাত্ৰীসকল যে নিজৰ যুগ লৈ সচেতন ই তাৰে নিদৰ্শন ৰাখী চক্ৰৱৰ্ত্তীৰ "একবিংশ শতিকাৰ ভাৰ্ছুৱেল পৃথিৱী"কে ধৰি ভালেকেইটা গুৰুত্বপূৰ্ণ প্ৰৱন্ধই আলোচনীখনত ঠাই পাইছে।

আলোচনীখনৰ তত্বাৱধায়িকা ড° বাবী বৰুৱাই "তত্বাৱধায়িকাৰ একলম"ত উল্লেখ কৰিছে যে আলোচনীখনত ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীলতাক পাৰ্যমানে ধৰি ৰাখিবলৈ চেষ্টা কৰা হৈছে। ই অতি আদৰণীয়। এই প্ৰসংগত আমি বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে ৰচনা কৰা গল্প, প্ৰৱন্ধ, কবিতা, আলোকচিত্ৰৰ সহায়ত ধৰি ৰখা তেওঁলোকৰ সুক্ষ্ম কলাসম্পন্ন কৰ্ম সমূহৰ কথাই উল্লেখ কৰিব পাৰোঁ। সেইদৰে প্ৰথম বেটুপাতৰ ছবিটোৱে বুজাইছে কেনেকৈ জ্ঞানৰ পোহৰে আন্ধাৰ নাশ কৰে, আৰু শেষ বেটুপাতৰ চিত্ৰই বুজাব খুজিছে গণতন্ত্ৰই হ'ল সকলোতকৈ শক্তিশালী অস্ত্ৰ।

হিমাশ্ৰী কলিতাৰ "অক্লান্ত পিয়াসী বিজয়া", বৰ্ণালী তালুকদাৰৰ "কোলাহলৰ আঁৰৰ নিস্তব্ধতা", মিতালী ডেকাৰ "প্ৰেমৰ পৰিণতি" উল্লেখযোগ্য। ইয়াৰ সকলোবোৰ গল্প সম মানৰ নহয় যদিও ইয়াৰ কেইটামান গল্পৰ মাজেদি ক'ব খোজা মানৱীয় প্ৰমূল্যবোধ বিশেষভাৱে উল্লেখযোগ্য। কবিতাৰ শিতানত পৰিখা কলিতাৰ "মূলসুতি" এটা সুন্দৰ কবিতা। চিমন শইকীয়াৰ "একপক্ষীয় প্ৰেম", হিমাক্ষী বয়ৰ "বহু যুগ কবিতা লিখা নাই", উল্লেখযোগ্য।

ইংৰাজী বিভাগত প্ৰকাশ পোৱা এখন ৰচনা হ'ল "Life after Darkness"। লিখিছে নিকিতা তালুকদাৰে। এগৰাকী কেন্সাৰ আক্ৰান্ত কিশোৰীৰ অভিজ্ঞতা আৰু সেই দু�ৰাৰোগ্য বেমাৰৰ সৈতে জীয়াই থকাৰ সংগ্ৰাম ইয়াত সুন্দৰকৈ বিবৃত হৈছে। সেইদৰে হিন্দী বিভাগতো গল্প, প্ৰৱন্ধ, কবিতা প্ৰকাশ হৈছে। "ধৰ্ম সংকট মে মোহব্বত"? "পুৰণি যুদ্ধবীৰ" হিন্দীত ৰচিত দুখনি সুখপাঠ্য ৰচনা এইদৰে এই আটাইকেইটা বিভাগত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাই আলোচনীখন জাকতজিলিকা কৰি তুলিছে। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অতিথি লেখক-লেখিকাৰ ৰচনা সম্ভাৰে আলোচনীখন সমৃদ্ধ কৰি তুলিছে। সকলোৱে যে অসমীয়াৰ উপৰি ইংৰাজী আৰু হিন্দীতো লিখাৰ প্ৰয়োজনীয়তা বোধ কৰিছে সি অতি সন্তোষৰ কথা।

এতিয়া এই আলোচনীখনৰ কেইটামান ব্যতিক্ৰমী দিশ উনুকিয়াব বিচাৰিছো। এই ত্ৰয়োবিংশত্তম্ সংখ্যাত দ্বাবিংশত্তম্ সংখ্যাৰ দিশপুৰিয়ানৰ এটা সমালোচনামূলক আলোচনা সন্নিবিষ্ট কৰা হৈছে। এই প্ৰৱন্ধৰ মাজেদি নিজৰ কৰ্ম সমালোচনামূলক দৃষ্টিভংগীৰে বিচাৰ কৰি চাব খোজাটো এটা ভাল লক্ষণ। দ্বিতীয়তে "মেগাফেষ্ট ২০১৭-২০১৮" নামৰ এটা অনুষ্ঠান কলেজখনে পতাতো। এই অনুষ্ঠানে নিজৰ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজতে নহয়, আন্তঃগুৱাহাটী পৰ্যায়ত প্ৰতিযোগিতা সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিছে। তৃতীয়তে ২০১৭ চনৰ "কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত সৰ্বাভাৰতীয় পৰ্যায়ত ৪১ নং স্থান পোৱা ছাত্ৰী" অসমৰ বিপাশা কলিতাৰ লগত অন্তৰংগ আলাপ শীৰ্ষক এটা সাক্ষাৎকাৰ প্ৰকাশ কৰাটো ছাত্ৰ-ছাত্ৰীৰ বাবে অনুপ্ৰেৰণাদায়ক। বেটুপাতৰ অলংকৰণ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে কৰোৱা পৰম্পৰাটো শলাগিবলগীয়া।

শেষত 'দিশপুৰিয়ন"ৰ সমূহ সম্পাদনা সমিতিক বিশেষভাবে অভিনন্দন জনাইছো। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলোৰে পৰা প্ৰয়োজন অনুসাৰে লেখা গোটাব পৰাটো সম্পাদকৰ কৃতিত্ব। মুখপত্ৰখনিৰ শেষৰ পৃষ্ঠাকেইটাত সুপৰিকল্পিত ভাৱে কলেজখন সম্পৰ্কীয় তথ্য প্ৰকাশ কৰা হৈছে। মহাবিদ্যালয়খনৰ ২০১৭-২০১৮ বৰ্ষৰ কলেজ সপ্তাহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল, দিশপুৰ মহাবিদ্যালয়ৰ বৰ্তমানলৈকে সাধাৰণ সম্পাদকৰ নাম, আলোচনী সম্পাদকৰ নাম, তত্বাৱধায়কৰ নাম, বিভিন্ন বাতৰি কাকতত প্ৰকাশ পোৱা কলেজ সম্পৰ্কীয় বা-বাতৰি খবৰ কাকতৰ কাটিং। এইবোৰ তথ্যই মুখপত্ৰখনিৰ গুৰুত্ব বৃদ্ধি কৰিছে। সম্পাদনা সমিতিৰ ঐকান্তিক চেষ্টা, আৰু সুপৰিকল্পনাৰ বাবেই এনে এখন আটকধুনীয়া আলোচনীৰ প্ৰকাশ সম্ভৱ হৈছে। সম্পাদক, তত্বাৱধায়িকাকে ধৰি আলোচনীখনৰ প্ৰকাশৰ লগত জড়িত সকলোৰে প্ৰতি আন্তৰিক অভিনন্দন থাকিল। দিশপুৰ কলেজৰ উত্তৰোত্তৰ উন্নতি কামনাৰে-।

ড° অঞ্জলি শৰ্মা
বিশিষ্ট লেখিক অধ্যাপিকা
তথা অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা
সন্দিকৈ মহাবিদ্যালয়

প্ৰথম বেটুপাতৰ চিত্ৰকথা

শিক্ষা হৈছে মানৱ মনক পৰিপূৰ্ণ কৰিব পৰা একমাত্ৰ মাধ্যম। পৌৰাণিক কালৰ পৰাই সমাজত শিক্ষা ব্যৱস্থা প্ৰচলিত হৈ আহিছে আৰু এই শিক্ষা ব্যৱস্থাই বিবৰ্তনৰ দিশে ধাৱমান হৈছে। বেটুপাতৰ চিত্ৰখনেও শিক্ষাৰ এই ক্ৰমবিবৰ্তনক প্ৰতিবিম্বিত কৰিবলৈ চেষ্টা কৰিছে।

চিত্ৰখখনৰ বাঁওপিনৰ গুৰু-শিষ্যৰ চিত্ৰখনে- গুৰু আৰু শিষ্যৰ শিক্ষা ব্যৱস্থা অৰ্থাৎ টোলৰ শিক্ষা ব্যৱস্থাৰ এক আভাস দাঙি ধৰিছে। এই ব্যৱস্থাত শিষ্যসকলে গুৰু গৃহত থাকি শিক্ষা লাভ কৰিছিল। গুৰুৱে প্ৰদান কৰা জ্ঞানকে অনুকৰণ কৰি চলিছিল। এনে গুৰুকুলতেই সৃষ্টি হৈছিল, সৰ্বজ্ঞানী অৰ্জুন, যুধিষ্ঠিৰৰ দৰে একো একোজন সুদক্ষ শিষ্যৰ। লাহে লাহে সমাজ ব্যৱস্থাৰ পৰিবৰ্তনে শিক্ষা ব্যৱস্থাৰো পৰিবৰ্তন আনিলে। শিক্ষাই ক্ৰমান্বয়ে উন্নতি সাধন কৰি ইয়াৰ প্ৰসাৰ শ্ৰেণী কোঠালৈ প্ৰসাৰিত কৰিলে। ছাত্ৰ-ছাত্ৰীসকলে. ডেস্ক-বেঞ্চত বহি শিক্ষালাভ কৰিবলৈ সুবিধা লাভ কৰিলে। এই কথাখিনিকে চিত্ৰায়িত কৰা হৈছে চিত্ৰখনৰ উপৰ ভাগত থকা শিক্ষক ছাত্ৰৰ ছবিখনে।

বৰ্তমানৰ সময় বিজ্ঞানৰ যুগ। বিজ্ঞানক বাদ দি বৰ্তমানৰ মানুহৰ জীৱন-যাপন যেন আধৰুৱা। সেয়েহে শিক্ষাই সময়ৰ বালিত খোজ মিলাই বিজ্ঞানৰ এই ন-ন সুবিধাক আকোৱালি লৈছে আৰু তাৰেই ফলশ্ৰুতিত শ্ৰেণীকোঠাৰ শিক্ষা কিছু হ'লেও ডিজিটেল শিক্ষালৈ পৰিবৰ্তিত হোৱাৰ পথত অগ্ৰসৰ হৈছে। বিজ্ঞানৰ ন-ন সৃষ্টিয়ে জ্ঞান আহৰণৰ প্ৰক্ৰিয়াতো সহজলভ্য কৰি তুলিছে। ইয়াকেই প্ৰতিবিম্বিত কৰাৰ প্ৰসায় কৰা হৈছে সোঁফলৰ চিত্ৰখনে। য'ত কিছুমান বিজ্ঞানৰ ন-ন আৱিষ্কাৰ দেখুওৱা হৈছে।

এখন সমাজ উন্নত আৰু শিক্ষিত হ'বৰ বাবে নাৰীসমাজ শিক্ষিত হ'ব লাগিব। সেয়েহে নাৰী শিক্ষাৰ প্ৰচলনৰ জৰিয়তে সমাজৰ পৰা কু-সংস্কাৰ, অন্ধবিশ্বাস দূৰ কৰিবলৈ বিচৰা হৈছে। ইয়াকেই প্ৰতিবিম্বিত কৰিছে চিত্ৰখনত হাতত কিতাপ লৈ থকা নাৰী কেইগৰাকীয়ে, শিক্ষাৰ প্ৰসাৰ আকাশ চুম্বী হ'বলৈ গতি কৰিছে। তাকেই প্ৰতিফলিত কৰিছে ফটোখনৰ ওপৰত হাতত কিতাপ লৈ থকা ব্যক্তিজনৰ ছবিখনে। শিক্ষাৰ বিৱৰ্তন অনিৰ্দিষ্ট কাললৈ উৰ্দ্ধমুখী গতিত গতি কৰি থাকিব এই কথাকেই চিত্ৰায়িত কৰা হৈছে বগা ৰঙৰ খট্-খটিয়ে। সূৰ্যৰ পোহৰে যিদৰে গোটেই বিশ্বখন পোহৰাই তোলে ঠিক, তেনেদৰে শিক্ষাৰ পোহৰেও সমাজ ব্যৱস্থাক পোহৰাই তোলে। বেটুপাতত অংকিত ৰঙা সূৰ্যটোৱে ইয়াকে বুজাইছে।

মুক্তধি কলিতা
পঞ্চম ষান্মসিক, পৰিচালন বিভাগ

শেষ বেটুপাতৰ চিত্রকথা



সৃষ্টিৰ আঁৰতেই হ'ল জ্ঞান। জ্ঞান জীৱন সত্তাৰ সঞ্জীৱনী শক্তি। জ্ঞানৰ ফলত হোৱা ন-ন সৃষ্টিৰাজিৰ কথা বেটুপাতৰ মাধ্যমেৰে বুজাব বিচৰা হৈছে। বাওঁফালে চিত্রায়িত হাতখন এক ঐশ্বৰিক কৃপাক প্রতিনিধিত্ব কৰিছে। চিত্রখনৰ বাওঁফালৰ পৰা অহা বগা ৰশ্মিয়ে সৃষ্টিৰাজিত জ্ঞানৰ পোহৰ প্রতিফলিত কৰাৰ কথা বুজাবলৈ প্রসায় কৰা হৈছে। এই জ্ঞানৰ পোহৰৰ ফলতেই সমাজত ন-ন সৃষ্টিৰাজিৰ আৱিস্কাৰ দেখিবলৈ পোৱা গৈছে। পৌৰাণিক যুগৰ পৰা বর্তমানলৈ চলি অহা ন-ন জিজ্ঞাসা সমূহৰ সমাদান এই শিক্ষাৰ জ্যোতিতে উপলব্ধ। চিত্রখনৰ মধ্য স্থানত প্রকাশ পোৱা অর্ধ গোলকটোৰ অংশটোৱে সমগ্র বিশ্বকে প্রতিনিধিত্ব কৰিছে। য'ত ভূমণ্ডলৰ ওপৰত বিজ্ঞানৰ সৃষ্টি সমূহক দেখুওৱা হৈছে।

অভিষেক ভাণ্ডাৰী
তৃতীয় ষান্মসিক, পৰিচালন বিভাগ

ত্রয়োবিংশতম্ সংখ্যা 'দিশপুৰিয়ান'ৰ বেটুপাতৰ গৌৰৱ

কটন বিশ্ববিদ্যালয়ৰ ' কটন ফিয়েষ্টা-২০১৯'ৰ লগত সংগতি ৰাখি আয়োজন কৰা R. C. Goffin স্মাৰক আলোচনী প্রতিযোগিতাত শ্রেষ্ঠ বেটুপাত শিতানত দিশপুৰ মহাবিদ্যালয়ৰ ত্রয়োবিংশতম্ সংখ্যা 'দিশপুৰিয়ান'ৰ বেটুপাতে শ্রেষ্ঠ বেটুপাত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে।

বেটুপাত শিল্পী - শংকৰ জ্যোতি ভৰালী

সম্পাদনা সমিতি

সূচীপত্র

অসমীয়া বিভাগ

প্রৱন্ধ শিতান

সাহিত্যত আধুনিকতা আৰু নন্দনতত্ত্ব	-	সাহিত্যাচার্য ড° পৰাগ কুমাৰ ভট্টাচার্য	১১
অঙ্কীয়া নাটৰ নাৰী চৰিত্র - এটি চমু আলোচনা	-	ড° জয়জ্যোতি গোস্বামী	১৪
এখন ফুলনিৰ কথা	-	ড°ৰাণী মুদিয়াৰ ডেকা	১৯
পর্যটক-ধর্মগুৰুৰ টোকাত অসম সম্পর্কীয় তথ্য	-	ড° ৰীণা চৌধুৰী	২২
অসম সাহিত্য সভা ঃ কিছু প্রাসংগিক চিন্তা	-	ড° সঞ্জীৱ কুমাৰ শর্মা	২৭
ভাৰতীয় ৰাজনীতিত নাৰী	-	নয়ন জ্যোতি শর্মা	৩০
অসম-চুক্তিৰ ছয় নং ধাৰা	-	অৰবিন্দ বৰা	৩২
কলেজীয়া জীৱন	-	বিকাশ জ্যোতি দাস	৩৪
চর্যাপদ - এটি পর্যালোচনা	-	কুলপ্রদীপ পাটোৱাৰী	৩৬
সোণাপুৰ - মিটনীৰ জগন্নাথ মন্দিৰ	-	অবিনাশ ৰায় চৌধুৰী	৩৯
প্রাথমিক শিক্ষাত সমাজৰ দায়বদ্ধতা	-	জামাদুল ইছলাম বৰভূঞা	৪১
মানৱ কল্যাণৰ আন এটি নাম ৰক্তদান	-	দীপজ্যোতি পাঠক	৪৩
অনুশাসনহীনতা	-	গীতিকা শর্মা	৪৪
চানডুবি ঃ পর্যটন ক্ষেত্র	-	নিশান্ত বসুমতাৰী	৪৬
বৃত্তি নির্বাচন সম্পর্কীয় দিহা-পৰামর্শ শিতান	-	ড° বুলজিৎ বুঢ়াগোহাঁই	৪৮

কবিতা শিতান

অনুৰাগ..... তোমালৈ	-	তুলিকা চৌধুৰী	৫৩
কুণ্ডলী পকাই যোৱা	-	ব্রজেন শর্মা	৫৪
জুইকুৰা জ্বলাই ভালেই কৰিলি	-	ৰাখী চক্রৱর্ত্তী	৫৪
জীৱন বাটৰ ধুমুহা	-	স্বর্ণালী কলিতা	৫৫
দিশপুৰিয়ানৰ সীৱলুত মোৰ আশা-প্রত্যাশা	-	মৃদুপৱন ভট্টাচার্য	৫৫
দুটি কবিতা	-	নিকিতা ডেকা	৫৬
জীৱন	-	জাহ্নবী তালুকদাৰ	৫৭
এটা শব্দ ভঙাৰ শব্দৰ শব্দত	-	অমৱেন্দ্র দেৱর্ষি আৱন্ধৰা	৫৭
মা	-	দীপশিখা শর্মা	৫৮
ফাগুন	-	বাণী সিনহা	৫৯
সৰাপাতৰ সুৰ	-	জয়শ্রী কলিতা	৫৯
জ্যোতিকণা	-	অমৱেন্দ্র দেৱর্ষি আৱান্ধৰা	৬০

মমতা	-	দীপজ্যোতি কাকতি	৬০
মোৰ মনৰ প্ৰশান্ত জোৱাৰ	-	ৰিংকী বৰ্মন	৬০
দুটি কবিতা	-	ধীৰাজ শৰ্মা	৬১
দুটি কবিতা	-	জিতুমণি বৰ্মন	৬২
আকৌ এবাৰ বোৱাওঁ আহা তেজ	-	তৃষ্ণা তালুকদাৰ	৬২
ছাঁ	-	দেৱাশিষ কলিতা	৬৩
দুঃ সময়	-	কৌশিক কলিতা	৬৪
শাওনৰ প্ৰেম	-	ৰিয়া চুলতানা	৬৪
অমানিশাৰ মাজত পোহৰ বিচাৰি	-	অনুৰাধা বৰকটকী	৬৫
শান্তি বিচাৰি	-	ভনিতা নাথ	৬৫
শিক্ষাগুৰু	-	মেঘনা বড়ো	৬৬
অই মাতাল আজিও ইয়াত তই	-	তৃষ্ণা তালুকদাৰ	৬৬
সময়	-	গীতিকা শৰ্মা	৬৭
পোহৰ	-	স্মিতা ডেকা	৬৭
দেউতা	-	নিপন কুমাৰ ডেকা	৬৮
দেউতা	-	গীতিকা শৰ্মা	৬৮

গল্প শিতান

যোগী বাবা, মাংৰী আৰু অন্যান্য	-	ত্ৰিবেণী বৰকটকী	৭১
অদৃষ্ট	-	বিনীতা ৰাভা	৭৪
চাকৰি	-	মিণ্টু ঠাকুৰীয়া	৭৬
জীৱনৰ লয়লাস	-	ভট্টাৰিকা শৰ্মা	৮০
প্ৰথম ভালপোৱা মোৰ জীৱনৰ এজাক ধুমুহা	-	তৃষ্ণা তালুকদাৰ	৮২
সন্তানে মাতৃক কেতিয়াও অৱহেলা কৰিব নেপায়	-	বাৰ্বী দেৱী	৮৫
ৰিক্সাৱালা	-	কৌশিক কলিতা	৮৭
প্ৰেমৰ বাবে	-	ৰাজ তালুকদাৰ	৮৯
ৰকী	-	নিতুল দাস	৯১
একাংকিকা নাট ঃ সাগৰ সীমাৰ সিপাৰে সমীৰণ	-	নিপন কুমাৰ ডেকা	৯২
নীলা খামৰ চিঠি			১০০

English Section

ARTICLE

Importance of Being Bilingual			
Steps Towards success Entrepreneurship	-	Dr. Gobinda Prasad Sarma	105
Financial Literacy and Investment Options for Student's	-	Mrs Julie Kataki Pathak	109
	-	Dr Ajoy Mitra	111
Reprogramming Y our Subconscious Mind	-	Abhijit Bujar Baruah	116
Social Entrepreneurship	-	Sikha Baishya	118
Climate Change May Soon Turn Critical in India	-	Balram Jha	121
Rose : 'Queen of Flower' From Nature to Polyhouse	-	Nitesh Kumar Singh	125
The Condition of England: Thomas Carlyle	-	Subrata Chetia	127
The Global Climate Emergency	-	Glory Narzary	129
Pollution of Environment	-	Rakesh Sharma	130
Robots - Computer Science	-	Rachana Rai	131
Women writers of the Victorian Period	-	Prabhakar Adhikary	132
Take care of your Body, Its the only place you Live	-	Subimol Gogoi	133
Chetan Bhagat	-	Nilov Muktiar	134
CAA : The North-Eastern	-	Anirban Barman	135
Gender Stereotypes	-	Muktadhee Kalita	137
Durga Puja	-	Pranali Barman	139
Importance of Music in Life	-	Snapan Bharadwaj	140
Independence or In-Dependence?	-	Swarnali Kalita	141
On Victorian Literature	-	Anju Begum	142
Thabal Chongba- The Moonlight Dance	-	Shagabhen Satyam Singh	143
How To Control Your Anger	-	Manash Pratim Bordoloi	144

POETRY

HIDDEN TEARS...	-	Sangeeta Roy	147
A SINGLE AUSPICIOUS AND PURE DROP-	-	Suhana Khan	147
WILL I REMEMBER?	-	Swarnali Kalita	147
THE LOST NATURE	-	Bibek Upadhya	147
CHEERS !	-	Sajid Ahmed	148
BE A SAVIOUR	-	Simpee Hazarika	148
CHILDHOOD	-	Anju Begum	148
COLLEGE DAYS	-	Nayanjyoti Sonowal	149
ARE YOU MOTIVATED?	-	Aditya Singh	149
DON'T QUIT	-	Sonalika Jamatia	149
I'M NOT FINE!	-	Pallavi Boro	150
HOURGLASS OF THE NIGHT	-	Ankush Naha	150
LIFE'S GAME	-	Roneet Gurung	151
LEARN TO LEARN FROM MISTAKE	-	Ritika Thapa	151
MOTHER	-	Raj Shing	151
TEENAGE MISTAKES	-	Puja Khanal	152
PEOPLE	-	Hiyashree Sarmah	152
PROFFER	-	Shagabhen Satyam Singh	153
TEACHER'S	-	Rosa Nongshli	153
PASSING TIME WITH POLLUTION	-	Bibek Upadhya	153
THE HUMAN FAMILY	-	Rahul Dev Barman	154
YOUNGSTERS	-	Suhana Khan	154

STORY

Never Give Up in Life!	-	Prerna Das	157
Procrastination	-	Nisanta Basumatary	158

हिंदी विभाग

भक्ति आंदोलन और संत कबीर	–	ड० सुचित्रा पाठक 161
नवप्रजन्म	–	निलाक्षी बड़ो 164
डायरी - एक पन्ना	–	कमल जैन 165
महाविद्यालय	–	कमल जैन 166
कौन तुम	–	सुप्रिया देव राय 166
तुम.... इस सफर में	–	स्वर्णाली कलिता 167
बीते हुए वह समय	–	चंदन कलिता 167
प्रकृति की मादकता	–	चंदन कलिता 168
शरारत	–	सोनाली राभा 168
सफर	–	जुलफिकर अली 168
हरियाली	–	तमनु कुमारी पंडित 169
कल्पना	–	अंकिता फुकन 169
हकीकत	–	तरुण दास 169
जैसी करनी वैसी भरनी	–	सुभाष शर्मा 170
दिल का दरियाँ	–	मृदुस्मिता गगोई 172
प्रतिवेदन		174

অসমীয়া বিভাগ

প্রৱন্ধ শিতান



"ভাবসমৃদ্ধ, মননশীল, যুক্তিনিষ্ঠ,
নাতিহ্রস্ব গদ্য ৱচনাই প্রবন্ধ।"

অতিথি

সাহিত্যত আধুনিকতা আৰু নন্দনতত্ত্ব

সাহিত্যাচার্য ড° পৰাগ কুমাৰ ভট্টাচার্য

পুৰণিৰ প্ৰতি বিদ্রোহ আৰু নতুনক স্বাগতম জনাই তাৰ মাজত সৌন্দর্যৰ অনুসন্ধানেই আধুনিকতাবাদৰ মূল লক্ষ্য। উনৈশ শতিকাৰ প্ৰথমার্দ্ধৰ পৰা সাহিত্যত আধুনিকতাবাদী ধাৰণাৰ সূত্রপাত হয় যদিও ওঠৰ শতিকাৰ শেষৰ ফালৰপৰা বস্তুবাদী সভ্যতা আৰু বৈজ্ঞানিক প্ৰগতিৰ যোগেদি পাশ্চাত্য সভ্যতাৰ এক ক্রমবিকাশিত স্তৰ হিচাপে আধুনিক যুগটোৰ সূত্রপাত হয়। আধুনিক যুগ-মানসিকতাই সাধাৰণতে ক্রমবর্দ্ধমান বৈষয়িক উন্নতি, বিজ্ঞানৰ উপকাৰিতাৰ ওপৰত বিশ্বাসস্থাপন, ভাবাত্মক মানৱতাবাদৰ বুজায় মাজত মানৱীয় মুক্তিৰ ধাৰণা আদি। আনহাতে সাহিত্যত আধুনিকতাবাদে বুজায় Avant Garde ৰ ধাৰণাৰ প্ৰসাৰ যিয়ে প্ৰধানভাৱে বুর্জোৱা বিৰোধী ভাবৰ পোষকতা কৰে। মধ্যবিত্তৰ মূল্যবোধৰ দ্বাৰা বিতুষ্ট কবি-সাহিত্যিক সকলে এনেদৰে বুর্জোৱা আধুনিকতাক প্রত্যাখ্যান কৰি এক নব্য নান্দনিক আধুনিকতাবাদৰ তত্ত্ব গঢ়ি তুলিলে। উনৈশ শতিকাৰ আৰম্ভণিৰপৰা এই দুটা আপাত বিৰোধী আধুনিকতাৰ ধাৰা প্ৰবহমান হৈ আহিছে।

আধুনিক বস্তুটো একেবাৰে কিবা এটা নোহোৱা নোপজা বস্তু নহয় আৰু ইয়াক ঐতিহ্যৰ পৰা পৃথক কৰি চাব নোৱাৰি বুলি নির্দেশ কৰি Hulme এ কৈছিল Neither modern nor modernist thought represented the the advent of the new but a reiteration of the old. এই ফালৰ পৰা আধুনিকতাৰ মাজত ঐতিহ্য তথা চিৰন্তন মুল্যবোধৰ সন্ধান কৰা অন্যতম লক্ষ্য। আনহাতে এই আধুনিকতাক ঐতিহ্য বিৰোধী বুলি ধৰি লৈয়ো ইয়াৰ মাজত চিৰায়ত মূল্যবোধৰ বিচাৰ কৰি আধুনিক সাহিত্যিকসকলে এই নন্দনতত্ত্বৰ জন্ম দিছে। আধুনিকতা মানেই নতুনত্ব আৰু ই পুৰণিৰ পৰা পৃথক বুলি ওঠৰ শতিকাতে আধুনিকতাৰ বিচাৰ কৰিছিল Horace Walpole এ। ১৭৮২ চনত তেওঁ কবি Chatterton ৰ কাব্যৰ প্রসঙ্গত আধুনিক বুলি কৈ সেই কবিতাৰ স্বকীয়তা প্রতিপন্ন কৰিছিল বুলি Matei Colinescu য়ে তেওঁৰ Five Faces of Modernity. গ্রন্থত উল্লেখ কৰিছিল—

"OED record the first occurance of medernity (meaning present time) in 1672. It also cites Horace Walpole who in a letter of 1782 Spoke of Chattertons poems in terms of modernity of their modulation which nobody can get over".

এই নব্যভঙ্গীৰ কবিতাবোৰৰ মাজত আধুনিক নন্দন তত্ত্বৰ ধাৰণা সোমাই থকা বুলি উপৰি উক্ত লেখকজনে উল্লেখ কৰি কৈছে।

"Horace Walpole's use of modernity as an

argument in the famous controversy about the Rowly Papers of Thomas Chatterton, a Poet whose work and tragic myths were to become so popular with the next-fully romantic generation implies a subtle sense of aesthetic modernity.

ঊনৈশ শতিকাৰ মাজভাগলৈ Modernity শব্দটো ফ্ৰান্সত ব্যৱহৃত হোৱা নাছিল। ইয়াক প্ৰথম প্ৰয়োগ কৰে ঔপন্যাসিক Chateaubriand এ তেওঁৰ Mamories d'ontre tomb শীৰ্ষক ৰচনাত। ইয়াৰ দ্বাৰা তেওঁ বুজাইছিল প্ৰত্যাহিত তুচ্ছতা আৰু সাময়িক মূল্যবোধক যি মধ্যযুগীয় অতীতৰ গুৰু গাম্ভীৰ্যপূৰ্ণ পৌৰাণিকতাৰ সম্পূৰ্ণ বিপৰীত। কিন্তু এই ক্ষুদ্ৰত্ব আৰু সাময়িকতাৰ মাজতেই সৌন্দৰ্য সন্ধানৰ স্পৃহা প্ৰথম প্ৰকাশি উঠে Theophil Gautier ৰ চিন্তাত। তেওঁ Plastique et Civilization. Due beak antique et due beak moderne শীৰ্ষক ৰচনাত আধুনিক ঔদ্যোগিক জীৱনকো পৰিৱৰ্তন কৰি লোৱাৰ কথা কৈছে আৰু ইয়াৰ মাজতে অতীতৰ ধ্ৰুপদী সৌন্দৰ্য্যতকৈ পৃথক এক নান্দনিক সৌন্দৰ্য্যবো অনুধাৱণ কৰিব লাগিব বুলি উল্লেখ কৰিছে।

"It goes without saying that we accept civilization at its rail road steamboats English scientific research Central heating factory Chimneys will its technical equipments which have been rendered impervious twice picturesque".

Gautier ৰ ধাৰণাত আধুনিক সভ্যতাক কুৎসিৎ বুলি দলিয়াই পেলালে নহ'ব তাৰ মাজৰ পৰাই সৌন্দৰ্য্য সন্ধান কৰি সাহিত্যৰ উপাদান উলিয়াই ল'ব লাগিব। এই প্ৰসঙ্গতে তেওঁ আধুনিক যান্ত্ৰিক যুগৰ পৰা আঁতৰি আহি শান্তিৰ সন্ধানত ব্যস্ত ৰোমাণ্টিক কবিসকলৰ বাস্তৱকতাকো কটাক্ষ কৰিছে।

আধুনিক কালৰ সমসাময়িক আৰু ক্ষণস্থায়িত্বক দলিয়াই পেলাই প্ৰখ্যাত কবি নান্দনিক বডলেয়াৰে ইয়াৰ সুৱত কৈছে যে আধুনিকতা হ'ল Present in its presentess, in its purely instanteous quality. আধুনিকতাৰ সম্পৰ্ক এতিয়া বৰ্তমানৰ সমসাময়িকতাৰ লগত, ... বদ্ধ সংস্কাৰ আৰু স্থবিৰতাৰ বিৰুদ্ধে ই এক বিদ্ৰোহ স্বৰূপ। অতীতৰ লগত ইয়াক তুলনা কৰি আধুনিকতাৰ স্বৰূপ ব্যাখ্যা কৰিছে এই কবিজনাই তেওঁৰ প্ৰখ্যাত প্ৰবন্ধ Painter of Modern life ত। অতীতৰ দৰে বৰ্তমানৰো এক স্বকীয় সৌন্দৰ্য্য আৰু গাম্ভীৰ্য আছে বুলি তেওঁ আঙুলিয়াই দি কৈছে — অতীত যিমানে ক্ষণস্থায়ী নহওক, ইয়াক অৱজ্ঞা নকৰি তাৰ পৰাই সৌন্দৰ্য্যৰ আকৰ বিচাৰি উলিয়াই ল'ব লাগিব।

সমসাময়িক জীৱন চেতনাৰ মাজত স্বকীয় সৌন্দৰ্য্য উদঘাটন কৰিবলৈ আধুনিক সাহিত্যিকসকলে অসতৰ এখন নিষিদ্ধ জগতৰ মাজত বিচৰণ কৰিলেও তাক তেওঁলোকে স্বীকাৰ নকৰে। সভ্যতাৰ এই ফুলবোৰ ধুনীয়া ঠিকেই কিন্তু তাক উভালি পেলাব লাগিব। ইয়াৰ বাবে দৰকাৰ এক কল্পনাবোধৰ। অতীতৰ ওপৰত ভেজা দিলে এই কল্পনাশক্তি ক্ষুন্ন হয়। এই কল্পনাৰ যোগেদি আধুনিক এই পৰিৱেশৰপৰাই এক নব্য জগত নিৰ্মাণ কৰি লব লাগিব। গতিকে বডলেয়াৰৰ ধাৰণাত আধুনিকতা হ'ল কল্পনাশ্ৰয়ী নান্দনিকবোধ। বাস্তৱৰ প্ৰকাশেই সাহিত্য নহয়। সাহিত্যিকে বা কবিয়ে কল্পনাৰ যোগেদি আপাত দৃষ্টিৰ বাস্তৱতাৰ মাজত চিৰন্তনতাৰ সন্ধান কৰে। এই কাৰণেই আধুনিক সাহিত্যত ক্ষণস্থায়িত্ব আৰু চিৰন্তনতাৰ ধাৰণা একেলগে সাঙোৰ খাই থাকে। বডলেয়াৰৰ এই আধুনিকতাৰ ধাৰণাই সাহিত্যত চিৰন্তনতা আৰু সৌন্দৰ্য্য সৰ্বস্বতাৰ জয় ঘোষণা কৰিলে। এই প্ৰসঙ্গতে Calinscu য়ে বডলেয়াৰৰ প্ৰসঙ্গত কোৱা এযাৰ কথা উল্লেখনীয়।

"For Baudelaire modernity is not a reality to be copied of his imagination by which he penetrates beyond the benality of observable appearance into a world of correspondance where ephemerality and eternity are one".

বডলেয়াৰে কল্পনাশক্তিৰ ওপৰত জোৰ দিলেও কবিতা বা কলা স্বতঃস্ফুৰ্ত্ত এক অনুপ্ৰেৰণাৰ ফল বুলি তেওঁ স্বীকাৰ নকৰে। এই প্ৰসঙ্গতে তেওঁ ৰোমাণ্টিক Natural genius ৰ ধাৰণাক প্ৰত্যাখান কৰি বৈজ্ঞানিক তথা যুগোপযোগী চিন্তাকে প্ৰকট কৰিছে। কবিৰ মনত অনুপ্ৰেৰণাৰ জন্ম হয় ইচ্ছা শক্তিৰ পৰা। এই ইচ্ছাক তেওঁ চিন্তা আৰু শৃঙ্খলাৰে গঢ় দি কলাৰ সৃষ্টি কৰে। কবি বা শিল্পী মন বৈজ্ঞানিকৰ দৰে। সেই ফালৰ পৰা কলাক এটা যন্ত্ৰৰ লগত তুলনা কৰিব পাৰি। ই যুক্তিধৰ্মী কাৰণেই বোধগম্য। কলাজ্ঞানসম্পন্ন ব্যক্তিয়ে ইয়াক সহজে বুজি পায়। বডলেয়াৰে কলাৰ এই বোধগম্যতাৰ প্ৰসঙ্গত কৈছে — "a painting is a machin whose syatems are all intelligible for an experienced eye in which everything has its reason to be whose is it if the painting is good in which every single tone is meant to help bring forth another one".

আধুনিক সামাজিক বা ৰাষ্ট্ৰ ব্যৱস্থাত মানুহৰ স্বাভাৱিক বা জৈৱিক প্ৰবৃত্তিবোৰৰ অনিৰুদ্ধ প্ৰকাশ ঘটিছে আৰু আগৰ

যুগৰ নৈতিকতাৰ ধাৰণা সম্পূৰ্ণ ভাঙি পৰিছে। সংখ্যা গৰিষ্ঠতাৰ নামত গণতন্ত্ৰৰ যি সামূহিক প্ৰৰণতাৰ জন্ম হৈছিল ই কলাৰ বিকাশৰ বাবে সম্পূৰ্ণ পৰিপন্থী। বিশেষকৈ আমেৰিকাৰ দৰে দেশত গণতন্ত্ৰৰ নামত স্বাৰ্থপৰতা, প্ৰতি আক্ৰমণ আৰু প্ৰতিযোগীতাৰ যি বতাহ বৈছে সিয়ে শিল্পী সাহিত্যিকৰ মনত এক বিচ্ছিন্নতাবোধৰ সৃষ্টি কৰিছে।

আধুনিক সভ্যতাৰ বুকুতে আধুনিক কলা চৈতন্যৰ প্ৰকাশ ঘটে। সেয়ে আধুনিক সভ্যতাৰ প্ৰতি বিৰোধ ভাৱ পোষণ কৰিব নোৱাৰি; কিন্তু সভ্যতাৰ নামত আগবাঢ়ি অহা বৰ্বৰতাই মানৱীয় সৃষ্টিৰ ভেটি ধ্বংস কৰে। আধুনিক সাহিত্যিকসকলে এফালে বস্তুবাদী বৰ্তমানক আদৰিব নোৱাৰে আৰু আনফালে নীতি নিয়মেৰে ভাৰাক্ৰান্ত অতীতকো গ্ৰহণ কৰিব নোৱাৰে। বডলেয়াৰেও আভিজাত্যপূৰ্ণ অতীত হেৰাই যোৱাৰ কথা কৈছে আৰু বস্তুবাদী মধ্যবিত্তৰ বৰ্তমানৰ আধুনিকতাৰ সম্প্ৰসাৰণকো অস্বীকাৰ কৰিছে। এই দুই দ্বন্দ্বৰ সমাধান তেওঁ বিচাৰি পাইছে এক নীতিজ্ঞান বা বিবেক উপলব্ধিৰ যোগেদি। তেনে নীতিজ্ঞানৰ (Conscience) উদয় হলে প্ৰবহমান বৰ্তমান হৈ পৰিব প্ৰকৃতাৰ্থত সৃষ্টিধৰ্মী আৰু ইয়াৰ মাজত এক সৌন্দৰ্য্য মূৰ্ত্ত হৈ উঠিব। এই সৌন্দৰ্য্য হ'ব ক্ষণস্থায়িত্বৰ বুকুৰ সৌন্দৰ্য্য।

বাস্তৱ জগতত তথা চলমান বৰ্তমানৰ পৰাই আধুনিক নান্দনিক সকলে মহৎ সাহিত্যৰ উপাদান উলিয়াই লৈ সাহিত্যক জনমুখী কৰাৰ লগতে চিৰায়তৰ সন্ধানতো ব্ৰতী হৈছে। এইফালৰ পৰা আধুনিক সাহিত্যত এক আধ্যাত্মিক আদৰ্শও প্ৰকট হৈছে।

—

অঙ্কীয়া নাটৰ নাৰী চৰিত্ৰ - এটি চমু আলোচনা

ড° জয়জ্যোতি গোস্বামী
উপাধ্যক্ষ

অসমত নৱবৈষ্ণৱ ধৰ্মপ্ৰচাৰৰ উদ্দেশ্য আগত ৰাখিয়েই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আৰু মাধৱদেৱে নাট, গীত কাব্য ৰচনাৰ পাতনি মেৰে। তাৰ ভিতৰত অঙ্কীয়া নাট কেইখনি এক অতুলনীয় বৈশিষ্ট্যৰে সমুজ্জ্বল। শংকৰদেৱৰ নাটৰ মূল চৰিত্ৰ পূৰ্ণাঙ্গ পুৰুষ পুৰুষোত্তম কৃষ্ণ আৰু মাধৱদেৱৰ নাটৰ ৰাখোৱাল স্বৰূপ শিশু কৃষ্ণ। এই কৃষ্ণক কেন্দ্ৰ কৰিয়েই নাটসমূহত বহু কেইটি নাৰী চৰিত্ৰৰ সমাৱেশ ঘটিছে। মাতৃ, পত্নী, আৰু প্ৰেমিকা ৰূপত নাৰী চৰিত্ৰসমূহ নিজস্ব বৈশিষ্ট্যৰে উদ্ভাসিত হৈছে।

শংকৰদেৱে ছখনি নাটক ৰচনা কৰে। সেয়া হৈছে পত্নীপ্ৰসাদ, কালিয় দমন, কেলিগোপাল, পাৰিজাত হৰণ, ৰুক্মিণী হৰণ আৰু ৰাম বিজয়।

'পত্নীপ্ৰসাদ' শংকৰদেৱৰ প্ৰথম নাট। ইয়াত অংকিত হোৱা নাৰী চৰিত্ৰ হৈছে বিপ্ৰ পত্নীসকল। কৃষ্ণ ভক্তি পৰায়ণ ব্ৰাহ্মণ পত্নীসকলৰ ঐকান্তিক কৃষ্ণ প্ৰেম ইয়াত প্ৰকাশ পাইছে। কৃষ্ণ ভক্তি মাহাত্ম্য বুজাবৰ বাবেই ইয়াত এই চৰিত্ৰ কেইটিৰ অৱতাৰণা কৰা হৈছে। 'পত্নীপ্ৰসাদ'ত কাহিনী ৰচিত হৈছে কৰ্মকাণ্ডত বিশ্বাসী ভক্তিবিৰোধী ব্ৰাহ্মণসকল আৰু কৃষ্ণভক্তা বিপ্ৰ পত্নীসকলৰ বিৰোধক কেন্দ্ৰ কৰি। ব্ৰাহ্মণসকলৰ বাধা নেওচি বিপ্ৰ পত্নীসকল গৈ কৃষ্ণৰ ওচৰ পাইছেগৈ। কৃষ্ণই তেওঁলোকৰ প্ৰেম ভকতি দেখি কৈছে-

"অহঃ তুমিসৱ ভকতৰ হেনয় লক্ষণ ..... হামাক বশ্য কয়ল।"

শান্তৰস প্ৰধান নাটখনৰ নাৰী চৰিত্ৰবোৰ পূৰ্ণাঙ্গ নহয়। তেওঁলোকৰ কৃষ্ণ ভক্তি বিগলিত স্বৰূপটি ইয়াত সুন্দৰকৈ প্ৰকাশ পাইছে।

ভাগৱতৰ দশম স্কন্ধৰ ষোড়শ-সপ্তদশ অধ্যায়ৰ বিৱৰণৰ ভেটিত ৰচনা কৰা 'কালিয় দমন' নাটৰ নাৰী চৰিত্ৰ হৈছে যশোদা, গোপীসকল আৰু নাগ-নাৰী সকল। নাটখনিত যশোদাৰ মমতাময়ী মাতৃৰূপটি সুন্দৰকৈ প্ৰকাশ পাইছে। কালিনাগৰ বিষাক্ত পানীৰ মাজত সৰ্প দংশনত "কৃষ্ণ মনুষ্য চেষ্টাদৰশি" মৃতপ্ৰায় হৈ পৰি আছে। ইফালে গকুলত বিমঙ্গল দেখি "যশোদা আৱে আকুলি শোকে ফোকাৱে দুখিনী"। কেউফালে অন্ধকাৰ দেখি তেওঁ গোপী আৰু নন্দৰ সৈতে কালিহ্ৰদৰ পাৰলৈ ব্যাকুল হৈ দৌৰি আহি কৃষ্ণ শোকত অচেতন হৈ মূৰ্চ্ছিত হৈছে। পুত্ৰ শোকত দগ্ধ শৰীৰেৰে যশোদাই কৰা বিলাপৰ মাজেৰে পুত্ৰহাৰা মাতৃৰ হৃদয় বিগলিত যন্ত্ৰণাৰ ছবিখন স্পষ্ট হৈছে। স্নেহশীলা মাতৃ এগৰাকীৰ পুত্ৰ অবিহনে যি অৱস্থা হ'ব পাৰে সেয়া তেওঁৰ সংলাপত সুন্দৰকৈ প্ৰকাশ পাইছে।

"কত তপসাই তোহাক পুত্ৰ পাৱলো, অল্পতে অনাথিনী কয় কাহে হামাক তেজল.... গোধুলি আজু বংশী বজাই কেৱ্ৰজক যাৱব, কাহেক ধূলা ঝাৰি বুকে বান্ধি কোলে ধৰব, কাহেক গোৱস পান কৰাৱব।" আনকি তেওঁ পুত্ৰৰ লগতে প্ৰাণ দিবলৈও সাজু হৈছে- "তাহেক সংগে দংশি হামাক মাৱহ।"

সেইদৰে গোপীসকলৰ সংলাপৰ মাজেৰে কৃষ্ণ ভক্তি প্ৰকাশ হৈছে। নাগ নাৰীসকলে "আঞ্চোল পাতিআ মাগো আমি স্বামীদান" বুলি কৰা বিলাপৰ মাজেৰে সৰ্প হ'লেও পতিব্ৰতা গুণ প্ৰকাশ পাইছে। নাগপত্নী সকলৰ স্তুতিত কৃষ্ণ ভক্তি প্ৰকাশ পাইছে।

ভাগৱতৰ দশম স্কন্ধৰ ঊনত্ৰিংশ অধ্যায়ৰ পৰা ত্ৰয়ত্ৰিংশ অধ্যায়ত বৰ্ণিত ৰাস ক্ৰীড়াৰ বিৱৰণৰ ভেটিত শংকৰদেৱে 'কেলিগোপাল' নাট ৰচনা কৰিছে। এইখনি নাটকৰ নাৰী চৰিত্ৰ হৈছে গোপানাৰীসকল। 'কেলিগোপাল'ৰ গোপ নাৰী সকল কৃষ্ণৰ পৰম ভক্ত।

কেলিগোপাল নৃত্য-গীতেৰে মুখৰ কাব্যৰস প্ৰধান নাট। শৰতৰ পূৰ্ণিমাৰ নিশা ধীৰে ধীৰে বলা মলয়া বতাহ, জোনাকেৰে বিধৌত বৃন্দাবনত শ্ৰীকৃষ্ণই পঞ্চম সুৰত বজোৱা বংশী ধ্বনি শুনি গোপ নাৰী সকলে গৃহত পতি-পুত্ৰ সকলোকে এৰি কৃষ্ণৰ ওচৰলৈ ঢাপলি মেলিছে। ইয়াৰ জৰিয়তে নাট্যকাৰে জীৱাত্মৰ পৰমাত্মাৰ প্ৰতি থকা আকুলতাৰ কথাহে প্ৰকাৰান্তৰে ক'বলৈ গৈছে। ইয়াত গোপীসকলৰ কৃষ্ণৰ প্ৰতি থকা প্ৰেম দৰাচলতে আধ্যাত্মিক প্ৰেম। কৃষ্ণই তেওঁলোকৰ ভক্তি পৰীক্ষা কৰিবৰ বাবে প্ৰথমে পুত্ৰবধুৰ কৰ্তব্য সোঁৱৰাই দি ঘৰলৈ উভতি যাবলৈ কোৱাত

গোপীসকলে পৰম সন্তাপ পাইছিল। তেওঁলোকৰ "মুখ মলিন ভেলঃ জৈচে শিশিৰ পৰি পদ্ম সঙ্কোচিত ভেল'।" তেওঁলোকে কৃষ্ণক ক'লে যে পতি-পুত্ৰ ত্যাগ কৰি তেওঁলোক কৃষ্ণৰ ওচৰ পাইছেহি। তেনেস্থলত ...

"তজু চৰণ চোড়ি হামাৰ পাৱ খোজকো চলয় নাহি। ..... হে পৰমেশ্বৰ স্বামী তব পদপঙ্কজ তেজয় নাহি পাৰিয়ে।" এই আকুলতা ভগৱন্তৰ প্ৰতি ভক্তৰ আকুলতা। যিসকল গোপীক স্বামীয়ে আৰু দেৱৰেকে কৃষ্ণৰ ওচৰলৈ আহিবলৈ নিদিলে। তেওঁলোকে "হৃদয়ে প্ৰাণ মাধৱক নিবিড় ধ্যানে আলিঙ্গি কহো" প্ৰাণত্যাগ কৰিলে। নাটকখনিত কৃষ্ণ আৰু গোপীসকলৰ ক্ৰীড়া কৌতুকৰ বৰ্ণনা অতি মনোৰম।

গোপীসকলৰ ভক্তিত তুষ্ট হৈ কৃষ্ণই গোপীসকলৰ সৈতে ক্ৰীড়া কৌতুক কৰিবলৈ ধৰাত গোপীসকলে বুদ্ধি অন্ধ হৈ কৃষ্ণক অৱহেলা কৰিবলৈ ধৰিলে। কৃষ্ণয়ো গোপীসকলৰ গৰ্বচূৰ্ণ কৰিবলৈ ৰাধা নামৰ গোপী এগৰাকীক লৈ অন্তৰ্ধান হ'ল। তাৰ পিছত গোপীসকলে কৃষ্ণক কৰা অন্বেষণৰ বৰ্ণনা নাটকখনৰ বিশেষ আকৰ্ষণ। তেওঁলোক কৃষ্ণৰ বিৰহত উন্মাদপ্ৰায় হৈ পৰিছে। বকুল, বন্দুলি, বক, তুলসী, চম্পক আদি বন বিৰিখক কৃষ্ণৰ বাতৰি সুধি ব্যাকুল হৈছে। কোনো কোনোৱে নিজেই কৃষ্ণৰ অভিনয় কৰিবলৈ লৈছে। গোপীসকলৰ দুখ দেখি ভক্তৰ অধীন ভগৱান কৃষ্ণই পুনৰ দেখা দি গোপীসকলক আনন্দ প্ৰদান কৰিছে। এনেদৰে কামভাৱে হৰিগুণ গাই "ভাগ্যৱতি, গোপীসৱ মহোদয় পাৱল।" কেলিগোপাল নাটকত "প্ৰেমোন্মোষ, মিলন, মিলনভঙ্গ আশঙ্কা, পুনৰমিলন, মান, অভিমান, বিপ্ৰলম্ভ আৰু সম্ভোগ এই সকলোবোৰ অৱস্থাত প্ৰেমোন্মত্তা গোপীসকলক দেখা যায়।" নাটকখনত প্ৰথম স্তৰত থকা গোপীসকলৰ আত্মকেন্দ্ৰিক প্ৰীতি ইচ্ছা অৰ্থাৎ কামভাৱৰ শেষলৈ কৃষ্ণ প্ৰেমলৈ উত্তৰণ ঘটিছে।

ভাগৱত পুৰাণ, হৰিবংশ আৰু বিষ্ণুপুৰাণৰ কাহিনীক লৈ ৰচনা কৰা 'পাৰিজাত হৰণ' নাটত অন্তৰ্ভুক্ত হোৱা নাৰী চৰিত্ৰ কেইটি হ'ল- ৰুক্মিণী, সত্যভামা, শচী, বসুমতী, ইন্দুমতী আৰু অদিতি। আজিকালি নাট্যকাৰৰ দৰেই শঙ্কৰদেৱে এই নাটৰ চৰিত্ৰসমূহক পাৰস্পৰিক বৈপৰীত্য (Contrast) আৰু সাদৃশ্য বা সমধৰ্মিতাৰ (Parallelism) ভেটিত অঙ্কন কৰিছে।"

সত্যভামা আৰু ৰুক্মিনী চৰিত্ৰ বিপৰীতধৰ্মী। ৰুক্মিণী ধীৰ, স্থিৰ, গাম্ভীৰ্য গুণ সম্পন্না স্বামীপৰায়ণা আৰু মৃদুভাষিণী। আনহাতে সত্যভামা আৰু ইন্দ্ৰপত্নী শচী- দুয়োগৰাকী সমানে মুখৰা, ঈৰ্ষাপৰায়ণ, আক্ৰোশী স্বামীৰ গৰ্বেৰে গৰ্বিতা। দুয়োটা চৰিত্ৰ একে গুণ সম্পন্ন। নাটকখনিত নাৰীৰ মনস্তাত্ত্বিক দিশটো অতি প্ৰকট হৈ প্ৰকাশ পাইছে। কাহিনী অনুসৰি নাৰদে স্বৰ্গৰ পৰা পাৰিজাত ফুল এপাহ আনি কৃষ্ণৰ হাতত দিয়েহি। লগতে তেওঁ পাৰিজাত ফুলপাহৰ মহিমাও বখানিলে-

"ওহি দেৱ দুৰ্লভ পাৰিজাতঃ যে নাৰি পৰিধান কৰেঃ সে পুস্পক মহিমায়ে স্বামীৰ পৰম সোভাগিনী হয়। তাহেক বাড়ি চাড়িঃ স্বামী কোথাৱে যায়ে নাহি।" তাকে শুনি ৰুক্মিণীয়ে প্ৰথমা পত্নী বুলি কৃষ্ণক পাৰিজাতপাহ তেওঁক দিবলৈ অনুৰোধ কৰিলে। কৃষ্ণয়ো "ৰুক্মিণীৰ মাথো পাৰিজাত পিন্ধাৱল।"

লগে লগে এই বাতৰি নাৰদৰ মুখে সত্যভামাৰ ওচৰ পালেগৈ। সতিনীৰ সুখ সত্যভামাই সহ্য নকৰে। তেওঁ ঈৰ্ষাপৰায়ণ স্বভাৱটো তেওঁৰ কাৰ্যৰ মাজেৰে ফুটি উঠিছে।

নাৰদৰ মুখে ৰুক্মিণীয়ে পাৰিজাত ফুল লাভ কৰাৰ কথা জানিব পাৰি অভিমানী সত্যভামা "মূৰ্চিত হয়া পৰলঃ যৈচে লৱঙ্গ লতাক বাতে উপাৱলঃ তদ্বৎ।" তেওঁৰ অৱস্থা মৃত প্ৰায় হ'ল, কান্দি কাটি অস্থিৰ হৈ পৰিল কথমপি চেতনা পাই সত্যভামাই দুখ কৰিবলৈ ধৰিলে-

"সতিনীকো উদয়ে হৃদয়ে দহে আগি
অধিক মিলয়মন তাপে।

নাৰদৰ মুখে এই খবৰ পাই কৃষ্ণ যেতিয়া সত্যভামাৰ ওচৰ পালে তেতিয়া তেওঁ ঠেহ পাতি কৃষ্ণৰ ফালে পিঠি দি অতি সাধাৰণ নাৰী এগৰাকীৰ দৰেই কৈছে-

"যে তোমাৰ প্ৰিয়তমা ৰুক্মিণীঃ তাহেক সমীপে চলহঃ হামাত কোন প্ৰয়োজন থিক।" কেৱল সেয়াই নহয় কৃষ্ণৰ ওচৰত নানা বিলাপ কৰি কান্দি কান্দি পুনৰ মুৰ্চ্ছা গ'ল। তাকে দেখি কৃষ্ণই যেতিয়া ৰুক্মিণীক এপাহহে ফুল দিছে তেওঁক এশপাহ দিব আৰু পাৰিজাত ফুল সমূলে উঘালি আনি তেওঁৰ ঘৰৰ সন্মুখতে ৰুই দিব বুলি কথা দিলে তেতিয়াহে সত্যভামা কিছু শান্ত হ'ল। কৃষ্ণই ইন্দ্ৰৰ অনুৰোধ ক্ৰমে ইতিমধ্যে দেৱতাৰ বৈৰী নৰকাসুৰক বধ কৰিবলৈ যাবলৈ সাজু হৈছিল। গতিকে দেৱতাৰ কাৰ্য সাধন কৰাৰ লগতে স্বৰ্গলৈও পাৰিজাত আনিবলৈ যোৱাৰ কথা কোৱাত সত্যভামায়ো লগতে ওলাইছে। এইখিনিতে তেওঁৰ সন্দেহ পৰায়ণা স্বভাৱ ফুটি ওলাইছে। কাৰণ তেওঁৰ সতিনী বহুত-

"ইবাৰ পাৰিজাত আনি কোন স্ত্ৰীক দেয়ব তাহে বুঝয় নাহি। হামু কদাচিতো তোহাৰি সঙ্গ নাহি চাড়ব।" এইবুলি তেওঁ কৃষ্ণৰ লগতে স্বৰ্গলৈ গৈ দূৰৈৰ পৰা পাৰিজাত গছ দেখি আনন্দত অধীৰ হৈ কৈছে-

"ওহি পাৰিজাত পুস্প ধৰিয়ে। সতিনীসৱক মাঝে লাস বেশ কৰি বেৰাৱব।" এইষাৰ কথাই তেওঁক সাধাৰণ নাৰীৰ শ্ৰেণীলৈ নমাই আনিছে।

নৰকাসুৰ বধৰ পাছত কৃষ্ণই পাৰিজাতৰ কথা পাহৰি যোৱা

যেন দেখি সত্যভামাই খণ্ডত অস্থিৰ হৈ কাপোৰত ধৰি টানি কৃষ্ণক সকীয়াই দিছে-"হ স্বামীঃ তুহঁ ভল্ল সত্য কয়লঃ পাৰিজাত নালয়াঃ তুহঁ কাহা যাৱঃ তোহাক চিত্ত বুঝয়ে নাহি।"

তেতিয়া কৃষ্ণই নাৰদক পঠিয়াই ইন্দ্ৰ ওচৰত সত্যভামাৰ কাৰণে পাৰিজাত বিচাৰিলে। এইবাৰহে সত্যভামা আৰু ইন্দ্ৰানী শচী কাঠে কাঠে পৰিল। পাৰিজাত ফুলক কেন্দ্ৰ কৰি শচী আৰু সত্যভামাৰ যি বাকযুদ্ধ হৈছে তাৰ যোগেদি নাৰী মনস্তাত্বিক দিশ প্ৰকাশ পাইছে। নাৰদৰ কথা শুনি দেৱী শচীয়ে মানৱী সত্যভামাই পাৰিজাত ফুলৰ প্ৰতি হেঁপাহ কৰাটো একেবাৰেই সহ্য কৰিব পৰা নাই। তেওঁ স্পষ্টকৈ ক'লে-

"ইন্দ্ৰানী শশীক পাৰিজাত কথাক মানসি সত্যভামাঃ পিন্ধিতে সাধ গেল।"

সেয়া তেওঁৰ দেৱী হোৱাৰ অহংকাৰ। তেওঁ নাৰদৰ আগত কোৱাই নহয় সেয়া সত্যভামাকো ক'বলৈ কৈছে-

"যৱে অনেক পুণ্য কয় কহুঁ অষ্টাৱতীক অধিকাৰিণী হয়ঃ তেৱে পাৰিজাত পৰিধান কৰিতে পাৱে। ঋষিৰাজ বোলগিয়া।"

নাৰদে আহি শচীয়ে সত্যভামাক গালি পৰাৰ কথা কৃষ্ণৰ আগত কোৱাৰ লগে লগে সত্যভামাৰ সন্মানত লাগিছে আৰু খণ্ডত কম্পমান হৈছে। লগতে কৃষ্ণক উচটাই পাৰিজাত ফুল জোপা উঘালি অনালে। পাৰিজাত হৰণ কৰাৰ কথা গম পাই শচীয়ে ইন্দ্ৰক লগতে তেওঁৰ বজ্ৰকো ধিক্কাৰ দিবলৈ নেৰিলে। ইন্দ্ৰই শচীৰ কথামতে শচী আৰু দেৱতা সকলক লৈ ঐৰাৱতত উঠি খেদি আহিল। পাৰিজাত লৈ ইন্দ্ৰ আৰু কৃষ্ণৰ যুদ্ধ হোৱাৰ লগতে শচী আৰু সত্যভামাৰ যিখন বাক যুদ্ধ হৈছে তাত দুয়োগৰাকী সাধাৰণ গাঁৱলীয়া মুখৰা তিৰোতাৰ দৰে শালীনতাৰ সীমা পাৰ হৈ গৈছে। দুয়ো দুয়োৰে স্বামীৰ অতীততৰ কথা কৈ তিৰস্কাৰ কৰিবলৈও এৰা নাই। এইক্ষেত্ৰত দুয়োগৰাকী বৰ তলৰ খাপলৈ নামি গৈছে। অৱশেষত কৃষ্ণৰ হাতত তিষ্ঠিব নোৱাৰি ইন্দ্ৰ যেতিয়া পলাই যায় সত্যভামাই তেতিয়া তেওঁকো ঠাট্টা কৰিবলৈ এৰা নাই। আনকি শচীক অৱশেষত ঠেকেচিবলৈও এৰা নাই.....

"অৱ তোহাৰি ভট্টাৰক কৈছে নাহি পলটাৱঃ হামু মানুষী হয়াঃ তোহাৰি পাৰিজাত নিয়া যাঞোঃ ওহি তাপেব মৰিতে নজনাৱ।"

শচীয়ে সত্যভামাক মানুষী বুলি গালি পৰাটো তেওঁৰ একেবাৰে সহ্য হোৱা নাই। শচীয়ে যদি সত্ৰাজিতৰ কুমাৰী বুলিছে তেওঁ দানৱৰ বেটী বুলিছে। এবাৰ পামৰী বুলিও গালি পাৰিছে।

সত্যভামাৰ ক্ষুৰধাৰ, চোকা মুখ দেখি অৱশেষত ইন্দ্ৰয়ো কৈছে-

"ও কৃষ্ণক যত পতনী থিকঃ তাহেক মধ্যে তুহঁ ববি প্ৰচণ্ড প্ৰগলভাঃ ইহা হামু জানলোঁ।" স্বৰ্গৰ পৰা পাৰিজাত লৈ গৈ সত্যভামাই কৃষ্ণক ৰুবলৈ ৰক্ষা দিয়া নাই। কিজানি কোনোবাই লৈয়ে যায়-

"হে স্বামী কৃষ্ণঃ কি নিমিত্ত তুহো অপেক্ষা কৰহঃ হামাৰ দ্বাৰি পাৰিজাতঃ সত্বৰ ৰোপন কৰহ।" শ্ৰীকৃষ্ণৰ ঘৰৰ দু�ৱাৰৰ পৰা দূৰত ৰুবলৈ যোৱা দেখি সত্যভামাই একেবাৰে দুৱাৰৰ ওচৰতে ৰুবলৈ দিলে কাৰণ তেওঁৰ-

"বহুত সতিনী থিকঃ পাৰিজাত ফুল চোৰি কৰি নিতেঃ কত কলহ কৰি বেড়াৱব।" ইয়াৰ মাজেদি তেওঁৰ আপোন পেটীয়া আক্ৰোশী স্বভাৱ প্ৰকাশ পাইছে।

সত্যভামাই ফুলজোপাৰ কথাকৈ ৰুক্মিণীক জ্বলাব খুজিলে। তেওঁ ৰুক্মিণীয়ে এপাহ ফুল পোৱাৰ সলনি গোটেই ফুলজোপাকে পোৱাৰ কথাকৈ গৰ্ব কৰি কৈছে-

"হামাৰ সৌভাগ্যক মহিমা পেখু পেখু।" তেতিয়া ৰুক্মিণীয়ে অতি শান্তাচিত্তে কৈছে-

"অয়ে ভগিনী সত্যভামা কি কহৈছেঃ স্বৰ্গৰ পৰম গুৰু স্বামী কৃষ্ণঃ উনিকৰ চৰণ সেৱা কৰিতেঃ ব্ৰহ্মাণ্ড ভিতৰে কোন দুলৰ্ভ থিকঃ ধৰ্ম অৰ্থ কাম মোক্ষঃ চাৰি পদাৰথ হাতে মিলাৱঃ তোহাৰি পাৰিজাত কোন কথা।"

এইযাৰ কথাতেই ৰুক্মিণী চৰিত্ৰৰ মহানতা শ্ৰীকৃষ্ণৰ পত্নীৰ মৰ্যাদা প্ৰকাশ পাইছে আৰু দুয়োটা চৰিত্ৰ বৈপৰীত্য প্ৰকাশ হৈছে।

নৰকাসুৰৰ মাতৃ বসুমতী কৃষ্ণ ভক্তি পৰায়ণা নাৰী ৰূপে চিত্ৰিত হৈছে। ইন্দুমতী সত্যভামাৰ বিশ্বস্ত সখী। ইন্দ্ৰৰ মাতৃ অদিতিৰ কৃষ্ণ স্তুতিত কৃষ্ণভক্তা ৰূপ প্ৰকাশ পাইছে।

'ৰুক্মিণী হৰণ' শংকৰদেৱৰ অন্য এখন নাটক। ইয়াৰ নাৰী চৰিত্ৰ সমূহ হ'ল শশীপ্ৰভা, ৰুক্মিণী লীলাৱতী আৰু মদনমঞ্জৰী।

'ৰুক্মিণী হৰণ' নাটকৰ নায়িকা ৰুক্মিণী চৰিত্ৰটো অতি আকৰ্ষণীয় আৰু মনোৰমকৈ নাট্যকাৰে অংকন কৰিছে।

ভীষ্মক নন্দিনী ৰুক্মিণী ৰূপে-গুণে অনুপমা। দ্বাৰকাৰ পৰা কুণ্ডিললৈ যোৱা হৰিদাস ভাটৰ মুখে কৃষ্ণৰ ৰূপ-গুণৰ কথা শুনি ৰুক্মিণীৰ মনত কৃষ্ণৰ প্ৰতি পূৰ্বৰাগৰ সৃষ্টি হৈছে। নৱ তৰুণী প্ৰধান ৰুক্মিণীৰ মনত কৃষ্ণৰ প্ৰতি প্ৰেম ভাৱ জাগ্ৰত হ'লেও সেয়া দাস্য ভক্তিৰ নামান্তৰ বুলিব পাৰি.....

"হামু কিঙ্কৰী হৰি নাথ হামা।"

ৰুক্মিণী পিতৃয়ে কৃষ্ণকে ৰুক্মিণীৰ বৰ ৰূপে নিৰ্বাচন কৰাৰ কথা শুনি আনন্দত অধীৰা হৈছে-

"অঃ ঈশ্বৰ কৃষ্ণক স্বামী পাৱলুঃ সখী হামাক সম সোভাগিনী কোন থিক।" কিন্তু পিছ মুহূর্ততে তেওঁৰ আশা ভংগ হৈছে। ৰুক্মিণীৰ ককায়েক ৰুক্মবীৰৰ বিধি পথালিয়ে ৰুক্মিণী আৰু কৃষ্ণৰ মাজত হোৱা মিলনৰ বাটত হেঙাৰ তৰিছে। সেয়েহে ৰুক্মিণীয়ে আঘাত পাই কৈছে-

"হে পাপী সোদৰঃ তুহ সাত শত্ৰুতো অধিক ভেলিঃ প্ৰাণ কৃষ্ণ সহিত কৈছে হামাৰ বঞ্চিত কয়লিঃ তুহ জনমি কি নিমিত্তে নাহি মৱলি।"

মুখেৰে দুখতে ক'লেও নিজৰ ককায়েকৰ মৰণ কোনো ভগ্নীয়ে নিবিচাৰে। সেয়ে পিছত কৃষ্ণৰ হাতৰ পৰা ককায়েকক তেঁৱেই ৰক্ষা কৰিছে-

"হে স্বামী তোহাক চৰণে লাগু ভৈয়াইক প্ৰাণ দান দেহ।" ইয়াৰ যোগেদি নাৰীৰ স্বাভাৰিক মমতাময়ী ৰূপটো প্ৰকাশপাইছে।

ককায়েক ৰুক্মিবীৰে তেওঁৰ বন্ধু শিশুপাললৈ বিয়া দিব বুলি জানি ৰুক্মিণীয়ে বেদনিধি বিপ্ৰৰ হাতত শ্ৰীকৃষ্ণলৈ তেওঁক হৰণ কৰি লৈ যাবলৈ পত্ৰ পঠাইছে। সেই পত্ৰখনিত সাধাৰণ ভাৱে বাৰ্তা প্ৰকাশ হোৱা নাই। তেওঁ যে কৃষ্ণক পৰমেশ্বৰ হিচাপে মানি লৈছে সেই কথা প্ৰকাশ পাইছে। তেওঁ বিবাহৰ আগদিনা ভৱানী মন্দিৰলৈযাওঁতে হৰণ কৰি যাবলৈ কৃষ্ণলৈ লিখিছে। তেওঁ যে পাপী শিশুপালৰ ছায়াকো স্পৰ্শ নকৰে সেয়া স্পষ্টকৈ বুজাইছে। ইয়াৰ যোগেদি কৃষ্ণৰ প্ৰতি আকুলতা প্ৰকাশ পাইছে। তেওঁ শেষত কৈছে-

"ওহি জানি নিজ দাসীকঃ হে নাথ উদ্ধৰ উদ্ধৰ"

বেদনিধি সোনকালে উভতি নহা দেখি ৰুক্মিণীৰ মনত আশাভংগ আশাংকাই দেখা দিছে। যিটো সাধাৰণ ছোৱালী এজনীৰ বাবে খুবেই সম্ভৱ। পিছত আহি সুখবৰ দিয়াত তেওঁ কৃতজ্ঞতা জনাবলৈ পাহৰা নাই।

সময়ত সভাৰ মাজৰ পৰা ৰুক্মিণীক হৰণ কৰাৰ পিছত বিৰুদ্ধাচৰণ কৰা সকলক পৰাস্ত কৰি দ্বাৰকালৈ যোৱাৰ বাটত ৰুক্মিণীক এগৰাকী লাজকুৰীয়া কইনা ৰূপত পোৱা যায়।

"হে নৱ তৰুণীঃ প্ৰথম পিউৰ পৰশেঃ লজ্জিত হয়াঃ অল্প হাস্য কৰিবঃ ঘন ঘন আখি মুদি ৰহল।"

ৰুক্মিণী বিবাহ সম্পৰ্কে আয়োজন কৰা সভাত আমি মাতৃ শশীপ্ৰভাক পাওঁ। ইয়াত শশীপ্ৰভাই যথেষ্ট গুৰুত্ব পাইছে। লীলাৱতী আৰু মদনমঞ্জৰী দুই গৰাকী সখীগত প্ৰাণা। ৰুক্মিণীক সকলো সময়তে দুইগৰাকীয়ে মনৰ সাহস যোগাইছে।

'ৰাম বিজয়' নাটকৰ নায়িকা সীতা শ্ৰীৰামচন্দ্ৰৰ চৰণত নিজকে সমৰ্পণ কৰা এগৰাকী নাৰী। তেওঁ জাতিস্মৰ কন্যা। পূৰ্বজন্মতে নাৰায়ণক তেওঁ স্বামী হিচাপে বিচাৰিছিল। কিন্তু সেইজনমত নাপালে। আকাশী বাণী যোগে পিছৰ জন্মত ৰামচন্দ্ৰৰূপে স্বামী পাব বুলি জানি অগ্নিত প্ৰৱেশ কৰি প্ৰাণ ত্যাগ কৰি এই জনমত সীতা ৰূপে ৰামচন্দ্ৰলৈ আশা কৰি ৰৈ আছে। কিন্তু নাটৰ আৰম্ভণিতে আমি তেওঁক আশা ভংগৰ বেদনাৰে সিক্ত নাৰীৰূপে লগ পাইছো। এইয়া বিপ্ৰলম্ভ শৃংগাৰৰ আগজাননী। কিন্তু সয়ম্বৰ সভাত শ্ৰীৰামচন্দ্ৰ আগমনৰ বাতৰি পাই-

"সীতা মহা হৰিষাবেগে মূৰ্ছিতা হৈয়া পৰল।" কণকাৱতীৰ মুখে ৰামৰ ৰূপৰৱর্ণনা শুনি সীতাৰ মন পূৰ্বাৰাগেৰে ৰঞ্জিত হৈছে। সীতাৰ ৰামৰ প্ৰতি যি প্ৰেম সেয়া শৃংগাৰাত্মক ভক্তিৰস। ৰুক্মিণী হৰণ নাটকৰ ৰুক্মিণীৰ দৰে সীতাও এফালে প্ৰেমিকা আৰু অন্যহাতে বক্তা।

স্বয়ম্বৰ সভাত ৰামে হৰধনু ভংগ কৰাত সীতাই তেওঁৰ ডিঙিত বৰমালা অৰ্পণ কৰিছে। সেই সময়তে বিপক্ষ ৰজাসকলে খেদি অহাত সীতা ভয়ত কম্পমান হৈছে। তেওঁ স্বামী অৰ্থাৎ ৰামৰ অমঙ্গল আশঙ্কা কৰি ভীতি বিহ্বলা হৈছে। সেইদৰে অযোধ্যালৈ যোৱাৰ বাটত পৰশুৰামে বাট ভেটি ধৰোতেও তেওঁৰ কালান্তক ৰূপ দেখি সীতাই ভয় খাইছে। তেতিয়াও সীতাই স্বামীৰ জীৱনকলৈ চিন্তিত হৈছে। ইয়াৰ পৰাই সীতাক পতিগত প্ৰাণা কোমল বয়সৰ নাৰী বুলি অভিহিত কৰিব পাৰি। কণকাৱতী আৰু মদনমন্থৰা সীতাৰ প্ৰিয় সখী। সীতাৰ দুখ আৰু সুখৰ সময়ত দুয়োগৰাকী ছাঁৰ দৰে থাকি সীতাক সঙ্গ প্ৰদান কৰিছে।

মহাপুৰুষ মাধৱদেৱেও গুৰু পদাংক অনুসৰণ কৰি ছখন নাট ৰচনা কৰা বুলি প্ৰবাদ আছে। সৰ্বমুঠ নখন নাট বা ঝুমুৰা মাধৱদেৱৰ নামত পোৱা যায়। তাৰ ভিতৰত চোৰধৰা, পিম্পৰা গুচোৱা, ভোজন বিহাৰ, অৰ্জুন ভঞ্জন আৰু ভূমি লেটোৱা - এই পাঁচখন নাট নিঃসন্দেহে মাধৱদেৱে ৰচনা কৰা। ইয়াৰোপৰি গোৱৰ্দ্ধন যাত্ৰা, নৃসিংহ যাত্ৰা, ৰাম যাত্ৰা - এই তিনিখন নাটৰ কথা চৰিত পুথিত আছে। সেইদৰে কোটোৰা খেলা, ব্ৰহ্মমোহন, ভূষণ হৰণ আৰু ৰাসঝুমুৰা এই চাৰিখন নাট মাধৱদেৱৰ ৰচনা হয়নে নহয় পণ্ডিত সকলে সন্দেহ কৰে। সেয়েহে- (১) অৰ্জুন ভঞ্জন, (২) চোৰধৰা, (৩) পিম্পৰা গুছোৱা, (৪) ভূমি লেটোৱা, (৫) ভোজন বিহাৰ, (৬) ভূষণ হৰণ এই কেইখনকে মাধৱদেৱৰ ৰচনা বুলিব পাৰি। কেইখন ৰচনা বাৎসল্য ভক্তি ৰসেৰে সিক্ত।

নাটকৰ বিচাৰেৰে চাবলৈ গ'লে 'অৰ্জুন ভঞ্জন' মাধৱদেৱৰ একমাত্ৰ নাটক। বাকী কেইখন ঝুমুৰা।

'অৰ্জুন ভঞ্জন'ত নাৰী চৰিত্ৰ হৈছে যশোদা, ৰোহিনী আৰু গোপীসকল। যশোদাৰ চৰিত্ৰটিত ঘৰৰ কৰ্ম নিপুনা গৃহিণী, দায়িত্বশীলা

মাতৃ আৰু প্ৰগলভা নাৰী- এই কেইটা বৈশিষ্ট্যৰ সংমিশ্ৰণ ঘটিছে।

প্ৰথমেই গোপীসকলক নিজকৰ্মৰ প্ৰতি সোঁৱৰাই দি নিজেই দধিমথন কৰা ৰূপত যশোদাক পোৱা যায়। লগতে স্নেহশীলা মাতৃৰ ৰূপটোও প্ৰকাশ পাইছে। তেওঁ দধিমথন কৰোঁতে কৃষ্ণৰেই গুণগান গাইছে-

"তোহি হামাৰি কোটি পুৰুষক পৰম দেৱতা, মাথাক মুকুট শিৰৰ ভূষণ,গলৰ সাতসৰি, কৰ্ণৰ কুণ্ডল, কৰৰ কঙ্কণ।" দধিমথনৰ কামত লাগি থাকোতেও কৃষ্ণক কোলাত লৈ স্তনপান কৰাইছে। আমাৰ সমাজত ঘৰৰ নানান কামৰ মাজতো নিজৰ সন্তানক একোলা লৈ গাখীৰ খুউৱাতো সদায় দেখি অহা কথা।

সেই সময়তে ভিতৰতে গাখীৰ উতলি পৰা খবৰ পাই কৃষ্ণক কোলাৰ পৰা নমাই থৈ গাখীৰ নমাবলৈ গৈছে। তেতিয়াই নাটকীয় বিৰোধ আৰম্ভ হৈছে। শ্ৰীকৃষ্ণই খঙতে মথনি মাৰি ভাঙি দধি নষ্ট কৰিছে আৰু বান্দৰক লৰনু খাবলৈ দি নিজেও খাইছে। তাকে দেখি খঙত একো নাই হৈ যশোদাই পিছে পিছে খেদাত অৱশেষত কৃষ্ণই ধৰা দিছে আৰু বলোৱামৰ মাতৃ ৰোহিনীয়ে বাধা দিয়া সত্বেও যশোদাই কৃষ্ণক বান্ধিবলৈ এৰা নাই। তেওঁ যিমানেই জৰী জোৰাই লৈছে সিমানেই জৰীয়ে অটা নাই। অৱশেষত কৃষ্ণই বন্ধন লৈছে।

ইয়াত বাৎসল্য ভক্তি ৰসৰ প্ৰকাশ ঘটিছে। যশোদাই পৰম পুৰুষ ভগৱানক শিশু ৰূপে জ্ঞান কৰিছে আৰু সেই ভক্ত বৎসল্য কৃষ্ণ তেওঁৰ ওচৰত ধৰা দিছে।

যশোদাই কৃষ্ণক কেৱল বান্ধিয়ে এৰা নাই ঘৰৰ বাকী সকলকো সকীয়াই দিছে-

"আহে গোৱালী সব। ওহি কৃষ্ণক বন্ধন কতিহো চোড়াবি নাহি। বন্ধন ছোৰে ইহাক গতি তাহেক কৰব। হামু নিস্তকয় বোলল। বৃদ্ধ নন্দে দেখোক আসিয়া।"

কৃষ্ণই অৰ্জুনভঞ্জন কৰাৰ পিছত নন্দই সকলো কথা গম পাই যশোদাক ককৰ্থনা কৰিছে। আৰু দুয়োৰে মাজত কন্দল লাগিছে। এইখিনিতে যশোদাৰ মুখৰা ঘৈণীৰ ৰূপটো ব্যক্ত হৈছে। লগতে গৃহিনীৰ ৰূপটোও ফুটি উঠিছে-

"তুহু গৃহেৰ কোন অধিকাৰ থিক। ইহাৰ ভালমন্দ তুহু কি জানহ। হামু গৃহেৰ গহিণী সব অধিকাৰ হামাৰ।" এইদৰে তেওঁ নন্দৰ মুখৰ মাত বন্ধ কৰিছে।

মাধৱদেৱৰ বাকী কেইখন নাট্য ৰচনাক ঝুমুৰা আখ্যা দিয়া হৈছে। একোটি খণ্ড খণ্ড ঘটনা লৈ নাট কেইখন ৰচিত হৈছে। পূৰ্ণাঙ্গ আখ্যান একোটা সেইবোৰত পাবলৈ নাই।

'চোৰধৰা'ত যশোদাৰ পুত্ৰ স্নেহশীলা মাতৃৰ ৰূপটি দেখা পাওঁ। এদিন কৃষ্ণই এৰাকী গোপীৰ গৃহত লৰনু চোৰ কৰি খাই ধৰা পৰাত তেওঁক ধৰি ৰাখিছে। ইতিমধ্যে ঘৰত কৃষ্ণক নেদেখি যশোদাই বিচাৰি ফুৰাত এগৰাকী গোপীয়ে কৃষ্ণক লৰনু চোৰ কৰাৰ কথা যশোদাক কোৱাত যশোদাই পুত্ৰক বদনাম দিয়া সহিব নোৱাৰি গোৱালী সকলক গালি পাৰিছে অতি কটুকথাৰে-

"আহে ধাণ্ডী গোৱালীসৱ। দাসীক দাসী তোহা সব হামাৰ ওহি বালক শ্ৰীকৃষ্ণক চোৰ বুলিয়ে কলঙ্ক কৰছি। ছিঃ তোৰাসৱক মুখে ছাৰ পড়োক। হে বাপু কৃষ্ণ। ওহি বান্দী সৱক থাৱে আৱৰ নাহি আৱৰি। হামাৰ ঘৰে দধি দুগ্ধ লৰনু কে পুছত? যত খাইতে পাৰ তত হামু দেৱব। ..... তোহো হামাৰ কোটি পুৰুষক দেৱকো দেৱতা, মাথাৰ মুকুট, গলাৰ সাতসৰি, বুকুৰ শীতল চন্দন।"

এই বুলি যশোদাই গোৱালীসৱক খেদি কৃষ্ণক কোলাত লৈ ঘৰত গা-পা ধুৱাই পঞ্চামৃত খাবলৈ দিছে।

যশোদাৰ স্নেহময়ী মমতাময়ী মাতৃৰূপটো ইয়াত সজীৱ। সেইদৰে ভূমিলেটোৱা, পিম্পৰা গুচোৱাতো যশোদাৰ মাতৃ ৰূপটো দেখা পাওঁ। ঝুমুৰা কেইখনত গোপীসকলৰ সমাবেশে কাহিনীবোৰ আগবঢ়াই নিয়াত সহায় কৰিছে। গোপীসকলৰ মাজেদিও বাৎসল্য ভক্তিৰসৰ প্ৰকাশ ঘটিছে।

দুয়োজনৰে নাটত গোপীসকল আৰু ব্ৰাহ্মণীসকলক বাদ দি সৰ্বমুঠ ১৪টা নাৰী চৰিত্ৰ পোৱা গৈছে। ইয়াৰ ভিতৰত যশোদা, ৰুক্মিণী, শশী, সত্যভামা আৰু সীতাই প্ৰাধান্য পাইছে। নাট্যকাৰ দুজনে নিজস্ব প্ৰতিভাৰে নাৰী চৰিত্ৰসমূহ সুন্দৰ ৰূপত উপস্থাপন কৰিছে। আৰু চৰিত্ৰ সমূহৰ মাজেৰে কৃষ্ণৰ মহিমা প্ৰকাশ পাইছে।

সহায়ক গ্ৰন্থ ঃ

১। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বাক্যামৃত - প্ৰকাশ, শ্ৰীমন্ত শংকৰদেৱ সংঘ, ১৯৯৮
২। শ্ৰীশ্ৰী মাধৱদেৱৰ বাক্যামৃত - সম্পাদক - শ্ৰীপূৰ্ণচন্দ্ৰ গোস্বামী, ১৯৯২
৩। অসমীয়া নাট্য সাহিত্য - ড° সতেন্দ্ৰ নাথ শৰ্মা
৪। পুৰণি অসমীয়া সাহিত্য - ড° বাণীকান্ত কাকতি
৫। বৈষ্ণৱ সাহিত্যৰ অধ্যয়ন - ড° ইন্দিৰা শইকীয়া বৰা
৬। সাহিত্য আৰু চিন্তা - ড° কৰবী ডেকা হাজৰিকা

এখন ফুলনিৰ কথা

ড° ৰাণী মুদিয়াৰ ডেকা
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ

আমষ্টাৰডামৰ স্কিপল (Schiphol) এয়াৰপৰ্টৰ নিৰ্দিষ্ট ঠাইত ৰৈ থাকিলে প্ৰায় দহ/পোন্ধৰ মিনিটৰ মূৰে-মূৰে কিউকেনহ'ফ এ'ক্সপ্ৰেছ (Keukenhof Express) নামৰ বাছ একোখন আহে। প্ৰায়বোৰ যাত্ৰীয়েই আগতীয়াকৈ টিকট কিনি থয়। দুই-একে ঠাইতেই টিকট কিনে। আমি আগতেই টিকট কৰি থৈছিলো। ইউট্ৰেখৰ পৰা ট্ৰেইনত আহি স্কিপল ষ্টেচনত নামিছিলো। ষ্টেচনটো এয়াৰপৰ্টৰ তলতেই। এয়াৰপৰ্টৰ বাহিৰৰ নিৰ্দিষ্ট ঠাইত থিয় হোৱাৰ ক্ষন্তেক পিচতেই বাছ আহিল। প্ৰায় আধাঘন্টাৰ পিচতেই বাছ কিউকেনহ'ফ পালেগৈ। কিউকেনহ'ফ ফুলনি। নেদাৰলেণ্ডৰ বিশ্ববিখ্যাত টিউলিপ ফুলনি। বছৰটোত মাথোন আঠ সপ্তাহৰ বাবেহে এই বাগিছা পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হয় আৰু এইখিনি সময়তেই প্ৰায় আঠ লাখতকৈ অধিক পৰ্যটকে এই ফুলনি চাবলৈ আহে। এই সকলৰ ৭৫ শতাংশই হেনো বিদেশী পৰ্যটক। এই বছৰ (২০১৩ চন) এই ৭৫ শতাংশ বিদেশী পৰ্যটকৰ মাজত আমিও সোমাই পৰিছিলো। জীৱনত কাহানিও নেদেখা ৩২ হেক্টৰ ভূমি বিয়পি থকা এখন বাগিছা দেখি মনৰ মাজত থকা স্বৰ্গ নামৰ কাল্পনিক ধাৰণাটো মূৰ্ত হৈ ফঠিছিল। বিস্তীৰ্ণ এলেকা জুৰি গছ-পাত আৰু ফুলৰ অপূৰ্ব সমাহাৰ। চকুৰে মনিব পৰালৈকে শাৰী শাৰী ফুল। ভিন্ন আকৃতিত ৰোপন কৰা ফুলবোৰ যেন ভিন্ন-ৰঙী সূতাৰে কাৰুকাৰ্য্য কৰা পৈণত শিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠা একোখন সজীৱ দলিছাহে। "পকা ধানৰ মাজে মাজে সৰু সৰু আলি"ৰ দৰে ফুল একোডৰাৰ মাজেৰে খোজ কাঢ়ি যাব পৰাকৈ পথ একোটা। মাজে মাজে সৰোৱৰ সদৃশ পুখুৰী আৰু ৰাজহাঁহৰ জল-ক্ৰীড়া। কোমল ৰ'দত জিল্‌মিলাই থকা পানীৰ ফোৱাঁৰা, ঠায়ে ঠায়ে জাৰণি আৰু ঘাঁহনি। জাবৰ-জোথৰ বুলিবলৈ ক'তো এডাল কূটা পাবলৈ নাই, খোজৰ মূৰে-মূৰে ডাষ্টবিন। কেইবাখনো ভিন্ন-ষ্টাইলৰ ৰেষ্টোৰাঁ, ডাচ্‌ছ-স্মৰণিকাৰ বিপনী, ঘৰলৈ স্মৃতি বুটলি আনিবৰ বাবে।

টিউলিপ গার্ডেন নামেৰে বিশ্বখ্যাত এই বাগিছাত হেনো বছৰি ৭ নিযুততকৈও অধিক ফুলৰ কন্দ বা আলু (Flower-Bulb) ৰোপন কৰা হয়। তেতিয়াও অগণন ফুল ফুলি আছিল। ৰঙা, বগা, গুলপীয়া, হালধীয়া, কমলা আদি ভিন্ন ৰঙৰ ভিন্ন প্ৰজাতিৰ সৰু-বৰ টিউলিপৰ বাহাৰ। টিউলিপৰো ভিন্ন নামঃ ৰোজা, প্ৰিন্সেচ, আইৰিণ, কুইন অৱ নাইট, স্প্ৰীং-গ্ৰীণ, এক্স'টিক, এম্পেৰৰ, গ্ৰেনী এৱার্ড, য়োকোচ্‌-ড্ৰীম,পাৰ্‌পল্‌-প্ৰিন্স, লাইট এণ্ড ড্ৰিমী, হার্টচ্‌-ডিলাইট, এয়াৰ, পীচ-ব্লু'জম, টি-অৰেঞ্জ ফেভ'ৰিট ইত্যাদি। চকুৰে নেদেখিলে বিশ্বাস কৰিব নোৱাৰা অপৰূপ, সৰগী শোভাৰে সুশোভিত সেই ফুলৰ অৰণ্য। কেৱল টিউলিপেই নহয়, তাত আছে ভিন্ন ৰঙী ডেফ'ডিল, বেঙুনীয়া, নীলা-বগা আদি ৰঙৰ মাস্কাৰী, হায়চিন্থ, লিলি, চেৰী-ব্লু'জম, ঝাৰবেৰা, গোলাপ আৰু ভিন্ন প্ৰজাতিৰ অৰ্কিডকে ধৰি নাম নজনা অনেক ফুল আৰু গছৰ লানি নিছিগা শাৰী। নেদাৰলেণ্ডৰ প্ৰায় ৮৫ গৰাকীৰো অধিক টিউলিপ উৎপাদকে মুক্তহস্তে এই বাগিছাত টিউলিপকে ধৰি অন্যান্য ফুলৰ কন্দ ৰোপণ কৰিছে। প্ৰতি বছৰে এই ফুলনিখনত বিনা পইচাই ফুলৰ কন্দ ৰোপণ কৰোঁতা এই উৎপাদক সকলে নিজাকৈ বাণিজ্যিক ভিত্তিত টিউলিপৰ খেতি কৰে। ডাচ্‌ছসকলে গড় হিচাপত প্ৰতি বছৰে হেনো ৮.৩২

বিলিয়ন টিউলিপ কন্দ উৎপাদন কৰে। এইবোৰৰ প্ৰায় আধাভাগ "কাট-ফ্লাৱাৰ" হিচাপে নিজ দেশতেই বিক্ৰী কৰে। বাকীবোৰ ইউৰোপৰ ভিতৰে বাহিৰে অন্য দেশলৈ ৰপ্তানি হয়।

ফুল হৈছে ডাচ্ছ সকলৰ সংস্কৃতিৰ অন্যতম অংগ। নেদাৰলেণ্ডৰ অৰ্থনীতিও বহু পৰিমাণে উদ্যান শস্য আৰু ফুলখেতিৰ ওপৰত নিৰ্ভৰশীল। বিশ্বৰ ফুলৰ ৰপ্তানি বজাৰৰ প্ৰায় ৬০ শতাংশই নেদাৰলেণ্ডৰ। ইয়াত আধুনিক প্ৰযুক্তিৰে অন্যান্য কৃষি-কৰ্মৰ লগতে পৰিকল্পিত ভাবে ফুলখেতিও কৰা হয়। নেদাৰলেণ্ড হৈছে আন্ত: ৰাষ্ট্ৰীয় ফ্ল'ৰিকালচাৰৰ কেন্দ্ৰবিন্দু। ফুলকুঁৱৰী টিউলিপবো আছে অনেক আমোদজনক কাহিনী। তথ্যমতে ষোল্লশতিকাৰ শেষৰফালে টিউলিপৰ খেতিয়ে নেদাৰলেণ্ড আৰু তাৰ আশে-পাশে জনপ্ৰিয়তা লাভ কৰিছিল। পৰবৰ্তী সময়ত টিউলিপ সম্পৰ্কে কেইবাগৰাকী গৱেষকে গৱেষণাও কৰিছে। টিউলিপ হৈছে অপৰূপা, ইউৰোপৰ অন্যান্য ফুলৰ মাজত অনন্যা। গৱেষক সকলে সেই সময়তে দুকুৰিৰো অধিক ভিন্ন প্ৰজাতিৰ টিউলিপৰ খেতি থকাৰ কথা লিখিছে। ব্যৱসায়ত সিদ্ধহস্ত হলেণ্ডৰ ব্যৱসায়ীসকলৰ টিউলিপ হৈ পৰিছিল 'ষ্টেচাচ্-চিম্বল'- মৰ্যাদাৰ প্ৰতীক। সোণ-ৰূপৰ দৰৰ দৰে টিউলিপবো দৰ উঠিছিল। এক তথ্য মতে, ভাইচৰয় (Vice-roy) নামৰ টিউলিপৰ কন্দ ১৬৩৭ চনত প্ৰায় ৩,০০০ ৰ পৰা ৪,১৫০ ফ্লৰিণত (মুদ্ৰাৰ একক) বিক্ৰী হৈছিল। সেই সময়ত এজন দক্ষ কাৰিকৰেও বছৰটোত ইয়াৰ দহভাগৰো কম উপাৰ্জন কৰিবলৈ সক্ষম হৈছিল। এক লাখ ফ্লৰিণত চল্লিশটা টিউলিপ-কন্দ বিক্ৰী হোৱাৰ অভিলেখো গৱেষক সকলে উল্লেখ কৰিছে। এইবোৰে টিউলিপৰ ব্যৱসায়িক আভিজাত্যকে প্ৰকাশ কৰিছে। এবাৰ এজন নাৰিকে হেনো পিয়াঁজ বুলি টিউলিপৰ 'কন্দ' খাদ্য হিচাপে ব্যৱহাৰ কৰিছিল আৰু তাৰবাবে, ব্যৱসায়ীসকলে তেওঁক দণ্ড বিহিছিল। সেই সময়ত টিউলিপৰ প্ৰতি হোৱা অত্যাধিক চাহিদাই পৰবৰ্তী সময়ত 'টিউলিপ-মেনিয়া' আখ্যা পাইছিল। ব্যৱসায়ী আৰু সাধাৰণ নাগৰিকৰ মাজতো টিউলিপৰ ভৱিষ্যৎ 'বজাৰ-দাম' লৈ গুনা-গথাঁ (Speculation) চলিছিল। ভবিষ্যতে অধিক দাম পোৱাৰ আশাত মানুহে নিজৰ অন্যান্য সামগ্ৰী বিক্ৰী কৰি হ'লেও টিউলিপৰ কন্দ ক্ৰয় কৰিছিল। এই কিনাবেচাই টিউলিপ বজাৰত এক অনন্য মাত্ৰা প্ৰদান কৰিছিল। আজিকালিৰ 'ষ্টক-মাৰ্কেট'ৰ দৰেই ব্যৱসায়ী সকলক নিচাগ্ৰস্থ কৰি তুলিছিল। পিচৰ এটা সময়ত 'ষ্টক মাৰ্কেট' পৰি যোৱাদি টিউলিপৰ বজাৰো পৰি আহিছিল। দুই এক গৱেষকৰ মতে টিউলিপৰ নিম্নগামী দামে বজাৰত মন্দাৱস্থাৰ সৃষ্টি কৰিছিল। পৰৱৰ্তী কালত বিভিন্ন ঠাইৰ মন্দা-বজাৰৰ ব্যাখ্যা দিবলৈ কোনো কোনোৱে 'টিউলিপ-সৃষ্ট মন্দা'ৰ দৃষ্টান্ত প্ৰসঙ্গলৈ আনিছিল। সি যি কি নহওক কিয়, টিউলিপৰ আধিপত্য আছিল বেচ চমকপ্ৰদ। তাতোকৈ চমকপ্ৰদ কথা হৈছে এয়ে যে নেদাৰলেণ্ডৰ টিউলিপে এতিয়াও বিশ্বৰ ফুলৰ বজাৰত নিজৰ ঐতিহ্য অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছে। ব্যৱসায়িক ভিত্তিত উৎপাদন কৰা হ'লেও টিউলিপৰ মূল্য কেৱল 'পণ্য' হিচাপেই নহয়, সেই মূল্যত দেশখনৰ মানুহৰ ঐতিহ্যৰ প্ৰতি থকা অনুৰাগ আৰু শ্ৰদ্ধাৰ্ঘ্যও মিহলি হৈ আছে। কিউকেনহ'ফৰ বাগিছাত থিয় দি বিশ্বৰ যিকোনো প্ৰান্তৰ মানুহে এই কথা উপলব্ধি কৰিব পাৰিব।

কিউকেনহ'ফৰো আছে সুদীৰ্ঘ অতীত। কিউকেনহ'ফ শব্দটোৰ অৰ্থ হৈছে শাকনি বাৰী (Kichen Courtyard)। এসময়ত (পোন্ধৰ শতিকাত) এই ফুলনি থকা এলেকাটোৰ পৰা বাভাৰিয়াৰ লেডী জেকুইলিনৰ ৰাজহাউলিৰ পাক্‌ঘৰলৈ শাক-পাচলি গৈছিল। সেইবাবেই এই বাগিছাৰ নাম 'পাকঘৰৰ চোতাল'। ১৯৪৯ চনত টিউলিপৰ উৎপাদক আৰু ৰপ্তানিকাৰী কেইগৰাকীমান একত্ৰিত হৈ ইয়াতেই এখনি প্ৰদৰ্শনী পতাৰ যোজা কৰিছিল। এই প্ৰদৰ্শনী প্ৰধানত বসন্তকালীন ফুলৰ প্ৰদৰ্শনী। তেওঁলোকক সহায় কৰিছিল এগৰাকী স্থপতিবিদ অভিযন্তাই। সেয়াই আৰম্ভণি। কালক্ৰমত ইয়েই নেদাৰলেণ্ডৰ প্ৰখ্যাত ফুলনিলৈ ৰূপান্তৰিত হ'ল। এতিয়াও বছৰটোৰ নিৰ্দিষ্ট সময়ত অৰ্থাৎ বসন্তৰ টিউলিপ ফুলাৰ ঋতুৰটোতে কিউকেনহ'ফত গতানুগতিক পৰ্যটন-কাৰ্য-ক্ৰমনিকাৰ লগতে পৰিকল্পিতভাবে ফুলৰ প্ৰদৰ্শনী, ডাচ্ছ-লোক কলাৰ উৎসৱ, কলা প্ৰদৰ্শনী আদি অনুষ্ঠিত হয়। এইবোৰৰ নিৰ্দ্ধাৰিত কাৰ্যসূচী আগতীয়াকৈ দৰ্শকৰ বাবে প্ৰচাৰ কৰা হয়, যাতে নিজৰ নিজৰ ৰুচি মতে দৰ্শকে প্ৰদৰ্শনী বা অন্যান্য অনুষ্ঠান উপভোগ কৰিব পাৰে।

বাগিছাখনৰ ভিতৰত ভিন্ন বয়সৰ অগনন লোকৰ সমাবেশ দেখি বুজিব পাৰিছিলো কিদৰে কিউকেনহ'ফে মানুহক আকৰ্ষিত কৰি আনিছে- বৃদ্ধৰ পৰা শিশুলৈ। দৰ্শনাৰ্থীসকলৰ মাজত 'হুইল-চেয়াৰ'ত বহুৱাই কেইবাগৰাকী বৃদ্ধ/বৃদ্ধাক আত্মীয় সকলে ঘু�ৰাই ফুৰোৱা দেখিছিলো। সেই সকলৰ চকু-মুখ টিউলিপৰ পাহিৰ দৰেই উজলি উঠিছিল আনন্দত। বয়স্কসকলৰ দৰে ভিন্ন-বয়সৰ শিশুৰ বাবেও ইয়াত আছে উমলি-জামলি ঘূৰি ফুৰাৰ অনেক অৱকাশ আৰু খেল-ধেমালিৰ ব্যৱস্থা।

প্ৰতিবছৰে বাগিছাখনৰ প্ৰদৰ্শনীৰ বাবে একোটা মূল 'বিষয়' (Theme) নিৰ্বাচন কৰা হয়। ২০১৩ চনৰ বিষয় আছিল

'United Kingdom- Land of Great Garden' এই বাগিছাৰ আৰম্ভনিয়েই হেনো বৃটিছ গৰ্ডেনৰ আৰ্হিত কৰা হৈছিল। সেয়েহে, ২০১৩ চনত 'ৱয়েল -হাৰ্টকালচাৰ ছ'চাইটি'ৰ সহযোগত বৃটিছ গাৰ্ডেনলৈ কিউকেনহ'ফে শ্ৰদ্ধাৰ্ঘ্য যাচিছে। অৱশ্যে, বাগিছাখনত স্থায়ীভাবে এক বৃটিছ ফুল প্ৰদৰ্শনীৰ মণ্ডপ আছেই, যাৰ নাম হৈছে Oranje Nassau Pavillion। এই মণ্ডপৰ সমুখতে ফুলি আছিল মনোমোহা চেৰী ব্লজ'ম ডাল ভৰি ভৰি। কাষতে থকা পানীৰ ফোঁৱাৰাত চেৰী ব্লজ'মৰ পোহৰে লুকা-ভাকু খেলি অনবদ্য সৌন্দৰ্যৰ সৃষ্টি কৰিছিল। মণ্ডপটোৰ ভিতৰত বৃটেইনৰ 'চেলীব্ৰেটী' সকলৰ নামত প্ৰদৰ্শিত হৈ আছিল অপূৰ্ব পুষ্প-সজ্জাৰ সম্ভাৰ। বছৰটোৰ মূল বিষয়টো প্ৰদৰ্শিত হৈছিল 'জুলিয়ানা মণ্ডপ'ত। গোটেই বাগিছাখনত এনেধৰণৰ মুঠ পাঁচটা মণ্ডপ আছে। ইয়াৰে Wilhelmina Pavillion টো আটাইতকৈ পুৰণি। তাতে সোমাই আমি দুপৰীয়াৰ আহাৰ খাইছিলো। কিন্-কিন্‌কৈ এজাক বৰষুণ আহিছিল। স্মৰণিকা- বিপনীত সোমাই মানুহবোৰে ছাটি আৰু ৰেইন কোট কিনাৰ বাবে উৎসুক হৈ পৰিছিল। ছাটি মেলি বৰষুণৰ মাজে-মাজেই আমিও আগবাঢ়িছিলো। সোমাইছিলোগৈ Alexander Pavillion ত। এইখন হেনো আটাইতকৈ ডাঙৰ মণ্ডপ। ভিতৰত সোমাই দৃষ্টি হায়ৰাণ; যেনিয়েই চোৱা যায়, চকু থৰ হৈ ৰয়। ইয়াত হেনো এক লাখৰো অধিক টিউলিপ আৰু অন্যান্য ফুল ফুলিছে। টিউলিপৰ লগতে ভিন্ন ৰঙৰ লিলি, হায়েচিন্থ, মাস্কাৰী আদিৰ কলাত্মক সজ্জা। এই মণ্ডপৰ মাজত থকা ৰেষ্টোৰাঁখন এছিয়ান খাদ্য-সম্ভাৰৰ। কিউকেনহ'ফৰ বিয়েট্ৰিক্স মণ্ডপটোত ভিন্ন জাতৰ অৰ্কিড আৰু এন্থুৰিয়ামৰ প্ৰদৰ্শন। এই মণ্ডপৰ কাষতেই 'বীচ-লেন', দুই হাত সম্প্ৰসাৰিত কৰি থিয় হৈ থকা গছবোৰৰ মাজে মাজে খোজকাঢ়ি যোৱা পথ। বিশুদ্ধ বায়ুৰ উৎস এইবোৰ গছৰ একো-একোজোপাৰ বয়স হেনো এশ/ডেৰশ বছৰ।

বাগিছাখনৰ মণ্ডপবোৰৰ নামাকৰণ হৈছে নেদাৰলেণ্ডৰ ৰাজ-পৰিয়ালৰ সদস্যসকলৰ নাম অনুসৰি। বিয়েট্ৰিক্স ৰিল হেলমিনা হৈছে সেই সুন্দৰী ভদ্ৰমহিলাৰ নাম, যি ১৯৮০ চনৰ পৰা ২০১৩ চনৰ ৩০ এপ্ৰিললৈ নেদাৰলেণ্ডৰ ৰাণী হিচাপে কাৰ্যভাৰ চলাই আছিল। আকৌ, তেওঁৰেই পুত্ৰ উইলিয়াম আলেকজেণ্ডাৰ, যি ৰাণীৰ পৰা নতুনকৈ ৰাজদণ্ড চম্ভালিবলৈ ল'লে। ৩০ এপ্ৰিলত নেদাৰলেণ্ডত প্ৰতি বছৰে 'কুইনচ্‌ডে' উদযাপন কৰা হয়। ২০১৩ বৰ্ষ ৰাণীৰ বিদায়ী বৰ্ষ, কিউকেনহ'ফতো এই বিদায়ী উৎসৱ পতা হৈছিল। ৰাণী তথা ৰাজপৰিয়ালৰ প্ৰতি কিউকেনহ'ফ কৃতজ্ঞ, কিয়নো, এই বাগিছা সেইসকলৰ আন্তৰিক সহযোগিতাৰ স্পৰ্শেৰে ধন্য।

কিউকেনহ'ফ কেৱল প্ৰকৃতিৰ যাদুঘৰেই নহয়, ইয়াত মানৱ-সৃষ্ট শিল্পকলাৰ নিদৰ্শনো আছে, যি অনুপম। বাগিছাখনৰ অ'ত-ত'ত, ভিন্ন মাধ্যমত প্ৰস্তুত কৰা ভাস্কৰ্যবোৰ দেখিলে এনে লাগে যেন এইবোৰ ফুলি থকা ফুলবোৰৰ প্ৰহৰীহে। শিল্পকৰ্ম সমূহৰ উপৰিও প্ৰতিবছৰে ইয়াত শিল্প প্ৰদৰ্শনী অনুষ্ঠিত হয়। একেদৰে, বছৰটোত ত্ৰিশটাতকৈও অধিক পুষ্প-সজ্জাৰ প্ৰদৰ্শনী হয়। ছশতকৈও অধিক ডাচ্ছ ফুল উৎপাদকে এই প্ৰদৰ্শনীবোৰত ভাগ লয়।

কিউকেনহ'ফত আৰু আছে এটা উইণ্ড-মিল। এইটো ১৮৯২ চনৰ। ই এতিয়াও কাৰ্যক্ষম হৈ আছে। মিলটোৰ সমুখভাগত পৰ্যটকৰ বাবে চাবলৈ, খাবলৈ আৰু কিৰিবলৈ বিভিন্ন ব্যৱস্থা আছে। মিলটোৰ ওচৰত থকা Canal ৰে সৰু নাওত উঠি টিউলিপৰ বিস্তৃত খেতিৰ ভুৱন ভুলোৱা দৃশ্য প্ৰত্যক্ষ কৰিব পাৰি। আমাৰ পথাৰ ভৰি ফুলা সৰিয়হ ডৰাৰ দৰে হালধীয়া আৰু ৰঙা, গুলপীয়া আদি ৰঙৰ শাৰী-শাৰী টিউলিপ, ৰৈ ৰৈ চাই থাকিও হেঁপাহ নপলোৱা দৃশ্য,

কিউকেনহ'ফ মাথোন এখন ফুলনি নহয়, পৰ্যটকৰ বিনোদন স্থলী অথবা নেদাৰলেণ্ডবাসীৰ উপাৰ্জনৰ উৎস নহয়, ই ডাচ্ছ সকলৰ পৰম্পৰা ৰক্ষাৰ পবিত্ৰ সাক্ষী। মানুহ আৰু প্ৰকৃতিৰ কালিমাবিহীন সুন্দৰ শিল্পীৰূপৰ পৰিকল্পিত প্ৰকাশ কিউকেনহ'ফ। ইয়াত ঘূৰি ফুৰি মানুহৰ ভাগৰ নালাগে, ৰৰঞ্চ, মানুহে পাহৰি যায় দুখ-ভাগৰ। এই বিনন্দীয়া ফুলনিয়ে মানুহক দিয়ে প্ৰশান্তি আৰু সুখানুভূতি যদিও হৃদয়ত চিৰদিনৰ বাবে বন্দী হৈ আছে কিউকেনহ'ফৰ প্ৰাণহু

টোকাঃ প্ৰবন্ধটো ২০১৩ চনৰ ২৩ জুনৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত। সম্প্ৰতি, তথ্যসমূহৰ সাল-সলনিও হ'ব পাৰে।

পৰ্যটক-ধৰ্মগুৰুৰ টোকাত অসম সম্পৰ্কীয় তথ্য

ড° ৰীণা চৌধুৰী
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

পৰ্যটক বা ভ্ৰমণকাৰীৰ টোকাৰ ঐতিহাসিক মূল্য অনস্বীকাৰ্য। বৰ্তমান যুগত ভ্ৰমণ কাহিনীক সাহিত্যৰ এক শাখা ৰূপে গণ্য কৰা হয়। সেইবোৰৰ সাহিত্যিক মূল্য বিদ্বৎ সমাজৰ দ্বাৰা স্বীকৃত হোৱাৰ যোগ্য। সাহিত্যৰ দৃষ্টিভংগী বাদ দিও পৰিব্ৰাজকৰ টোকা, ধৰ্মীয় নেতাৰ ভ্ৰমণ বিষয়ক ৰচনা, ৰাজনৈতিক নেতাৰ অভিজ্ঞতাপুষ্ট প্ৰবন্ধ আদি লিখনিসমূহত একোখন ঠাইৰ বহুতো দুৰ্লভ তথ্য লুকাই থকা দেখা যায়। সেই বাবেই বিদেশী পৰ্যটক বা ভ্ৰমণকাৰীসকলৰ টোকাসমূহ ভাৰতৰ ইতিহাস প্ৰণেতাসকলৰ বাবেও নিৰ্ভৰযোগ্য সমলৰূপে বিবেচিত হৈছে।

পৰ্বত-পাহাৰ আৰু গভীৰ অৰণ্যৰে ভৰা কামৰূপ ৰাজ্য বহিৰাগতৰ বাবে দুৰ্গম আছিল। উত্তৰ ভাৰতৰ প্ৰতাপী আৰু ইতিহাস প্ৰসিদ্ধ ৰজাসকলৰ লগত কামৰূপৰ ৰাজনৈতিক সম্পৰ্ক হয় নাছিল, নহয় নিচেই কম আছিল। গোপন ধৰ্মীয় আচাৰ অনুষ্ঠান আৰু তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলি অসমলৈ বিদেশী ভ্ৰমণকাৰীৰ আগমন ব্যাহত হৈছিল। এনে প্ৰতিকূল পৰিস্থিতিক উপেক্ষা কৰিও ভালেকেইজন পৰিব্ৰাজক, কবি, পণ্ডিত তথা ধৰ্মীয় পুৰুষ আৰু ৰাজনৈতিক চিন্তাবিদে বিভিন্ন সময়ত অসম ভ্ৰমণ কৰি টোকা লিখি থৈ গৈছে।

অসমৰ ভৌগোলিক অৱস্থান এনে যে এই দেশখনে দক্ষিণ-পূব এচিয়াৰ বিভিন্ন দেশৰ লগত ভাৰতবৰ্ষৰ বিশাল ভূখণ্ডক সংলগ্ন কৰিছে। দেশখনৰ উত্তৰ-পূবে হিমালয় পৰ্বতমালাৰ একাংশ বিস্তৃত হৈ থিয় দিছে। হিমালয়ৰ পৰা বাঢ়ি আহি দক্ষিণলৈ ঘুৰি আগবঢ়া পাটকাই আদি পাহাৰ কেইখনে ভাৰতৰ উত্তৰ-পূব প্ৰান্তৰ সীমা নিৰ্দ্ধাৰণ কৰিছে। এই ভাঁজ লোৱা পাহাৰ শ্ৰেণীৰ সিটো পাৰে চীন, বাৰ্মা বা বৰ্তমানৰ ম্যানমাৰ, লাওচ আদি দেশবোৰ অৱস্থিত। এই পাহাৰ লানি পাৰ হৈ ব্ৰহ্মপুত্ৰ উপত্যকাইদি উলিয়াই লোৱা পথসমূহ চীন দেশৰ সুপ্ৰাচীন সভ্যতা আৰু প্ৰাচীন ভাৰতীয় সভ্যতাৰ আদান-প্ৰদানৰ প্ৰধান অৱলম্বন আছিল। বেপাৰ-বাণিজ্যৰ উপৰিও পূব এচিয়াৰ বৌদ্ধধৰ্মী দেশসমূহে বুদ্ধদেৱৰ স্মৃতি-বিজড়িত স্থানসমূহ দৰ্শন কৰিবৰ বাবে দলবান্ধি ভাৰতলৈ আহিছিল। কোনো কোনোৱে বৌদ্ধধৰ্মী প্ৰাচীন গ্ৰন্থ ব আন ধৰ্মীয় সমলৰ অনুসন্ধানতো এই পথেদি ভাৰত সোমাইছিলহি। বৌদ্ধধৰ্মী দেশ তিব্বতৰ পৰা অসমৰ পূব প্ৰান্তৰৰ পাৰ্বত্য অঞ্চললৈকে বিস্তৃত হৈ বসবাস কৰা বৌদ্ধধৰ্মী জনজাতীয় লোকসকলৰ লগত তেওঁলোকৰ মিত্ৰতা গঢ়ি উঠাটো স্বাভাৱিক কথা আছিল। তদুপৰি লাওচ, ম্যানমাৰ আদি দেশৰ পৰা দলে দলে অহা মানুহে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাৱৰা ভূ-খণ্ডলৈ জীৱিকাৰ সন্ধানত আহি ইয়াতে খোপনি পুতি ৰৈছিল।

আনপিনে কামৰূপ ৰাজ্য আৰু গৌড় ৰাজ্যৰ মাজৰ সীমাৰেখাডাল প্ৰাচীন কালৰে পৰা যথেষ্ট চমু। ত্ৰিপুৰা, জয়ন্তীয়া আদি ৰাজ্যৰ পাৰ্বত্য ভূমিয়ে কামৰূপ ৰাজ্যৰ পশ্চিম দিশত সুৰক্ষা প্ৰদান কৰিছিল যদিও উত্তৰ-পশ্চিমৰ হিমালয়ৰ পাদদেশত সংলগ্ন ঠেক সমতলভাগে দুয়োখন ৰাজ্যৰ মিত্ৰতা আৰু শত্ৰুতা দুয়োটি সম্বন্ধ জীয়াই ৰাখিছিল। তেনে সম্বন্ধৰ সূত্ৰ ধৰি ভালে কেইজন ভাৰতীয় পৰ্যটকে তেতিয়াৰ অসম ভ্ৰমণ কৰি একোটা টোকা লিখি থৈ গৈছে। আহোম-মোগলৰ যুদ্ধসমূহত মোগল সেনাবাহিনীৰ সৈতে সুপণ্ডিত তথা লেখক কেইবাগৰাকী অসমলৈ অহাৰ নিদৰ্শন অসম বুৰঞ্জীয়ে দাঙি ধৰে। তেনেদৰে

মানৰ আক্ৰমণৰ সময়ত মান ৰণুৱা লেখক অসমলৈ অহাৰ প্ৰমাণ আছে।

ভাৰতবৰ্ষলৈ অহা পৰ্যটক বা ভ্ৰমণকাৰীসকলৰ ভিতৰত মেগাস্থেনিছ, আলবেৰুণী, ফাহিয়েন, হিউৱেনচাং আদিৰ নাম উল্লেখনীয়। ইতিহাসৰ বিভিন্ন সময়ত অহা এই পৰিব্ৰাজক বা বিদেশী ভ্ৰমণকাৰীসকলৰ টোকাত সমসাময়িক সমাজৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক বিষয়ৰ লগতে বৰ্ণনাসমূহত তেওঁলোকে নিজৰ নিজৰ অভিমতো দাঙি ধৰি থৈ গৈছে। সেইবাবেই এনে টোকা বা বৰ্ণনাবোৰ বৰ মূল্যৱান। ভাৰতলৈ অহা প্ৰথমজন উল্লেখযোগ্য পৰিব্ৰাজক হ'ল মেগাস্থেনিছ। তেওঁৰ 'ইন্দিকা' নামৰ গ্ৰন্থখনে ভাৰতবৰ্ষৰ আৰু এই দেশৰ মানুহৰ আংশিক ছবি এখন দিবলৈ চেষ্টা কৰিছিল। খ্ৰীঃ পূঃ চতুৰ্থ শতিকাৰ আগভাগত মহাবীৰ আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ পিছত আলেকজেণ্ডাৰৰ সেনাপতি চেলিউকছ নিকেটৰে মেগাস্থিনিছক চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজসভালৈ ৰাষ্ট্ৰদূত হিচাপে পঠাইছিল। মেগাস্থেনিছে মৌৰ্যৰ ৰাজধানী পাটলিপুত্ৰ (বৰ্তমানৰ পাটনাৰ ওচৰত)ত বাস কৰি ভাৰতৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি কিছুমান টোকা লিখিছিল। মেগাস্থেনিছৰ ভাৰত সম্পৰ্কীয় টোকাত তদানীন্তন উত্তৰ-পশ্চিম ভাৰতৰ ভালেমান তথ্য সন্নিবিষ্ট হ'লেও প্ৰাচীন প্ৰাগজ্যোতিষপুৰ বা কামৰূপ সম্পৰ্কে কোনো তথ্য পাবলৈ নাই।

মেগাস্থেনিছৰ ৭০০ বছৰৰ পিছত চীনদেশৰ বৌদ্ধ সন্ন্যাসী ফাহিয়েন ভাৰতলৈ আহে। ফাহিয়েনে মূলতে বৌদ্ধ ধৰ্মীয় স্থানসমূহৰ বৃত্তান্ত লিখিছিল। তেখেতৰ টোকাত পঞ্চম শতিকাৰ ভাৰতবৰ্ষৰ বিষয়ে আভাস পোৱা যায়। ফাহিয়েনৰ লিখাত কামৰূপ সম্বন্ধে কোনো উল্লেখ নাই। ফাহিয়েনৰ দুশ বছৰৰ পিছত আন এজন চীনা তীৰ্থযাত্ৰী ভাৰতলৈ আহিছিল—হিউৱেনচাঙ। সপ্তম শতিকাৰ ভাৰতবৰ্ষৰ বিষয়ে এক স্পষ্ট ধাৰণা হিউৱেনচাঙৰ লেখাত পোৱা গৈছে।

ভাৰত আৰু চীনৰ মাজত বাণিজ্যিক বিনিময় হেজাৰ বছৰীয়া পুৰণি। ফাহিয়েন আৰু হিউৱেনচাঙে ভাৰতবৰ্ষ ভ্ৰমণ কৰি দুইখন দেশৰ এই সম্বন্ধ দৃঢ় কৰিছিল। ৬৩০ খ্ৰীষ্টব্দত হিউৱেনচাঙে (৬০৩-৬৬৪) ভাৰতত পদাৰ্পণ কৰি ১৪ বছৰ কাল ভাৰতৰ বিভিন্ন স্থানসমূহত ভ্ৰমি ফুৰিছিল। চীনলৈ উভতি গৈ ভাৰতবৰ্ষৰ পৰা নিয়া প্ৰায় ৭৫ খন কিতাপ তেখেতে পিছৰ জীৱনত অনুবাদ কৰিছিল। পুণ্ড্ৰবৰ্ধনৰ পিছত পূব দিশলৈ ৯০০ লিৰ সমান পথ ভাঙি এটি নদী পাৰ হৈ হিউৱেনচাঙে কামৰূপ ৰাজ্যলৈ অহা বুলি উল্লেখ পোৱা যায়। সেই সময়ৰ কামৰূপৰ ৰজা কুমাৰ ৰাজ বা ভাস্কৰবৰ্মাৰ বিষয়ে তেওঁৰ ভ্ৰমণ বৃত্তান্ততেই বহু তথ্য লাভ কৰা যায়। এখন বিশাল নৈ পাৰ হৈ কুমাৰ ৰজাৰ ৰাজ্যলৈ অহা বুলি লিখিলেও এই নদীখনৰ নাম ব্ৰহ্মপুত্ৰ বা লৌহিত্য বুলি পোৱা নাযায়। ঐতিহাসিক তথ্য মতে ভাস্কৰ বৰ্মাই ৫৯৪ খ্ৰীষ্টাব্দত কামৰূপৰ সিংহাসনত আৰোহণ কৰি ৬৫০ খ্ৰীষ্টব্দলৈ ৰাজত্ব কৰিছিল। ভাৰত ভ্ৰমণকালৰ শেষৰ পিনে ৬৪৩ খ্ৰীষ্টাব্দত হিউৱেনচাঙে কুমাৰ ৰাজ ভাস্কৰ বৰ্মাৰ আমন্ত্ৰণ ক্ৰমে কামৰূপলৈ আহে আৰু এমাহ কাল ইয়াত কটাইছিল। হিউৱেনচাঙ আৰু উত্তৰ ভাৰতৰ শ্ৰেষ্ঠ ৰজা হৰ্ষবৰ্ধনে ভাস্কৰ বৰ্মাক 'মহান বন্ধু' আখ্যা দিয়াৰ কথা পোৱা যায়।

হিউৱেনচাঙে চীনলৈ ঘূৰি গৈ 'ছি-ইউ-কি' নামৰ ভাৰত বৃত্তান্তখন লিখি উলিয়ায়। সমসাময়িক ভাৰতবৰ্ষৰ দলিল স্বৰূপ এই গ্ৰন্থখনত কামৰূপক 'কিয়া-ম'-লু-প' বা 'কিআ-মো-লু-পো' বুলি অভিহিত কৰিছে। এইখন গ্ৰন্থৰ বৃত্তান্ততেই ভাস্কৰ বৰ্মাৰ ৰাজ্যখনৰ আয়তন প্ৰায় দুহেজাৰ মাইল (১০,০০০ লি) আৰু ৰাজধানী প্ৰাগজ্যোতিষপুৰৰ পৰিধি প্ৰায় ৬ মাইল (৩০ লি) আছিল বুলি উল্লেখ কৰি গৈছে। 'ছি-ইউ-কি'ত ভাস্কৰ বৰ্মাক কুমাৰ ৰাজ বা কুমাৰ বুলি উল্লেখ কৰিছে। তেওঁলোকৰ বংশ প্ৰাচীন বিষ্ণুদেৱপন্থী আৰু জাতিত ব্ৰাহ্মণ বুলিও যুক্তি আগবঢ়োৱা হৈছে। হিউৱেনচাঙে ব্ৰহ্মপুত্ৰ বা লৌহিত্যৰ কোনো নাম উল্লেখ নকৰিলেও ৰাজধানী চহৰখনৰ বিষয়ে কওঁতে, নদী বা বান্ধ থকা সৰোবৰৰ পৰা খাল কাটি অনা পানীৰে চহৰবোৰ ঘেৰি ৰখা হৈছিল বুলি লিখি গৈছে। হিউৱেনচাঙে তেওঁৰ বিৱৰণত সিংহলকে ধৰি ৮২ খন ৰাজ্যৰ কথা লিখিছে। ভাৰতবৰ্ষক হিউৱেনচাঙে তিয়েন-চু বুলি কৈছে। পুৰণি কালৰ পৰা এই ঠাইখন সিন-তু (সিন্ধু), হিয়েন-তু (হিন্দু), ইন-তু (ইন্দু) আদি বহুত নামেৰে পৰিচিত হোৱাৰ বিষয়ে উল্লেখ কৰি 'ইন-তু' শব্দটিৰে ভাৰতক বুজাবলৈ বিচাৰিছে আৰু 'ইন-তু'ক সাধাৰণতে বিদেশীসকলে ব্ৰাহ্মণৰ দেশ বুলি আখ্যা দিয়াৰ কথা লিখিছে। ইন-তুৰ তিনিটা দিশত সাগৰে ঘেৰা, উত্তৰফালে শাৰী শাৰী পাহাৰ, পূব দিশত উপত্যকা আৰু সমতল ভূমি, পশ্চিম ভাগ শিলাময় আৰু খৰাং, দক্ষিণ অঞ্চল অৰণ্য আৰু ঔষধি গছেৰে ভৰা বুলি বিৱৰণটিত পোৱা যায়।

একাদশ শতিকাৰ ভাৰতৰ ছবি অংকণ কৰিছিল আল-বেৰুণী বা অল বিৰুণী (৯৭৩-১০৮৪) নামৰ আন এজন পৰিব্ৰাজকে। আলবেৰুণীৰ টোকাত স্পষ্টকৈ নহ'লেও থূলমূলভাৱে কামৰূপ আৰু লুইতৰ ধাৰণা পোৱা যায়। আল-বিৰুণীৰ ভাৰত ভ্ৰমণ বিষয়ক 'কিতাবু'ল হিন্দ' পুথিখন ড° এডওয়ার্ড চি.চাচাউ (Dr. Edward C. Sachaw) নামৰ

ব্যক্তিজনে সম্পাদনা কৰি প্ৰথমে জাৰ্মান ভাষাত আৰু তাৰ পিছত ১৮৮৮ চনত ইংৰাজী ভাষালৈ অনুবাদ কৰি দুটি খণ্ডত লণ্ডনৰ পৰা প্ৰকাশ কৰে। অল-বিৰুণীয়ে এইখন গ্ৰন্থত কামৰু পৰ্বত, নেপাল, চীন, তিব্বত আদিৰ বৰ্ণনা দিছে। 'কনোজ থেকে ভোতেশ্বৰ' শীৰ্ষক খণ্ডটিত ভাৰতবৰ্ষৰ পূৰ্বাংশৰ উক্ত ঠাইসমূহৰ বিৱৰণত 'তিলওৱাত', কামৰু পৰ্বত আদিৰ বৰ্ণনা দিছে।

ভাৰতবৰ্ষৰ ধৰ্মীয় সংস্কৃতিত তীৰ্থ দৰ্শন পুণ্য কৰ্ম বুলি স্বীকৃত হৈছে। প্ৰাচীন অসমত কামাখ্যা, পৰশুৰামকুণ্ড আদি পুৰাণ প্ৰসিদ্ধ তীৰ্থস্থান থকাৰ কথা জনা যায় যদিও কোনো লোকে সেই সন্দৰ্ভত নিজস্ব অভিজ্ঞতা লিখি থৈ যোৱাৰ কথা জনা নাযায়। বশিষ্ঠ মুনি কামৰূপৰ কামাখ্যালৈ আহি ইয়াত তপস্যা আদি কৰাৰ সংবাদ পুৰণি সাহিত্যত পোৱা যায়। কিন্তু তাৰ তথ্য ভিত্তিক প্ৰমাণ পাবলৈকে নাই। প্ৰাচীন ভাৰততে আধ্যাত্মিক নেতাসকলে ধৰ্ম অথবা উপদেশ প্ৰচাৰাৰ্থে বিভিন্ন ঠাই ভ্ৰমণ কৰিছিল। পুৰণি কামৰূপ বা অসমলৈ ধৰ্মীয় গুৰুৰ আগমনৰ বিশেষ প্ৰমাণ নাথাকিলেও দুই এটা তথ্য লিপিবদ্ধ ৰূপত পোৱা গৈছে। অষ্টম শতিকাত শংকৰাচাৰ্যই ভাৰতীয় ধৰ্মক পুনৰ সবলভাৱে প্ৰতিষ্ঠা কৰিবলৈ হিমালয়ৰ পৰা কন্যাকুমাৰীলৈ, কাশ্মীৰৰ পৰা নেপাল আৰু অসমলৈ, দ্বাৰকাৰ পৰা পুৰীলৈ বিভিন্ন ঠাই ভ্ৰমণ কৰিছিল। পণ্ডিতসকলৰ মতে শংকৰাচাৰ্যই তিনিবাৰ ভাৰতবৰ্ষৰ চুকে কোণে ভ্ৰমণ কৰিছিল। এইজনা তৰুণ পৰিব্ৰাজকে (যাক অঘৰী সন্ন্যাসী বোলা হৈছিল) বহু সংখ্যক শিষ্য আৰু অনুগামীক লগত লৈ ইখনৰ পিছত সিখন ঠাইলৈ ঘুৰি ফুৰিছিল। শংকৰাচাৰ্য কামৰূপলৈ আহি অভিনৱ গুপ্ত নামৰ তান্ত্ৰিক পণ্ডিত এজনক পৰাজিত কৰা বুলি কেবাখনো গ্ৰন্থত পোৱা যায়। শেষত অভিনৱ গুপ্তই আচাৰ্য গৰাকীক মন্ত্ৰ প্ৰয়োগেৰে ভগন্দৰ ৰোগত আক্ৰান্ত কৰাই প্ৰাণ নাশ ঘটায় বুলি কোৱা হয় আৰু এই সন্দৰ্ভত দুই-এখন গ্ৰন্থত বিৱৰণ দিয়া হৈছে।

মাধবাচাৰ্য বিৰচিত শ্ৰীশংকৰদিগ্বিজয় গ্ৰন্থত উল্লিখিত অনুসৰি শংকৰাচাৰ্য কামৰূপলৈ আহি শাক্ত ভাষ্যৰ লেখক অভিনৱ গুপ্তক জয় কৰিছিল। অভিনৱ গুপ্তই এই পৰাজয় সহজভাবে গ্ৰহণ নকৰি শক্তিশালী পুৰুষ শংকৰক সমূলাঞ্চে নিঃশেষ কৰিবলৈ মন মেলে। আনকি নিজৰ শিষ্যৰ সৈতে গোপন ষড়যন্ত্ৰৰ পৰামৰ্শ কৰি শংকৰাচাৰ্যৰ ওচৰত শিষ্যত্ব গ্ৰহণ কৰাৰ কথা পোৱা যায়। শংকৰাচাৰ্যই বেদ শাস্ত্ৰত অভিনৱ গুপ্তক পৰাজিত কৰিব পাৰিলেও তন্ত্ৰ শাস্ত্ৰৰ সুমহান পণ্ডিতজনাৰ মন্ত্ৰ শক্তি প্ৰবলতাক স্বীকাৰ কৰিবলৈ বাধ্য হোৱা বুলি গ্ৰন্থখনৰ ষোড়শ সৰ্গত উল্লেখ আছে। পৰাজিত অভিনৱ গুপ্তই খং আৰু লাজতে আচাৰ্যৰ প্ৰতি কুমন্ত্ৰ অভিচাৰ প্ৰয়োগ কৰিলে। যাৰ ফলত শংকৰাচাৰ্যৰ ভগন্দৰ ৰোগ হয় আৰু চিকিৎসক-বৈদ্য কোনেও তেখেতক ৰক্ষা কৰিবলৈ সক্ষম হোৱা নাছিল।

চুৰিন্দৰ সিং কোহলীৰ Travels of Guru Nanak গ্ৰন্থত শিখগুৰু নানকৰ (১৪৬৯-১৫৩৯) দেশ ভ্ৰমণৰ কথা পোৱা যায়। এই দেশ পৰ্যটনৰ বিৱৰণ গুৰু গৰাকীয়ে নিজে ৰখা নাছিল। তেওঁৰ শিষ্যসকলে গুৰু নানকৰ জীৱন কাহিনীৰ লগতে এই ভ্ৰমণৰ বিৱৰণ 'জনম সখী' নামৰ পুথিত লিপিবদ্ধ কৰি ৰাখিছে। কোহলীৰ উল্লেখ মতে গুৰু নানকে নিজৰ জীৱন কালত চাৰিবাৰ পৰ্যটনলৈ গৈছিল। পঞ্জাবৰ পৰা আৰম্ভ কৰা এই যাত্ৰাই উত্তৰ দক্ষিণ-পূব-পশ্চিম চাৰিও দিশ সামৰি লোৱা বুলি কোৱা হৈছে। পূব দিশৰ যাত্ৰাত গুৰু নানকে দিল্লী, উত্তৰ প্ৰদেশ, বিহাৰ, বংগ, অসম, মণিপুৰ, ত্ৰিপুৰা আদি ঠাই সামৰি লৈছিল আৰু সমসাময়িক সকলো ধৰ্মৰে তীৰ্থস্থানসমূহ দৰ্শন কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা বুলি গ্ৰন্থখনত পোৱা যায়।

এই গ্ৰন্থখনৰ Assam নামৰ অধ্যায়টোত ১৫০৫ চনত গুৰু নানক অসমলৈ আহোঁতে ব্ৰহ্মপুত্ৰৰ পাৰৰ ধুবুৰীত বাহৰ পাতি ৰোৱা বুলি কোৱা হৈছে। গ্ৰন্থখনৰ মতে জনম সখীত এই দেশখনৰ নাম কাৰৰু দেশ বুলি উল্লেখ কৰা হৈছে। গুৰু নানক অহা সময়ছোৱাত কামৰূপখন মৰুসদৃশ আছিল। বৈষ্ণৱ, শৈৱ আৰু শাক্তসকলৰ মতৰ সম্পৰ্কে টোকাটোত অন্তৰ্ভুক্ত কৰিছে। গুৰু নানকে শংকৰদেৱক ধুবুৰীত লগ পোৱা বুলিও পুথিখনত উল্লেখ আছে। এই প্ৰসংগতেই ধুবুৰীত নানকে থকা ঠাইত এটা গুৰুদ্বাৰৰ ভেটি নিৰ্মাণ কৰাৰ পিছত গৌৰীপুৰ, ৰঙামাটি, যোগীঘোপা, গোৱালপাৰা, ভ্ৰমণ কৰি ব্ৰহ্মপুত্ৰৰ বুকুৰে কামাখ্যালৈ অহাৰ কথা পোৱা যায়। তাৰ পিছত হাজো নামৰ ঠাইলৈ যোৱা আৰু সৰৱৎ নদী, ইয়াৰ কাষত কামাহ্ৰদ মৰ্দনকুণ্ড বা মধনকুণ্ড আদি ঠাইৰ নামসমূহ পৰ্যটক টোকাটিত আছে। টোকাত উল্লেখ কৰা মতে নানকে ইয়াৰ পিছত উজনিলৈ আগবাঢ়ে। পৰশুৰামে পাৰকাটি ব্ৰহ্মপুত্ৰ বোৱাই অনা কুণ্ডটো লক্ষ্য কৰে আৰু ইয়াক তেওঁ ব্ৰহ্মকুণ্ড বুলি উল্লেখ কৰিছে। তাৰ পৰা গুৰু নানক তিব্বত, চীন, জাপান, বাৰ্মা আদিলৈ গৈ পুনৰ ভাৰতৰ ইম্ফল, কাছাৰ, চিলেট আদি ঠাই পৰিভ্ৰমণ কৰা বুলি প্ৰকাশ কৰা হৈছে। গুৰু নানকৰ জনম সখীত অসমৰ নাম দুটাকৈ পোৱা যায়। 'কাৰৰু দেশ' বা কামৰূপ আৰু আনটো 'অচদেশ' বা আচাম। টোকাটিত ধুবুৰীৰ পৰা গুৰু নানক গুৱাহাটীলৈ আহি ব্ৰহ্মপুত্ৰৰ দাঁতিত বাস কৰাৰ কথা আৰু গুৱাহাটীৰ আশে-পাশে সমগ্ৰ মঠ-মন্দিৰ দৰ্শন কৰাৰ কথা আছে। পৰিবহনৰ বাবে যে সেই যুগত ব্ৰহ্মপুত্ৰ

জলপথৰেই ব্যৱহাৰ আছিল তাকো বুজিব পাৰি। ইয়াৰ লগতে জনম সখীত অচদেশৰ প্ৰায় ১৮ জন ৰজাৰ নাম উল্লিখিত হোৱা বুলি লেখকে উল্লেখ কৰিছে।

শিখধৰ্মৰ নৱমগুৰু তেগবাহাদুৰো (১৬২১-১৬৭৫) অসমলৈ অহাৰ বিৱৰণ পোৱা যায়। বলৱন্ত সিং আনন্দৰ Guru Tegh Bahadur-A Biography গ্ৰন্থখনত শিখ গুৰুজনৰ জীৱনৰ লগতে অসম সম্বন্ধীয় তথ্য পোৱা যায়। শিখধৰ্ম প্ৰচাৰৰ বাবে তেগ বাহাদুৰে বংগদেশ, উত্তৰ প্ৰদেশ, বিহাৰ, অসম আৰু বিভিন্ন ঠাইলৈ পৰ্যটন কৰিছিল। গুৰু নানকে ভ্ৰমণ কৰা ঠাইসমূহ পৰিদৰ্শন কৰাটো তেখেতৰ মূল বাঞ্ছা আছিল। তেগ বাহাদুৰ ঢাকাত থাকোতে অম্বৰৰ ৰজা জয়সিংহৰ পুত্ৰ ৰাজা ৰামসিংহই মোগল বাহিনীৰ লগত অসম জয় কৰিবলৈ আহিছিল। ইতিমধ্যে ১৬৬৭ চনৰ ডিচেম্বৰ মাহত আহোমসকলে গুৱাহাটীৰ পৰা মোগলসকলক খেদি পঠোৱাৰ পিছত সম্ৰাট ঔৰংজেৱে পুনৰ গুৱাহাটী ল'বলৈ মোগাল বাহিনীক পঠিয়াইছিল। আহোম সেনাৰ যুঁজাৰু কৌশল তথা সাহসে বিখ্যাত মোগল সেনাপতি মিৰজুমলাক ১৬৬৫ চনত হৰুৱাইছিল। এইবোৰৰ বাদেও কামৰূপ ৰাজ্যখন ৰহস্যৰে ঘেৰা আৰু কুমন্ত্ৰত বিশ্বাসী এখন আওহতীয়া ভূখণ্ড আছিল বুলি গ্ৰন্থখনত উল্লেখ কৰা হৈছে। ৰামসিংহই এনেবোৰ অন্ধবিশ্বাসক প্ৰশ্ৰয় নিদিলেও মুছলমান সেনাপতিসকলৰ হেঁচাত মালদা (Malda) নামৰ ঠাইৰ পৰা পাঁচজন ইছলামধৰ্মী সন্ন্যাসী (Muslim Pir or Maulvi)ক নিযুক্তি দিছিল। তেওঁলোকৰ দায়িত্ব আছিল মোগল সেনাবাহিনীৰ প্ৰতি লক্ষ্য ৰখা। ইপিনে ৰাজা ৰামসিংহৰ পৰিয়ালৰ হেঁচাত ঢাকাৰ পৰা গুৰু তেগ বাহাদুৰ আহি ১৬৬৯ চনৰ প্ৰথম ভাগত ৰামসিংহৰ অসম অভিযানত লগ লাগে আৰু অসমলৈ যাত্ৰা আৰম্ভ কৰে।

ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ গুৰু তেগ বাহাদুৰ ধুবুৰীত থাকিল আৰু ৰাজা ৰামসিংহ ৰঙামাটিলৈ গ'ল। কেবা মাহো যুদ্ধ চলিল। গ্ৰন্থখনত এটা আমোদজনক কথা পোৱা যায় যে আহোম ৰজা চক্ৰধ্বজ সিংহই সকলো বেজ-ৰহস্যবিদ (Magicians)ক আমন্ত্ৰণ কৰি শত্ৰু ধ্বংস কৰিবলৈ আদেশ দিছিল। গ্ৰন্থত উল্লেখ থকা মতে অসমৰ প্ৰসিদ্ধ কুমন্ত্ৰী নেতাই ধুবুনীক শত্ৰু সৈন্যক শিলেৰে চেপেটা কৰিবলৈ লগাইছিল। কিন্তু গুৰু তেগ বাহাদুৰৰ উপস্থিতিৰ বাবে যেন তাই কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম নহ'ল। বাৰিষা সময় সমাগত হোৱাত তেগ বাহাদুৰে ৰজা ৰামসিংহ আৰু আহোম ৰজা চক্ৰধ্বজক বুজালে যে এই যুদ্ধৰ পৰা একমাত্ৰ মোগল সম্ৰাট ঔৰংজেৱৰহে লাভ হ'ব। এই বুজনিত দুয়োপক্ষই যুদ্ধ ত্যাগ কৰি শান্তিৰ ঘোষণা কৰে। দুয়ো ৰজাই ভাতৃভাৱেৰে পাগুৰি সলালে (Turban Exchanged)। গুৰুজনে নিজৰ চুৰি বা খাঞ্জাৰ (Khanjar) খনেৰে মাটিত চিন দি দুভাগ কৰি দিয়া সীমাটো দুয়ো ৰজাই মানি ল'লে। এই ঠাইখন খাঞ্জাৰপুৰা (Khanjarpura) বুলি খ্যাত হ'ল আৰু গুৰুৰ প্ৰতি শ্ৰদ্ধাৰ চিন স্বৰূপে উভয় সৈন্যই নিজৰ ঢালত এঢালকৈ মাটি আনি পৰ্বতৰ দৰে টিলা সাজিলে। ইয়াতেই পিছলৈ গুৰুদ্বাৰা এটা সজা হয়। তাৰ পিছত গুৰু তেগ বাহাদুৰ পুনৰ ঢাকাৰ ফালে গতি কৰে। ১৬৭৫ চনৰ ১১ নবেম্বৰত দিল্লীৰ চান্দনী চ'কত গুৰুজনাক শিৰশ্ছেদ কৰা হয়।

ত্ৰিলোচন সিঙৰ দ্বাৰা গুৰু তেগবাহাদুৰৰ বিষয়ে ৰচিত Guru Teg Bahadur A Biography গ্ৰন্থখনৰ Kamrup: The Land of Magic and Beauty Peace through Co-existence অধ্যায়ত গুৰু তেগ বাহাদুৰৰ কামৰূপ ভ্ৰমণৰ বিষয়ে বৰ্ণনা কৰা হৈছে। ইয়াত উল্লেখ কৰা মতে শিখসকলৰ জনম সখী (Janam Sakhis)ত কামৰূপক 'কাৰৰুদেশ' (Kaurodesh) বোলাৰ কথা কৈছে। ৰাজা ৰামসিংহৰ লগত গুৰু তেগ বাহাদুৰে ব্ৰহ্মপুত্ৰ নদীৰে আগবাঢ়ি ১৬৬৯ চনৰ ফেব্ৰুৱাৰীৰ প্ৰথম ভাগত ধুবুৰী পাইছে। গ্ৰন্থখনত কামৰূপৰ তন্ত্ৰ-মন্ত্ৰৰ প্ৰাধান্যৰ কথাও উল্লেখ আছে। গুৰু তেগ বাহাদুৰতকৈ পাঁচ বছৰ আগেয়ে অসম ভ্ৰমণ কৰা চিহাবুদ্দিন তালিছে অসম সম্পৰ্কে কোৱা কথাবোৰ ইয়াত ইংগিত কৰা হৈছে। আহোম আৰু মোগলৰ মাজত যুদ্ধ বন্ধ হোৱাত আহোম ৰজাই তেগ বাহাদুৰক কামাখ্যা মন্দিৰ চাবলৈ নিমন্ত্ৰণ কৰাৰ কথা গ্ৰন্থখনত আছে। তেগ বাহাদুৰে আহোম ৰজাৰ নিমন্ত্ৰণ ৰক্ষা কৰে। পিছত ধুবুৰীৰ দমদমাত গুৰুজনে থাকি ধৰ্মালোচনা কৰিছিল। ১৬৭০ চনৰ প্ৰথম ভাগত গুৰু তেগ বাহাদুৰে অসম এৰে। তাৰ তিনিমাহ পিছত ১৬৭০ চনৰ এপ্ৰিল মাহত আহোম ৰজা চক্ৰধ্বজ সিংহৰ মৃত্যু হোৱাৰ বাৰ্তা ইয়াত সংযোগ কৰা হৈছে।

ইংৰাজসকলে অসমৰ শাসনভাৰ লোৱাৰ আগতে ১৮০০ খ্ৰীষ্টাব্দৰ ওচৰ-পাজৰৰ অসম আৰু ইয়াৰ প্ৰকৃতিৰ বিষয়ে বহল বৰ্ণনা অংকণ কৰা কিতাপ এখন হ'ল 'An Account of Assam' । বৃটিছ লেখক ডাঃ জন পিটাৰ ৰেড (Dr. John Peter Wade) ৰ দ্বাৰা ১৭৯২-৯৪ চনৰ ভিতৰত এই গ্ৰন্থখনৰ ইংৰাজী পাণ্ডুলিপি তৈয়াৰ কৰা হৈছিল। গ্ৰন্থকাৰ ডাঃ ৰেদ ইষ্ট ইণ্ডিয়া কোম্পানীৰ চিকিৎসক হৈ থকাৰ বাবে এই পাণ্ডুলিপিটো লেফটেনেণ্ট কলনেল কিৰ্ক পেট্ৰিক (Lieutenant Colonel Kirk Patrick) লৈ পঠোৱা হৈছিল আৰু এই পাণ্ডুলিপি ইংলেণ্ডৰ India Office Library ত সংৰক্ষিত হৈ আছিল।

পিছত ডাঃ জন পিটাৰ ৱেডৰ গ্ৰন্থখন বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰ দ্বাৰা ১৯২৭ চনত সম্পাদিত আৰু প্ৰকাশিত হৈছিল। ডাঃ ৱেদে স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ ৰাজত্বকালৰ (১৭৮০-১৭৯৫) সময়ৰ অসমৰ সবিশেষ সংগ্ৰহ কৰি লিপিবদ্ধ কৰা বুলি জনা যায়।

১৯০১ চনৰ প্ৰথম ভাগত স্বামী বিবেকানন্দ (১৮৬৩-১৯০২) অসমলৈ অহাৰ প্ৰমাণ আছে। তেওঁৰ মাতৃয়ে পূৰ্ববংগ আৰু অসমৰ কিছুমান পবিত্ৰ স্থান দৰ্শন কৰাৰ মানস কৰাত পুত্ৰ বিবেকানন্দই তাক পূৰণ কৰিছিল। স্বামী বিবেকানন্দৰ সচিত্ৰ জীৱনীগ্ৰন্থ 'The Journey's End'ৰ পৃষ্ঠাত এই বিষয়ে Mrs. Bull' লৈ লিখা চিঠিত বিবেকানন্দই এনেদৰে উল্লেখ কৰিছিলঃ

This is the one great wish of a Hindu widow.....I am trying to fulfil this one wish of hers.

তেওঁলোকে পূৰ্ববংগৰ নাংগল বন্ধৰ দৰ্শনৰ পিছত অসমৰ কামাখ্যা দৰ্শন কৰিছিল। তাৰ পিছত তেখেত শ্বিলঙলৈ যায়। এই ভ্ৰমণত তেওঁ ঢাকা আৰু শ্বিলঙত বক্তৃতা প্ৰদান কৰিছিল বুলি উল্লেখ পোৱা যায়। শৈলেন্দ্ৰনাথ ধৰে সংকলন কৰা A Comprehensive Biography of Swami Vivekenanda নামৰ গ্ৰন্থত বিবেকানন্দই লাভ কৰা অসম ভ্ৰমণৰ অভিজ্ঞতাৰ বিষয়ে প্ৰকাশ কৰিছে। ১৯০১ চনৰ ১৮ মাৰ্চ তাৰিখে বিবেকানন্দই তেওঁৰ সংগীসহ পূৰ্ববংগৰ ঢাকা অভিমুখে যাত্ৰা আৰম্ভ কৰিছিল। তাৰ পিছত ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহি এই ঠাইখনৰ সৌন্দৰ্য সন্দৰ্ভে বন্ধু সন্ন্যাসীলৈ পত্ৰ লিখি পঠিওৱাৰ উল্লেখ গ্ৰন্থখনত আছে। ঠাইখনৰ বিষয়ে বিবেকানন্দৰ বক্তব্য ঃ

The fields, I saw were rich in crops, the climate is also good and the scenery on the hill-side is charming. The Brahmaputra Valley is incomparable in its beauty.

মেৰী হেললৈ (Mary Hale) ১৯০১ চনৰ ৫ জুলাইত লিখা পত্ৰ এখনত পূৰ্ব বংগ আৰু অসমৰ বিষয়ে বৰ্ণনা দিওঁতে ব্ৰহ্মপুত্ৰকে ধৰি নদ-নদীৰ উল্লেখে গ্ৰন্থখনত মুখ্য স্থান লাভ কৰিছে। ধুবুৰী নামৰ ঠাইত চ'ত মাহত অনুষ্ঠিত হোৱা অশোকাষ্টমী মেলা আৰু হেজাৰ-বিজাৰ লোকে ব্ৰহ্মপুত্ৰত পবিত্ৰ স্নান কৰাৰ কথা গ্ৰন্থখনত উল্লেখ আছে। উক্ত গ্ৰন্থতেই ব্ৰহ্মপুত্ৰৰ দাঁতিৰ অপূৰ্ব প্ৰাকৃতিক দৃশ্যৰে ভৰপূৰ গুৱাহাটী চহৰখনৰ বিৱৰণ দিয়া হৈছে। কামাখ্যা ভাৰতৰ এখন উল্লেখযোগ্য পীঠস্থান আৰু ইয়াত দুৰ্গাপূজা, অশোকাষ্টমী আৰু অম্বুবাচী নিবৃত্তি পালন কৰাৰ উল্লেখ আছে। কামাখ্যা নিৰ্মাণৰ ঐতিহাসিক মন্তব্যসমূহো দাঙি ধৰা হৈছে। কামাখ্যা দৰ্শন কৰাৰ পিছত স্বামী বিবেকানন্দৰ শৰীৰ অসুস্থ হোৱাত চিকিৎসা আৰু জলবায়ু পৰিবৰ্তনৰ বাবে শ্বিলঙলৈ নিয়া হয়। তাত তেওঁ অসমৰ ছীফ কমিছনাৰ চাৰ হেনৰী কটনক লগ পাইছিল। শ্বিলঙতো স্বামীজীয়ে জ্বৰ, এজমা, এলবুমেন বৃদ্ধি আৰু দেহফুলা ৰোগত ভুগিছিল। ১৯০১ চনৰ ১২ মে'ৰ দিনাখন স্বামী বিবেকানন্দ মাতৃ, ভগ্নী, পেহীয়েক আৰু স্বামী সদানন্দৰ লগত শ্বিলঙৰ পৰা কলিকতালৈ ৰাওনা হোৱাৰ কথা পোৱা যায়। ইয়াৰ এবছৰ পিছত ১৯০২ চনৰ ৪ জুলাই তাৰিখে বিবেকানন্দৰ মৃত্যু হৈছিল।

এনেদৰে অসম ভ্ৰমণলৈ অহা আৰু প্ৰত্যক্ষ বা পৰোক্ষভাৱে অসমৰ লগত পৰিচয় হোৱা একাধিক প্ৰখ্যাত ব্যক্তিৰ অভিজ্ঞতাপুষ্ট লেখনিত কামৰূপ-অসমৰ যথেষ্ট তথ্য লাভ কৰা যায়।

—

অসম সাহিত্য সভা ঃ কিছু প্ৰাসংগিক চিন্তা

ড° সঞ্জীৰ কুমাৰ শৰ্মা
অধ্যাপক, ইংৰাজী বিভাগ

অসম সাহিত্য সভাৰ মুখ্য উদ্দেশ্য হ'ল অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বিকাশ সাধন। এই লক্ষ্যত উপনীত হওঁতে অসমত প্ৰচলিত সকলো ভাষাৰে উন্নতি সাধন হ'ব লাগিব। অসম সাহিত্য সভাই মূল উদ্দেশ্য সাধনৰ পথৰ পৰা বিচলিত হ'ব নোৱাৰিব কাহানিও। কেৱল উদ্দেশ্য সিদ্ধিৰ বাবে লোৱা কাৰ্যপন্থাই সামগ্ৰিক স্বাৰ্থত সহায় হৈছে নে নাই, ঐতিহাসিক পটভূমিত শুদ্ধ হৈছে নে নাই তাক নজৰ দিব লাগিব। অসম সাহিত্য সভাৰ ইতিহাস প্ৰথম আৰু দ্বিতীয় খণ্ড পঢ়িলে এটা কথা স্পষ্ট যে ঊনৈশ-ষাঠি চনলৈকে সাহিত্যিক, সাহিত্যসেবী আৰু শুভাকাংক্ষীসকলেৰে গঠিত আছিল অসম সাহিত্য সভা। ষাঠি চনৰ ৰাজ্যিক ভাষা আন্দোলনৰ পিছৰ পৰাই অসমৰ জনগণে স্বতঃস্ফূৰ্ত সহযোগ আগবঢ়াইছিল। ত্ৰৈলোক্যনাথ গোস্বামীৰ সভাপতিত্বত মহাসমাৰোহৰে অষ্টবিংশ অধিৱেশন পলাশবাৰীত অনুষ্ঠিত হৈছিল। পলাশবাৰী অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি আছিল প্ৰাক্তন বিধায়ক, শিক্ষাবিদ অবলাকান্ত গোস্বামী। এখেতৰ লগত সাৰথি আছিল ভৰত কলিতা, অমৰেন্দ্ৰ বৰুৱা, সূৰ্য্য কুমাৰ মজুমদাৰ আদি লোকসকল। এই সকল লোকৰ উদ্যোগত আৰু কেন্দ্ৰীয় সমিতিৰ সহযোগত পলাশবাৰী অধিৱেশন মেলাৰ ৰূপ লয়। এই মেলা ৰূপ আজিও বৰ্তমান। ১৯১৭ চনত এঘাৰখন শাখা সভা, দুখ স্বীকৃত সভা আৰু মাত্ৰ দহজন আজীৱন সভ্যৰে গঠন হোৱা অসম সাহিত্য সভা আজি হেজাৰ শাখা সবা, জিলা সমূহৰ সভা আৰু ৩৪,৫০০ ৰ অধিক আজীৱন সভ্যৰে ভৰা এটা বিশাল অনুষ্ঠান। সেয়েহে অসম সাহিত্য সভা অকল সাহিত্যিকৰ সভা নহয়। ই সাহিত্যিক, সাহিত্য কৰ্মী, পাঠক তথা অসমীয়া জাতীয় জীৱনক ভালপোৱা পুৰুষ-নাৰী, ডেকা-গাভৰু, শিশু-চেমনীয়া, আবাল-বৃদ্ধ-বনিতা সকলোৰে অন্তৰৰ অনুষ্ঠান। সকলো মানুহেই কম বেছি পৰিমাণে সাহিত্য প্ৰেমীক, জন সমাগম পৰিহৰি সাহিত্য বাৰ্তি থাকিব নোৱাৰে। গতিকে সাহিত্য সভাৰ মেলামুখিতা আমি জনমুখী হোৱা বুলিহে ক'ব পাৰো। সাহিত্যৰ নামত এনে সমাগমে সংহতিৰ সেতু নিৰ্মাণ কৰে। অসম সাহিত্য সভাৰ ষটচত্বাৰিংশ (৪৬ তম) শুৱালকুছি অধিবেশন-১৯৭৯ বিশিষ্ট সাহিত্যিক অতুলচন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল। জ্যোতি ক্ষেত্ৰত। আদৰণি সমিতিৰ সভাপতি আছিল অসমৰ সেই সময়ৰ শিক্ষামন্ত্ৰী, বিশিষ্ট নাট্যকাৰ লক্ষ্যধৰ চৌধুৰী, সাধাৰণ সম্পাদক শ্ৰীহৰিপদ কলিতা, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আছিল লোকসাহিত্যৰ গৱেষক সাহিত্যিক লীলা গগৈ। সেই একেখন জ্যোতি ক্ষেত্ৰতে অনুষ্ঠিত হ'ব পঞ্চসপ্ততিতম শুৱালকুছি অধিবেশন ২০২০। আশাকৰোঁ এইবাৰো অধিবেশনখনে সভাৰ মূল উদ্দেশ্য সাধনত সফল হ'ব। অধিৱেশনবোৰত স্বতঃস্ফূৰ্ত জনসমাৱেশৰ অন্তৰ্নিহিত কোণত এক জাতীয় ভাৱ বিদ্যমান। এই জাতীয় ভাব উন্মেষণত অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ ভেটিত গঢ় লৈ উঠিলেও ইয়াৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক আধাৰ এটিৰ প্ৰয়োজনো এৰাব নোৱাৰি। ভাষাৰ ভিত্তিত স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ ৰাজ্য সমূহ গঠন হৈছিল। ৰাজ্য গঠনৰ সূত্ৰ স্বাধীনতা আন্দোলনৰ লক্ষ্যতে সন্নিবিষ্ট আছিল। চহা জনজীৱনত লোকভাষা সমূহৰ প্ৰচলন বৃদ্ধিকৰি লোকজীৱনৰ সম্পূৰ্ণ সহযোগত দেশৰ আৰ্থ

সামাজিক আৰু সংস্কৃতিৰ উন্নতি সাধন কৰা। অসমতো অসমীয়া ভাষা সংযোগী ভাষা ৰূপে গ্ৰহণ কৰি অন্যান্য খিলঞ্জীয়া ভাষাবোৰৰ উন্নতি কল্পে চিন্তা চৰ্চা চলিছিল। এই সময়ত (১৯৫৮ চনত) অসম প্ৰকাশন পৰিষদ গঠন হৈছিল অসমীয়া ভাষা সাহিত্য বিকাশৰ বাবে যাৰ আধাৰ প্ৰস্তুত অসম সাহিত্য সভাৰ মজিয়াতে হৈছিল। ব্ৰহ্মপুত্ৰৰ ওপৰত শৰাইঘাট দলং নিৰ্মাণ কাৰ্য্যও আৰম্ভ হৈছিল এই সময়ত। নাহৰকটীয়া, মৰাণ তৈল ক্ষেত্ৰৰ আৱিস্কাৰ, উমক্ৰ জলবিদ্যুৎ প্ৰকল্প, নামৰূপ থাৰ্মেল উদ্যোগ, উমিয়াম জলবিদ্যুৎ প্ৰকল্প আদি প্ৰায়বোৰ কাম আৰম্ভ হয় আৰু অসমৰ উদ্যোগিক উন্নয়নৰ বাট মুকলি হৈ অৰ্থনৈতিক বিকাশৰ বাট প্ৰশস্ত হৈছিল। প্ৰাক্ স্বাধীনতাকালত এই উদ্দেশ্যেৰে লোক জীৱনত ভাষা সমূহৰ জনপ্ৰিয়তা, ব্যৱহাৰ বৃদ্ধিৰ জৰিয়তে জনসাধাৰণৰ সৰ্বাঙ্গীন উন্নতি সাধন কৰা লক্ষ্য স্বাধীনোত্তৰ কালছোৱাত শাসক, প্ৰশাসক, বুদ্ধিজীৱি সকলে পাহৰিব ধৰিলে আৰু ফল স্বৰূপে ভূল-বুজাবুজিৰ সৃষ্টি হৈ ব্যৱধান বাঢ়িবলৈ ধৰিলে। অসম সাহিত্য সভাৰ যোৱা আঠ-দহ বছৰ আগৰে পৰা জনজাতীয় আৰু জনগোষ্ঠীয় ভাষা সমূহৰ সাহিত্য সভাৰ লগত আলোচনা-বিলোচনা অব্যাহত ৰাখিছে। এই উদ্দেশ্যে ২০১৮ খ্ৰীষ্টাব্দত ৭ আগষ্ট তাৰিখে যোৱা কেবাবছৰো ধৰি সমাধান নোহোৱা অসম চৰকাৰৰ ভাষা নীতি অসম সাহিত্য সভা আৰু অসমৰ সকলো খিলঞ্জীয়া জনজাতীয় আৰু জনগোষ্ঠীয় সাহিত্য সভাৰ প্ৰতিনিধি বৰ্গৰ লগতে অসম চৰকাৰে নিয়োগ কৰা সমন্বয়ক, ভাষা বিশেষজ্ঞ সমিতিৰ উপস্থিতি আৰু সহমতত ভাষানীতি প্ৰস্তুত কৰি অৰ্পণ কৰা হয় আৰু ইয়াক শীঘ্ৰে বলৱৎ কৰিবলৈ দাবী জনায়।

ভাৰত চৰকাৰে ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিব বিচৰা বিষয়টো অসম সাহিত্য সভা আৰু জনজাতীয় সাহিত্য সভাৰ প্ৰতিনিধয়ে সুদুত্তৰ নাপালে যদিও এই জনমতক অসমৰ ৰাইজে সন্মান কৰাৰ লগতে সাধাৰণ শ্ৰেণী আৰু জনগোষ্ঠীসকলে ইতিমধ্যে ভোগ কৰি থকা সংৰক্ষণ ব্যৱস্থাৰ অকণো ক্ষতি নকৰাকৈ অসমৰ অন্যান্য ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যদ্যা দিবলৈ আহ্বান জনায়। ইয়াতো অসম সাহিত্য সভাৰ মূল উদ্দেশ্যৰ পৰা আতৰি অহা নাই। তাহানিৰে পৰা জনজাতিয় লোকসকলৰ নেতা কালীচৰণ ব্ৰহ্ম, মহীচন্দ্ৰ মিৰি, ভীমবৰ দেউৰী, ৰূপনাথ ব্ৰহ্ম, জয়ভদ্ৰ হাগজেৰ, যোগেন্দ্ৰ নাথ হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা, জয়সিং দলে আৰু খৰচিং তেৰাং আদি লোকসকলে অসমৰ সমূহীয়া বিকাশৰ মূল বিষয়বস্তু হিচাপে জনজাতিসকলৰ বিকাশৰ বাট দেখিছিল। এই ঐতিহাসিক প্ৰচেষ্টা মাজে সময়ে উগ্ৰ জাতীয়তাবাদী চিন্তাধাৰাই ব্যৰ্থ কৰাৰ উপক্ৰম হয় যদিও এক উদাৰ, প্ৰগতিশীল আৰু উমৈহতীয়া জাতীয় ভাবৰ উত্থানে অসমৰ বিভিন্ন জনগোষ্ঠীৰ সৰ্বতোপ্ৰকাৰ উন্নতি সম্ভৱপৰ কৰি তুলিব। বিচ্ছিন্নতাবাদ, সন্ত্ৰাসবাদ, বাজ্য বা ৰাষ্ট্ৰৰ স্বেচ্চাচাৰিতাৰ দ্বাৰা ভাষা-সাহিত্যৰ জটিল সমস্যা সমাধান নহয়। সমূহীয়া দৃষ্টিৰে আগবাঢ়িলেহে উদ্দেশ্যত সফল হ'ব পাৰি। থলুৱা ভাষা সাহিত্যৰ বিকাশত সৰ্বতোপ্ৰকাৰে সহায় কৰা, যিবোৰ ভাষাৰ নিজা ভৌগলিক পৰিসীমা নাই সেইবোৰ ভাষাৰ বিকাশত অগ্ৰাধিকাৰ দিব লাগিব। এই জনজাতীয় ভাষাত লিখিত বা মৌখিক সাহিত্য সমূহ মূলত ধৰ্মনিৰপেক্ষ। জনজাতীয় খিলঞ্জীয়া ভাষা সমূহৰ সাহিত্য সৃষ্টি কৰোতে ভাষাৰ স্বকীয়তাৰ ধাৰণাতো সুস্পষ্ট হোৱা উচিত। থলুৱা ভাষাৰ বিকাশৰ বাবে বিভিন্ন ভাষাৰ লেখকসকলৰ মাজত আলোচনা সত্ৰ, কৰ্মশালা, সৃষ্টিশীল সাহিত্য বিষয়ক অনুষ্ঠান আদি পাতিব লাগিব। জনজাতীয় ভাষাবোৰৰ মাজত যি লোকসাহিত্য, সংস্কৃতি বৰ্তি আছে সেইবোৰ সংগ্ৰহ, সম্পাদনা আৰু প্ৰকাশনৰ ব্যৱস্থা কৰিব লাগিব। অসমত অসমীয়া ভাষাতেই হওক বা অন্যান্য খিলঞ্জীয়া ভাষাতেই চলি থকা প্ৰবাদ, সাধুকথা, কিংবদন্তি, মৌখিক সাহিত্য সমূহ লুপ্ত হৈ যোৱাৰ পৰা ৰক্ষা কৰিবলৈ আধুনিক ৰেকডিং, ভিডিও এডিটিং, দুষ্প্ৰাপ্য মূল্যবান পুথি নকল লৈ মাইক্ৰফিল্ম, মাইক্ৰফিচ, চিডি, পেনড্ৰাইভ আদিৰ জৰিয়তে সংৰক্ষণ কৰিব লাগিব। আদিৰ দৰে ডিজিটেল পদ্ধতিৰে ইয়াক সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগিব। তাৰবাবে উমৈহতীয়া কাৰ্যসূচী, অনুবাদ, গৱেষণা, প্ৰণালীবদ্ধ কাৰ্যব্যৱস্থা হাতত ল'ব লাগিব। ইয়াৰ বাবে এটা জাতীয় গ্ৰন্থগাৰ সাজিব লাগিব য'ত আধুনিক বৈজ্ঞানিক পদ্ধতিৰে সাহিত্য, সংস্কৃতিৰ এই সমল সমূহৰ সঠিক সংৰক্ষণ কৰিব পৰা যায়।

অসমীয়া ভাষাত ভাল পুথিৰ অনুবাদ কৰিবলৈ চেষ্টা এটা কৰা দেখা গৈছে অসম সাহিত্য সভাৰ অনুবাদ প্ৰকল্পটোৰ জৰিয়তে। কেইখনমান গ্ৰন্থ ইতিমধ্যে প্ৰকাশ হৈ ওলাইছে যদিও ইতিমধ্যে প্ৰকাশিত পুথিবোৰৰ চাহিদা বৰ এটা আশাব্যঞ্জক হৈ উঠা নাই। আমাক কেনেধৰণৰ অনুবাদ পুথি লাগে, কোনবোৰ কিতাপ অনুবাদ হ'লে অসমীয়া পাঠকে আধুনিক জীৱনত প্ৰয়োজনীয় বৌদ্ধিক সমল পাব পাৰিব তাৰ চিন্তা কৰি এক সুস্পষ্ট সুদূৰপ্ৰসাৰী নীতি গ্ৰহণ কৰিব পাৰে। নতুন প্ৰজন্মই পৃথিৰীৰ শ্ৰেষ্ঠ সাহিত্য পুথিসমূহক অধ্যয়ন কৰি আধুনিক জ্ঞান আহৰণ কৰিব লাগিব। শ্ৰেষ্ঠত্ব অথবা মহত্ব আহৰণ কৰিবলৈ গ্ৰন্থ অধ্যয়ন কৰিব লাগিব। আনহাতে নতুন প্ৰজন্মৰ গ্ৰন্থসমূহ প্ৰকাশৰ ক্ষেত্ৰত সমানে গুৰুত্ব দিব লাগিব। সহজতে উপলব্ধ

ইণ্টাৰনেটত, গোগুলত উপলব্ধ জ্ঞানে কাকো সৰ্বজ্ঞানী কৰিব নোৱাৰে। জ্ঞানৰ সীমাৰেখা এটা গণ্ডীত নাৰাখি অধ্যৱসায়ৰ জৰিয়তে আগবাঢ়িব লাগিব আজিৰ নতুন পুৰুষ। ধন্যাত্যতাই শ্ৰেষ্ঠত্বৰ ৰূপ ল'বলৈ ধৰা ধাৰণা সলনি কৰি মৌলিকতা আৰু অধ্যাৱসায়ত গুৰুত্ব আৰোপ কৰিব লাগিব। আমাৰ পাঠক সমাজৰ ৰুচি সন্মত গ্ৰন্থ যোগান ধৰাটোও সমালোচক, সাহিত্যিকসকলৰ কৰ্তব্য।

অসমীয়া সাহিত্যৰ পাঠক সৃষ্টিত আজিৰ দিনত অধিক প্ৰয়োজন হৈছে। সহজ-সৰল আকৰ্ষণীয় ৰূপত বিধি বিষয়ৰ পুথি ৰচনাৰো প্ৰয়োজন হৈছে। লেখক আৰু পাঠকৰ সম্পৰ্কটো গছ আৰু গুটিৰ সম্বন্ধৰ দৰে সাঙোৰ খাই থকা এটা বিষয়। বিদ্যালয়, মহাবিদ্যালয় পৰ্যায়ত শিক্ষাৰ মাধ্যম ইংৰাজী বৃদ্ধি হোৱাৰক্ষণত ইংৰাজীত লিখা জ্ঞান বিজ্ঞানৰ গ্ৰন্থ পঢ়া, বুজা লোকৰ সংখ্যাৰ ক্ৰমে ক্ৰমে বাঢ়ি আহিব ধৰিছে। হয়তো শিক্ষিত সম্প্ৰদায়ৰ অসমীয়া মাতৃভাষাৰ জ্ঞান থকা লোকৰ সংখ্যা সংখ্যালঘুত পৰিণত হ'ব। সেয়েহে সাহিত্য সভাৰ অনুবাদ প্ৰকল্পই অকল গল্প, উপন্যাসৰ পুথি ৰচনাতে সীমাবদ্ধ নাথাকি ৰসঘন ৰীতিত সুখপাঠ্য ৰচনা কৰি মাতৃ ভাষাত জ্ঞান বিজ্ঞানৰ বিভিন্ন স্তৰৰ গ্ৰন্থ, জীৱনী, ঐতিহাসিক, ভ্ৰমণ কাহিনী, তথ্যভিত্তিক গ্ৰন্থ আদি প্ৰকাশ কৰাত মনোনিবেশ কৰিলেভাল হ'ব যেন লাগে। বিশেষকৈ বৰ্তমান গুগল আদি কৰি ইণ্টাৰনেটৰ জৰিয়তে জ্ঞান আহৰণৰ অভ্যাসৰ সমান্তৰালকৈ মাতৃভাষাতে তেনে উদ্যোগৰ প্ৰয়োজন আছে। অসমীয়া ভাষাত বিশ্বকোষ প্ৰকাশ হোৱাৰ পাছত আজি কিছুদিন ধৰি নিৰৱতা বিৰাজ কৰিছে। এখন শিশু বিস্বকোষ প্ৰণয়নৰ পৰিকল্পনা কৰিব লাগে। অৱশ্যে বৰ্তমান কাৰ্যকালত 'অসম কোষ'ৰ আন এক অভিলাষী আঁচনি হাতত লোৱাটো সমিচিন হৈছে। এই আঁচনি সমূহ অনাগত দিনত সুন্দৰ পৰিকল্পনাৰে আগবঢ়ায় নিয়াত মনযোগ দিয়া উচিত। অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ গৱেষণাৰ আঁচনি প্ৰস্তুত কৰাত শুভাকাংক্ষী গৱেষক, পণ্ডিতসকলে গুৰি ধৰিব লাগে। এই গৱেষণাৰ আঁচনি সমূহ 'ভাষা গৌৰৱ' আঁচনিৰ শিতানত আগবঢ়াই নিলে ফলপ্ৰসূ হ'ব।

আকাশবাণী, বৈদ্যুতিন মাধ্যমৰ দূৰদৰ্শনৰ চেনেলবোৰে প্ৰচাৰ কৰা বাতৰি, আলেখ্য, ধাৰাবাহিক আদিৰ ভাষা আৰু সাহিত্য যাতে নিখুত হয় তাৰ বাবে কৰ্মশালা আদিৰ আয়োজন কৰি ভাষাটো শুদ্ধ ৰূপত প্ৰচলিত হোৱাত আগভাগ ল'ব লাগে। প্ৰচাৰ মাধ্যমৰ নাটক, ধাৰাবাহিক, কথিকা, গীত, আলেখ্য, আলোচনা আদি প্ৰচাৰতে সীমাবদ্ধ নাথাকি সেইবোৰৰ বছা বছা সম্ভাৰ সমূহৰ অতি কমেও বছৰি একোখন সাহিত্য সংকলন প্ৰকাশনৰ ব্যৱস্থা কৰিলে অসমীয়া সাহিত্যৰ ভঁৰাললৈ ই বহুমূলীয়া বৰঙণি হ'ব বুলি ন দি ক'ব পাৰি।

ৰাইজৰ মাজত ঐক্য সংহতি থাকিলে চৰকাৰে তাক ভাঙিব নোৱাৰে। অসমৰ প্ৰতিটো জাতি, উপজাতি, জনজাতি, জনগোষ্ঠী, সম্প্ৰদায়ৰ মাজত মিলা-প্ৰীতি অটুট থাকিলে সামগ্ৰীক ভাৱে দেশৰ জাতিটোৰ ভাষা সাহিত্যৰো উন্নতি হব। বড়ো, দেউৰী, ৰাভা, মিছিং, তিৰা, কাৰবি, ডিমাচা, মণিপুৰি, ৰাজবংশী, সোণোৱাল কছাৰী, নেপালী আদি বিভিন্ন জনজাতীয় জনগোষ্ঠীয় ভাষাৰ কাণ্ডাৰী সকলে অসম সাহিত্য সভাৰ লগত সহযোগিতা কৰিছে, অসমত বাস কৰা প্ৰতিটো জাতি জনগোষ্ঠী, ধৰ্মীয় মতাৱলম্বী প্ৰত্যেকে অসমীয়া ভাষা সাহিত্যৰ প্ৰতি অনুকূল আচৰণ কৰিব। য'ত জন্মে সেয়াই অকল জন্মভূমি নহয়, য'ত বসবাস কৰি ডাঙৰ-দীঘল হয় জীৱন নিৰ্বাহ কৰে, থাকে, কাম কৰে সেয়াও জন্মভূমি। সেয়েহে 'The country, my country' ভাৱধাৰাৰে ভাষা জননী আই অসমীৰ সেৱা কৰিব লাগে।

—

ভাৰতীয় ৰাজনীতিত নাৰী

নয়ন জ্যোতি শর্মা
প্রাক্তন ছাত্র

অতি সহজ ভাষাত- ক'বলৈ গ'লে ৰাষ্ট্ৰৰ শাসন ব্যৱস্থাৰ লগত জৰিত নীতিসমূহেই হ'ল ৰাজনীতি। অৱশ্যে বর্তমান সময়ত ৰাজনীতি শব্দটো ব্যাপক অর্থত ব্যৱহাৰ কৰা হয়। ৰাজনৈতিক জীৱন হ'ল সামগ্রিক সমাজ জীৱনৰ এটি অংশ মাত্র। সমাজৰ দুটা অবিচ্ছেদ্য অংগ হিচাপে নাৰী আৰু পুৰুষ উভয়ৰে ওপৰত ৰাজনীতিৰ প্রভাৱ পৰে আৰু উভয়ে প্রত্যক্ষ বা পৰোক্ষভাৱে ৰাজনৈতিক কার্যকলাপৰ জড়িত হৈ পৰে। ভাৰতীয় ৰাজনৈতিত নাৰীয়ে গুৰুত্বপূর্ণ ভূমিকা পালন কৰি অহা পৰিলক্ষিত হয়। অৱশ্যে প্রাচীন ভাৰতীয় সমাজ ৰক্ষণশীল হোৱাৰ বাবে নাৰীয়ে কম পৰিমানে ৰাজনীতিত অংশ গ্রহণ কৰিছিল। ঐতিহাসিক তথ্যৰ ভিত্তিত আমি ক'ব পাৰো যে ১২৩৫ চনত দিল্লীৰ সিংহাসনত আৰোহন কৰা দাস বংশৰ "চুলতানা ৰেজিয়াই" হ'ল আমাৰ দেশৰ প্রথম গৰাকী নাৰী শাসক। এই দৰে নাৰীসকলৰ প্রতি সততে হীন মনোভাৱ থকা বুলি এই ধাৰণা থকা উছলাম ধর্মৰ এগৰাকী নাৰীয়েই ভাৰতবর্ষৰ প্রথম গৰাকী মহিলা শাসক হোৱাৰ কৃতিত্ব অর্জন কৰি ভাৰতৰ বুৰঞ্জীত যুগমীয়া স্বাক্ষৰ ৰাখি থৈ গৈছে পৰবর্তী সময়ত বৃটিছসকলৰ ৰাজনৈতিক দিশত সজাগ কৰি তোলাত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। ঝাঞ্চিৰ ৰাণী লক্ষ্মীবাইয়ে এই বিদ্রোহত অতি সক্রিয় ভাৱে অংশগ্রহণ কৰি সাহসিকতাৰে যুঁজ দি মৃত্যুবৰণ কৰিছিল।

১৮৮৫ চনত মুম্বাইত ভাৰতীয় জাতীয় কংগ্রেছ প্রতিষ্ঠা হোৱাৰ পিছত মহিলাসকলৰ মাজত ৰাজনীতিৰ প্রতি সজাগতা আৰু আগ্রহ বৃদ্ধি পায় আৰু তেওঁলোকে ৰাজনীতিত সক্তিয়ভাৱে যোগ দিবলৈ আৰাম্ভ কৰে, প্রতিষ্ঠাৰ সময়ৰ পৰা বর্তমান সভানেত্রী ছোনিয়া গান্ধিলৈকে কেইবাগৰাকীও মহিলাই ভাৰতীয় জাতীয় কংগ্রেছৰ সভানেত্রীৰ পদ অলংকৃত কৰি ভাৰতীয় ৰাজনীতিত নাৰীৰ স্থান উন্নত কৰাত অৰিহনা যোগাইছে। বৃটিছ সকলৰ ঔপনিবেশক শাসন আৰু শোষনৰ বিৰুদ্ধে ভাৰতীয়সকলে বিভিন্ন সময়ত চলোৱা বিভিন্ন সংগ্রামত। নাৰীসকলৰ অংশ গ্রহণ স্বতঃস্ফূর্ত আৰু ব্যাপক আছিল। ভাৰতীয় ৰাজনীতিৰ এটি বিস্ময়কৰ চৰিত্র সৰোজনী নাইডুয়ে তেওঁৰ তেজস্বী বক্তৃতাৰ দ্বাৰা নাৰীসকল যে ৰাজনৈতিক দিশত পুৰুষতকৈ কোনো গুনে কম নহয় সেইটো প্রমাণ কৰে।

তেওঁ ১৯৩১ চনত মহাত্মা গান্ধীৰ সৈতে লণ্ডনলৈগৈ তাত অনুষ্ঠিত হোৱা দ্বিতীয়খন ঘূৰণীয়া মেজমেলত যোগদান কৰে, আইৰিছ মূলৰ মহিলা এনি বেছান্ট আছিল ভাৰতীয় কংগ্রেছৰ প্রথম গৰাকী মহিলা সভাপতি। জৱাহৰলাল নেহেৰুৰ ভগ্নী বিজয়লক্ষ্মী পণ্ডিতে অন্দোলনত অংশ গ্রহণ কৰিছিল।

১৯৪৭ চন ১৫ আগষ্ট তাৰিখে ভাৰতৰ ২০০ বছৰজোৰা বৃটিষ শাসনৰ পৰা স্বাধীনতা লাভ কৰে। স্বাধীনতাৰ পিছৰ পৰা ৰাজনীতিত ভাৰতীয় মহিলা সকলৰ অংশ গ্রহণ ব্যাপক হাৰত বৃদ্ধি পায় আৰু লগে লগে তেওঁলোকৰ স্থানো উন্নত হয়। যোৱা প্রায় ৬০ বছৰত মহিলাসকলে বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্রী, ৰাজ্যপাল তথা মন্ত্রী হিচাপে দায়িত্ব পালন কৰি আহিছে। ভাৰতীয় মহিলাসকলৰ বাবে আটাইতকৈ গুৰুত্বপূর্ণ সফলতা হ'ল ১৯৬৬ চনত ভাৰতবর্ষৰ প্রথমজন প্রধানমন্ত্রী জৱাহৰলাল নেহৰুৰ কন্যা ইন্দিৰা গান্ধী প্রধান মন্ত্রী হোৱাতো এগৰাকী চতুৰ, বাগ্মী, প্রখৰ জ্ঞানী, শক্তিশালী আৰু লৌহ কঠিন মানসিকতাৰ নেত্রী হিচাপে তেওঁ সমগ্র বিশ্বতে জনাজান আছিল।

১৯৫২ চনৰ পৰা অর্থাৎ ভাৰতৰ প্রথমটো সাধাৰণ নির্বাচনৰ পৰাই ভাৰতীয় মাহিলাসকলক ভোটদান অধিকাৰ প্রদান কৰা হৈছে। মমতা বেনার্জী জয়া ললিতা, ৰাবৰী দেৱী, মেনকা গান্ধী আদিয়ে বর্তমান সময়ত ৰাজনৈতিক ক্ষেত্রত দ্পদপাই আছে। অৱশ্যে এটা কথা স্বাকাৰ কৰিবই লাগিব যে বর্তমানেও আমাৰ দেশৰ ৰাজনীতিত মাহিলা সকলৰ স্থান খুব বেছি উচ্চ বুলি একে আষাৰে ক'ব নোৱাৰি। সংসদৰ মুঠ সদস্যৰ ভিতৰত বর্তমান প্রায় ১০ শতাংশহে মহিলা সদস্য আছে আনহাতে ৰাজনৈতিক দলসমূহে মহিলা সকলক প্রার্থীত্ব দিয়াৰ ক্ষেত্রত বৰ এটা আগ্রহ দেখুওৱা পৰিলক্ষিত হোৱা নাই।

বিভিন্ন ৰাজনৈতিক দলবোৰত সততে সক্রিয়হৈ থকা পুৰুষ লবীৰ সন্মুখত মহিলা সকল সদায় বঞ্চিত হোৱা দেখা যায়। ইয়াৰ উপৰিও আন এটা গুৰুতৰ বিষয় হ'ল যে কম সংখ্যাক মহিলাই বিশেষকৈ অশিক্ষিত মহিলাসকলে এতিয়াও স্বামী তথা আত্মীয় স্বজনৰ নির্দেশ মতেহে ভোটদান কৰে। ই সমগ্র গণতান্ত্রিক ব্যৱস্থাটোকেই প্রথসনত পৰিণত কৰিছে।

গতিকে ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে ভাৰতীয় ৰাজনীতিত মহিলা সকলকৰ অংশ গ্রহণ বৃদ্ধি পাইছে যদিও তেওঁলোকৰ স্থান সম্পর্কিত এতিয়াও বৈষম্য আঁতৰা নাই।

—

অসম-চুক্তিৰ ছয় নং ধাৰা

অৰবিন্দ ৰবা
প্ৰাক্তন আলোচনী সম্পাদক

বিগত বছৰৰ শেষৰ পৰা বৰ্তমানলৈকে সমগ্ৰ অসমত নাগৰিকত্ব (সংশোধনী) আইনবিৰোধী আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰা দেখা গৈছে। প্ৰতিজন খিলঞ্জীয়া লোকৰ তীব্ৰ বিৰোধিতা সত্ত্বেও চৰকাৰে আইন খন প্ৰযোজ্য কৰিবলৈ দৃঢ় প্ৰতিগ। চৰকাৰৰ এই পদক্ষেপে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ খিলঞ্জীয় নাগৰিকক শংকিত কৰি তুলিছে। স্বাধীনতাৰ পিছৰ পৰাই বিদেশী অনুপ্ৰৱেশকাৰীৰ সমস্যাই উত্তৰ পূবৰ খিলঞ্জীয়া লোকসকলৰ ভাষা-সংস্কৃতিলৈ এক ভাবুকি প্ৰদান কৰি আহিছে। আশীৰ দশকত হোৱা বিদেশী খেদা আন্দোলনৰ ফলস্বৰূপে অসমীয়া মানুহৰ ভাষা-সংস্কৃতি ৰক্ষাত পোষকতা কৰা হৈছিল যদিও কোনো এখন চৰকাৰে এই বিষয়ত গুৰুত্ব প্ৰদান কৰা দেখা নগল। শেহতীয়া ভাবে ৰাজ্যত চলি থকা নাগৰিকত্ব আইনবিৰোধী আন্দোলনক শাম কটাবৰ বাবে বৰ্তমানৰ ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীয় চৰকাৰে অসম চুক্তিৰ ছয় নং ধাৰা অসমত প্ৰযোজ্য কৰিবলৈ কিছু পদক্ষেপ লোৱা দেখা গৈছে। কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰৰ লগতে অসমৰ বিভিন্ন জাতীয় দল সংগঠনৰ পৰাও আৰ্হি-উপদেশ লৈ এই ক্ষেত্ৰত আগবাঢ়িছে।

অসম চুক্তিৰ ছয় নং ধাৰা ৰূপায়ণ কৰাৰ পূৰ্বে অসমীয়া কোন এই ধাৰণা স্পষ্ট কৰাতো নিতাতই প্ৰয়োজনীয়। বৰ্তমান সময়ত অসমীয়া সংজ্ঞা নিৰূপন কৰা আৰু মৌচাকত শিল দলিওৱা প্ৰায় একে কথা। অসমৰ বহু খিলঞ্জীয়া জনজাতিয়ে নিজকে অসমীয়া বুলি কোৱাতকৈ তেওঁলোকৰ নিজা জনজাতিয় পৰিচয় দিহে ভাল পায়। আনকি বহু জনজাতিয়ে কেতিয়াও নিজকে অসমীয়া বুলি মানি ল'ব নোখোজে। তাৰোপৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ যিকেইটা জন গোষ্ঠীয়ে নিজকে খাটি অসমীয়া বুলি ভাবে, তেওঁলোকক বাদ দি আন সকলোকে অনা অসমীয়া বুলি ধৰিবলৈ গলে খাতি অসমীয়াসকল ৰাতিৰ ভিতৰতে অসমৰ এটি ক্ষুদ্ৰ সংখ্যালঘু সম্প্ৰদায় হৈ পৰিব। সেয়ে এনে বহু জনগোষ্ঠীক পূৰ্বে তেওঁলোকে অন্তত মুখেৰে অসমীয়া বুলি স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল- যিবোৰ নৱাগত জন গোষ্ঠীয়ে তথা অভিযাত্ৰী মুছলমান আৰু চাহ শ্ৰমিকসকলে অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া সংখ্যা বৃদ্ধি কৰাত সহায় কৰিছে। অসমত অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা গৰিষ্ঠতাৰ প্ৰমাণ কৰিবলৈ এওঁলোকক লগত লোৱা হৈছিল কিন্তু খাটি অসমীয়া লোকসকলে এওঁলোকক সঁচা অসমীয়া হিচাপে গ্ৰহণ কৰিব পাৰিছেনে?

অসমৰ এখন কাষৰীয়া ৰাজ্য পশ্চিমবংগত বঙালী ভাষা কোৱা লোকসকলকেই বঙালী বুলি কোৱা হয়। সেই হিচাপত অসমতো অসমীয়া ভাষা কোৱা লোকসকলকেই অসমীয়া বুলি ক'ব পাৰি। কিন্তু ভাৰতৰ অন্যান্য ৰাজ্যৰ সংখ্যাগৰিষ্ঠ জনগোষ্ঠীবোৰ- বঙালী, মাৰাঠী বা উড়িয়াসকলে যিদৰে সৰ্বতে তেওঁলোকৰ ভাষাগত পৰিচয় ঘোষণা কৰিব পাৰে, অমসীয়াসকলে তেনেদৰে কৰিব নোৱাৰে। নোৱাৰে, কাৰণ যিস্থলত বাঙালী, মাৰাঠী আৰু উৰিয়াসকল নিজৰ নিজৰ ৰাজ্যৰ মুঠ জনসমষ্ঠিৰ ৮০ শতাংশতকোয়ো অধিক তেনেস্থলত অসমীয়াসকল মাত্ৰ ৪৮.৩৮ শতাংশত। ৪৮.৩৮ শতাংশ সম্ভৱ হৈছে চৰ অঞ্চলৰ পমুৱা মুছলমানে অসমীয়া ভাষা গ্ৰহণ কৰাত ফলতহে। সেয়েহে অসমীয়া লোকসকলে যিকোনো সময়ত নিজ মাতৃভূমিতে সংখ্যালঘু সম্প্ৰদায়লৈ ৰূপান্তৰিত হোৱাৰ এক ভয় মনত পুহি ৰাখিছে। পূৰ্বতে যদিও ভবা হৈছিল যে চাহ শ্ৰমিক আৰু অভিযাত্ৰী মুছলমানসকলৰ পৰা কোনো সমস্যাই নহয়, কিন্তু বৰ্তমান সময়ত অধিকাংশ অভিযাত্ৰী মুছলমানে বাঙালীক মাতৃভাষা বুলি কোৱাৰ বাবে অসমীয়া ভাষীৰ সংখ্যা ক্ৰমানয়ে হ্ৰাস পাব ধৰিছে যাৰ ফলত আশীৰ দশকৰ ৫৯.৫৪

শতাংশৰ পৰা বৰ্তমান অসমীয়া ভাষীৰ ৪৮.৩৮ শতাংশ হৈছে। অৱশে অসমীয়া ভাষীৰ শতাংশ হ্ৰাস হোৱাত অন্য কাৰণো আছে। ৰাজ্যৰ মুঠ জনসমষ্টিৰ ৪৮.৩৮ শতাংশ অসমীয়াই কোনো কাৰণতেই নিজৰ ভৱিষ্যতকলৈ নিচিন্ত হ'ব পৰা নাই। নোৱাৰৰ কাৰণ দুটা হ'ল প্ৰথমতঃ মাথোন বিদেশৰ পৰাই নহয়, ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰাও প্ৰতি বছৰে লাখ লাখ মানুহৰ অসমলৈ আগমন; দ্বিতীয়তঃ উপজাতীয় জনগোষ্ঠীবোৰৰ ক্ৰমবৰ্ধমান স্বাধিকাৰ চেতনা আৰু স্বতন্ত্ৰ আইডেনটিটিৰ সন্ধান। ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা অসমলৈ যোৱা বহিঃ ৰাজ্যিক সোঁত আৰু অসমৰ উপজাতীয় লোকসকলৰ বাহিৰলৈ ওচি যাব বিচৰা এই প্ৰক্ৰিয়া যদি চলি থাকে অসমীয়াসকলে নিজৰ ঘৰতে সংখ্যালঘু হ'বলৈ আৰু বেছি দিন নালাগিব। বেছিভাগ অসমীয়াই এইটোক এটা বাস্তব ভয় বুলিভাবে। সেয়ে অসমীয়া সকলৰ এই ভয়ক আতৰাই তেওঁলোকক অশ্বিস্ত কৰিবৰ বাবে অসম চুক্তিত এই ছয় নং ধাৰাটো সন্নিবিষ্ট কৰা হৈছে- য'ত কোৱা হৈছে যে 'অসমীয়া জনগণৰ সাংস্কৃতিক, সামাজিক আৰু ভাষাগত স্বতন্ত্ৰ পৰিচয় আৰু পৰম্পৰাৰ সুৰক্ষা আৰু বিকাশৰ বাবে যথাবিহিত সাংবিধানিক, প্ৰশাসনিক আৰু আইনগত ব্যৱস্থা কৰা হ'ব।' সহজ ভাষাত কবলৈ গলে অসমীয়াসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে নতুন আইন প্ৰনয়ণ কৰা হ'ব আৰু প্ৰয়োজন হ'লে সংবিধান সংশোধন কৰা হ'ব।

বৰ্তমান বিজেপি শাসনাধীন কেন্দ্ৰীয় চৰকাৰে অসম চুক্তিৰ ছয় নং ধাৰা ৰূপায়ণ কৰাৰ পূৰ্বে নিশ্চয় অসমীয়াৰ সংজ্ঞা নিৰাপদ কৰিব লাগিব। ইতিমধ্যে এই সম্পৰ্কে এক কমিটি গঠন কৰা হৈছে। এই কমিটিৰ কাম হ'ল অসমীয়া জনগণৰ সাংস্কৃতিক, সামাজিক আৰু ভাষাগত স্বতন্ত্ৰ পৰিচয় আৰু পৰম্পৰাৰ সুৰক্ষা আৰু বিকাশৰ বাবে কেনেধৰণৰ সাংবিধানিক প্ৰশাসনিক আৰু আইনগত ব্যৱস্থা লোৱা উচিচ হ'ব সেই সম্বন্ধে কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিয়া। এই কমিটিয়ে অমসীয়াৰ সংজ্ঞা কেনেদৰে নিৰূপন কৰে বা কি পৰামৰ্শ দিয়ে তাৰ ওপৰত অসমৰ ভৱিষ্যত বহুলাংশে নিৰ্ভৰ কৰিব।

(সহায়ক গ্ৰন্থ-আশীৰ দশকৰ দাস্তাবেজঃ হোমেন ৰবগোহাঞি)

—

কলেজীয়া জীৱন

বিকাশ জ্যোতি দাস
প্ৰাক্তন ছাত্ৰ

কলেজীয়া জীৱন আৰু ইয়াৰ উদ্দেশ্য ঃ

সময় চকৰি ঘূৰাৰ লগে লগে জীৱনৰ ওপৰেদি স্কুলৰ বছৰবোৰ পৰা হৈ যায়। আহি আহি আমি ভৰি দিওঁহি কলেজৰ দুৱাৰদলিত। হেজাৰ হেজাৰ প্ৰনোচ্ছল ল'ৰা-ছোৱালী, শাৰী শাৰী ক্লাছ ৰুমৰ মাজত আমি বিচাৰি পাওঁ এখন নতুন জগত। এখোজ দুখোজকৈ ভৰি দিওঁ এক নতুন জগতত। যাৰ নাম কলেজীয়া জীৱন যি নিজৰ বুকুত কঢ়িয়াই ফুৰে অনেক অন্তর্নিহিত উদ্দেশ্য।

সুগভীৰ শৃংখালাবদ্ধতা আৰু বিৰামহীন কাৰ্মৰে সমূখলৈ আগুৱাই যোৱাৰ সময় কলেজীয়া জীৱন। নিজৰ সমষ্ট শক্তি উজাৰি শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ সণোৱালী সময় কলেজীয়া জীৱন। জীৱন ক্ৰম:শ সৃষ্টিশীল আৰু সফল কৰি তোলাৰ কঠিয়াতলী হ'ল কলেজ।

কলেজৰ শিক্ষকসকলৰ সান্নিধ্যই শাৰী শাৰী কিতাপবোৰে সুজ্জিত লাইব্ৰেৰী ইন্টাৰনেটৰ সা-সুবিধা আমাক এখন নতুন বহল পৃথিৰীতখোজ দিবলৈ সুবিধা দিয়ে। সকলোফালে কেৱল জ্ঞানৰেই পোহৰ। প্ৰয়োজন মাথো কষ্ট সহিষ্ণু মনেৰে মৌ-মাখিয়ে ফুলৰ পৰা মৌ সংগ্ৰহ কৰা দৰে জ্ঞান বোটলাব। এই জ্ঞানেই গঢ় দিয়ে আমাৰ ভৱিষ্যৎ জীৱন আৰু আমাৰ মূল্যবোধক।

কলেজত পঢ়ি থকা সময়ছোৱা জীৱনটো গঢ়াৰ সময়, সপোন দেখাৰ সময়। এই সময়তে সফল জীৱন এটা গঢ়া বাবে এটা সুন্দৰ লক্ষ্য বাচি লোৱাৰ প্ৰয়োজন। এই লক্ষ্যত উপনীত হ'বলৈ প্ৰয়োজন সু-চিন্তা আৰু সু-পৰিকল্পনাৰ। প্ৰয়োজন সুস্থিৰ মন সাহস আৰু শৃংখলাবদ্ধ কৰ্মৰ। বিশ্ববৰণ্য বক্তিসকলৰ জীৱনলৈ চালে বুজা যায় যে, প্ৰতিভাতকৈয়ো পৰম ইচ্ছা শক্তি আৰু কঠোৰ অধ্যৱসায়ৰ উপনীত হ'ব পাৰে আৰু জীৱন সফল হ'ব পাৰে শচীন তেণ্ডুলকাৰ বিশ্বৰ সর্বশ্রেষ্ঠ বেটছমেন অথচ ২০১০ চনত যেতিয়া দক্ষিণ আফ্রিকা দল ভাৰত ভ্রমনলৈ অহাৰ কথা আছিল, তেতিয়া শচীন মুম্বাইৰ ষ্টেডিয়ামৰ প্ৰচণ্ড ৰ'দত কংক্রিটৰ পিট্‌ছত পানীত তিতা প্লাষ্টিকৰ বলেৰে অনুশীলন কৰিছিল যাতে দক্ষিণ আফ্রিকাৰ দলৰ ভয়ংকৰ পেচ বলিং আৰু ছুইঙৰ সন্মুখীন হ'ব পাৰে। এই কঠোৰ পৰিশ্ৰমৰ ফলতে তেওঁ ৰাজস্থানত শতৰাণ কৰিবলৈ সক্ষম হৈছিল। ক্রিকেট কমেন্টৰ ৰবি শাস্ত্রীৰ ভাষাত হৈ পৰিছিল, "The frist man on the to reach double hundred in on the one day match."

একোখন কলেজে ছাত্ৰ-ছাত্ৰীসকলক নিজস্ব প্ৰতিভা

বিকাশৰ যথেষ্ট সুযোগ সুবিধা দিয়ে। মহাবিদ্যালয় সপ্তাহ আদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুপ্ত প্ৰতিভাৰ বিকাশ সাধনত সহায় কৰে। নিজৰ প্ৰতিভাখিনি বিকাশিত কৰাৰ আৰু নিজে ভাল পোৱা কৰ্মত নিজকে নিয়োজিত কৰাৰ সোৱাদ অনন j। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি নৱ প্ৰজন্মৰৰ জনপ্ৰিয় শিল্পী জুবিন গার্গৰ কথা। জুবিন গার্গে মুখত সোণৰ চামুচ লৈ জন্ম গ্ৰহণ কৰা নাছিল। কিন্তু তেওঁৰ মনত ভাঁহি থকা গানৰ সুৰবোৰে, সৃষ্টিশীলতা আৰু সুন্দৰৰ সপোনটোৱে তেওঁক শুবলৈ দিয়া নাছিল। পৰম ইচ্ছা শক্তি আৰু গভীৰ আত্মবিশ্বাসবে তেওঁ আগবাঢ়িছিল নিজৰ মাজত লুকাই থকা প্ৰতিভাখিনি প্ৰকাশ কৰিবৰ বাবে। আজি তেওঁ নিজে ভালপোৱা সংগীতৰ অমিয়া ক্ষেত্ৰখনত নিজকে প্ৰতিষ্ঠা কৰাৰ সোৱাদ লাভ কৰিব ধৰিছে তেওঁ জনপ্ৰিয়তাই আজি ৰাজ্যৰ চাৰিসীমা পাৰ হৈ দেশ-বিদেশৰ সীমনা চুমিছেগৈ।

এটা উশৃংখল জীৱন যাপন কৰাতকৈ নিজৰ মাজত থকা প্ৰতিভা বিকাশৰ মূল্য বহুগুনে বেছি। বিশ্বায়নৰ যুগত মানুহৰ মাজত লুকাই থকা ক্ষদ্রতম প্ৰতিভাৰো যথেষ্ট গুৰুত্ব আছে, সেই বাবে আমি সৎ আৰু সুন্দৰৰ পথত খোজ দিবলৈ সাহসগোটাব লাগে কলেজীয়া জীৱনছোৱা ব্যক্তিত্ব বিকাশ আৰু নিজস্ব চিন্তাধাৰা গঢ় দিয়াৰ সবাতোকৈ উপযুক্ত সময়। জীৱনৰ কঠিন প্ৰত্যাহ্বানৰ হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰাৰ সময়। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহম লিংকনৰ ডাঙৰ ল'ৰাটো যেতিয়া বিদ্যালয়ত ভর্ত্তি হ'ল, তেতিয়া তাক জীৱনৰ কাৰণে প্ৰস্তুত কৰাৰ বাবে কি কি কথা শিকোৱা উচিত, সেই বিষয়ে পৰামর্শ দি আব্ৰাহম লিংকনে শিক্ষকলৈ এখন চিঠি লিখিছিল। যাক সমগ্ৰ বিশ্বই প্ৰথম ধ্রুপদী (ক্লাছিকেল লেটাৰ) চিঠি বুলি গণ্য কৰে।

চিঠিখনৰ কিয়দংশ এনেধৰণৰ— "..... আপুনি তাক হেৰুৱাবলৈ আৰু হাৰিবলৈ শিক্ষা দিব, লগতে জয়ৰ আনন্দ উপভোগ কৰিবলৈ শিকাবলৈকো নাপাহৰিব। সি নিজে যিবোৰ চিন্তা কৰে বা সত্য বুলি ভাৱে সেইবোৰক বিশ্বাস কৰিবলৈ তাক শিক্ষা দিব। আন সকলোতে তাৰ কথা ভুল বুলি ক'লেও সি যেন সহজতে বিচলিত নহয়। ভদ্ৰ মানুহৰ লগত ভদ্ৰ হ'বলৈ আৰু অভদ্ৰৰ প্ৰতি কঠোৰ হ'বলৈ তাক শিক্ষা দিব.....। সকলো মানুহৰ কথা মনোযোগ দি শুনিবলৈ আপুনি তাক শিক্ষা দিব। কিন্তু লগতে তাক এই শিক্ষাও দিব যাতে সি শুনা কথাবোৰ সত্যৰ তুলাচনীৰে চালি জাৰি চাই কেৱল মংগলজনক।"

কলেজীয়া জীৱনত নিজস্ব চিন্তাধাৰা গঢ় দিয়াৰ ক্ষেত্ৰত চিঠিখনৰ কথাখিনি খুবেই প্ৰাসংগিক।

কিছু মধুৰতা ঃ

কলেজীয়া জীৱনটো সঁচাকৈয়ে মধুৰ। ইয়াতেই আমি বুজি পাওঁ বন্ধুত্বৰ দৰে অনুপম সম্পর্কক। বহুজনৰ সৈতে গঢ়ি উঠে আমাৰ অন্তৰংগ বন্ধুত্ব। ক্লাছৰুম বা কেন্টিনৰ এচুকত বহি বন্ধুৰ সৈতে মৰা আদ্দাবোৰে, নির্দোষ, ধেমালিবোৰে, ইজনে সিজনৰ বাবে কৰা সৰু সৰু ত্যাগবোৰে আমাৰ জীৱনক সমৃদ্ধ কৰি তোলে। এৰিষ্টটলৈ কৈছিল- "বন্ধুত্ব হৈছে দুখন হিয়াত কাম কৰা এটা আত্মা"। বন্ধুত্ব নামৰ সাকোঁডালেৰে সাঙোৰ খাই আমি হৈ পৰো ইজনে সিজনৰ অনুপ্রেৰণাৰ উৎস, সুখ-দুখৰ সমভাগী।

সেই কলেজৰে কোনোৱা একোনত সন্ধান পাওঁ এযুৰি নীলা চকুৰ। এটী মিঠা হাঁহিৰ। হৃদয়ত সৃষ্টি হয় এটি অবুজ আবেগৰ যাৰ নাম 'প্ৰেম-ভালপোৱা'। শাওনৰ চিপ্‌চিপিয়া বৰষুণজাকৰ দৰেই এই অনুভৱে আমাৰ দেহ-মন সিক্ত কৰি তোলে। আহিনৰ শেৱালিৰ সুবাসেৰে সি আমাৰ মনাকাশ ভৰাই তোলে। পুহ মাহৰ কুঁৱলীৰ আৱৰণ ফালি ওলাই অহা কোমল মিঠা ৰ'দালিৰ দৰে আমাৰ হৃদয়ক উজ্বলাই তোলে। প্ৰিয়জনৰ পৰা বিচ্ছেদে যিদৰে আমাৰ দুচকুৰ কোণত জন্ম দিয়ে দুটোপাল নিয়ৰৰ। সেইদৰে প্ৰিয়জনৰ সান্নিধ্যই আমাৰ ওঁঠত বিৰিঙাই 'ক্রিচেনথিমাম' ৰ হাঁহি। প্ৰেমত উঠি ভাঁহি গৈ আমি যাতে নিজৰ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য কথা পাহৰি নাযাওঁ তাৰ প্ৰতি সদায় সজাগ হ'ব লাগে। সংযম, সততা, বিশ্বাস আৰু অফুৰন্ত কর্মৰেহে প্ৰেমক সফল কৰি তুলিব পৰা যায়।

কলেজীয়া জীৱন সম্ভাৱনাৰ এক সম্ভাৰ ঃ

কলেজৰ বুকুতেই জন্ম হয় এজাক তৰুণৰ যাৰ দুচকুত থাকে পুৰণিৰ নিয়ম ভাঙি পৃথিৰীখন নতুনকৈ গঢ়াৰ সপোন, হৃদয়ত অপৰাজেয় সাহস আৰু দেহত শক্তি। নিজস্ব চিন্তা ধাৰা আৰু কর্মৰে কলেজীয়া এই জাক জাক তৰুণে দেশ তথা সমাজক উন্নতিৰ পথত আগুৱাই নিয়াৰ সম্ভাৱনা বহন কৰে। অতুলনীয় কার্যদক্ষতা, সৃজনশীলতা আৰু উদ্ভাৱনী চিন্তাধাৰাৰে সমগ্ৰ বিশ্বক তুলি ধৰাৰ ক্ষমতা থাকে তেওঁলোকৰ, যুগ যুগ ধৰি বৈ অহা মানৰ সভ্যতা সাংস্কৃতিৰ স্রোতক আগবঢ়াই নিয়াৰ দ্বায়িত্ব ভাৰো কলেজীয়া এই যুৱ শক্তিৰ কান্ধতে। সেইবাবেই হয়তো কলেজীয়া জীৱন সঁচাকৈয়ে বৰ নিৰূপম.....।

—

চর্যাপদ - এটি পর্যালোচনা

কুলপ্রদীপ পাটোৱাৰী
তৃতীয় ষান্মাসিক, বি.চি.এ

চর্যাপদকলৈ প্রথমেই যি ক'বলগীয়া কথা সেয়া হ'ল ই অসমীয়া সাহিত্যৰ প্রাচীনতম ৰূপৰ একমাত্র নিদর্শন। পিছে ইয়াৰ অর্থ এয়াই নহয় যে, তাৰ আগতে এই অঞ্চলত সেই একেই ভাষাত একো সাহিত্য ৰচনাই হোৱা নাছিল, হয়তো লিখা হৈছিল, কিন্তু সেই লেখনি সমূহক সংৰক্ষিত কৰা হোৱা নাই, সেয়ে তাৰ প্রমাণ নাই। চর্যাপদক বাংলা সাহিত্যৱো প্রাচীন যুগৰ নিদর্শন বুলি ধৰা হয়। চর্যাপদৰ গীতসমূহৰ ভাষাৰ লগত নব্য ভাৰতীয় আর্যভাষাৰ অর্ন্তগত মৈথিলী, উৰিয়া, বাঙালী, বিষ্ণুপ্রিয়া মণিপুৰী আৰু অসমীয়া ভাষাৰ মিল দেখা যায়। সেয়ে এই সকলোকেইটা ভাষাৰে পণ্ডিতসকলে চর্যাপদক নিজৰ নিজৰ ভাষাৰ প্রাচীন সম্পত্তি বুলি দাবী কৰে। ইফালে আকৌ অবিভক্ত গোৱালপাৰা জিলা আৰু উত্তৰ বংগৰ স্থানীয় কথিত ভাষাৰ লগত চর্যাপদৰ ভাষাৰ শব্দৰ আটাইতকৈ বেছি সমিলমিল বর্তমানতো দেখা যায়। সি আন এটা আলোচনাৰ বিষয় হ'ব পাৰে।

চর্যাপদ ৰচিত হয় খৃঃ ৮ ম শতিকাৰ পৰা ১২ শ শতিকালৈ। যদিও ইয়াক লৈ বিতর্ক আছে, তথাপিও মোটামুটিভাৱে এই সময়কালেই আটাইতকৈ গ্রহণযোগ্য। এই পদসমূহ মূলতঃ বৌদ্ধ ধর্মৰ সহজযানী পন্থাৰ ধর্ম সাধনাৰ গীত। এই চর্যাপদ সমূহ পোন প্রথমবাৰৰ বাবে লোকচক্ষুৰ আগত দাঙি ধৰে হৰপ্রসাদ শাস্ত্রীয়ে। চর্যাপদৰ ভাষাক 'সন্ধ্যাভাষা' বা আলো আধাৰি ভাষা বুলি অভিহিত কৰা হয়।

চর্যাপদত মুঠ চর্যা বা পদ বা গীতৰ সংখ্যা ৫১ টা। ইয়াৰ মাজত এটি পদৰ টোকা বা ব্যাখ্যা পোৱা নাই। অৱশ্যে ৫১ টা পদৰ মাজত ৪৬ টা পদ হে সম্পূর্ণৰূপে পোৱা গৈছে। আন এটি পদৰ আধাহে পোৱা গৈছে। চর্যাপদৰ মুঠ কবি বা পাদ হ'ল ২৩ জন। ইয়াক লৈও বিতর্ক আছে, যেনে বহু পণ্ডিতৰ মতে দাৰিক পা আৰু দাড়িম্ব পা বেলেগ ব্যক্তি, কিন্তু গ্রহণযোগ্য মত হ'ল চর্যাপদৰ মুঠ পাদৰ সংখ্যা ২৩ জন। চর্যাপদৰ প্রাচীনতম কবি সৰহ পা। বহুতেই পিছে লুই পাক প্রাচীনতম কবি বুলি দাবী কৰে আৰু ইয়াৰ সপক্ষে চর্যাৰ প্রথম পদটিক প্রমাণ হিচাপে উত্থাপন কৰে। এই প্রমাণৰ ভিত্তিতেই লুই পাক আদি কবি বুলিও কোৱা হয়। কিন্তু এই বিষয়টো পিছলৈ প্রমাণিত হয় যে, চর্যাপদৰ কবি সকলৰ মাজত প্রচীনতম কবি সৰহ পায়েই। সকলোতকৈ বেছি পদৰ ৰচনা কৰিছে কাহ্নু পা, তেওঁৰ ৰচনা কৰা পদৰ সংখ্যা ১৩ টা। সৰহ পাই লিখিছে ৪ টা পদ। ভুসুক পাই লিখিছে ৮, কুক্কুৰী পাই ৩, লুই পা শান্তি পা আৰু সৰহ পা ২টাকৈ পদৰ ৰচনা কৰিছে। বাকী সকলোৱেই এটাকৈ পদ ৰচনা কৰিছে।

চর্যাপদৰ সকলোতকৈ জনপ্রিয় বিতর্ক হ'ল, ই কোন ভাষাত ৰচিত। এইটো এটা কেতিয়াও শেষ নোহোৱা বিতর্ক। আমি যেনেকৈ দাবী কৰো ই অসমীয়া ভাষাৰ প্রাচীন নিদর্শন, তেনেকৈ বাঙালী সকলেও দাবী কৰে ইয়াৰ ভাষা প্রাচীন বাঙালী বুলি, মৈথিলী সকলে সেই একেই দাবী কৰে, উড়িয়াও দাবী কৰে ইয়াৰ ভাষা প্রাচীন উড়িয়া বুলি। এনেকি মগধী, ভোজপুৰীয়া আৰু নেওয়াৰি সকলেও চর্যাপদক নিজৰ বুলি দাবী কৰে। ইয়াত কেৱল হিন্দীভাষীৰ দাবীক হে ভাষাবিজ্ঞান সন্মতভাবে খণ্ডন কৰা যায়, বাকী ভাষা কেইটাৰ ক্ষেত্রত ইয়াক খণ্ডন কৰাটো টান। আচলতে এই ভাষাটো যে মধ্যপূর্ব আৰু উত্তৰ-পূব ভাৰতৰ বিশাল অঞ্চলৰ এক বহুল প্রচলিত ভাষা আছিল সেই সম্পর্কে কোনো সন্দেহ নাই। চর্যাপদৰ ভাষা একপ্রকাৰ তাৎপর্যপূর্ণ ভাষা, কাৰণ এই গীতপদ বোৰৰ অর্থ হ'ল সহজযান ধর্ম। এই ধর্মটি বৌদ্ধ মহাযানী শাখাৰ পৰা উদ্ভৱ হোৱা তন্ত্রযান শাখাৰ অর্ন্তগত। তান্ত্রিক সাধনাৰ ভাষাবোৰ সাংকেতিক প্রকৃতিৰ; সি সকলোৰে বাবে বোধগম্য নহয়, সাধনা সংপৃক্ত ব্যক্তিয়েহে তাৰ সমার্থ

বুজি পায়। পিছে প্রতিটো পদৰেই দুটাকৈ অর্থ থাকে, এটিৰ অর্থ সাধাৰণ ৰাইজে বুজিলেও ইয়াৰ আচল অর্থ তান্ত্রিক সাধনাৰ গোপন মন্ত্রহে, যিটো বুজি পোৱা দুর্বোধ্য। এই পদবোৰ আচলতে ৰূপক হিচাপেহে লিখা, সাধাৰণ মানুহে বুজিব নোৱাৰা কাৰণেই এই ভাষাক সন্ধ্যা ভাষা বা সন্ধা ভাষা বুলি কোৱা হৈছে। এই ধৰণৰ ৰূপক গীতৰ ধাৰা নেপাল আৰু তিব্বতত এতিয়াও প্রচলিত, যিবোৰ বজ্রাগীত নামেৰে পৰিচিত। আচলতে চর্যাপদৰ ভাষাটো যে মধ্যপূর্ব আৰু উত্তৰ-পূব ভাৰতৰ বিশাল অঞ্চলৰ এক বহুল প্রচলিত ভাষা আছিল সেই সম্পর্কে কোনা সন্দেহ নাই। ভাষাৰ ক্ষেত্রত এই সমস্যাবোৰ বুজিবলৈ হ'লে এই অঞ্চলৰ ভাষাৰ বিৱর্তন সম্পর্কে অধ্যয়ন কৰা দৰকাৰ। যি অধ্যয়ন মোৰ নাই কিন্তু চিধাকৈ যিখিনি বুজা যায় যে তেতিয়াৰ সময়ত অসমীয়া, বাংলা, মৈথিলী, উড়িয়া আদি ভাষাবোৰ পুৰাপুৰিকৈ স্বতন্ত্র ভাষা হোৱাৰ কোনো প্রমাণ নাই, বৰং এই সকলোবোৰ ভাষা মিলিহে এটি ভাষা আছিল। সি যিকি নহওক চর্যাপদ অসমীয়াৰো সম্পদ। ড° বাণীকান্ত কাকতিয়ে চর্যাপদৰ ভাষাৰ লগতে প্রাচীন আৰু আধুনিক অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দসম্ভাৰৰ বৈশিষ্ট্যৰ গাঢ় সম্বন্ধ প্রতিপন্ন কৰিছে - "Certain phonological and morphological peculiarities registered in an the Bauddha Dohas have come down in unbroken continuity through early to modern Assamese. - Modern Assamese in certain respects shows a closer approximation to the forms and idioms preserved in Dohas" (Dr. Banikanta Kakati, Assamese : its formation and development, 1962)

অসমৰ বৈষ্ণৱ গুৰুসকলে একশৰণ নাম-ধর্ম প্রচাৰৰ অঙ্গ হিচাপে ৰচনা কৰা বৰগীতবোৰৰ দৰে সহজযান পন্থী সিদ্ধাচার্য সকলে নিজৰ ধর্ম-মত প্রচাৰৰ অন্যতম বাহন হিচাপে চর্যাপদবোৰ ৰচনা কৰিছিল। এইবিধ গীতি-সাহিত্যত সিদ্ধাচার্য সকলে কেৱল সহজযান পন্থাৰ তাত্ত্বিক দিশটোকেই দাঙি ধৰা নাই, তাৰ লগতে তেওঁলোকে সংশ্লিষ্ট সমাজখনৰ কিছুমান বাস্তৱ দিশো উপস্থাপন কৰিছে। ইয়াৰ ফলত পদ ৰচকসকলৰ সামাজিক চেতনাবোধ, মানৱীয় বিচাৰধাৰা আৰু আধ্যাত্মিক চিন্তা-চর্চাৰ স্বৰূপ প্রতিভাত হৈছে। চর্যাপদত প্রকাশ পোৱা সামাজিক অৱস্থালৈ লক্ষ্য কৰিলে সেই সময়ৰ জনসাধাৰণৰ সাংস্কৃতিক জীৱন ধাৰণ, আচাৰ ব্যৱহাৰ আদিৰ লগত অসমৰ সামাজিক, সাংস্কৃতিক, দৈনন্দিন জীৱন পদ্ধতি আদিৰ লগত বিশেষ সাদৃস্য পৰিলক্ষিত হয়।

চর্যাপদকালীন সময়ত বৈদিক যুগৰ জাতিভেদ প্রথাৰ প্রভাৱ নহ'লেও সাধাৰণ লোকৰ জীৱন যাত্রাৰ বাবে গ্রহণ কৰা কর্মৰ বিভাগ অনুসৰি ভিন্নজাত, সম্প্রদায় থকাৰ প্রমাণ চর্যাপদ ৰচনাত পোৱা যায়। নীচ জাতিৰ লোকে উচ্চ জাতিৰ লোকক স্পর্শ কৰিব নোৱাৰিছিল, নীচ জাতিৰ লোকসকলক উচ্চ জাতিৰ লোকসকলে সদায় হেয় জ্ঞান কৰিছিল। অৱশ্যে উচ্চ নীচৰ মাজত কেতিয়াবা অসবর্ণ বিবাহো হৈছিল। ডুমনী, শৱৰী আদি তিৰোতাসকল আছিল নৃত্যপৰায়ণা আৰু সেইবাবেই তেওঁলোকে ব্রাহ্মণ কুলত ওপজা পুৰুষৰ মন মুহিবলৈ সমর্থ হৈছিল।

সমাজত শান্তি ৰক্ষাৰ বাবে সেই সময়তো থানা, দাৰোগাৰ পদবী আদি থকাৰ উল্লেখ চর্যাপদত পোৱা যায়। আজিৰ দৰে সেই সময়তো যে চো�ৰ-ডকাইত আদিৰ উপদ্রৱ আছিল ইয়াৰ পৰাই বুজিব পাৰি। সামাজিক জীৱন যাত্রাৰ শান্তি শৃংখলা খর্ব কৰা চোৰ-ডকাইত আদি নিৰাময় কৰি সমাজত শান্তি স্থাপনৰ বাবে থানা বা কাছাৰী আদিৰ উল্লেখৰ পৰা সমসাময়িক সমাজৰ প্রশাসনীয় ৰূপ এটাৰ আভাস পোৱা যায়।

অসমীয়া সমাজৰ ব্যৱহাৰিক দৈনন্দিন জীৱন পদ্ধতিৰ একোটা উজ্জ্বল নিদর্শন চর্যাপদত চিত্রিত হৈছে। আজিৰ দৰে সেই সময়ৰ লোকসকলো আছিল কৃষিজীৱি ধনীসকলে দুখীয়া সকলৰ সম্পত্তি গ্রাস কৰি প্রতিপত্তি লাভ কৰা আদি বহুতো কথাই সেইকালৰ কৃষিপ্রধান সমাজ ব্যৱস্থাৰ ইংগিত দিয়ে। তদানীন্তন সময়ৰ লোকৰো যে প্রধান আহাৰ ভাত আছিল তাৰ প্রমাণ তলৰ চর্যাটোত পোৱা যায় ঃ

"টালত মোৰ ঘৰ নাই পৰৱেশী
হাড়িত মোৰ ভাত নাহি নিতি আৱেশী"

আজিৰ দৰে সেই সময়তো কৃষিপ্রধান সমাজত গৰু পোহাৰ ব্যৱস্থা আছিল। তদানীন্তন সমাজত হাতী, গৰু গাড়ী, নাও আদিৰে মানুহে যাতায়ত কৰিছিল।

চর্যাপদ কালীন সময়ৰ সমাজত জাল পেলাই মাছ ধৰা আৰু হৰিণ আদি বন্য জীৱ জন্তু বধ কৰি ভক্ষণ কৰা হৈছিল। আনকি সেই সময়ৰ মানুহৰ ভোজন ব্যৱস্থাৰ তালিকাত মদেও স্থান দখল কৰিছিল। চর্যাপদত প্রতিফলিত হোৱা গহস্থী জীৱৰ উজলি থকা ৰূপটো মনোমোহা। শহুৰ, শাহু , ননদ, বোৱাৰী আদিবে পৰিপূর্ণ সদা পৰিচিত একোখন বাস্তৱ ছবি বিভিন্ন চর্যাত চিত্রিত হৈছে। ২৮ আৰু ৫০ নম্বৰ চর্যাত শবৰপাদে সাংসাৰিক জীৱনৰ এনে এক অনুপম চিত্রৰ বর্ণনা দিছে যে ইয়াত অসমীয়া সমাজৰ এখন সুন্দৰ আলোকচিত্র চিত্রবৎ হৈছে।

সেইসময়ৰ মানুহৰ দৈনন্দিন জীৱন যাত্রাৰ মাজত ধর্ম

বিস্বাসটোৱেই প্রধানভাৱে ঠাই পাইছিল। সেইসময়ৰ ধনী লোকসকলে নিজ ঘৰত উপাস্য দেৱ-দেৱীৰ বিগ্রহাদি প্রতিষ্ঠা কৰি পূজা উপাসনা কৰিছিল।

চর্যাপদত উল্লিখিত সমাজৰ সাংস্কৃতিক দিশটোৰ প্রতি চকু ৰাখিলে সাহিত্যৰ পিছতে গীত আৰু সমপৰিমাণে নৃত্য চর্চাও প্রচলিত হোৱাৰ প্রমাণ পোৱা যায়। নৃত্য গীতত আনুষাংগিক বাদ্য ৰূপে বীণা, ডম্বৰু, বাঁহী, মাদল আদিৰ উল্লেখে নৃত্য গীতৰ প্রচলনৰ কথা সূচায়।

আমাৰ অসমীয়া সমাজখনত নাৰীৰ বিশেষ ভূমিকা আছে। ভাৰতীয় ঐতিহ্য প্রাচীনকালৰ উপনিষদৰ সময়ৰ পৰাই সামাজিক ভেটিত আধ্যাত্মি ক চিন্তাত নাৰীয়ে উচ্চ ভূমিকা গ্রহণ কৰি আহিছে। সমাজৰ বিভিন্ন কর্ম নাৰীয়ে সম্পাদন কৰি আহিছে। তাঁতবোৱা, নৃত্য গীত কৰা, যাৱতীয় বৃত্তিমূলক কামবোৰৰ উপৰিও পুৰুষৰ দৰে নাৰীয়েও নাওবোৱা, নাৱেৰে যাত্রী পাৰ কৰা আনকি জীৱিকাৰ বাবে মদ্য বিক্রী কৰা আদি কার্যও নাৰীয়ে কৰিছিল।

আজিৰ দৰে চর্যাপদ কালীন সমাজতো নাৰীয়ে সৌন্দর্য চর্চাও কৰিছিল। তেওঁলোকে চুলিবোৰ খোপা বান্ধি ৰাখিছিল আৰু সেই খোপাত ফুল গুজিছিল। তামোল খাই ওঁঠ ৰঙা কৰি ৰাখিছিল। নাৰীৰ বিভিন্ন বেশ ভূষা অলংকাৰ আদিৰ কথা চর্যাপদত উল্লেখ আছে।

গতিকে ইয়াৰ পৰা অসমীয়া সমাজৰ সামাজিক চিত্র, সমাজৰ ধর্ম, ৰীতি-নীতি, চিন্তা-চর্চা আদিৰে পূর্ণ এখন চিত্র চর্যাপদত বৰ ধুনীয়াকৈ প্রতিফলিত হোৱা দেখা যায়।

ধর্মীয় তত্ত্ব-জিজ্ঞাসাৰ প্রসঙ্গত চর্যাপদবোৰ যিমান মূল্যবান, কাব্যিক সৌন্দর্য বিচাৰৰ ক্ষেত্রতো সেইবোৰ সিমানেই মূলব্যান। প্রাচীন কামৰূপৰ ধর্ম, ভাষা, সাহিত্য, সংগীত, সমাজ আৰু সংস্কৃতি বিষয়ক আলোচনাৰ প্রসংগত চর্যাপদসমূহৰ ঐতিহাসিক মূল্য অনস্বীকার্য।

প্রাচীন কামৰূপী সমাজত চর্যাপদসমূহ গীত হিচাপে, কবিতা হিচাপে আৰু গভীৰ মানৱতাবোধৰ বিচিত্র অনুভূতিৰ বাহক হিচাপে বৰ জনপ্রিয় আছিল। বৌদ্ধ সহজীয়া সাধনা তত্ত্বৰ সাংগীতিক বাহক হিচাপে চর্যাপদসমূহ সিদ্ধাচার্য্য সকলৰ সার্থক সৃষ্টি। তদুপৰি অসমীয়া গীতিকাব্যৰ বুৰঞ্জীত প্রাচীনতম লিখিত নিদর্শন হিচাপে চর্যাপদবোৰ অমূল্য সম্পদ।

বিভিন্ন উৎসৰ পৰা লিখনিটো যুগুত কৰিলোঁ, কিবা ভুল ভ্রান্তি থাকিলে ক্ষমাপ্রার্থী)

উৎস ঃ

বৌদ্ধধর্ম ও চর্যাগীতি - শশিভূষণ দাশগুপ্ত
চর্যাপদ - ড° পৰীক্ষিত হাজৰিকা
ৱিকিপিডিয়া, ৱিকি সংকলন

সোণাপুৰ - মিটনীৰ জগন্নাথ মন্দিৰ

অবিনাশ ৰায় চৌধুৰী
চতুর্থ ষান্মাসিক,অসমীয়া বিভাগ

কামৰূপ মহানগৰ জিলাৰ দিছপুৰ সমষ্টিৰ অন্তর্গত সোণাপুৰ ৰাজহ চক্রৰ মিটনী গাঁৱত শ্রীশ্রী জগন্নাথ মন্দিৰ অৱস্থিত। মিটনী গাঁও, মিটনী পথাৰ আৰু মিটনী ৰাজহ গাঁও, মিলি বৃহৎ মিটনী গাঁওখন খিলঞ্জীয়া লোকে বসবাস কৰা অতি প্রাচীন গাঁও। ৩৭ নং ৰাষ্ট্রীয় ঘাইপথৰ তেতেলীয়াৰ পৰা ৭ কিলোমিটাৰ উত্তৰ দিশত গাঁওখন অৱস্থিত। অসমৰ যিবোৰ তীর্থস্থানে ভক্তপ্রাণ ৰাইজ আৰু অনুসন্ধিৎসু লোকক আকর্ষণ কৰি আহিছে তাৰ ভিতৰত মিটনী জগন্নাথ মন্দিৰ অন্যতম। বহুবৰ সকলো সময়তে মন্দিৰলৈ বিভিন্ন লোকৰ সমাগম হয়। কলং নদীৰ পাৰত মিটনী পাহাৰৰ পাদদেশত মনোমোহা সেউজীয়া পৰিৱেশৰ মাজত মন্দিৰটোৱে স্বকীয় সৌন্দর্য্যৰ মহীযান হৈ আছে।

মিটনী জগন্নাথ মন্দিৰ চৌহদৰ বর্তমান মাটিকালি চাৰি বিঘা, চাৰি কঠা, তিনি লেচা। ইয়াৰোপৰি জগন্নাথ মন্দিৰৰ নামত ১২ বিঘা খেতিৰ মাটি আৰু দুটা ৰাজহুৱা পুখুৰী আৰু চাৰিটা ডুবি আছে। ইয়াৰে এটা পুখুৰী প্রায় দুবিঘা আৰু এটা সীমিত আয় হয় তাক মন্দিৰ পৰিচালনাৰ কামত ব্যৱহাৰ কৰা হয়। জনশ্রুতি, কিংবদন্তী, বুৰঞ্জীৰ সমল আদিলৈ লক্ষ্য কৰি ১৩৬৫ খ্রীষ্টাব্দত মিটনী জগন্নাথ মন্দিৰ প্রতিষ্ঠা কৰা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। অসমৰ শ্রী ক্ষেত্র হিচাপে পৰিচিত মিটনী শ্রীশ্রী জগন্নাথ মন্দিৰ এখন অতি প্রাচীন তীর্থস্থান।

ৰজা আৰিমত্তই এবাৰ মৃগয়াৰ বাবে আহি মিটনী গাঁৱৰ পাহাৰৰ চতলীয়া শিলত (চোতালৰ সমান ডাঙৰ শিল এতিয়াও মিটনী পাহাৰত আছে) বাহৰ পাতি চিকাৰ কৰিছিল। ৰাতি ৰজাই সেই পাহাৰৰ ডাঙৰ গহ্বৰ এটাত জগন্নাথৰ মূর্ত্তি থকা বুলি সপোন দেখিলে। কিন্তু ৰজাই সপোনৰ কথা কাৰো আগত ব্যক্ত নকৰিলে। পিছদিনা ৰজাৰ লগত অহা লোকসকলে চিকাৰলৈ যোৱাত পাহাৰৰ গুহাত কেইটিমান মূর্ত্তি দেখি ৰজাক জনালত ৰজাই সপোনৰ কথা স্মৰণ কৰি লগে লগে সেই ঠাইত উপস্থিত হ'ল আৰু অতি ভক্তি আৰু শ্রদ্ধা সহকাৰে মূর্ত্তি কেইটা মিটনী গাঁৱলৈ আনি মন্দিৰ প্রতিষ্ঠা কৰিলে। ৰজা আৰিমত্তৰ শাসনকালৰ সময় অনুসৰিয়ে পণ্ডিতসকলে মন্দিৰ প্রতিষ্ঠা ১৩৬৫ খ্রীষ্টাব্দত হোৱা বুলি ঠাৱৰ কৰিছে।

আহোম যুগত ৰংঘৰ, তলাতল ঘৰ আদিত ব্যৱহৃত ইটা আৰু নির্মাণ কৌশলেৰে এই মন্দিৰটো নির্মাণ কৰা হৈছিল। কিন্তু ১৮৯৭ চনৰ বৰভূইকপত মন্দিৰটো ধ্বংশ হয়। ৰাইজে মূর্ত্তিৰ লগতে আন আন সা-সম্পত্তিবোৰ খনন কৰি উলিয়াই মেৰামতিৰে প্রতিষ্ঠা কৰি লয় যদিও পুনৰ ১৯৫০ চনৰ ভূমিকম্পত সম্পূর্ণ ধ্বংস হৈ যায়। আহোম যুগৰ ইটাৰ টুকুৰাৰে মন্দিৰ চৌহদ সিঁচৰিত হৈ পৰে।

পৰৱর্তী সময়ত ১৯৮৮ চনত মূল মন্দিৰটো দান-বৰঙণি তুলি ৰাইজে পকাৰে নির্মাণ কৰে। ১৯৯৭ চনত কীর্ত্তন ঘৰটো নাম প্রসঙ্গ কৰিব পৰাকৈ কোনোমতে নির্মাণ কৰা হয় যদিও সম্পূর্ণ হ'বলৈ এতিয়াও বাকী আছে।

অসমৰ ধর্মপ্রাণ ৰাইজক অসমৰ বাহিৰৰ যিবোৰ তীর্থ ক্ষেত্রই পুৰণি কালৰে পৰা আকর্ষণ কৰি আহিছে তাৰ ভিতৰত পুৰীৰ জগন্নাথ ক্ষেত্র অন্যতম। পুৰীৰ জগন্নাথ মন্দিৰ দর্শনৰ ইচ্ছা থাকিলেও দীর্ঘ যাত্রা বা অন্যান্য অসুবিধাৰ বাবে সম্ভৱতঃ অসমৰ ৰাইজে সেই পুৰীৰ জগন্নাথৰ আর্হিত মন্দিৰ প্রতিষ্ঠা কৰিছিল। মিটনীৰ জগন্নাথ মন্দিৰ উৰিষ্যাৰ বলোভদ্রৰ বিগ্রহ প্রতিষ্ঠা কৰা হৈছে। মূর্ত্তি কেইটি পুৰীৰ জগন্নাথ মন্দিৰৰ মূর্ত্তিৰ সৈতে দেখিবলৈ একে। আন আন বিগ্রহ বিলাকৰ ক্ষেত্রতো মিল দেখা যায়। মন্দিৰটো কেইবাটাও ভাগত বিভক্ত। মূল মন্দিৰ, ভোগ ঘৰ, নাটমন্দিৰ বা কীর্ত্তন ঘৰ, বাট চৰা আদি। ইয়াৰ লগতে মন্দিৰৰ পূৱ ফালে আছে এজোপা অক্ষয় বটবৃক্ষ। দাৰু বৃক্ষৰে নির্মিত মূল মূর্ত্তি তিনিটাৰ উপৰিও বাৰ গোপাল, শালগ্রাম জয়দেৱ

জয়-বিজয় আদি বিগ্রহবোৰো আছে। এই মূর্ত্তি সমূহ শিল আৰু অন্যান্য ধাতুৰে নির্মিত। ইয়াৰ উপৰিও এখনি ফুলবছা আসন মন্দিৰৰ আন এপদ আকর্ষণীয় শিল্পকলা। আসনখন দীঘল ৬ ১/২ ফুট, বহল ৪ ১/২ ফুট আৰু ওখ ৫ ১/২ ফুট।

পুবীৰ জগন্নাথৰ দৰেই মিটনীৰ জগন্নাথ মন্দিৰো পূৱ মুৱা। মূল জগন্নাথৰ উত্তৰ দিশত দৌল আছে। দৌল যাত্রাৰ সময়ত মন্দিৰৰ পৰা চাৰি কিলোমিটাৰ নিলগত থকা চকুৰিপাৰাৰ ঘুনুচা (উৰিষ্যাত গুণ্ডিচা) মন্দিৰলৈ ধর্মীয় শোভাযাত্রা কৰি ৰং-বহইচ কৰা প্রথা ইয়াতো আছে।

মিটনী জগন্নাথ মন্দিৰ পালিত বৃহৎ উৎসৱ বুলিবলৈ ফাগুনৰ পূর্ণিমাত পাঁচদিনীয়াকৈ উদ্‌যাপন কৰা দৌল যাত্রা মহোৎসৱ আৰু মাঘৰ তিনি তাৰিখে পৰম্পৰাগতভাৱে অনুষ্ঠিত কৰা মহাপাল নামৰ কথা উল্লেখ কৰিব পাৰি।

মিটনী জগন্নাথ মন্দিৰ বিভিন্ন ধর্মীয় প্রন্থাসমূহৰ সমন্বয় মন কৰিবলগীয়া বিষয়। শংকৰদেৱ প্রৱর্তিত নৱ-বৈষ্ণৱ ধর্মৰ প্রভাৱ ইয়াত বাৰুকৈয়ে পৰিছিল। জগন্নাথ মন্দিৰ পূর্বৰে পৰা সংৰক্ষিত সাঁচিপতীয়া কীর্ত্তন ঘোষণা আৰু ভাগৱত আদি দৌল যাত্রা আৰু জেঠৰ হোমযজ্ঞত পৰম্পৰাগতভাৱে অনুষ্ঠিত কৰা অংকীয়া ভাওনা, গায়ন-বায়নে খোল-তাল আৰু কণ্ঠেৰে পৰিৱেশন কৰা অষ্টৰাগ (আহিৰ, গৌৰী, ধনশ্রী, ববাৰী, মলাৰ, ভৈৰৱী, ললিত আৰু কামেদ) আদিয়ে বৈষ্ণৱ প্রভাৱ তথা শংকৰী, কলা-কৃষ্টি চর্চাৰ সাক্ষ্য বহন কৰে।

আনফালে চৈতন্যদেৱ, দামোদৰ দেৱ, শাক্ত আৰু শৈৱ ধর্ম পন্থাৰো ই সমন্বয়ক্ষেত্র। ইয়াত কোনো জাতিভেদ প্রথা নাই। মিটনী জগন্নাথ মন্দিৰ সদায় সমন্বয় আৰু সম্প্রীতিৰে সকলোকে পৰমপুৰুষ জগন্নাথৰ ওপৰত শৰণ ল'বলৈ আৰু ভক্তি ধর্মৰ মহিমা প্রকাশ কৰে। সেই কাৰণেই বহুতৰ দৃষ্টিত মিটনী জগন্নাথ মন্দিৰ সমন্বয়ৰ বাহক তথা সম্প্রীতিৰ সেঁতু।

—

প্রাথমিক শিক্ষাত সমাজৰ দায়বদ্ধতা

জামাদুল ইছলাম বৰভূঞা
প্রথম যান্মাসিক, বাণিজ্য বিভাগ



শিক্ষা আৰু সমাজৰ মাজত এনে এক অঙ্গাঙ্গী সম্পর্ক আছে যে ইটোৰ অবিহনে সিটোৰ অস্তিত্বৰ কথা ভাবিবই নোৱাৰি। সমাজৰ অবিহনে শিক্ষাৰ প্রসাৰ নঘটে আৰু শিক্ষাৰ অবিহনে সমাজৰ উন্নতি নহয়। অন্য অর্থত এক সুস্থ সামাজিক উন্নতি নহয়। অন্য অর্থত এক সুস্থ সামাজিক পৰিৱেশত শিক্ষা সঠিক ৰূপত চলি থাকে আৰু সুশিক্ষাই সমাজ উন্নয়নত অবিহণা যোগায়, শিক্ষাই জ্ঞান-গম্ভীৰ মানৱীয় প্রমূল্যবোধ সম্পন্ন এজন পূর্ণ মানৱ গঢ়ে। সেইবাবেই আজিৰ পৃথিৱীত শিক্ষাই সর্বাধিক গুৰুত্ব লাভ কৰিছে আৰু অন্ন-বস্ত্রৰ দৰেই ইও মৌলিক অধিকাৰৰ স্থান লাভ কৰিছে।

শিক্ষাই এজন মানুহক সঠিকভাৱে আগু�ৱাই লৈ যাব পাৰিব যদিহে মানুহজনক প্রাথমিক শিক্ষা সঠিকভাৱে লাভ কৰে। প্রাথমিক শিক্ষা শুদ্ধৰূপত নেপালে শিক্ষা জীৱনত শিক্ষার্থীয়ে পদে পদে উজুটি খাব লগীয়াত পৰে। সেয়ে প্রাথমিক শিক্ষা কেতিয়াও উলাই কৰিব পৰা বিষয় নহয়। যি অট্টালিকাৰ আধাৰ মজবুত নহয় যিমানে ওখ আৰু জাকজমকীয়া হ'লেও সি যিকোনো মূহুর্ততে বিপর্যয়ৰ সন্মুখীন হ'ব পাৰে লাগে তেওঁৰ যিমান উচ্চ ডিগ্রী নেথাকক সমাজৰ প্রতিজন ব্যক্তিয়েই প্রাথমিক শিক্ষাক গুৰুত্ব সহকাৰে লোৱা উচিত। নিজৰ নিজৰ ঘৰত, নিজৰ নিজৰ অঞ্চলত, গাঁৱতেই হওঁক বা চহৰতেই হওঁক প্রাথমিক শিক্ষাৰ প্রতি পালন কৰিবলগীয়া দায়িত্বই হ'ল সামাজিক দায়িত্ব।

প্রাথমিক শিক্ষা বুলি ক'লে প্রাক্-প্রাথমিক বা 'ক' শ্রেণীৰ পৰা আৰম্ভ কৰি আজিকালি অষ্টম শ্রেণীলৈকে। ইয়াত শিশুৰ বয়স ধৰা হয় পাঁচ বছৰৰ পৰা চৈধ্য বছৰ। এই কালছোৱাই হ'ল মানুহৰ শিক্ষা জীৱনৰ আধাৰ কাল, আধাৰ শিক্ষা ভাল হ'লে পৰৱর্তী শিক্ষা আপোনা আপুনি ভাল হ'ব বা শিক্ষার্থী জনে নিজে নিজেই উচ্চ শিক্ষাৰ বাবে একান্তভাৱে আগবাঢ়ি গৈ থাকিব। কাৰণ তেওঁ পাঠ্যক্রমত ৰস আস্বাদান কৰিব পাৰিব, কিন্তু যাৰ আধাৰ শিক্ষা সঠিক নহয় তেওঁ যিমানে ওপৰ শ্রেণীলৈ গৈ থাকিব সিমানে পাঠ্যপুথিৰ প্রতি বিমুখ হৈ গৈ থাকিব। কিয়নো পাঠ্যপুথিবোৰ নুবুজা সাঁথৰ হৈ গৈ থাকিব, তাৰ পৰা কোনো ধৰণৰ ৰস নিষ্কাশন কৰিব নোৱাৰিব। পঢ়া টেবুলত বহিলেই মূৰ গৰম আৰু এটা সময়ত অর্ধসমাপ্ত কৰিয়েই আদবাটতে শিক্ষা সাং কৰিব। সেয়ে কোনো অভিভাৱকে যেন এইটো নেভাবে যে এল.পি. স্কুলটো যেনে তেনে পাছ কৰি লওক পাছত ভালকৈ পঢ়ুৱাম, তেনে ভাব অনেক অভিভাৱকৰ থাকে যি অভিভাৱকৰ এই দীর্ঘসূত্রী ভাৱটো থাকে তেনে অভিভাৱকৰ সন্তানৰ শিক্ষাজীৱন আধাতে যৱনিকা পৰাৰো সম্ভাৱনা থাকে, সেয়ে প্রতিজন অভিভাৱক-অভিভাৱকাই তেওঁলোকৰ সন্তান বিদ্যালয়ত ভৰি দিয়াৰ আদিম পুৱাটোৰ পৰাই এই ক্ষেত্রত যত্নৱান হোৱা উচিত।

আকৌ কেৱল নিজৰ সন্তান সন্ততিৰ প্রতি যত্নৱান হ'লেই নহ'ব। তাৰ লগৰবোৰৰ প্রতিও যত্নৱান হ'ব লাগিব, কাৰণ পৰিৱেশ শিশুৰ ওপৰত যথেষ্ট প্রভাৱ পেলায়। শিশুৱে নিজক পিতৃ-মাতৃৰ উপৰিও ওচৰ-চুবুৰীয়া, লগৰ সমনীয়া সকলোকে

অনুসৰণ কৰে, কেৱল নিজৰ সন্তানটোহে ভাল মানুহ হওঁক, ওচৰৰবোৰ অধঃ পতনে যাওক এনে ভাব আত্মক্ষয়ংকাৰী, ওচৰৰ শিশুবোৰ বেয়া হ'লে সেই বেয়াবোৰ ভাল শিশুৰ ওপৰতো কুপ্ৰভাৱ পৰিবগৈ। ফলত সিও বেয়া হোৱাৰে সম্ভাৱনা অথবা ভালৰ পৰিমাণ কমি যোৱাৰ আশকা থাকে। জীৱনৰ ক্ষীপ্ৰ গতিও স্তব্ধ হৈ যাব পাৰে, উজ্জ্বল নক্ষত্ৰও জ্যোতিহীন হৈ পৰিব পাৰে। সেয়ে সচেতন অভিভাৱক অভিভাৱিকাই তেওঁলোকৰ দাঁতিকাষৰীয়া শিশুৰ অভিভাৱক-অভিভাৱকাসকলকো শিশুৰ শিক্ষাৰ প্ৰতি যত্নপৰ হ'বলৈ পৰামৰ্শ দিয়া উচিত, এটা চুবুৰী, এখন স্কুল বা এখন গাঁৱত কেৱল এহাল সচেতন পিতৃ মাতৃয়ে শৈক্ষিক পৰিৱেশটো ধৰি ৰাখিব নোৱাৰে ইয়াত যুৱক-যুৱতী, অন্যান্য বায়োজ্যেষ্ঠ ব্যক্তি সকলোৱে হাত উজান দিয়াৰ প্ৰয়োজন, গৱম বন্ধত গাঁৱৰ শিক্ষিত যুৱক যুৱতীসকলে শিশুসকলক বিনামূলীয়া পাঠদান দি শিশুৰ মাজত নতুন উদ্ভাৱনীমূলক জ্ঞান বিলাব পাৰে।

প্ৰাথমিক শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰিয়েই অতি সম্প্ৰতি চৰকাৰেও প্ৰাথমিক শিক্ষাক লৈ বহুকেইখন আইন প্ৰণয়ন কৰিছে, উলিয়াইছে সৰ্বশিক্ষাৰ দৰে বিশাল আঁচনি ২০০৯ চনত প্ৰাথমিক শিক্ষাক শিশুৰ মৌলিক অধিকাৰৰূপে স্বীকৃতি প্ৰদান কৰি এই ক্ষেত্ৰত অনেক সা-সুবিধা প্ৰদান কৰিছে বঢ়াইছে প্ৰাথমিক বিদ্যালয়, দিছে বৃহৎ সংখ্যক শিক্ষক নিযুক্তি, এয়া প্ৰাথমিক শিক্ষাৰ প্ৰতি পালন কৰা চৰকাৰী দায়িত্ব, ৰাইজ জড়িতকৰণ কৰিবৰ বাবে আজিকালি বিদ্যালয় পৰিচালনা সমিতিত ৰাইজৰ অংশগ্ৰহণ বাধ্যতামূলক কৰি দিছে, বিদ্যালয় পৰিচালনা সমিতিক দিছে পূৰ্বতকৈ অধিক দায়িত্ব আৰু ক্ষমতা, কৰ্তব্যত গাফিলতি কৰা শিক্ষকসকলৰ বিৰুদ্ধে ওজৰ আপত্তি দিয়াৰ নির্দিষ্ট বিধান ৰাখিছে, স্থানীয় যিকোনো লোকে কৰ্তব্যত গাফিলতি কৰা শিক্ষকৰ বিৰুদ্ধে উৰ্দ্ধতম কৰ্তৃপক্ষক গোচৰ দিব পাৰে যিকোনো লোকে অথবা অভিভাৱকে বিদ্যালয় পৰিদৰ্শন কৰিব পাৰে। গাঁৱৰ শিক্ষক, যুৱক-যুৱতী, অভিভাৱক অভিভাৱিকাসকলে এই কাম অর্থাৎ নিজ গাঁৱত থকা প্ৰাথমিক বিদ্যালয়সমূহ পৰিদৰ্শন কৰি শিক্ষকসকলক সুশিক্ষা প্ৰদানৰ বাবে সচেতন অথবা সহযোগিতা কৰি দিব পাৰে। এয়া গাওঁখনত থকা বিদ্যালয়খনৰ প্ৰতি থকা তেওঁলোকৰ এক নৈতিক দায়িত্ব, লৰা-ছোৱালী কেৱল বিদ্যালয়লৈ পঠোৱাতে দায়িত্ব সামৰিলে নহ'ব, বিদ্যালয়লৈ গৈ সি কি কৰিছে।

সকলোতকৈ ডাঙৰ কথা, অভিভাৱকে শিশুৰ বাবে সময় দিব পৰাটো। আজিৰ কৰ্ম ব্যস্ততাৰ দিনত অনেক অভিভাৱকে ল'ৰা-ছোৱালীক সময় দিব নোখোজে বা নোৱাৰে, বিপৰীতে টিভি, ম'বাইল অথবা কম্পিউটাৰ আদিক লৈহে ব্যস্ত হৈ থকা দেখা যায়। ল'ৰা-ছোৱালীৰ শিক্ষা আহৰণৰ ক্ষেত্ৰত ই এক নেতিবাচক দিশ, প্ৰতিজন অভিভাৱকে তেওঁলোকৰ সন্তানৰ প্ৰতি প্ৰতিদিনেই কিছু নহয় কিছু সময় দিয়া উচিত আৰু উক্ত সময়ত ম'বাইল চুইচ অফ কৰি লোৱা উচিত, অন্যথা সন্তানক পঢ়ুবাই থকা সময়তে আনৰ লগত ম'বাইলত কথা পাতি থাকিলে সন্তানৰ একাগ্ৰতা ভংগ হয়। পাছলৈ অভিভাৱকৰ এই স্বভাৱে সন্তানক চঞ্চল কৰি তুলিব। আজিৰ শিশুৱেই কাইলৈৰ দেশৰ নাগৰিক সকলে পৰাই একাগ্ৰতাৰ পাঠ পঢ়াব লাগিব।

বৰ্তমান কেন্দ্ৰীয় তথা ৰাজ্য উভয় চৰকাৰেই প্ৰাথমিক শিক্ষাৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছে, শিক্ষা সংস্কাৰৰ ওপৰত নিতৌ গৱেষণা চলিয়েই আছে চলিছে অনেক পৰীক্ষা-নিৰীক্ষা, কিদৰে প্ৰাথমিক শিক্ষাক যুগোপযোগী কৰি তুলিব পৰা যায়। ৰূপান্তৰ ঘটিছে শিক্ষা প্ৰদানৰ প্ৰণালীৰ। এতিয়া কম্পিউটাৰ যুগত প্ৰাথমিক পাঠ্যক্ৰমত সংযোগ ঘটিছে কম্পিউটাৰ পাঠ্যক্ৰমৰ, শিক্ষকক দক্ষ কৰি তুলিবলৈ বহুবি নতুন নতুন প্ৰশিক্ষণ দিয়া হৈছে শিক্ষাৰ ক্ষেত্ৰত এতিয়া দক্ষ লোকৰ আগমন ঘটিছে। অনেক জটিল পাঠ্যক্ৰমৰ সংযোজন ঘটিছে আৰু এই জটিল পাঠ্যক্ৰমৰ স'তে সমানে তাল মিলাবলৈ হ'লে অভিভাৱকসকলে প্ৰথমৰে পৰাই সচেতন হ'ব লাগিব। সেইমতে বিদ্যালয়খন আগবঢ়াই নিবলৈ হ'লে সেই বিদ্যালয়ৰ সমূহ শিক্ষক কৰ্মচাৰী অভিভাৱক, পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু কাষৰীয়া লোক সচেতন হোৱাৰ উপৰিও বিদ্যালয়খনৰ প্ৰতি দায়িত্বশীল হ'ব লাগিব। সমাজৰ প্ৰতিটো অংশৰে আচলতে এইক্ষেত্ৰত নীতিগতভাৱে দায়িত্ব আৰু কৰ্তব্য আছেই। শিক্ষাক বাদ দিনো সমাজৰ কোনটো দিশ আগবাঢ়ে? সমাজখনৰ উন্নতিৰ আধাৰ হৈছে তাৰ প্ৰাথমিক বিদ্যালয়খন কাৰণ আজিৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰই পাঁচ বছৰৰ পাছত সমাজখনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে স্থানীয় বিদ্যালয়খনলৈ জ্যেষ্ঠসকলৰ সকলোৱে চকু, কাণ দিয়া উচিত। তাত কি ৰূপে শিক্ষাদান চলিছে শিক্ষকৰ উপস্থিতি নিয়মীয়া হয়নে নহয়, ছাত্ৰ ছাত্ৰীৰ উপস্থিতিৰ হাৰ কিমান, বিদ্যালয় গৃহৰ অৱস্থা, শিকন-শিক্ষণ সামগ্ৰীসমূহ আছিছেনে নাই ইত্যাদি। যদি কিবা কেৰোণ পাইছে তেন্তে উৰ্দ্ধতন কৰ্তৃপক্ষক অৱগত কৰাওক। দেখিব সকলো ঠিক হৈ যাব।

মানৰ কল্যাণৰ আন এটি নাম ৰক্তদান



দীপজ্যোতি পাঠক
তৃতীয় ষান্মাসিক, বাণিজ্য বিভাগ

প্ৰাচীন কালৰে পৰাই দান এক মহৎ কাৰ্য বুলি পৰিচয় দি আহিছে, দানবীৰ কৰ্ণ, ৰজা হৰিচন্দ্ৰও ইয়াৰেই প্ৰমাণ দি গৈছে, দান কৰা মানুহৰ স্বভাৱজাত ধৰ্ম, মানুহ সামাজিক জীৱ, পাৰস্পৰিক সহযোগিতাৰ অবিহনে এখোজো আগবাঢ়িব নোৱাৰি, 'ৰক্তদান' এই সহযোগিতাৰ এক বৃহৎ আশা।

মানুহৰ দেহত থকা চাৰিটা তেজৰ ভাগৰ ভিতৰত কোনো অসুস্থ ব্যক্তিৰ দেহত যি গ্ৰুপৰ তেজ থাকে সেই গ্ৰুপৰ তেজেহে গ্ৰহণ কৰিব পাৰে। 'O' গ্ৰুপৰ ৰক্ত ধাৰণকাৰী সকলে সকলো গ্ৰুপৰ ব্যক্তিকে তেজ দান কৰিব পাৰে, সেয়েহে এই গ্ৰুপক 'ইউনিভাৰচেল ডনাৰ' বুলি কোৱা হয়। আকৌ 'AB' গ্ৰুপৰ ৰক্ত ধাৰণকাৰী ব্যক্তিয়ে সকলো গ্ৰুপৰ ব্যক্তিৰ তেজ গ্ৰহণ কৰিব পাৰে। সেয়ে 'AB' গ্ৰুপৰ ৰক্ত ধাৰণকাৰী ব্যক্তিক 'ইউনিভাৰচেল ৰিচিপিয়েন্ট' বোলে।

তেজ মানৱদেহৰ এটা অপৰিহার্য উপাদান, তেজেই মানুহৰ জীৱন, প্ৰাণৰ বিকল্প। কোনো কৃত্ৰিম প্ৰক্ৰিয়াৰ দ্বাৰা তেজ উৎপাদন কৰিব নোৱাৰি। একমাত্ৰ প্ৰাণীৰ দেহতহে তেজ উৎপাদন সম্ভৱ, মানুহে প্ৰতিদিনে খোৱা খাদ্যই পৰিপাক যন্ত্ৰৰ সহায়ত মাথো ক্ৰিয়া পদ্ধতিৰ দ্বাৰা তেজৰ উৎপাদন কৰে। তেজ অবিহনে মানুহ এখেন্তেকো জীয়াই থাকবি নোৱাৰে।

বৰ্তমান যুগৰ চিকিৎসা শাস্ত্ৰত ৰক্তদান এটা গুৰুত্বপূৰ্ণ বিষয়। কেৱল ৰক্তদানেই নহয় ৰক্ত সংৰক্ষনো এটা প্ৰযোজনীয় দিশ। সেয়েহে ৰক্ত সংৰক্ষনৰ বাবে চিকিৎসা বিজ্ঞানীসকলে গৱেষণা আৰম্ভ কৰে। ৰক্ত সংৰক্ষনৰ স্থানক ব্লাডবেংক বোলা হয়। প্ৰথমে ব্লাড বেংক স্থাপন হয় আমেৰিকাৰ চিকাগো চহৰত ১৯৩৭ চনত। ৰক্ত সংৰক্ষ-প্ৰধানকৈ নির্ভৰ কৰে তাপমাত্ৰা আৰু পাৰিপাৰ্শ্বিকতাৰ ওপৰত।

তেজৰ মূল্য অপৰিসীম, মানৱ জীৱনৰ ৰক্তদান এক মহান ব্ৰত, কিন্তু ৰক্তদান সম্পৰ্কে আজিও আমাৰ সমাজত কেতবোৰ ভ্ৰান্ত ধাৰণা আছে। বহুলোকে ভাবে যে ৰক্তদান কৰিলে ব্যক্তিজনৰ শৰীৰত ক্ষতি হোৱাৰ সম্ভাৱনা থাকে, এয়া সম্পূৰ্ণ ভূল ধাৰণা। উপযুক্ত বয়সৰ একোজন সুস্থ ব্যক্তিয়ে নির্ভয়ে ৰক্তদান কৰিব পাৰে।

বৰ্তমান ৰক্তদানক কেন্দ্ৰ কৰি সকলোতে প্ৰচাৰ অভিযান চলিছে। বাতৰি কাকত, ৰেডিঅ', টেলিভিছন আদিৰ যোগেদি বিজ্ঞাপন দিয়া হৈছে। চৰকাৰী-বেচৰকাৰী সংস্থাৰ উদ্যোগত সাধাৰণ মানুহকো ৰক্তদানৰ বাবে সজাগতা বৃদ্ধিৰ বাবে আলোচনাচক্ৰ বাটৰ নাট, সভা, সমিতি আদিৰ ব্যৱস্থা কৰা হৈছে আৰু এইবিলাক দিশত আহিছে এচাম সচেতন লোক। বৰ্তমান স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীসকল, বিভিন্ন সংগঠনসমূহ, গাওঁ অঞ্চলৰ লোকসকলো সচেতন হোৱা দেখা গৈছে, যদিও কিছুমান ঠাই পিছপৰিয়ে আছে, সকলো ওলাই আহিলেহে সকলো লোকেই সচেতন হ'ব। আজিকালি স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস বা অন্যান্য অনুষ্ঠানত ৰক্ত দান শিবিৰ পতা হয়, এই ক্ষেত্ৰত খেলুৰৈ, অভিনেতা-অভিনেত্ৰী, শিল্পী সাহিত্যিক সকলো আগবাঢ়ি আহিছে, তথাপি প্ৰয়োজনৰ তুলনাত এতিয়াও কমি আছে ৰক্ত দানৰ পৰিমান। সেয়েহে এই বিষয়ত নৱ-প্ৰজন্ম অধিক সজাগতাৰ প্ৰয়োজন আছে।

ৰক্তদানে ব্যক্তিক মৃত্যুৰ মুখৰ পৰা বচাই আনে, সেয়ে ৰক্তদানে জনসেৱা বিশিষ্ট অংগ। জাতি, বর্ণ, ধর্ম নির্বিশেষে তেজৰ মূল্য সমান। সেয়েহে সমাজ প্ৰতিজন ব্যক্তিয়ে ৰক্তদানৰ এই মহান ব্ৰতত সমানে অংশ গ্ৰহণ কৰা উচিত। প্ৰতিজন ব্যক্তিয়ে সজাগ হ'বৰ হ'ল। নিজৰ এটোপাল তেজৰ বাবে যদি কাৰোবাৰ জীৱন ৰক্ষা হয়, হয়তো তাৰ সমান মহৎ দান একোৰেই নাই আৰু যি সুখ অনুভৱ কৰিব সেই সুখ যেন একোৰে লগতে তুলনা কৰিব নোৱাৰি।

অনুশাসনহীনতা

গীতিকা শর্মা
পঞ্চম ষান্মাসিক, বাণিজ্য বিভাগ



যুৱ সমাজ হ'ল দেশ এখনৰ সামগ্রিক উন্নয়নৰ চালিকা শক্তি। পিতৃ-মাতৃৰ ওপৰত নির্ভৰ কৰে ল'ৰা-ছোৱালীৰ ভৱিষ্যত সুচাৰুৰূপে গঢ় দিয়া। এটা কথাই আছে - যি মূলা বাঢ়ে তাৰ দুপাততেই চিন। জন্মতে শিশুৱে একো শিকি নাহে। পিতৃ-মাতৃৰ লগতে পৰিয়ালৰ লোকৰ লগত ভাঙুৰ-দীয়নি হৈ যিবোৰ জ্ঞান আহৰণ কৰে, আচাৰ ব্যৱহাৰ, কথাকোৱাৰ ভংগী আদি সকলো মাক-দেউতাকে নজৰ দিব লাগে। সৰুৰে পৰাই যি শিকোৱা যায় শিশুৱে সেইবোৰে গ্রহণ কৰে। শিক্ষাবিদসকলে মানুহক চাৰিটা স্তৰত ভাগ কৰি দিছে। বাল্যকালৰ পৰা প্রাপ্তঃবয়স্ক কাললৈ শিশুৰ পৰা পূর্ণাংগ যুৱক এজন হোৱালৈকে সমাজ, পৰিয়াল, স্কুলৰ যথেষ্ট অৰিহণা আছে। ঘাইকৈ ১৪/১৫ বছৰ বয়সৰ পৰা ২৫/৩০ বছৰৰ অনুর্দ্ধ, অবিবাহিত যুৱক যুৱতীৰে যুৱ সমাজ গঠিত। যুৱসমাজে সমাজৰ গ্রহণযোগ্য নীতি নিয়ম, আচাৰ-ব্যৱহাৰ আদি মানি নচলি আত্মনিয়ন্ত্রণ হেৰুৱাই পেলোৱাৰ ফলতই সৃষ্টি হৈ যুৱ-উচ্ছংখলতাৰ। সম্প্রতি এই অমান্য যুৱসমাজৰ ফলত সৃষ্টি হোৱা সমস্যাৰ বাবে বহু অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে।

আজিৰ শিশু কালৰ নাগৰিক। মানুহে জন্মলাভ কৰিয়ে সামাজিক ধাৰণাসমূহ আয়ত্ত নকৰে। পৰিবেশৰ পাকচক্রত পৰিহে এচাম যুৱক-যুৱতীসকলে উচ্ছংখল আচৰণ কৰে, স্ব-ইচ্ছাই নকৰে। যুৱসমাজক দোষাৰোপ কৰাটো গ্রহণযোগ্য নহয় কাৰণ পৰিয়াল, সমাজ, ৰাজ্য তথা দেশৰ পাৰিপার্শ্বিক অৱস্থাৰ কথা আহি পৰে।

এটি সন্তানে শৈশৱৰে পৰা পৰিয়ালৰ সদস্যসকলক অনুকৰণ কৰে। মাক-দেউতাকৰ নৈতিক নৈৰাজ্য আৰু আধ্যাত্মিক জড়তা গঢ়ি উঠিলে পৰিয়াল আৰু সমাজত চিন্তাৰ দীনতাই প্রভুত্ব বিস্তাৰ কৰে। ফলত অভিভাৱকে নেতৃত্ব দিব নোৱাৰে আৰু যুৱ সমাজ উখৃংশল হোৱা দেখা যায়। সহজ পথ দেখুৱাই দিয়াৰ বাবে প্রথম জগৰীয়া পিতৃ-মাতৃসকল। সাম্প্রতিক সমাজ যানেই বন্ধনহীন, উযুক্ত সমাজ। এনে এখন সমাজত

অভিভাৱকৰ সময়পযোগী নিয়ন্ত্রণ অবিহনে যুৱ-মানসত অশান্তিৰ সৃষ্টি হোৱাটো স্বাভাৰিক।

যান্ত্রিকতাৰ যুগত টেলিভিছনযোগে প্রচাৰিত বিভিন্ন দেশী-বিদেশী চেনেলসমূহৰ কোনটো জ্ঞানৰ উপযোগী এইবোৰ নির্ধাৰণ কৰি দিয়াটো অভিভাৱকৰ কর্তব্য। তাৰ বিপৰীতে বিহাই হাৰত তুলি দি ইন্টাৰনেটত নেতিবাচক কাম কৰাৰ বাট মুকলি কৰি দি অভিভাৱক চকুমুদা কুলিৰ ভাব ললে যুৱ সমাজ এনেও বিপথে যাব।

বিজ্ঞান প্রযুক্তিৰ বিকাশ, প্রাশ্চত্যৰ আপদানিৰ ফলত বিলাসিতা জীৱন জীয়াবলৈ একাংশই অসৎ উপায়েৰে ধন উপার্জন কৰে। ফলত কষ্ট কম আৰু সহজ উপায়েৰে ধন উপার্জন কৰা ধনৰ প্রতি যুৱ সমাজ ধাৱমান হয়। ভাৰতীয় সমাজ ব্যৱস্থা মূল্যবোধ আধাৰিত। দায়িত্ববোধ, ন্যায়পৰায়ণতা, কর্তব্যনিষ্ঠা আদি অনুশাসনৰ লগত জড়িত। এইবোৰ অর্থহীন হোৱাৰ ফলত মানুহৰ মাজত দয়া, কৰণাৰ ভাৰ নোহোৱা হৈছে। আধুনিক জীৱন যাত্রাত অনুশাসনৰ দিশটো উপেক্ষিত হোৱাৰ ফলত উহুংখলতাই বৃদ্ধি পাইছে। অভিজাত পিতৃৰ ধনেৰে এচাম যুৱকে গাড়ী, বাইক, মোবাইল ফোন, পঢ়াৰ নামত সমাজৰ বিশৃংখলতাই বৃদ্ধি পাইছে। অভিজাত পিতৃৰ ধনেৰে এচাম যুৱকে গাড়ী, বাইক, মোবাই ফোন, পঢ়াৰ নামত সমাজত বিশৃংখলতা কৰিছে। তেওঁলোকৰ প্রভাৱত পৰি অন্য এচাম বেয়া হৈছে, কিন্তু বাধা দিবলৈ কোনো নাই।

শিক্ষানুষ্ঠান, খেলপথাৰ, চিনেমাগৃহ আদিত চকু পৰে যুৱক-যুৱতীসকলৰ আচৰণ। শিক্ষাব্যৱস্থাও পৰোক্ষভাৱে দায়ীৰ কাৰণ যুৱ প্রজন্মৰ সংস্থাপন হতাশা আনে। পুথিগত পাঠ্যক্রম হোৱাৰ বাবে চাকৰি অবিহনে হাতে কামে ধন উপার্জনৰ পথ বন্ধ। ফলত বিপথে গতি কৰিছে, হত্যা, হিংসা, সন্ত্রাস বৃদ্ধি পাইছে, মৰণাস্ত্র, বাৰুদ নির্মাণ কৰিছে, ধর্ষণ এটা সদায় ঘটা ঘটনাৰ দৰে হৈছে। বৃদ্ধি পাইছে অপৰাধ, মাদকদ্রব্য, সমাজৰ লগত ফেৰ মাৰিবলৈ যুৱসমাজে এইবোৰ ধপাত সেৱন কৰা হ'ল। অশালীন বাক্য, অমার্জিত সাজ-পোছাক, পৰিধান কৰি তাৰোপৰি সস্তীয়া আলোচনী, যৌনগন্ধী, বাটে ঘাটে আদিত দৃষ্টিকটু বিজ্ঞাপনৰ দ্বাৰা আকর্ষিত হৈছে।

অনুশাসনহীনতাই সমাজ, ৰাজনীতি অর্থনীতিৰ প্রভাৱ পেলাইছে। পিতৃ-মাতৃয়ে শাসন কৰাৰ লগতে বিদ্যালয়ৰ পুথিগত অধ্যয়ণৰ উপৰিও নৃত্যগীত, খেলা-ধূলা, সুকুমাৰ ক'লা, শৰীৰ চর্চা আদিৰ জৰিয়তে সৃজনীশীল প্রতিভা বিকাশ ঘটাব লাগে। নৈতিক আৰু মূল্যবোধৰ চিনাকিৰে যুৱপ্রজন্মক আগবঢ়াই নিব পাৰিলে অনুশাসনহীনতা শব্দটো লুপ্ত কৰিবলৈ প্রয়াস কৰি যুৱসমাজক উন্নতিৰ পথত আগুৱাই নিব লাগিব।

—

চানডুবি ঃ পর্যটন ক্ষেত্র

নিশান্ত বসুমতাৰী
পঞ্চম ষান্মাসিক, বৃত্ত বিভাগ

গুৱাহাটীৰ পৰা প্ৰায় ৬০ কিঃ মিঃ দূৰত অৱস্থিত এক মনোৰম চানডুবি এখন বিল। মিৰ্জাৰ পৰা দক্ষিণ দিশে লোহাৰঘাট, ৰঙদুৱাৰ বাগান পাৰ হৈ সৰু পথেৰে প্ৰায় ৩৫ কিঃ মিঃ মান অতিক্ৰম কৰিলেই পোৱা যায় চানডুবি।

১৮৯৭ ৰ ১২ জুনৰ ভূইকপত সমগ্ৰ অঞ্চলটো কঁপাই কেইবাখনো ওখ ওখ পাহাৰ বহি গ'ল আৰু অঞ্চলটো বহি গৈ এটা প্ৰকাণ্ড গাঁতৰ সৃষ্টি হ'ল। গাঁতটো এসময়ত পানীৰে ভৰি প্ৰকাণ্ড জলাশয়ত পৰিণত হ'ল। ৭.৯ ৰিখটাৰ স্কেলৰ প্ৰৱল ভূমিকম্পৰ ফলত সৃষ্টি হোৱা এই জলাশয়টোৱেই বৰ্তমানৰ চানডুবি বিল। ওখ ওখ পাহাৰবোৰ বহি সৃষ্টি হোৱাৰ বাবেই চানডুবিৰ তল ভাগ ওখোৰা মোখৰা আৰু বিভিন্ন গছৰ মূঢ়াৰে ভৰপূৰ হৈ আছে।

চানডুবি ক্ষেত্ৰত ২০১০ চনৰ পৰা 'চানডুবি উৎসৱ' পাঁচদিনীয়াকৈ পালন কৰা হয়। এই উৎসৱৰ প্ৰধান লক্ষ্য হৈছে পৰ্যটনক আকৰ্ষণ কৰা। ২০১৯ চনলৈ এই উৎসৱ জনপ্ৰিয় হৈ পৰিছে আৰু পৰ্যটক সকলৰও আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে। এই উৎসৱত বহু সংখ্যক পৰ্যটক উপস্থিত থাকে।

প্ৰতিটো কাৰ্যৰ লগত কাৰণ নিহিত হৈ থাকে। কাৰণ অবিহনে কাৰ্য অৰ্থহীন। তেনেদৰে চানডুবি উৎসৱৰ লগতো মহৎ কাৰণ নিহিত হৈ আছে। মূলতঃ প্ৰাকৃতিক পৰিৱেশ অটুট ৰখা অৰ্থাৎ পৰিপাৰ্শ্বিকতা আৰু জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ সেউজীয়া অৰণ্য, বন্যপ্ৰাণীকুল আৰু আৰ্দ্ৰভূমি সমূহ সংৰক্ষিত কৰি ৰখাৰ মানসিকতা প্ৰতিজন মানুহৰ মনত জাগ্ৰত কৰা। লগতে পৰ্যটন ক্ষেত্ৰখনত চানডুবিক সুকীয়া মাত্ৰা প্ৰদান কৰা। সমান্তৰালভাৱে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা, পৰ্যটক সকলক পৰ্যাপ্ত সুবিধা দিবলৈ কৰ্তৃপক্ষক সচেতন কৰা। চানডুবিলৈ অহা পৰ্যটক সকলক নৌকা বিহাৰৰ বাবে পৰ্যাপ্ত পৰিমাণে যন্ত্ৰ চালিত নাৱৰ ব্যৱস্থা কৰি দিলে পৰ্যটকসকলে অতি কম সময়ৰ ভিতৰতে সমগ্ৰ চানডুবি বিলখন ঘূৰিপকি চাই আনন্দ পাব। চৰকাৰ তথা বিভগীয় দায়িত্বশীল কাৰ্যকৰ্তাসকলক কিন্তু

পৰিমাণে হ'লেও দায়িত্বশীল হ'বলৈ সচেতন কৰা। গ্ৰাম্য পৰ্যটনৰ প্ৰতি পৰ্যটকসকলক আকৰ্ষণ কৰাত এই উৎসৱৰ অন্যতম কাৰণ হ'ব পাৰে। ইয়াৰ ফলত অঞ্চলটিৰ অলিখিত বহু তথ্য পৰ্যটসকলে পাবলৈ সমৰ্থ হ'ব আৰু গ্ৰাম্যাঞ্চলৰ বাসিন্দাসকলেও ক্ষুদ্ৰ ব্যৱসায় কৰি অৰ্থিক ভাৱে লাভৱান হ'ব পাৰে। এই উৎসৱটিৰ সময়ছোৱাত ইয়াত যিবোৰ অস্থায়ী হোটেল ব্যৱসায়ীয়ে খাদ্য সম্ভাৰৰহে যোগান ধৰে তাঁলৈ উদযাপন সমিতিৰ কিছু নীতি নিৰ্দেশনা নিশ্চয়কৈ দিয়া থাকে। উদ্দেশ্য মহৎ। আধুনিকতাৰ প্ৰভাৱত মানুহবোৰে আজিকালি ওভোটগোৰে নাচিবলৈ ধৰিছে। থলুৱা সাজপাৰৰ পৰা থলুৱা খাদ্যাভ্যাস আদি আধুনিক সমাজখনৰ পৰা অন্তর্ধান হৈছেহি। আসমীয়া সমাজখনৰ পৰা আগৰ কালৰ পাগঘৰবোৰ হেৰাই গৈ নিশ্চিহ্ন হোৱাৰ উপক্ৰম হৈছে। তেনেদৰে আগৰ কালৰ বাচন-বৰ্তনবোৰ আধুনিকতাই গ্ৰাস কৰিছে। গতিকে মন গ'লেও পৰম্পৰাগত খাদ্যৰ জুতি-বুধি ল'বলৈ সুবিধাই নিমিলে। কলাপাতত মেৰিয়াই পাতত দি জুইহালত জুতিলগাকৈ বিধে বিধে প্ৰস্তুত কৰা পাতত দিয়া সৰু মাছ, পাতত দিয়া, সিকত দিয়া মাছ, দহদহীয়া আঙঠাত পোৰা বেঙেনা, আলুপোৰা, বাঁহৰ চুঙাত পোৰা মঙহ, শলখাত দি পোৰা গাহৰি মঙহ আদি এনেধৰণৰ অলেখ পৰম্পৰাগত খাদ্য সম্ভাৰৰ জুতি লোৱাটো দূ�ৰৰ কথা দেখিবলৈ নোহোৱা হ'ল। সেয়েহে উৎসৱ-স্থলীৰ হোটেলসমূহত এনেধৰণৰ খাদ্য সম্ভাৰৰ যোগান ধৰিবলৈ দিয়া নিৰ্দেশনা যথার্থতে সৎ প্ৰচেষ্টা বুলিব লাগিব। এই খিনিতে উল্লেখ কৰা ভাল যে বৰ্তমান বিশ্বব্যাপী যেনেদৰে খাদ্য সংকটে গা কৰি উঠিছে তাঁলৈ দৃষ্টিপাত কৰি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান বেন-কি-মুলে খাদ্য তালিকাত কীট-পতংগকো সামৰি লবলৈ বিশ্ববাসীক আহ্বান জনাইছে। গতিকে চানডুবি উৎসৱথলীত পৰম্পৰাগত খাদ্যৰীতিৰ পৰিৱেশনকৰ্মে সময়োচিত পদক্ষেপ বুলিব পাৰি।

বিশ্বায়নৰ প্ৰভাৱ বিশ্বৰ সর্বত্রে প্ৰতিফলিত হৈছে। অত্যাধুনিক সা-সৰঞ্জাম আৰু বিলাসী জীৱনলৈ নৱ-প্ৰজন্ম অত্যাধিক আকৰ্ষিত হৈছে। তেনেদৰে সাজ-পাৰ, বেশ-ভূষা আচাৰ-আচৰণ আদি সকলো ক্ষেত্ৰতে পশ্চিমীয়া বিলাসী আদব-কায়দাৰ প্ৰভাৱ জকাই চুকীয়া অঞ্চলতো বিদ্যমান। সেয়েহে পৰম্পৰাগত জাতীয় সাজপাৰ, জনগোষ্ঠীয়ে সাজপাৰ তথা জনজাতীয় সাজপাৰৰ প্ৰচলন কদা কাচিৎহে হোৱা দেখা যায়। তাকো উৎসৱ পার্বনৰ সময়তহে। গতিকে জাতীয়তাবোধ, জাতীয় চেতনা আদি এনেবোৰ স্পর্শকাতৰ বিষয়ে ক্ৰমে ক্ৰমে নিস্তেজ হৈ আহিছে। সেইহেতুকে চানডুবি উৎসৱৰ যোগেৰে জনজাতীয় সাজ পাৰৰ ব্যাপক ব্যৱহাৰ কৰাৰ লগতে বিপনীসমূহতো এনেবোৰ সাজপাৰৰ বিক্ৰীৰ ব্যৱস্থা কৰি পৰ্যটক সকলক জাতীয়তাবোধৰ বার্তা এটি দিবলৈ প্ৰয়াস কৰা দেখা গৈছে।

চানডুবি উৎসৱত জাতীয় কৃষ্টি-সংস্কৃতি, গীত-মাত, পাহাৰীয়া জনগোষ্ঠীসমূহৰ কৃষ্টি-সংস্কৃতিক মান্যতা দিয়াৰ লগতে কিছু আপুৰুগীয়া নৃত্য, কৃষ্টি-সংস্কৃতি আদি পুনৰ প্ৰচলনৰ বাবে জন মানসত স্থান দি সেই সমূহক উদগনি দিয়া দেখা গৈছে।। যিয়ে নেকি পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ ক্ষেত্ৰ হৈ পৰাৰ সম্ভাৱনা অধিক।

চানডুবিৰ আকাশত যেন তৰাৰ তৰাৱলী পাহাৰৰ পৰা ভাঁহি আহে পখীৰ সংগীত, গছে-বনে প্ৰকৃতিয়ে পাতি দিছে যেন ফুলৰ শৰাই। লক্ষ লক্ষ জনৰ লানি নিছিগা সোঁত। মানুহৰ মহামেলা, উৎসৱ নহয় যেন মহোৎসৱ। এনেদৰে ই সৰল মন-প্ৰাণৰ অধিকাৰী সমন্বয়ৰ সুবধ্বনিত চহকী হৈ উঠে 'চানডুবি ক্ষেত্ৰ।' প্ৰদর্শিত হৈছে ৰাভাসকলৰ অন্যতম বগেজাৰী কৃষ্টি। মাৰৈ গীত, হানাখোৰ নৃত্য, খোকচি নৃত্য, ফাৰকান্তি নৃত্য, পাৰ নৃত্য, চাথাৰ নৃত্য-গীত, হৈমাৰু নৃত্য-গীত, বৈশগু, বাগৰুম্বা, বৰদৈচিখলা, খেৰাই নৃত্য, বুঢ়া-বুঢ়ী নৃত্য, গিৰকায় আৰু ৰানগালা নৃত্য আদিৰ তালে তালে কঁপনি উঠে চানডুবিৰ আকাশ-বতাহ।

(সহায় লৈ লিখা হৈছে)

—

বৃত্তি নিৰ্বাচন সম্পৰ্কীয় দিহা-পৰামৰ্শ শিতান

(পৰামৰ্শদাতা ঃ ড° বুলজিৎ বুঢ়াগোহাঁই)

ড° বুলজিৎ বুঢ়াগোহাঁই জি.আই.এম.টি, তেজপুৰৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কৰ্মৰত। তেখেতে দুই দশকৰ অধিককাল বৃত্তি সম্পৰ্কীয় পৰামৰ্শ দাতা হিচাপে একান্তভাবে কাম কৰি আহিছে। তেখেতে অসমৰ ১০০ খনতকৈ অধিক বিদ্যালয়-মহাবিদ্যালয়ত অতিথি হিচাপে বৃত্তি সম্পৰ্কীয় দিহা-পৰামৰ্শ প্ৰদান কৰি আহিছে। তেখেতেৰ বৃত্তি সম্পৰ্কীয় বহুতো লিখনি আলোচনী আৰু বাতৰি কাকতত প্ৰকাশ পাই আহিছে। ইয়াৰ উপৰিও তেখেতে বিভিন্ন টেলিভিছন চেনেল আৰু আকাশবাণীৰ বৃত্তি সম্পৰ্কীয় বিভিন্ন অনুষ্ঠানত ভাগ লৈ আহিছে। তেখেতে কেৰিয়াৰ সম্পৰ্কীয় বিভিন্ন কিতাপ প্ৰকাশ কৰিছে।

ড° বুলজিৎ বুঢ়াগোহাঁইয়ে প্ৰত্যেক শনিবাৰে বিয়লি ছয় বজাৰ পৰা ন-বজালৈ কেৰিয়াৰ সম্পৰ্কীয় বিভিন্ন দিহা পৰামৰ্শ আগবঢ়ায়।

সম্পাদিকা

১। প্ৰশ্ন ঃ নমস্কাৰ ছাৰ। উচ্চতৰ মাধ্যমিক বা স্নাতক পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে কেনেধৰণৰ বৃত্তি নিৰ্বাচন কৰিব সেই সম্পৰ্কত তেওঁলোকৰ মনত কিছু প্ৰশ্নৰ উদয় হয়। তেনে কিছু প্ৰশ্নৰ উত্তৰ আপোনাৰ পৰা বিচাৰিছো।

উত্তৰ ঃ ধন্যবাদ।

২। প্ৰশ্ন ঃউচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হোৱাৰ পিছত এজন ছাত্ৰই বিদ্যাতনিক (Academic) ভাৱে উচ্চ শিক্ষা লোৱা উচিত নে কা�ৰিকৰী দিশত যোৱাটো উচিত?

উত্তৰ ঃ নিৰ্ভৰ কৰিব শিক্ষাৰ্থী গৰাকী আৰু তেওঁৰ ঘৰখনৰ ওপৰত। এই ক্ষেত্ৰত দুটা কথা ভাবি চোৱা উচিত। প্ৰথম শিক্ষাৰ্থী গৰাকীৰ কোনটো দিশত বেছি ৰাপ আছে আৰু দ্বিতীয়তে শিক্ষাৰ্থী গৰাকীয়ে বিদ্যানিকভাৱে উচ্চশিক্ষা গ্ৰহণ কৰিব বিচাৰে নে ঘৰুৱা দায়িত্বৰ বাবে যিমান সোনকালে পাৰে সিমান সোনকালেই কৰ্মত নিযুক্ত হ'ব বিচাৰে। অৰ্থাৎ তেওঁলোকৰ শিক্ষাৰ উদ্দেশ্য জীৱনমুখী নে বৃত্তিমুখী এই সকলো কথা ভালদৰে চালি-জাৰি চোৱা উচিত।

৩। প্ৰশ্ন ঃ স্নাতক উত্তীৰ্ণ হোৱাৰ পিছত কলা আৰু বাণিজ্য শাখাত কেনেধৰণৰ বৃত্তিমূলক সুবিধা থাকে?

উত্তৰ ঃ যিকোনো বিভাগতে স্নাতক উত্তীৰ্ণ হোৱাৰ পিছত বিভিন্ন ধৰণৰ বৃত্তিমূলক সুবিধা থাকে। কিন্তু আমি লক্ষ্য কৰা উচিত যে শিক্ষাৰ্থীগৰাকী কেনেধৰণৰ কামৰ প্ৰতি আগ্ৰহী। উদাহৰণস্বৰূপে - সাংবাদিকতা। এই দিশটোৰ স্নাতক আৰু স্নাতকোত্তৰৰ সুবিধাও উপলব্ধ। কিন্তু মই ভাবো স্নাতক উত্তীৰ্ণ সকলো ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন দিশত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰাটো বেছি গুৰুত্বপূৰ্ণ। কলা শাখাৰ শিক্ষাৰ্থীৰ বাবে আন আন বৃত্তিমূলক শিক্ষা হ'ল- আইন, হোটেল মেনেজমেন্ট, টুৰিজ্যিম মেনেজমেণ্ট, ইভেন্ট মেনেজমেণ্ট, হস্পিতাল মেনেজমেণ্ট আদি। আনহাতে বাণিজ্য শাখাৰ বিভিন্ন বৃত্তিমুখী শিক্ষা হ'ল- CA (Certer Accountancy), CS (Company Secretary) আদি, আকৌ কম্পিউটাৰৰ লগত জড়িত বিভিন্ন দিশৰ লগত পাঠ্যক্ৰম পঢ়িব পাৰে।

৪। প্ৰশ্ন ঃ সাধাৰণভাৱে স্নাতক উত্তীৰ্ণ হোৱাৰ পিছত কেনেধৰণৰ বৃত্তি (Career) বাচনি কৰিব লাগে?

উত্তৰ ঃ যিকোনো বিভাগত স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীয়ে উচ্চ শিক্ষাৰ বিভিন্ন দিশৰ কথা ভালদৰে জানি ল'ব লাগিব। যিকোনো দিশ এটা বাচনি কৰাৰ আগেয়ে শিক্ষাৰ্থীজনৰ সেই বিষয়টোত আগ্ৰহ আৰু দক্ষতা আছে নে নাই সেইটো ভাবিব লাগিব। উদাহৰণ স্বৰূপে কোনোৱে যদি উকিল হ'ব বিচাৰে তেন্তে তেওঁৰ কথা

কোৱাৰ দক্ষতা, উপস্থিত বুদ্ধি, বিভিন্ন ভাষাৰ জ্ঞান আদি থাকিব লাগিব। যদি কোনোৱে শিক্ষকতা কৰিব বিচাৰে তেন্তে তেওঁৰ ভিতৰত এজন শিক্ষকৰ গুণ থাকিব লাগিব। তেনেদৰে এজন প্ৰশাসনিক বিষয়াৰো, প্ৰয়োজনীয় গুণখিনি প্ৰথম অৱস্থাৰ পৰাই থকাতো নিতান্তই আৱশ্যক। এতিয়া যিহেতু প্ৰতিযোগিতাৰ যুগ, গতিকে আমি কমেও দুটা বা তিনিটা দিশত যাব পৰাকৈ নিজকে প্ৰস্তুত কৰি তুলিব লাগিব।

৫। প্ৰশ্ন ঃ বহুসংখ্যক ল'ৰা-ছোৱালীয়ে ভাবে যে সম্প্ৰতি বিদ্যায়তনিক ভাৱে স্নাতক উত্তীৰ্ণসকলৰ বাবে পৰ্যাপ্ত জীৱিকাৰ অভাৱ। কথাটো কিমান দূৰ সত্য?

উত্তৰ ঃ এই কথাতো একবাৰে অসত্য বুলি মই ভাবো। কাৰণ স্নাতক উত্তীৰ্ণ হোৱাৰ পিছত অসংখ্য দিশ আছে কিন্তু এইবোৰৰ নিৰ্দিষ্ট তথ্য যুগুতৰ অভাৱত শিক্ষাৰ্থীয়ে আশানুৰূপ ফল নাপায়। আজিকালি প্ৰতিখন ঘৰতে স্নাতক আৰু স্নাতকোত্তৰৰ উত্তীৰ্ণ ল'ৰা ছোৱালী আছে। কিন্তু তেওঁলোক কিমান ভালকৈ, কিমান জানি বুজি উত্তীৰ্ণ হৈছে সেইটোহে ডাঙৰ কথা। কেৱল মাৰ্কশ্বিটৰ নম্বৰে এটি চাকৰি আনি দিব নোৱাৰে। কম কষ্টৰ ফলত বহু ল'ৰা ছোৱালী পঢ়ি শুনিও নিৰনুৱা হৈ থাকে। আমাৰ ল'ৰা-ছোৱালীয়ে পঢ়াতো দূৰৰ কথা, কোনোটো পৰীক্ষাৰ ফ্ৰম কেতিয়া ফিল্আপ কৰিছিল তাকেই পাহৰি যায়, তেন্তে তেওঁলোকে এটা ভাল চাকৰিৰ আশা কেনেদৰে কৰিব পাৰে। তাৰোপৰি এচাম ঋণাত্মক চিন্তাধাৰাৰ মানুহৰ সান্নিধ্যয়ো শিক্ষাৰ্থীৰ অৱধাৰণ ঋণাত্মক কৰি তোলে।

৬। আপুনি অসমত থলুৱা উদ্যোগৰ জৰিয়তে স্বাৱলম্বী বা আৰ্থিকভাৱে স্বচ্ছল হ'ব পৰাৰ সম্ভাৱনা কিমান দেখে? আৰু কেনে ধৰণৰ স্ব-উদ্যোগ বা ব্যৱসায়ত সুফল লাভ কৰাৰ সম্ভাৱনা যথেষ্ট বুলি বাৰে?

উত্তৰ ঃ অসমত থলুৱা উদ্যোগৰ জৰিয়তে স্বাৱলমী হ'ব পৰাৰ সম্ভাৱনা এশ শতাংশই দেখো। কিয়নো আমাৰ বেছিভাগ বস্তুৱেই বাহিৰা ঠাইৰ পৰা আহে। কিন্তু যদি সেই বস্তুবোৰ নিজৰ ঠাইতেই উৎপাদন কৰিম পৰা যায় তেন্তে অসমৰ ল'ৰা-ছোৱালীয়ে কৰ্ম সংস্থাপন পোৱাৰ উপৰিও আমি আমাৰ ঠাইৰ বস্তুৰে ব্যৱহাৰ কৰিব পাৰিম। কিন্তু তাৰ আগতে ক'ত কোনটো বস্তুৰ কেনেধৰণৰ বজাৰ সম্বন্ধীয় জ্ঞান থকাটো যথেষ্ট আৱশ্যক। মীন পালন, পশুপালন, শাক-পাচলিৰ খেতি আদি বিভিন্ন দিশ উপলব্ধ যাৰ জৰিয়তে ব্যৱসায়ৰ যথেষ্ট সুফল পাব।

৭। আমাৰ সমাজত এতিয়াও সৰহ সংখ্যকলোকে চাকৰি কৰা মানুহক যি দৃষ্টিৰে চায় থলুৱা স্ব-উদ্যোগেৰে স্বাৱলম্বী মানুহক সেই দৃষ্টিৰে নাচায়। যাৰ ফলত তেনে স্বাধীনমনা যুৱক যুৱতীয়ে কিছুমান ইতিকিং জাতীয় সামাজিক প্ৰত্যাহ্বানৰ সন্মুখীন হয়। সেই প্ৰত্যাহ্বান অতিক্ৰম কৰি লক্ষ্যত অৱতীৰ্ণ হ'বলৈ কোন কেইটা প্ৰধান গুণ থকাটো প্ৰয়োজন?

উত্তৰ ঃ এই ক্ষেত্ৰত প্ৰথমে আমি আমাৰ ঘৰখনৰ পৰাই প্ৰথমে মানসিকতা সলনি কৰিব লাগিব। কোনো চৰকাৰে নিবনুৱা সমস্যা সমূলি নিৰ্মূল কৰিব নোৱাৰে। গতিকে মানুহৰ মাজত এইটো সজাগতা অনাৰ প্ৰয়োজন কেনেদৰে স্বাৱলম্বী হ'ব পাৰি। স্বাৱলম্বী হ'লে নিজৰ সুবিধা অনুসৰি উৎপাদন বঢ়াব পাৰি আৰু তাত কোনো ধৰণৰ বোজা নাথাকে। চাকৰিৰ ক্ষেত্ৰত সকলো সময়তে নিৰ্ভৰ কৰিলে সুফল পোৱা নাযায়। উচিত প্ৰযুক্তিবিদ্যা আৰু কৌশলগত অধ্যয়নৰ জৰিয়তে মানুহ স্বাৱলম্বী হ'ব পাৰে লগতে সুন্দৰ ভাৱে জীৱিকা নিৰ্বাহ কৰিব পাৰে। স্বাৱলম্বী হ'বলৈ হ'লে মানুহৰ কিছুমাণ গুণ থকাৰ প্ৰয়োজন। যেনে- কৰ্ম দক্ষতা, নিয়মানুৱৰ্তিতা, আত্মবিশ্বাসী, দায়িত্ববোধ, মিতব্যয়ী, আত্ম সচেতন, উপস্থিত বুদ্ধি, লাজ কম এনেধৰণৰ কিছুমান গুণ যথেষ্ট প্ৰয়োজনীয়।

৮। বহুসময়ত পঢ়া-শুনাত দুৰ্বল সন্তানবোৰে পিতৃ-মাতৃৰ ককৰ্থনা বা পৰিয়ালৰ আন সদস্যৰ তুচ্ছ-তাচ্ছিল্যৰ সন্মুখীন হয় যাৰ ফলত তেনে ছাত্ৰ-ছাত্ৰীৰ মনত মানসিক অস্থিৰতাই ক্ৰিয়া কৰাৰ সম্ভাৱনা অধিক তেনে এক প্ৰতিকূল পৰিবেশতো আত্মবিশ্বাস ধৰি ৰাখিবলৈ আপুনি কি কৌশল আগবঢ়াব? লগতে তেনে পিতৃ-মাতৃ বা অভিভাৱকৰ প্ৰতি কি মতামত আগবঢ়াব?

উত্তৰ ঃ এনে সময়ত সমাজত সজাগতা অনাৰ যথেষ্ট প্ৰয়োজন। কিছুমান কথা জনাৰ অভাৱত বহু শিক্ষাৰ্থীয়ে একোটা ভুল পথ বাছি লয়। সকলো ক্ষেত্ৰতে ফল ভালেই হ'ব তাৰ কোনো কথা নাই। যদি বেয়া হয় সেইটোৰ পৰা আৰু অধিক জনাৰ সুবিধা পোৱা যায়। সকলো ল'ৰা-ছোৱালী পঢ়া শুনাৰ প্ৰতি সমানে আগ্ৰহিত নহ'বও পাৰে। তথাপিও তেনেধৰাণৰ ল'ৰা-ছোৱালীয়ে কৰিব পৰাকৈও কাৰিকৰী দিশত বিভিন্ন সুবিধা আছে। য'ত কিছুমান হাইস্কুলীয়া শিক্ষা লাভ কৰা ল'ৰা-ছোৱালীপৰ্যন্ত গ্ৰহণ কৰিব পাৰে।

এই সময়ছোৱাত শিক্ষাৰ্থীসকলে হতাশ হোৱাৰ

প্ৰয়োজন নাই। ৰিজাল্ট ভাল বা বেয়া হোৱাৰ কথাটো কাৰো শৰীৰত লিখা নাথাকে। গতিকে বেয়া হ'লেও নতুনকৈ বস্তু এটা শিকাৰ আগ্ৰহ সদায় মনত ৰাখিব লাগে। কোনো কোনো ল'ৰা-ছোৱালীয়ে বেয়া ৰিজাল্টৰ কথা সহ্য কৰিব নোৱাৰি আত্মহত্যাৰ পথো বাচি লোৱা দেখা যায়। এয়া এক মুৰ্খামী। ল'ৰা-ছোৱালীয়ে কথাবোৰ জনা বা জনোৱা মানুহৰ অভাৱত এটা বেয়া ফলৰ বাবে পথভ্ৰষ্ট হৈ এনেবোৰ পথ লয়। কিন্তু এনে নকৰি কিছুমান মানুহৰ সংগ ল'ৰালাগে যিয়ে ভৰিষ্যতৰ বাবে উচিত পৰামৰ্শ দিব পাৰে। ভাল বা বেয়া হোৱাৰ মূল কাৰণবোৰ সদায় পৰ্যালোচনা কৰি চোৱাৰ দৰকাৰ।

৯। এটা নিম্নবিত্ত পৰিয়ালৰ পৰা উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ এজন ছাত্ৰ পক্ষে তেওঁ কেনেধৰণৰ বৃত্তি বাছনি কৰাটো উচিত?

উত্তৰ ঃ এটা নিম্নবিত্ত পৰিয়ালৰ শিক্ষাৰ্থীয়ে যদি উচ্চতৰ মাধ্যমিকৰ পিছত সংস্থাপন বিচাৰে তেন্তে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ এনে বহু চাকৰিৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰা হয় য'ত অলপ মনোযোগেৰে প্ৰস্তুতি কৰিলে সুফল পোৱা যায়। তদুপৰি কা�ৰিকৰী দিশত কোনোৱে বিচাৰে। যদি উপযুক্তকৈ কম্পিউটাৰ সম্পৰ্কে জ্ঞান আহৰণ কৰে তেন্তে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত যোগদান কৰিব পাৰে নাইবা পেৰামেডিকেল, ফাৰ্মাচিষ্টৰ ডিপ্লমা আদিও কৰিব পৰা যায়।

আনহাতে, শিক্ষাৰ্থীসকলে আমি, নেভী, বেলৰে, এন ডি এ আদিৰ বাবে চেষ্টা কৰিব পাৰে। যদি কোনো শিক্ষাৰ্থীৰ খেলৰ প্ৰতি ৰাপ আছে তেন্তে তেওঁলোকে খেলৰ জৰিয়তেই বিভিন্ন দিশত অৱতীৰ্ণ হ'ব পাৰে যদিহে তেওঁ সময়ত খেল বিভাগত এক বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে।

১০। সৰ্বভাৰতীয় পৰ্যায়ৰ বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ পৰিসৰ কেনেধৰণৰ? ছাত্ৰ-ছাত্ৰীয়ে কোনবোৰ বাচনি কৰা উচিত?

উত্তৰ ঃ বৰ্তমান সময়ত ভাৰতৰ সৰ্ব্বোতম অৱতীৰ্ণ হ'ব পৰা দিশটো হ'ল UPSCএ নিৰ্ধাৰণ কৰা (1) প্ৰশাসনিক পৰীক্ষা সমূহ। ইয়াৰ বাবে বহুত মেধাবী হ'ব লাগিব বুলি কোনো কথা নাই। মাত্ৰ এখন প্ৰতিস্থিত মহাবিদ্যালয়ৰ পৰা স্নাতক উত্তীৰ্ণ হ'ব লাগিব যিকোনো বিভাগত, (2) UPSC ৰ অধীনতেই Forest Service Examination (স্নাতক বিজ্ঞান শাখাৰ হ'ব লাগিব), (3) Combine Deffence Service Examination (স্নাতক উত্তীৰ্ণ), (4) Staff Selection Commission (স্নাতক উত্তীৰ্ণ), (5) Bank PO (স্নাতক উত্তীৰ্ণ), (6) LIC/ Insurance Company Development Officer (স্নাতক উত্তীৰ্ণ), (7) Bank Clarical (স্নাতক উত্তীৰ্ণ)

এই সকলোবোৰ সুবিধা বা দিশ আছে যদিও আমাৰ প্ৰয়োজনীয় প্ৰস্তুতি বা কষ্টৰ অভাৱত আমাৰ ল'ৰা-ছোৱালীয়ে সুবিধাবোৰ গ্ৰহণ কৰিব পৰা নাই। সকলো পৰীক্ষাতে সাধাৰণ জ্ঞানৰ ওপৰত বিভিন্ন প্ৰশ্ন কৰে। গতিকে উপযুক্ত জ্ঞান থাকিলেই আসানুৰূপ ফলাফল নিশ্চয় লাভ কৰিব। ইণ্টাৰনেটৰ সহায়ত বহুখিনি সুবিধা লাভ কৰিব পৰা যায়। বিভিন্ন পৰীক্ষাৰ প্ৰস্তুতিৰ সময়ত পূৰ্বৰ সফল শিক্ষাৰ্থীসকলে অনুসৰণ কৰা পদ্ধতিবোৰ গ্ৰহণ কৰিব পাৰিলে যথেষ্ট সুফল পাব পাৰি।

কবিতা শিতান

"কবিতা পঢ়ি পাহৰিব পাৰি
পাহৰিব পাৰি কিছু দুখ, আনকি গ্লানি
কবিতা জীৱনৰ অন্য বিষয় কুশল, অন্য প্ৰত্যাশা।
শব্দ সংঘ ভাঙি তিৰবিৰ
বন তুলসীৰ উজাৰি লুকুৰা সুগন্ধি দীঘল উপত্যকা।"

- হিৰেণ ভট্টাচাৰ্য্য



অনুৰাগ..... তোমালৈ

তুলিকা চৌধুৰী
প্ৰবক্তা, অৰ্থনীতি বিভাগ

অনুৰাগ,
তোমালৈ মনত পৰে,
নিয়ৰ সনা এই সেমেকা গধূলিয়ে তোমাক
যেন মোলৈ কঢ়িয়াই আনে,
প্ৰতি পল মোৰ হিয়াখনি মোহাৰি পেলাব
খোজে তোমাৰ কেঁচা স্মৃতিবোৰে,
মনত পৰেনে তোমাৰ.....
কলেজীয়া দিনবোৰৰ কথা...
ৰেগিং, মহাবিদ্যালয় সপ্তাহ আৰু যে কত
উৎসৱ পাৰ্বণ,
ৰঙা গোলাপ পাহি যে দিছিলা মোৰ
জন্মদিনত,
বহুত লাজ লাগিছিল জানা,
ডায়েৰীৰ পাতৰ মাজত আজিও ৰাখিছো
মৰমেৰে,
তোমাৰ মৰম, কত আব্দাৰ,
কেণ্টিনৰ গৰম চাহৰ ধোঁৱাই আমনি কৰা দেখি
মোক প্লেটত যে বাকি খুৱাইছিলা,
জ্বলা চিংৰাৰ ওঁঠত লাগি থকা টুকুৰাটিক
সযতনে যে দিছিলা মচি,
অনুৰাগ.....
গোপনে তোমাক চাই ৰৈছিলো কতবাৰ
বজোৱানে আজিও গীটাৰ খনিহ্ল



আজিও মই ব্যাকুল হৈ উঠোঁ সেই সুৰৰ
লহৰত,
মদাৰ জোপাৰ তলতেই আছিল আমাৰ শেষ
লগ পোৱা, দেখা
বিশ্ববিদ্যালয়লৈ তোমাৰ উত্তৰণৰ যাত্ৰা,
আঁতৰি গ'লাগৈ তুমি,
দিম বুলিও নিদিয়া, ক'ম বুলিও নোকোৱা,
কথাবোৰ, চিঠিবোৰ.....
আজিওতো নহ'ল দিয়া আৰু কোৱা,
হৃদয় পদুলি আজিও শূন্য
অনুৰাগ.....
কাহানিও নাছিলা তুমি মোৰ,
বাৰটা বছৰৰ নিৰৱে অপেক্ষাত...
আজিও ৰৈ আছো তোমালৈ ....
এখনি চিঠিৰ বাবে,
মাত্ৰ এষাৰি কথাৰ বাবে...।

জুইকুৰা জ্বলাই ভালেই কৰিলি

ৰাখী চক্রৱর্ত্তী
চতুর্থ ষন্মাসিক (অর্থনীতি বিভাগ)

ভালেই কৰিছিলি সমগ্র অসম জোকাৰি যোৱাকৈ
ইণ্টাৰনেট বন্ধ কৰি
মাথো মানুহবোৰো বোবাৰ ভেশত থাকিব বুলি ভাবি
ভুল কৰিলি।
আঁজলি ভৰাই সুখৰ দিনকেইটামান উপহাৰ দি ভালেই কৰিছিল,
প্রজাৰ ওপৰত ফোঁপোলা ৰাজতন্ত্র জাপি দিহে আকৌ ভুলটো
কৰিলি।
ৰৰঘৰীয়াৰ কৃপাত ধ্বংসৰ দূৰাৰদলিতো বিচাৰি পাইছিলো
সঁচা উশাহবোৰ
তিনিবছৰ আগতে নিজহাতে বাৰীৰ পাছত ৰোৱা জেতুকাডালৰ
সৈতে থকা সম্পর্ক আকৌ এবাৰ সজীৱ হৈ উঠিছিল
যান্ত্রিক জীৱনৰ ক্ষণিক বিৰতিৰ ভৰা চৌপাশটো
হেঁপাহ পলুৱাই চাইছিলোঁ
ব্যস্ততাৰ বহু অজুহাতেৰে ভার্চুৱেল পৃথিৱীত বিলীন হোৱা
মইজনীয়ে লুপ্তপ্রায় হাঁহিটি সাৱটি ধৰিলো,
ইণ্টাৰনেট অবিহনেইহু
তহঁতৰ অৱহেলাত, দায়িত্বহীন বুলি ঘৰৰ গালি খোৱা ল'ৰাজনেও
আজি দেশৰ বাবে প্রাণ দিব পৰা হ'ল
হওঁতে, এই সাহসৰ অংশীদাৰ তহঁতোহু
একেলগে থাকিও ভাঙি যোৱা পৰিয়ালৰ কলকলনিবোৰ
সি আকৌ বিচৰা হ'ল।
কথাবোৰ But, so, what ৰ পৰা কি, কিন্তু, গতিকে হৈ গ'ল।
হেৰৌ,
এইয়া জানো তহঁতৰে উপকাৰ নহয়?
অন্ততঃ মাৰ মুখৰ স্বচ্ছ হাঁহিবোৰ পুনৰাই দেখুৱালি
দেউতাৰ হাউলি অহা কান্ধৰ বোজাটো তাক ল'ৰলৈ শিকালি
তাইজনীক মাকৰ অনুপস্থিতিত ঘৰখন ধৰি ৰখাৰ অনুমতি দিলি
এতিয়া মহাভাৰত নাই ঠিকেই
কিন্তু তহঁতৰ চক্রবেহুত আজিও বন্দী হাজাৰজন অভিমন্যু
এৰা,
মনৰ কোনোবাখিনিত উমি উমি জ্বলা জুইকুৰা
দাওঁদাওঁকৈ জ্বলাই ভালেই কৰিলি।

কুণ্ডলী পকাই যোৱা

ব্রজেন শর্মা
মহাবিদ্যালয় কর্মচাৰী

দুদিনীয়া এই জীৱন মোৰ
চাই থাকোতে শেষ হ'ল
মৰমৰ সেই সুমধুৰ লগন
ক'তেনো বাৰু হেৰাই গ'ল।
সময় সলনি, জীৱন সলনি
বিচাৰি যাওঁ মই পদূলি পদূলি
আশাৰ মৰহা পাপৰি সাবতি।।
স্কুল কলেজৰ দলিচা গচকি
বন্ধু-বান্ধবীৰ স'তে ৰং ধেমালি কৰি
কহুৰা তুলাৰ দৰে আছিলো উৰি।
জীৱনৰ লক্ষ্যত উপনীত হ'ম বুলি
মা-দেউতাক দিছিলো প্রতিশ্রুতি
কর্মহীনতাই মন দিলে ভাগি
কাষত কোনো নাই আপোন আলহী
উচুপি গোৱা গীতৰ ছন্দে ছন্দে
সৰি পৰা এপাহি সুগন্ধি শেৱালি
জীৱনৰ বাটে-ঘাটে বুটলি
সময়ৰ পুতলা ঘৰত থলোঁ সজায়।



জীৱন বাটৰ ধুমুহা

স্বর্ণালী কলিতা
পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ

জীৱন বাটত আগুৱাই
গৈ আছিলো মই
বুকুত লৈ সফলতাৰ হাঁহি
হঠাতে ধুমুহা এজাক
আহি চিঙি থৈ গলৈ
ফুলৰ পাহি।
উগ্র বিজুলীৰ ঢেৰেকনিয়ে
কৰিলে মোক ধ্বংস
মই সজা সপোনবোৰ ভাঙি
হ'ল জানা অংশ অংশ।
দুখ-শোকৰ বেদনাত
মই বোৱাইছিলো চকুৰ পানী
বিধাতাক প্রার্থনা কৰিছিলো
মোৰ প্রাণ লৈ যাওক বুলি।
বুজি পোৱা নাছিলো
কৰোনো মই কি,
ভগা হিয়া এখন লৈ
মচি আছিলো চকুৰ পানী।
নাজানিলো হঠাতে কেনেকৈনো মোৰ
ভগা হিয়াখনত জ্বলিল একুৰা বস্তি
পোহৰাই তুলিলে মোৰ হিয়া।
উঠি থিয় দিলো জীৱন বাটত
এখোজ দুখোজকৈ আগুৱাই
আছো মই মুখত লৈ হাঁহি
কিন্তু অন্তৰে যে আজিও মোৰ
আছে কান্দি কান্দিহুহু

দিশপুৰিয়ানৰ সীৰলুত মোৰ আশা-প্রত্যাশা

মৃদুপৰ্ণ ভট্টাচার্য
প্রথম ষান্মাসিক, বি.চি.এ

ক'ত দিন পাৰ হ'ল,
ক'ত সময় বাগৰি গ'ল।
নতুন দিগন্তৰ সূচনা থমকি নৰ'ল।
বহু আশা-প্রত্যাশাত
মোৰ তৰুণ মনত
দিশপুৰ মহাবিদ্যালয়
এগচি প্রজ্বলিত বঙীন বস্তি।
ঊনবিংশ শতিকাৰ আঠসত্তৰ দশকৰ স্থাপত্যত
মহাবিদ্যালয়ৰ জ্যোতি
সময়ৰ অগ্রগতিত আজিও কাঞ্চনজঙঘা।
এগচি প্রজ্বলিত বস্তিৰে মই দিশপুৰিয়ান,
মোৰ আশা-প্রত্যাশাত জ্ঞানৰ অনুসন্ধান।
য'ত মই বিচাৰি পাম
দিশপুৰিয়ানৰ সীৰলুত এটি উজ্বল সু-শোভিত
মানৱী জীৱন।

দুটি কবিতা

নিকিতা ডেকা
প্ৰথম ষান্মাসিক,
অৰ্থনীতি বিভাগ

বাৰিষাৰ প্ৰথম বৰষুণ জাকৰ অনুভৱ

বাৰিষাৰ প্ৰথম বৰষুণ জাকেই যেন
কিবা এটা কৈ গ'ল
এটা জীপাল সুন্দৰ মন-প্ৰাণ সিক্ত কৰা অনুভূতি
এটা যেন বুজাব নোৱাৰা অনুভৱ।
মন-প্ৰাণ জুৰ পেলাই দিলেও
বৰ মন যায়,
বৰষুণত তিতি ওমলি ফুৰিবলৈ
বৰষুণত তিতি সেই অতীতৰ
সুমধুৰ দিনবোৰ স্মৰণ কৰিবলৈ
কিমান যে মধুৰ আছিল সেই দিনবোৰ
আজি বৰকৈ মনত পৰিছে ঐ
শৈশৱৰ সেই দিনবোৰলৈহু
কি যে সুখৰ আছিল সেই দিনবোৰ
অতীতৰ সেই স্মৃতিবোৰে মানস পটত
বৰকৈ আমনি কৰে অ',
অতীত আমাৰ সদায় স্মৰণীয়।
অতীতৰ সেই দিনবোৰ যেন
পুনৰ উভতি আহে,
তাৰ আশাৰে সদায় বাট চাই ৰম
তুমি আহিবানে অতীত পুনৰ উভতি?
বাট চাই থাকিম সদায়
তোমালৈ বুলি।

জোনাকী আকাশ

বহু দিন হ'ল আজি,
আকাশৰ সতে
কথা নপতা।
বহু দিন হ'ল অ'
জোনাকী ৰাতি আকাশৰ সতে
কথা নপতা
অতিপাত কৰ্ম ব্যস্ততা আৰু
চহৰৰ যান্ত্ৰিকতাৰ মাজত'
হেৰাই গ'ল সেই নষ্টালজিক সন্ধিয়াবোৰ
হেৰাই গ'ল মোৰ পৰিচয়
মই যে নিভাঁজ গাঁৱলীয়া ছোৱালী।
কি যে মধুৰ আছিল
সেই জোনাক ৰাতিৰ সন্ধিয়া,
আপোন পঁজাৰ চোতালত বহি
পাৰ কৰা সেই দিনবোৰ,
এতিয়াও যেন মোৰ মানস পটত
মধুৰ স্মৃতি হৈ
জিলিকি আছে সেই নষ্টালজিক সন্ধিয়াবোৰ।
পাহৰিব পৰা নাই অ'
সেই মধুৰ স্মৃতিবোৰ
চহৰৰ কৃত্ৰিম যান্ত্ৰিকতায়ো ম্লান কৰিব পৰা নাই
অতীতৰ সেই স্মৃতিবোৰক।
ভয় লাগে, কিজানিবা চহৰৰ যান্ত্ৰিকতাৰ মাজত
পাহৰণিৰ গৰ্ভত বিলীন হৈ যায়
জোনাকী আকাশৰ সেই মায়াময় মাদকতা।

জীৱন

জাহ্নবী তালুকদাৰ
প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ

এই শব্দটোৰ উচ্চাৰণ যিমান সহজ
তাৰ অৰ্থ বুজাটো সিমানেই টান।
পোৱা নোপোৱাৰ দোমোজাত
সুখ-দুখৰ বাকৰিত,
পাইও হেৰুওৱাৰ বেদনাত
ই এক বিস্ময় অভিজ্ঞতা।

নাজানো ইয়াৰ আদি ক'ত
নাজানো শেষ ক'ত.
তথাপিও তাৰ প্লে-গ্ৰাউণ্ডৰ
আমি একোজন প্লেয়াৰ।
হাঁহি-কান্দোন, সুখ-দুখ
এইয়া হ'ল জীৱনৰ ৰং,
হাঁহিৰ মাজেৰে উপভোগ
কৰাৰ নামেই হ'ল জীৱন।

এটা শব্দ ভঙাৰ শব্দৰ শব্দত

অমবেন্দ্ৰ দেৱৰ্ষি আৱন্ধৰা
প্ৰথম ষান্মাসিক, বি.বি.এ

এটা শব্দই অইন এটা শব্দৰ
কোলাত উটি আহি
এটোপাল নিয়ৰত থূপ খাই থাকে
সেই শব্দ ভঙাহ শব্দৰ শব্দত মই সাতোৰঙী ৰামধেনু দেখো
আকৌ কেতিয়াবা এটা শব্দৰ শব্দত
মই হাঁহি হাঁহি আপোন পাহৰা হৈ পৰো
কেতিয়াবা কান্দোনত গছৰ পাতে সৰাও
এটা শব্দৰ শব্দত
কেতিয়াবা মোৰ কাণতাল মাৰে,
হঠাৎ ভয়ত পেপুৱা লাগো
তেতিয়া হয়তো ক'ৰবাত বজ্ৰপাত পৰি ঘৰত জুই জ্বলে।
কেইটামান শব্দৰ শব্দকলৈ
দালালে ৰাজনীতি কৰে
কবি এজনে ছন্দোৱদ্ধা শব্দৰ সন্ধানত চলাথ কৰে 'হোমকোষ'
দুই এটা নিচুকনি শব্দৰ শব্দতেই
কেঁচুৱা এটা মাকৰ কোলাত টোপনি যায়।
পুনঃ শুই উঠে মাকৰ সেই শব্দৰ শব্দতেই,
এটা শব্দৰ শব্দত
এজনী ন-বোৱাৰীৰ শিৰ সূর্য অস্ত যায়
অথবা মাতৃৰ বুকু শুদা হয়।
এটা শব্দৰ শব্দত
হিৰোচিমা আৰু নাগাচাকি ধ্বংস হয়
লাচিতে স্বদেশ ৰক্ষাৰ বাবে একে নিশাৰ গড় বান্ধে।
হনুমানে স্বৰ্ণ লংকা ছাৰখাৰ কৰে
আকৌ এটা অনুচ্ছাৰিত শব্দৰ শব্দত
জয়মতীয়ে জেৰেঙা পথাৰত যমৰ যাতনা ভোগে।

মা

দীপশিখা শর্মা

পঞ্চম ষান্মাসিক, বিত্ত বিভাগ

মৰমৰ 'মা' প্ৰথমে মোৰ হিয়াভৰা মৰম
আৰু সন্মান ল'বা
'মা' তোমাৰ বাবেই লভিলো এই জনম
দেখিলো এই ধুনীয়া পৃথিৱী
যিমান কষ্টেৰে তুলিতালি কৰিলা ডাঙৰ
তাৰ ঋণ কাহানিও পৰিশোধ কৰিব নোৱাৰিম।
ইমান কষ্ট, ইমান ত্যাগ
কেনেকৈ কৰা তুমি 'মা'?
ভাবি ভাবি ভাগৰি যাওঁ মই
সদায় পুৱা আমি উঠাৰ আগতে উঠা তুমি
আৰু শুৱাও আমি শুৱাৰ পিছত
কিমান যে দীঘল তোমাৰ
দৈনিক কামৰ বৰ্ণনা।
মোৰ সাধাৰণ পানীলগা জ্বৰটো তুমি যে
ৰাতি উজাগৰে কটোৱা 'মা'হু
কলেজলৈ দেৰি হৈছে বুলি ভাত নোখোৱাকৈ
যাবলৈ ওলালেও
জোৰ কৰি ভাত এমুঠি খুৱাই পঠিওৱা
তুমিয়েই 'মা'।

'মা' তোমাৰ বৰ্ণনা কাহানিও শেষ নোহোৱা
কিমান যে ভালপাওঁ তোমাক
ভাষাৰে বুজাব নোৱাৰো।
মোৰ সুখত সুখী, দুখত দুখী হোৱা
একমাত্ৰ তুমিয়েই 'মা'।
এই পৃথিৱীত নিঃস্বাৰ্থ মৰম আৰু ভালপোৱা দিয়া
একমাত্ৰ তুমিয়েই 'মা'।
তুমি অবিহনে জীয়াই থকা
মোৰ পক্ষে এক পলো সম্ভৱ নহয়।
তুমিয়েই মোৰ প্ৰথম গুৰু
তুমিয়েই মোৰ বুকুৰ আপোন 'মা'
তুমিয়েই মোৰ মৰমৰ 'মা'।
মুঠতে তুমি অবিহনে মোৰ সকলো শূণ্য 'মা'।
শেষত তোমাৰ দীৰ্ঘায়ু কামনা কৰি
তোমাৰ চৰণত শত শত প্ৰণাম জনাওঁ।
'মা' তুমি অলকা।

সৰাপাতৰ সুৰ

জয়শ্রী কলিতা

পঞ্চম ষান্মাসিক (বাণিজ্য)

ফাগুন

বাণী সিনহা

পঞ্চম ষান্মাসিক (কলা)

এটা নিৰ্জন ৰাতিপুৱা
সেমেকা কুঁৱলীৰ আবিৰ সানি
ফাগুন আহে মলয় জাকৰ সৈতে।
হৃদয়ৰ আঁচল কঁপাই
বোৱা বা জাকে
কিদৰে লুকা-ভাকু খেলে
আকাশ অলংকৃত কৰা কপৌহালেও
ডালত বৈ আদৰিছে।
আউলী-বাউলী মলয়া জাকৰ কোলাত
শান্তিৰ নিশ্বাস পেলাইছে
ভাগৰুৱা প্ৰকৃতি ৰাণীয়ে
হয়তো পাহৰি পেলাইছে
প্ৰেমিক ফাগুনৰ সান্নিধ্যত
দানৱৰ দুৰ্গম পথিকক।
মই উলাহতে সুধি পেলালোঁ
অ' উন্মনা ফাগুন
তোৰ ঠিকনা ক'ত?
শান্তিৰ ধৰালৈ আঙুলিয়াই
হাঁহিৰ একাঁজলি সুৱাস চটিয়াই,
গুচি যায় ডাৱৰৰ সিপাৰৰ দেশলৈ
ফাগুনৰ এটা ৰাতিপুৱা।



বহুদিনৰ মূৰত আজি
ডায়ে�ৰিখন খুলিলে
অস্পষ্ট কেঁকুৰা আখৰৰ
ছাপকেইটা আজিও জিলিকি আছে
যদিও পানীৰ টোপালত
বৰণ সলনি হৈছে
তথাপি ই আজিও জিলিকি আছে
এজাক কিনকিনিয়া বৰষুণত
তিতিবলৈ তাই দৌৰি আহিছিল
মুখত এচমকা পোহৰ
চকুৰ পতাত বৰষুণৰ মুকতাবোৰ
বাহিৰৰ জোনাকৰ এলানি শব্দ
আকাশৰ ফালে চাই চিঞৰি চিঞৰি
কথা পাতিছিল আকাশৰ লগত
"নীলা নীলা আকাশ
তুমি কিয় ইমান ধুনীয়া
টুপ টুপ সৰি পৰা বৰষুণৰ মালাবোৰ
ইমান ধুনীয়াকৈ গাঁথিছা
মই সদায় খেলিম তোমাৰ লগত
তুমি আকৌ এবাৰ টুপ টুপ সৰিবা।"
ভৰিৰ আঁঠুলৈকে পৰা দীঘল চুলিৰ
সেই মৰমলগা ছোৱালীজনী
আজি টোপনিত আছে
খিৰিকীৰ বাহিৰৰ চেঁচা বতাহজাক
কতবাৰ পাৰ হৈ গ'ল
ৰুমী, চিলমিল, কাবেৰীহঁতৰ
কান্দোনবোৰ তাই নুশুনা হ'ল
কিয় বাৰু এই মৃত্যুৰ জালিকা
ছবিখন আঁকা হ'ল
সকলোৰে মুখত কেৱল এটাই প্ৰশ্ন
কোনেও দিব নোৱাৰিলে সেই উত্তৰ
কেৱল জিলিকি উঠিল দুটি শব্দ
মই মৰিম.....।

জ্যোতিকণা

অমবেন্দ্র দেবর্ষি আৰান্ধৰা

প্রথম ষান্মাসিক, বি.চি.এ

গতানুগতিক উল্লেখবিহীন অনুপাতিক কেইটামান দিন
সৰকি যায় হৃদয়ৰ মাজেদি
চাৰিবেৰৰ মাজত আৱদ্ধ যৌৱন,
(আৰু) কিছুমান নীৰস চাৰজেক্ট যেনে এৰিথমেটিকচ্
হিলদল ভাঙি প্রৱেশ কৰে এজাক সপোন।
চঞ্চল, উজ্জ্বল দুচকুত উন্মাদনা
নজনাক জনাৰ মন, ন-সমাজ গঢ়াৰ মন
প্রস্থানৰ পথো যে একেটাই
মহাবিদ্যালয়খন পৰি থাকে, কাছজনীৰ দৰে
ইউৰিনেলৰ কদর্যতা, কমনৰুমৰ হাঁহিৰ চিন্ময়ী
'ফ্রেছার্চ'ৰ সেই টনা টনা চকুৰ তৰুণীজনী
এটি শুৱলা অনুপম নাম 'জ্যোতিকণা'
মন ঘূৰি ফুৰে ই কোঠাৰ পৰা সিকোঠালৈ,
বুকুত সাৱটি লোৱা তৰণীৰ খাটাত
বেঞ্চত, গছৰ তলত, জুমত, নিজানত
বিশেষ চকুযুৰিয়ে মোক খেদি ফুৰে
ইফালৰ পৰা সিফাললৈ
মোৰ আশাত আৰু এটা কঠিন চাবজেক্ট যেনে 'জ্যোতিকণা'।

মমতা

দীপজ্যোতি কাকতি

প্রথম ষান্মাসিক, বি.চি.এ

সমুদ্রতকৈ যাৰ বিশালতা অধিক
পৰিত্র অন্তৰকৈও যাৰ পৰিত্রতা অধিক
এগৰাকী মাতৃৰ আন্তৰিকতা আৰু
মৰমৰ প্রতীক যি
মাত-পুত্রৰ স্নেহৰ এনাজৰীক
তুলে অধিক সক্রিয় কৰি
মাতৃত্বৰ দেহেকেহে নিগৰা
মৰমৰ নিজৰা
মমতা।

মোৰ মনৰ প্রশান্ত জোৱাৰ

ৰিংকী বর্মন

প্রথম ষান্মাসিক, অসমীয়া বিভাগ

কিছুমান অনুভূতি আছে যিবোৰ দুখদায়ক
মোৰ নিষ্ঠুৰতাক গোপনাই ৰাখিছো
আকুল মনবোৰৰ আকুল জোৱাৰবোৰ
কেতিয়া আহে আৰু যায় পৰিস্ফুট কৰিব নোৱাৰি
কেতিয়াবা ভাৰো মনৰ নিৰৱতা আঁতৰাই দিম
কিন্তু দুখ নামৰ আৱেগটোৱে চকুলো নিগৰাই
তেতিয়া যেন সকলোবোৰ উল্কাপিণ্ড হৈ যায়
এই স্বার্থপৰ পৃথিৱীত বহুতো আহিল বহুতো গ'ল
পালো মাঁথো আকুলতা, অসহনীয়তা আৰু গোপনীয়তা
গছ-বিৰিখ, নদ-নদীয়ে যেন বোৱাই তুলিছে
এই অনুভাৱনা.....।

দুটি কবিতা

ধীৰাজ শর্মা

তৃতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

সেই প্রথম দিন

আজিও মনৰ পৰে
দিশপুৰ মহাবিদ্যালয়ত মোৰ
সেই প্রথম দিন।
কি যে ভাল লাগিছিল
আটাইতকৈ মোহনীয়া
সেই প্রথম দিন।
অযুত আশা বুকুত বান্ধি
দিশপুৰ মহাবিদ্যালয়লৈ আহিছিলো
দুৱাৰ মুখতে সেৱা এটি কৰি
মহাবিদ্যালয়ত প্রৱেশ কৰিছিলো।
ছাৰ-বাইদেউৰ মৌ-সনা মাতে
মোৰ হিয়া জুৰাইছিল,
ভক্তিত মুৰ দো খাইছিল
মহাবিদ্যালয়ৰ প্রতি;
অতিকে মৰমৰ অতিকৈ চেনেহৰ
মোৰ মহাবিদ্যালয়খন।

দিশপুৰিয়ান

'দিশপুৰিয়ান'
তোমাক জনাও স্বাগতমহ
তোমাৰ প্রতিটো বছৰৰ
প্রতিটো সংখ্যাই হওঁক মন্ত্রমুগ্ধকৰ
তুমি আজীৱন জীয়াই থাকা
শ্রেষ্ঠ মুখপত্র হৈ
তোমাৰ বুকুতে উজুলি উঠক
দিশপুৰ মহাবিদ্যালয়।
তোমাৰ বুকুত স্থান পাওক
ন ন লেখাৰুৰ গল্প কবিতাই,
তুমি গঢ় দিয়া
ভৱিষ্যতৰ সাহিত্য প্রতিভাক
তুমি জীয়াই থাকা
সীমাহীন বছৰলৈ।
হে 'দিশপুৰিয়ান'
তোমাৰ পোহৰেৰে উজুলি উঠক
দিশপুৰ মহাবিদ্যালয়ৰ ঐতিহ্য মণ্ডিত ইতিহাস
তোমাৰ প্রতিটো সংখ্যাই
আমাক কৰক মন্ত্রমুগ্ধ
তোমাক জনাওঁ স্বাগতম
'দিশপুৰিয়ান' তোমাক স্বাগতম।



দুটি কবিতা

জিতুমণি বৰ্মন

(এক)

বিষাদভৰা জীৱনৰ কিছু স্মৃতি

কিয় জানো আজি নিজকে বৰ
অকলশৰীয়া লাগিছে।
সম্পূর্ণ হৈও যেন মনত অসম্পূর্ণ
কলীয়া ডাৱৰৰ সৃষ্টি হৈছেহু
শালিকী পুৱাৰ কাচিয়লী ৰ'দ এচেৰেঙাৰে
আ�ৰম্ভ হোৱা দিনবোৰো চোন অন্ধকাৰলৈ ৰূপান্তৰিত হৈছে।
কিয় জানো আজি বৰ ভয় লাগিছে.....
সপোন দেখিবলৈ।
এনে লাগিছে.....
যেন কোনোবা আঁতৰি হে গৈছে
বিষাদ ভৰা সীমাহীন স্মৃতি উপহাৰেৰে সৈতে.....।

(দুই)

অসম্পূর্ণ মনৰ নতুন পৃষ্ঠা

অসম্পূর্ণ মনৰ
নতুন পৃষ্ঠা
জীৱৰ মাথোন
এবাৰলৈহে হেঁপাহ
কাকুতি কৰিও
দুনাই নাহে উভতি
এয়াই জীৱনৰ
অন্তিম প্ৰচেষ্টা।



আকৌ এবাৰ বোৱাও আহা তেজ

তৃষ্ণা তালুকদাৰ

প্ৰথম ষান্মাসিক, (বাণিজ্য শাখা)

হে ডেকাসকল কি হ'ল
তোমালোকৰ চোন একো
খবৰেই নাই দেশত কি
ঘটিছে।
এতিয়া ক'বলে লাজ লাগিছে
আমি লাচিতৰ দেশৰ মানুহ,
কিয় শুই আছা
আকৌ এবাৰ দেশৰ হকে
তেজ বোৱাবলৈ সময় হৈছে।
এই অমানুহবোৰে শান্তিত
থাকিব নিদিয়ে
হাহাকাৰ চাৰিওফালে
আহা অসমীয়া ডেকাসকল
আকৌ এবাৰ তেজেৰে লুইতৰ পানী
কৰো আহা ৰাঙলী।
সপোনৰ পঁজা ঘৰটো
ভাঙি চুৰমাৰ হ'ল অ'
মোৰ পোনাকণো এই
শত্ৰুৰ হাতত নিহত হ'ল।
হে ডেকাসকল আহা দেশখন
ৰক্ষা কৰিবৰ সময় হ'ল।

ছাঁ

দেৱাশিস কলিতা

চতুৰ্থ ষান্মাসিক (বাণিজ্য শাখা)

সংগ বিচাৰোঁতে বিচাৰোঁতে,
তোক পাহৰি গ'লো অ'

সংগৰ সন্ধানত ইমানেই ব্যস্ত হৈ পৰিলো
যে তোৰ কথা এবাৰো মনলৈ নাহিল।

লগ, বন্ধু, আত্মীয় এইবোৰৰ মাজতে নিজকে ব্যস্ত কৰি দিলোঁ।

সময়ৰ সোঁতত যদি কোনোবা আপোন পৰ হৈ পৰিল,
কোনোবা পৰ আকৌ নিচেই আপোন হ'ল।

কিন্তু, এজন প্ৰকৃত সংগৰ অভাৱ মোৰ আজিও পূৰ নহ'ল।
পাৰ যদি মোক মাফ কৰি দিব অ',

আজি নিসংগতাই মোক হেঁচা মাৰি ধৰিছে,
হয়তো সেইকাৰণে আজি তোৰ কথা মোৰ মনলৈ আহিছে।

ছিঃ ধিক্কাৰ দিছোঁ নিজকে
এই গোলাকাৰ কংক্রিটৰ হাবিখনত মই
তোৰ দৰে এটা সৰল সংগীক কেনেদৰে যে
উপেক্ষা কৰিলো?

ৰ'দে, বৰষুণে তই সদায় মোৰ লগত আছিলি,
আৰু হয়তো এই পৃথিৱীত মই যেতিয়ালৈ আছো
তেতিয়ালৈ মোৰ লগতে থাকিবি।

আজি মই অনুভৱ কৰিছোঁ, সকলোৱে
এৰি যোৱাৰ পিছতো যেতিয়া তই মোৰ
লগতে আছ।

বুজি পাইছো তই যে মোৰ প্ৰকৃত সংগী।

সেইবাবেই হয়তো মানুহে কয়,
মৃত্যুৰ পিছত 'ছাঁ'টো হে লগত যায়
পাৰ যদি মোক মাফ কৰি দিবি অ' ছাঁ।।



দুঃ সময়

কৌশিক কলিতা
দ্বিতীয় বর্ষ

মই নিজকে সলনি কৰিব খোজোঁ
যিদৰে সলনি হয় পাহাৰৰ উচ্চতা
যিদৰে সলনি হয় নদীৰ গভীৰতা

কিবা পাবৰ কাৰণে
কিবা হেনো হেৰুৱাব লাগে
নিজকে গেৰুৱাত সেয়ে বাৰে বাৰে

চুব খোজোঁ আকাশ
চৰাই হৈ উৰিব খোজোঁ
দেখিব খোজো অনেক নতুন সপোন
মই অনিশ্চয়তাৰ সৈতে সহবাস কৰো
দুচকুত হাঁহাকাৰ নৈত তোমাক বিচাৰি ফুৰোঁ

হেঁপাহবোৰ কেতিয়াবা হুমুনিয়াহ হয়
সপোনবোৰ ওলমি ৰয় ভগ্নস্তুপত।

কিছু
নিঃসংগ
সময়।

শাওনৰ প্ৰেম

বিয়া চুলতানা
প্ৰথম বর্ষ

সেউজীয়া পথাৰখনৰ লগত প্ৰেম হৈছিল হৃদয়ৰ
পথাৰখনে বিঙিয়াই কৈ গ'ল
শাওনেই সেউজীয়াৰ জন্মদিন

তোমাৰ ওঁঠত ডুবি আঁকি আঁকি পাগল হৈ পৰিছো
যিদিনাৰ পৰা মই ভাল পাবলৈ ললো।

ধৰাৰ বুকুলৈ যেতিয়া চিপচিপ কৈ বৰষুণ নামি আহে
মোৰ হৃদয়খন,
মোৰ হৃদয়খন বোকা পানীৰে ভৰা আজন্ম প্ৰেমিকা যেন লাগে

বেলিটো ডুব ডুব
ৰঙিয়াল হৈ পৰিছে এই মুকলি পথাৰ
এছাটি কোমল বতাহে মনটোক লৈ গৈছিল প্ৰেমৰ সাগৰলৈ।

প্ৰেমৰ সাগৰত ডুবি অনুভৱ কৰিছিলোঁ
বৰষুণ জাকৰ কথা
অতীজৰে স্মৃতিবোৰৰ কথা
এয়াই নে প্ৰেম?
ভালপোৱা নে
নে চেনেহ?

অমানিশাৰ মাজত পোহৰ বিচাৰি

অনুৰাধা বৰকটকী
পঞ্চম ষান্মাসিক (কলা)

এয়াচোন অমানিশা
চাৰিওদিশে অন্ধকাৰ, কেৱল অন্ধকাৰ
ই হ'বলৈ পালে কেনেকৈ

নৰ মনিচৰ মাজত কেৱল
হত্যা, হিংসা, সন্ত্রাস, লুণ্ঠনেৰে ভৰপুৰ
যিয়ে জ্বলি জ্বলি শেষ কৰিছে সমগ্ৰ পৃথিৱীক

এদিন হাজাৰ মনে বিচাৰিব বিভীষিকাক নাশিবলৈ
একাগ্ৰ হৈ বিজয়ী ধ্বজা উৰুৱাব লৈ
আহিব প্ৰাণদায়িনী সত্তা নৰ মনিচক জগাবলৈ
সৌ দূৰৰ
সাগৰৰ সুদূৰ লক্ষাদ্বীপলৈ

ৰৈ আছোঁ
মাথো ৰৈ আছোঁ যেন আহক তেনে সময়
যিদিনা হ'ব মানৱীয়তাৰ বিজয়

চাৰিওদিশে
কেৱল পোহৰ আৰু পোহৰ।



শান্তি বিচাৰি

ভনিতা নাথ
পঞ্চম ষান্মাসিক (কলা)

ফুৰিছোঁ শান্তি বিচাৰি
মনত যে সাতোৰঙী আশা
নতুন প্ৰভাতৰ নতুন পোহৰত
উজ্বলাম জননীক।
তেজৰ কৰাল আঁতৰাই
বোৱাম শান্তিৰ মলয়া
প্ৰেমৰ এনাজৰীৰে বান্ধ খাম
শংকৰ মাধৱৰ মিলন ভূমিত
কনকলতা, লাচিতৰ ত্যাগেৰে
বিচাৰিম শান্তি
নীল আকাশত
শান্তিৰ কপৌ উৰুৱাম
আন্ধাৰ আঁতৰাই পৃথিৱীক দিম
পূৰ্ণিমাৰ জোনাক
ন শতিকাৰ নপ্ৰজন্মই
আগুৱাব শান্তি সন্ধানত।

শিক্ষাগুৰু

মেঘনা বড়ো
উচ্চতৰ মাধ্যমিক (বাণিজ্য)

কোনে জানে
সাগৰ সদৃশ জ্ঞান গৰিমা
কোনে দিয়ে
পিতৃ-মাতৃৰ মৰম
কোনে কয়?
পৃথিৱীৰ আলোকৰ কথা
কোনে শুনায়?
জীৱনজ্যোতিৰ ৰসাল কাহিনী
কোনে দেখায়?
সেন্দুৰীয়া সুগম পথ
কোনে বিনায়
নিজৰ দৃষ্টি শেৰ কৰি জ্যোতিৰ সন্ধান
কোনে আদৰ কৰে
প্ৰকৃতিৰ চিৰন্তন কথাৰ আলাপ
কোনে কয়
পৰিষ্কাৰ পৰিচ্ছন্নতাৰ কথা
এই সকলোবোৰক প্ৰদান কৰে
মোৰ পৰম পূজনীয়
শিক্ষাগুৰুৱে
আৰু সেয়া মাথো জ্ঞান গিৰি সদৃশ
চিৰ নমস্য শিক্ষাগুৰু
পৰম ছত্ৰছায়াৰ প্ৰেৰণাৰে.....

ঐ মাতাল আজিও ইয়াত তই

তৃষ্ণা তালুকদাৰ

ঐ মাতাল আজিও ইয়াত তই
কৈছিলো নহয় তোক নাহিবি তই
বুলি। আকৌ আহিছ কতা নিধক
তাইক তই নাপাৱ, ইয়াত যদি
তই মৰ তথাপি তোক
চাবলে তাই নাহে। এতিয়া
তাই এটা বন্ধ কোঠাৰ গৰাকী
ৰহ ৰহ ভুল নুবুজিবি তাইক
তাই ঘৰৰ মানুহৰ হাতৰ মুঠিত
এতিয়া তাই জীৱন্ত নিঠৰ এটি দেহ
অই মাতাল আজিও ইয়াত তই.....
ভাবিছ নেকি তই ইয়াত হুলস্থূল কৰিলে
তই ইয়াত গেলা পানী খাই পৰি
থাকিলে তাইৰ গৃহস্থৰ মন গলিব
আকৌ ভুল ধাৰণা এই বিলাক সপোন
মাথোন দিঠক নহয়....
অ'ই মাতাল পাহৰি যা তাইক
তাই তোৰ নহয়
ৰহ ৰহ তাই বোলে এদিন তোক
কৈছিল আনক তাইৰ শৰীৰ দিলেও
মনটো সদায় তোৰ লগতে
থাকিব। ...
অ'ই মাতাল তই ইয়াত
কাক বিচাৰি আহিছ
তাইতো তোৰ মনৰ ভিতৰত
আছেই... যা যা এই
ৰাতি ইয়াত থাকিব নালাগে
তাইকতো তই হেৰুৱাই নাই
নিৰ্লজ্জ কৰবাৰ এনেই চিঞৰি
আছ তাইক বিচাৰি।
যা শুবলৈ যা
আৰু নাহিবি তাইক বিচাৰি
তাই এতিয়া বন্ধ কোঠাত বন্দী।

সময়

গীতিকা শর্মা
পঞ্চম ষান্মাসিক (বাণিজ্য)

কি দূৰন্ত আছিল সময়
বেলি বতাহৰ জয়-পৰাজয়ৰ যুঁজত
খহি পৰিছিল আকাশ
চিঞৰবোৰ ফালি চিৰাচিৰ কৰিছিল
আগলি কপালত
সৰি পৰিছিল ফুলৰ অপৈণত পাহিবোৰ
সেউজীয়াৰ পোখাবোৰ ধুমুহাত উভাল খহি পৰিছিল
সলনি হৈছিল দেশৰ ভূগোল
যুদ্ধবিধ্বস্ত শিবিৰবোৰত কেৱল বিষাদৰ চিৎকাৰ
চৌদিশে হাহাকাৰ
কেবল হাহাকাৰ
কোনোবহি ৰুদ্ধশ্বাসে বিচাৰি ফুৰে হাহাকাৰত
তেজ-মঙহৰ আপোনজনক
কাৰোবাৰ উল্লাসত বিজুলী চমকে
কোনোবহি ছিণ্ডি আনিব খোজে তৰাফুল;
কঁপি থাকে চিতাৰ পোহৰ
কুৰঁলীয়ে ঢাকি ধৰা নিজানজান প্ৰান্তৰত....
আস্
সময়বোৰ এখন নৈ
যাৰ ঘাটে ঘাটে পৰি ৰয় তেজৰঙা ইতিহাস
বিয়াকুল সাধু এটা হৈ
একালৰ বৃন্দাবন একালত পৰে ছন
শাঁখিনী সময় অ' উদং মালিনীৰ ফুলবাৰী
ককাদেউতাৰ সেই এষাৰি বচন.....
এতিয়া স্মৃতিচাৰণেৰে ওভোতাই নানিবা
আখজৰ টেঁটুচপা দিনবোৰ
নুমহি থোৱা চাকিগছি জ্বলোৱা
এতিয়া শংখ এটিৰ মাতত
সপোন সাৰ পোৱাৰ সময়
জহি-খহি যোৱা মূধচত
কাঁচিজোন এটি জ্বলি থকাৰ সময়
সৰ্বত্ৰতে বসন্তৰ গোন্ধ বিয়পি পৰাৰ সময়
ছন পৰা বৃন্দাবনত এক ধ্বনিময় ঋতুৰে
মমতাৰ মাত এষাৰ সিঁচি দিয়াৰ সময়....

পোহৰ

স্মিতা ডেকা
প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ

সৌ এন্ধাৰবোৰ আহি বেৰি ধৰিছে
দূৰ দূৰণিলৈ চিন চাব নাই
পোহৰবোৰৰ;
মনৰ মাজৰ পোহৰকণো যেন
এন্ধাৰজাকে ঢাকি ধৰিছে
ক'লা ডাৱৰবোৰৰ দৰে।
মুখত এক ৰহস্যময়ী হাঁহি সানি
মনৰ মাজৰ পোহৰ এন্ধাৰৰ
সেই লুকাভাকু বুকুত খামুচি।
আগবাঢ়িছো আৰু বাঢ়িছো;
পিছ ভুমুকি চাবৰ সময়কণ নাই,
মনৰ মাজৰ এন্ধাৰকণ আঁতৰোৱাৰ সন্ধানত
পোহৰ বিলীন কৰাৰ উদ্দেশ্যে।



দেউতা

নিপন কুমাৰ ডেকা
দ্বিতীয় সান্মাষিক
(ৰাজনীতি বিজ্ঞান বিভাগ)

দেউতাহু শূন্যৰ পৰা আৰম্ভ কৰি তোমাৰ জীৱন,
কণ্ঠ ৰুদ্ধ নকৰা এটি প্ৰতিবাদী মন।
মাঘৰ বিহুৰ উৰুকাৰ দিনা
ভোগীৰাম দাইটীয়ে বা খাইছে কি
তাকে লৈ তোমাৰ উচপিচনি
তুমি নাজানা নেলচন মাণ্ডেলা
নাজানা আং চাং চ্যুকী কোন,
কিন্তু তুমিয়ে শিকোৱা আদৰ্শ গান।
তুমিয়ে কঢ়িয়াই ফুৰা এটি সংগ্ৰামী সত্বা
তোমাৰ পৰিচয় পথাৰ সেউজীয়া
কৰা এক বিপ্লৱী।
দেউতা অ'! সেই যে কলহৰ ভস্ম
দিছিলোঁ উটুৱাই
তেতিয়াৰ পৰা ক'ত আছা তুমি
কোনখন সাগৰত.....?
সেই সাগৰ, ময়ো চাবলৈ যাম।

দেউতা

গীতিকা শর্মা
পঞ্চম যান্মাসিক, বাণিজ্য বিভাগ

সেই যে চিনাকি মাতটি
অচিন দেশত নাইকিয়া হৈ গ'ল।

তেওঁ আজি অকলশৰে নিশব্দে আছে
কিন্তু শব্দ নথকা নহয়
তোমাৰ স্মৃতিবোৰৰ লগত
কথা পাতে তেওঁ।
তেওঁ আজিও আশাৰে বাট চাই
তুমি ঘূৰি আহিবা।
পুৱাৰ ৰ'দৰ জিলিকণিত
হাঁহি থাকে নিয়ৰৰ টোপালবোৰ
এয়া কি জানা দেউতা.....
তোমাৰ মুখৰ মিঠা হাঁহি
আৰু অন্তৰত খুঁত নথকা
মুকলি মনৰ চকুযুৰি আজিও
জীৱন্ত ৰূপত.....
দেউতা..... তোমাৰ ছাঁয়াই কিয় নামাতে
তুমি আমাৰ মাজত থাকিও কিয় নাই
তেওঁ আজি শব্দ থাকিও নিশব্দে আছে
তেওঁৰ সেমেকি যোৱা কৰুণ মনে
কি কয় জানা দেউতা
চিনাকি মুখখন যদি আজিও
আচিনাকি হিচাপে দেখা পাওঁ
অনেক জনৰ মাজত সজীৱ হৈ আছা
কিন্তু বাস্তৱ দিশত অদৃশ্য
সেয়ে আপোন জনেও বিষাদৰ গান গাই
চকুলো নিগৰাই
তোমাৰ স্মৃতিয়ে সদায় আমনি কৰিব
দেউতা..... তুমি যতেই আছা
সোনকালে উভতি আহা।।

গল্প শিতান

যিকোনো বস্তু এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে, এটা ফুলৰ পাপৰি মেল খোৱাৰ পৰা আৰম্ভ কৰি এটা প্ৰৱল ভূমিকম্পলৈকে - প্ৰতিটো বস্তুৱেই গল্পৰ বিষয় হ'ব পাৰে।

-এইচ. ই. বেইচট্

যোগী বাবা, মাংৰী আৰু অন্যান্য

ত্রিবেণী বৰকটকী
সহকাৰী অধ্যাপিকা, পৰিচালনা বিভাগ



পাহাৰীয়া শীতল বতাহজাকে মুখমণ্ডল, শৰীৰত স্পর্শ কৰি গৈছে। আহ ..... কি চিনাকি গোন্ধ, বৰষুণৰ পানী পৰি শুকান মাটিৰ পৰা ওলোৱা গোন্ধটোৱে তাৰ মনটো শীতল কৰি গৈছে। চাইকেলখনৰ পেডেলটোত সি অলপমান তেল পেলাই দিছে, দুটোপালমান তেল পেডেলটো বাগৰি গৈ মাটিখিনিত পৰিছে। হাতেৰে পেডেলটো ঘূৰাই দিলে, মামৰে ধৰা চাইকেলখনে তেল পাই খুউব জোৰকৈ চক্রকাৰে ঘূৰিছে, সি যেনেদৰে বিচাৰিছিল। ঠিকেই সি আজি তাৰ বাল্যকালৰ একমাত্র ভাল লগা ঠাইখনলৈ যাব পাৰিব। অনাবিল আনন্দই তাক পুলকিত কৰি তুলিলে। শুনিছে যোগীবাবাৰ আশ্রমখনৰ ওচৰতে হেনো এখন ধুনীয়া তিনি তাৰকাযুক্ত হোটেল হৈছে, অভয়াৰণ্যখনে ৰাষ্ট্রীয় মর্যদা পাইছে আৰু কাষৰ চাহ বাগিছাখনৰ বহু অংশ চৰকাৰে ভাঙি ৰাষ্ট্রীয় পথ বনাইছে।

..... "দাদা চাহ মায়ে দি পঠাইছে" - এটা সৰু ল'ৰাই হাতত চাহ একাপ আৰু টেকেলী মুখত দিয়া পিঠা লৈ ৰৈ আছে। ল'ৰাটো তাৰ দেউতাকৰ দ্বিতীয় পত্নীৰ ফালৰ পৰা। সেই সূত্রে তাৰ ভায়েক। তাৰ মাকেও তাক তৈয়াৰ কৰি খুৱাইছিল ঠিক এনেকৈয়েই টেকেলী মুখত দিয়া পিঠা। মাকৰ কথা মনত পৰিলেই তাৰ ভিতৰৰ পৰা বুকু খুন্দিয়াই উশাহ ওলাই আহে অজানিতে, বুজিব নোৱাৰে ই বিষাদৰ নে আনন্দৰ। বৰ মৰম লগা আছিল তাৰ মাক। বৰ মৰম কৰিছিল। ৰুগীয়া মাকৰ আলপৈচান ধৰিবলৈ ঘৰখনত দ্বিতীয়জন নাছিল। ৰুগীয়া দেহাৰে বেচেৰী মানুহগৰাকীয়ে তাৰ বাবে তৰকাৰী, শাক, পিঠা বনাইছিল। দেউতাকৰ ওচৰত থাকিও সি মনৰ ওচৰত আহিব পৰা নাছিল। দেউতাকৰ বেয়া অভ্যাসবোৰে তাক তেওঁৰ পৰা বহু আঁতৰাই আনিছিল।

পুৰণা ভেটিৰ ঘৰটো এতিয়া উৰলি গৈছে, তাৰ মনৰ মাজত থকা মাকৰ স্মৃতিখিনিৰ বাহিৰে আৰু একোৱেই নাই। চাইকেলখন ঠেলি ঠেলি পদুলিমুখলৈ উলিয়াই সি পেডেলটোত ভৰি দিলে। বহুত দিনৰ মূৰত সি চাইকেল চলাইছে লাহে লাহে সি গতি বঢ়াই গৈছে। লুংলুঙীয়া মাটিৰ পথটো ডাঙৰ হ'ল, পকী হ'ল, অলপ দূৰ গ'লেই সি নতুনকৈ সজা ৰাষ্ট্ৰীয় পথটো উঠিব আৰু তাৰ পৰা কিছুদূৰ গ'লেই সি গৈ পাব যোগীবাবাৰ আশ্ৰম। তাৰ বাল্যকালৰ অতিকৈ প্ৰিয় ঠাইখন আৰু মাংৰীহু মনটো পুলকিত হৈ উঠিল। পথটোৰ লগতে সংলগ্ন হৈ থকা চাহ বাগিচাখনৰ পৰিসৰ কমাই ৰাষ্ট্ৰীয় ঘাইপথ বনোৱা হৈছে। য'ত কেৱল চৌধুৰী মহাজনৰ এখনেই গেলামালৰ দোকান আছিল তাত এতিয়া ডাঙৰ ডাঙৰ দোকান হ'ল। হোটেল হ'ল। অভয়াৰণ্যখনলৈ বহু পৰ্যটক অহা হ'ল। ঠাইখনে পৰিবৰ্তনক সকলো দিশৰ পৰাই আকোৱালি লৈছে। চাইকেলৰ গতি সি বঢ়াই গৈছে। ৰতনৰ মনটোৱে কিন্তু পুৰণা ধুনীয়া প্ৰাকৃতিক সৌন্দৰ্যবে ভৰপূৰ অঞ্চলটো বিচাৰি ফুৰিছে। তাৰ নয়ন জুৰিয়ে বিচাৰি ফুৰিছে সেই ফুলকুমলীয়া মাংৰীজনীৰ মুখখন আৰু যোগীবাবা। তীক্ষ্ণ গতিত তাৰ মনৰ কাঁড়ডাল যোগীবাবাৰ আশ্ৰমত টোকৰ মাৰিলে। ইছলাম ধৰ্মী আৰু চাহজনগোষ্ঠীৰ সংমিশ্ৰণৰ গাঁওখনত যোগীবাবা সকলোৰে বাবে আছিল এটা ৰহস্য। কোনোৱে কয় তেওঁ হেনো পুলিচৰ মানুহ, কোনোৱে আকৌ সন্দেহ কৰে ডাইনী বুলি মুঠতে সকলোৰে মনত এটা ৰহস্য সদায়ে থাকে। ইমান উজ্জ্বল আছিল যোগীবাবাৰ মুখখন প্ৰায় ৩০ বছৰ পাৰ হৈ গ'ল তথাপিও তাৰ এতিয়াও মনত আছে-যোগীবাবাৰ ঈশ্বৰ প্ৰদত্ত প্ৰাণোজ্জ্বল চেহেৰা, মুখখনত লাগি থকা শিশুসুলভ হাঁহি, বগা কাপোৰযোৰ আৰু গাট মেৰিয়াই ৰখা বগা কপাহী কাপোৰখন। মুখত সদায়ে পৰিস্ফুট হৈছিল এক অনাবিল আনন্দ কিবা যেন ঈশ্বৰৰ আশীৰ্বাদ পুষ্ট। সকলোৰে বাবে ৰহস্য যোগীবাবাজনক যেন ৰতনে কিছু হ'লেও বুজি পাইছিল। কিয়নো সকলোতকৈ বেছি সান্নিধ্য কিজানি সিয়েই পাইছিল। চাহবাগিছাখন য'ত শেষ হৈছে তাৰ পৰাই আৰম্ভ হৈছে পাহাৰখন। পাহাৰখনৰ দাঁতিতেই যোগীবাবাই নিজৰ আশ্ৰমখন বনাই লৈছিল। ইমান পৰিষ্কাৰ, ফলমূলৰে ভৰপুৰ আশ্ৰমখন তাৰ বাবে আছিল এক আনন্দৰ এক ভঁড়াল। ঘৰখনৰ দৰিদ্ৰতা, দেউতাকৰ গালি গালাজ, ৰুগীয়া মাকৰ ওপৰত কৰা দেউতাকৰ অত্যাচাৰ আদিৰ পৰা আঁতৰি থকাৰ এটা ঠাই সি বিচাৰি পাইছিল যোগীবাবাৰ আশ্ৰম। লাহে লাহে যোগীবাবাৰ লগত তাৰ সমন্ধ গাঢ় হৈ আহিল। যোগীবাবাই সি অহালৈ বাট চাই থাকে। আশ্ৰমখনত বিনাদ্বিধাই সি অনা-বনাই ঘূৰি থাকে, ফলমূলবোৰ খায়, ঘৰলৈ লৈ যায়। তেওঁৰ ওচৰত থকা সময়খিনি সি কি যে আনন্দ অনুভৱ কৰিছিল সি বুজাব নোৱাৰে। তেওঁ তাক বঙালী, অসমীয়া গান গাই শুনায়, জিকিৰ, নাম, বনগীত গায়, সাধু কথা কয়। কেতিয়াবা ঈশ্বৰৰ অপাৰ মহিমাৰ কথা কয়। গাঁৱৰ মানুহবোৰৰ ৰহস্যবোৰে তাক সাধুবাবাৰ সান্নিধ্যৰ পৰা আঁতৰ কৰিব পৰা নাছিল। তেওঁ তাক বুজাইছিল কেনেকৈ আত্মবিশ্বাস আৰু পৰমাত্মাৰ অগাধ বিশ্বাসে অসাধ্যকো সাধ্য কৰিব পাৰি। ঐশ্বৰিক শক্তিৰ মাহাত্ম্যৰ কথা কি বুজাইছিল। গাঁৱৰ মানুহ বিলাকে ভাবিছিল যোগীবাবাই কিবা যাদু জানে যাৰ সহায়ত সেই দুৰ্গম ঠাই ডোখৰত জীৱ-জন্তুৰে সৈতে তেওঁ সহবাস কৰিব পাৰিছিল। সিও ভাবিছিল। কিন্তু লাহে লাহে সি বুজিব পাৰিছিল যে একমাত্ৰ পৰমাত্মাৰ ওপৰত থকা তেওঁৰ দৃঢ় বিশ্বাস আৰু আত্মবিশ্বাসৰ বলতেই এই দুৰ্গম ঠাইত তেওঁ আশ্ৰম পাতি থাকিব পাৰিছিল। যোগীবাবাই পৰিকল্পনা কৰিছিল এখন আধ্যাত্মিক স্কুল খোলাৰ কথা। য'ত পঢ়া-শুনাৰ লগতে থাকিব আধ্যাত্মিক জ্ঞানৰ শিক্ষা। লাহেকৈ ৰতনে শৈশৰ আৰু যৌৱনৰ দোদুল্যমান অৱস্থাত উপস্থিত হৈছিল আৰু তাৰ মনৰ জগতখনত এইবোৰ কথাতকৈ বেলেগ বেলেগ বিষয়েহে স্থান লব ধৰিলে। যোগীবাবাই চৌধুৰী মহাজনৰ দোকানলৈ পঠিয়ালে ৰৱ ভাল পায় কিয়নো টেলিভিছনত ধুনীয়া ধুনীয়া হিন্দী গান চাবলৈ পায়। সি একান্তমনে চাই যায়, কিবা যেন অজান শিহৰণে তাৰ গাটো শিহৰিত কৰি তুলিছিল হয়তো সদ্য যৌৱনপ্ৰাপ্ত এটা ল'ৰা এয়া আছিল জৈবিক প্ৰতিক্ৰিয়া। যোগীবাবাৰ সান্নিধ্যতকৈ টেলিভিছনৰ ধুনীয়া ধুনীয়া ছোৱালীবোৰৰ লাহী লাহী শৰীৰৰ গঠনে তাক বেছি আকৰ্ষিত কৰিবলৈ ললে। মাংৰীজনীও দেখোন

টেলিভিছনৰ পৰ্দাত দেখা পোৱা ধুনীয়া ধুনীয়া ছোৱালীবোৰৰ নিচিনাই ধুনীয়া হ'বলৈ ধৰিছে। মাংৰীক দেখিলেই তাৰ শৰীৰত কিবা যেন এক বৈদ্যুতিক শিহৰণ পাৰ হৈ যায়।

মংৰীহঁতৰ ঘৰটো চাহবাগিছাৰ লাইনৰ একেবাৰে শেষৰ ঘৰটো। মাংৰী মোহন লাইন চৰ্দাৰৰ তো লনীয়া ছোৱালী। হেনো কোনোবা চাহাবৰ ছোৱালী নিজৰ কলংক ঢাকিবলৈ বোলে নলাত পেলাই থৈ গৈছিল। মোহন চৰ্দাৰে পাই তোলনীয়া ছোৱালী হিচাপে ডাঙৰ দীঘল কৰিছিল। ৰতনে সদায় মাংৰী স্কুললৈ অহা সময় খিনিত ৰাস্তাত অপেক্ষা কৰি থাকে। এদিন মাংৰীক নেদেখিলেই তাৰ মনটো কেনেবা কৰিবলৈ ধৰিলে। এদিন তাইক দেখা নাপালেই সি লুংলুঙীয়া পথটোৰে তাহাঁতৰ ঘৰৰ আগেদি ঘূৰি আহে, কিজানিবা কৰবাত দেখা পায়েই। লাজকুৰীয়া মাংৰীজনী বৰ ধুনীয়া। গাৰ ৰঙটো গাখীৰত সেন্দুৰ মিহলি কৰাৰ দৰে, চকুযুৰি সাগৰৰ পানীৰ দৰে নীলা, লাহী শৰীৰটো, সোণালী ৰৱণীয়া চুলি খিনি, ঠিক যেন যোগীবাবই কোৱা গল্পবোৰৰ পৰীজনীৰ নিচিনা। টেলিভিছনৰ পৰ্দাত দেখা চিনেমাৰ গানবোৰৰ নিচিনাকৈ মাংৰীক তাৰ ওচৰত পাবলৈ হেঁপাহ বাঢ়ি গ'ল।

ৰৱষুণ হ'লে মাটিৰ পথটো পাহাৰৰ ৰঙা বোকা-পানীৰে ভৰি পৰে। মাংৰীৰ বগা ভৰিৰ গেৰুৱা দুটা, কলাফুল দুটা ৰঙা মাটি লাগি আৰু সুন্দৰ কৰি তোলে। স্কুলৰ ইউনিফৰ্মযোৰে তাইৰো সদ্য যৌবনপ্ৰাপ্ত সৌন্দৰ্য্য খিনিক লুকুৰাবলৈ অপৰাগ। স্কুলৰ কিতাপ বহীবোৰ তাই খুউব জোৰকৈ সাবটি ধৰে। লাহে লাহে ৰতনে তাইক ওচৰৰ পৰা পাবলৈ হাবিয়াস গাঢ় হ'বলৈ ধৰিলে। সি সদায় মাংৰী স্কুলৰ পৰা উভতি অহা সময় খিনিত সিহঁতৰ ঘৰৰ ফালে যোৱা লুংলুঙীয়া পথটোত ৰৈ থকা হ'ল। কিবা এক অচিন শক্তিয়ে এদিন তাক তাইৰ পিচে পিচে লৈ গ'ল আৰু সেই অচিন শক্তিয়ে তাৰ মনৰ মাজত ক্ৰিয়া কৰিলে আৰু সি মাংৰীক পিছফালৰ পৰা জোৰকৈ সাৱতি ধৰিলে..... তাৰ পিছত মাংৰীৰ এক বিকট চিঞৰ আৰু তাৰ গাৰ ওপৰত প্ৰকাণ্ড প্ৰকাণ্ড হাত ভৰিৰ চৰ, গোৰ, গালি ..... ইয়াৰ পিছৰ খিনি তাৰ মনত নাই। সি যেতিয়া জ্ঞান পাইছিল সি নিজকে যোগীবাবাৰ আশ্ৰমত পাইছিল। কাষত বহি আছিল যোগীবাবা চকুত দুটোপাল চকুলো। ৰতনেও লাজতে তেওঁৰ মুখলৈ চাব পৰা নাছিল। ৰাতিপুৱাই সি তাৰ পৰা পলাই গুচি গৈছিল বহু দূৰলৈ। সেই যে সি গুচি গৈছিল আজি প্ৰায় ত্ৰিশ বছৰে তাৰ গাঁওখনলৈ সি উভতি চোৱা নাছিল। এই ত্ৰিশ বছৰে সি বহুতো নকৰিবলগীয়া কাম কৰিলে। দেউতাকৰ নিচিনা তাৰো সকলোবোৰ বেয়া অভ্যাসে তাক গ্ৰাস কৰিলে। তথাপি যেন সি মনটোক সুখ দিব পৰা নাই কিবা এটা যেন বিচাৰি আছে..... এক আনন্দ যোগীবাবা দৰে। ঘাই পথটোৰ পৰা সি চাইকেলখন যোগীবাবাৰ আশ্ৰমৰ ফালে গতি বঢ়াই দিলে। দূৰৈত মাংৰীহঁতৰ বস্তিটোৰ ঠাইত এটা পাঁচ মহলীয়া তিনি তাৰকাযুক্ত হোটেল বনোৱা হৈছে। ঠাইখনে নতুনত্বক আঁকোৱালি লৈছে বহুত হেঁপাহেৰে। যোগীবাবাৰ আশ্ৰমখন পৰিণত হৈছে এক এৰাবাৰীলৈ আৰু কেৱল আছে ভেটিটো আৰু কিছু কিছু গছ গছনি। ভেটিটোৰ মুখতে সি ৰোৱা নিমগছ ডালে প্ৰকৃতিৰ গৰম, ঠাণ্ডা, ধুমুহা, ৰৱষুণ আদি নেওচি আকাশ চুম্বী হোৱাৰ প্ৰয়াস কৰি গৈছে। হয়তো প্ৰকৃতিৰ নিয়মক কোনেও বাধা দিব নোৱাৰে। ৰতনে চাইকেলখন নিম গছজোপাত ভৰ দি ৰখাই দিলে। হয়তো পৰিৱৰ্তনৰ লগত খোজত খোজ মিলাব নোৱাৰি যোগীবাবা অৰ্ন্তধ্যান হৈ গৈছিল, হয়তো গতি কৰিছিল কোনোবা এক অচিন ঠাইলৈ। সি ভেটিটোত পৰি থকা জাবৰবোৰৰ এপদ এপদ কৈ উঠাই চাফা কৰি গ'ল, ওচৰতে থকা বাঁহনি জোপাৰ তলত পৰি থকা বাঁহ এডাল উঠাই আনি ভেটিটোত পুতি দিলে। .....

—

অদৃষ্ট

বিনীতা ৰাভা
গ্ৰন্থগাৰিক সহায়িকা

প্ৰতাপে হানাঘোঁৰা নচুৱাইছিল। মানুহৰ ঘৰৰ পদূলিয়ে পদূলিয়ে নচুৱাইছিল হানাঘোঁৰা। পদূলিৰ পৰা গৃহস্থই হনো ঘোঁৰাক চোতাললৈ আদৰি নিছিল। হানাঘোঁৰাৰ কাষে কাষে কমেও দুজন পালী থাকে। পালী দুজনে প্ৰতাপৰ নিৰ্দেশ মতে চলে। মানুহ দুজনে আৰম্ভণিৰে পৰা ঢাল-তৰোৱাল লৈ যুদ্ধৰ ভঙ্গীত নাচিবলৈ ধৰে। বিশেষকৈ ব'হাগ বিহুৰ সময়ত ঘোঁৰাৰ আকাৰত কাঠ আৰু বাঁহেৰে ইয়াৰ জুমুঠি এটা তৈয়াৰ কৰি কলা আৰু বগা ৰঙৰ তিনি তৰপীয়া কাপোৰেৰে মেৰিয়াই লৈ হানাঘোঁৰাক আকৰ্ষণীয় ৰূপত সজোৱা হয়। হানাঘোঁৰাৰ মুৰটো সাইলাখ ঘোঁৰাৰ দৰে নকৰি দুটা শিং থকা ছাগলীৰ দৰেহে সজাইছিল। শিং দুটাৰ ওপৰত কণী সিয়াই দিছিল আৰু মুৰত তেল-সিন্দুৰ পিন্ধাই দিয়াৰ পিছত হনোঘোঁৰাক ভয়ঙ্কৰ ৰূপত দেখা গৈছিল। ইয়াৰ পিছত প্ৰতাপে হানাঘোঁৰাৰ মাজত সোমাই পৰি তাক দাঙি লৈ নাচিবলৈ ধৰে। ঘোঁৰা নচুওৱা মানুহজনক (প্ৰতাপক) হানাঘোঁৰাৰ বাপেক বুলি কোৱা হয়। পালীবোৰে ৰণ শিঙা বজোৱাৰ দৰে শিঙা বজাই ৰজাই নৃত্য-গীত কৰে। এই নৃত্য-গীত চাবলৈ সকলোৱে বাউল হৈ পৰে। হানাঘোঁৰা গৃহস্থৰ চোতালত সোমাওঁতে এনেদৰে গীত গোৱা হয়-

('হানাঘোঁৰা' ৰাভা সকলৰ জনপ্ৰিয় লোক-কৃষ্টি)

আৰে লখাই লগৰীয়া
মাহী ঐ লিত্‌কু খাবা যাং
নালাগে তোৰ লিত্‌কু
মাহী ঐ হাতে ঢুকাল পাং।

এনেদৰে জাউৰিয়ে জাউৰিয়ে মন প্ৰাণ ঢালি গাইছিল। কেৱল গীত আৰু গীত। প্ৰতাপেও ভাগৰি পৰা নাছিল। গীত নাই নৃত্য কৰি চৌদিশ মুখৰিত কৰি তুলিছিল। সিহঁতৰ কণ্ঠত প্ৰাণ পাই উঠিছিল হানাঘোঁৰাৰ গীতবোৰ।

মানুহৰ ঘৰে ঘৰে গৈ এইদৰে হানাঘোঁৰা নচুৱাই মাজে মাজে সিহঁতে জোঙাত বনোৱা গোৱা মদো খাইছিল। মদৰ ৰাগীত ইহঁতে গিৰিপ্‌-গাৰাপ্‌কৈ নাচিছিল। এইদৰে স্ফূৰ্তি তামচাৰে দিনবোৰ অতিবাহিত হৈছিল।

প্ৰতাপৰ অৱস্থা ভাল নহ'লেও দুবেলা দুসাজ সুখেৰে খাইছিল। হানাঘোঁৰা নচুৱাই পোৱা ধনখিনিৰে ঘৰখনৰ জোৰা-টাপলি মাৰিছিল। তদুপৰি ঘৈণীয়েকেৰ ঘৰত, তৰ ঘৰত ভুই ৰুই, ধান দাই পইচা কেইটা মান গোটাইছিল। তাৰ ডাঙৰ লৰাই মেট্ৰিক পাছ কৰিলত ওচৰৰে কলেজখনত নাম লগাই দিছিল। অৱশেষত সি বি.এ.ডিগ্ৰীও লাভ কৰে। সৰু ছোৱালীজনীক গাঁৱৰে খেতিয়ক ল'ৰা এটালৈ বিয়া দিছিল। এইদৰে মুখে মুখে প্ৰতাপৰ সংসাৰখন চৰ্চা চলিছিল।

লাহে লাহে সি বুঢ়া হৈ আহিল। তাৰ দেহাই নটনা হ'ল। ঘৰখন আৰ্থিক অনাটনে আগুৰি ধৰিলে। হানাঘোঁৰা নচুৱা কামত ব্যস্ত থাকোঁতে ঘৰখন ভালদৰে চাব পৰা নাছিল সি। হানাঘোঁৰা নচুৱা কামটো কৰিবলৈও তাৰ দেহাই নটনা হ'ল। ইতিমধ্যে সি গম পাইছিল, তাৰ দেহটো এক অচিন ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ উপৰি তাৰ মাটি-বাৰী একেবাৰে নাছিল বুলি কলেও ভুল নাছিল। মাত্ৰ তাৰ ঘৰৰ ভেটিটোহে আছে। লৰাটোৰো চাকৰি বাকৰি নাই। তাৰ বেদনাদায়ক আৰু শীৰ্ণকায় শৰীৰৰ ভৰ সহিব নোৱাৰি সি এতিয়া ভাগৰি পৰিছে। কিবা এটা কৰাৰ প্ৰৱল ইচ্ছা থাকিলেও তাৰ দৈহিক দু�ৰৱস্থাই বাধা দিছিল।

এদিন সি শুনিবলৈ পাইছিল যে, অসমৰ সীমান্ত অঞ্চলত তাহাঁতৰ ওচৰৰে কিছুমানলোকে গৈ মাটি-বাৰী কম দামতে কিনি অথবা দখল কৰি নিগাজীকৈ থাকিবলৈ লৈছে। কথাটো জানিব পাৰি প্ৰতাপেও তালৈ যোৱাৰ বাবে এক প্ৰকাৰ সিদ্ধান্ত লৈ পেলাইছিল। তালৈ গৈ সিও মাটি-বাৰী দখল কৰি খেতি-বাতি কৰি থাকিবলৈ লৈছিল। তাৰ শৰীৰৰ ভালে নাথাকিলেও খেতিখিনি সি ভালদৰে চলাই নিব বিচাৰিছিল। নিজৰ গাওঁখন এৰি যোৱাৰ পিছত হানাঘোঁৰা নচুৱা কামটো সি এক প্ৰকাৰ পাহৰি পেলাইছিল। চাকৰি বাকৰি নোহোৱা ল'ৰাটোৱেও খেতিৰ কামত বাপেকক সহায় কৰিবলৈ মনোনিৱেশ কৰিছিল। লাহে লাহে ঘৰখন উঠিছিল। পান-তামোলৰ গছ আৰু বাঁহনিৰে বাৰীখন চালে চকুত ৰোৱা হৈছিল। দিন সুখেৰে পাৰ হৈছিল।

নতুনকৈ গঢ়ি উঠা সিহঁতৰ গাওঁখন। প্ৰায় দুশ ঘৰ মানুহে লগ লাগি গাওঁখন গঢ়ি তুলিছিল। বিস্তীৰ্ণ পথাৰৰ মাজে মাজে এটি সৰু ৰাস্তা। এই সৰু ৰাষ্টাৰ মূৰতে সিহঁতৰ আদৰ্শ গাওঁখন। নামো দিছিল 'আদৰ্শ গাওঁ'। সহজ সৰল অথচ পৰিশ্ৰমী মানুহবোৰৰ খেতি পথাৰখন সেইজীয়া হৈ উঠিছিল। গাওঁখনৰ কাষে কাষে এখন সৰু নৈ। আদৰ্শ গাঁৱৰ মানুহবোৰে নৈখনৰ ওপৰত এখন কাঠৰ দলং সাজিছিল। দলংখনত সুন্দৰকৈ মাটিতেল সানি গধূলি পৰত গাঁৱৰ মানুহে আউজি বা বহি সুখ-দুখৰ কথা পাতিব পৰাকৈ ব্যৱস্থা কৰিছিল। গাঁৱৰ মাজভাগতে নামঘৰটো। ঘৰৰ সমুখে সমুখে শেৱালি গছ। পদূলিয়ে পদূলিয়ে শেৱালি ফুলৰ সুবাস সিঁচৰতি হৈ পৰিছিল। গাঁৱৰ মাজে মাজে চতিয়না গছ। গছৰ ফুলবোৰ ফুলিলে সেই ফুলৰ তীব্ৰ গোন্ধ চৌদিশ বিয়পি পৰে।

ঘিট্‌ঘিট্‌ এন্ধাৰ। মধ্য ৰাতি। গাঁওখন যেন শুই আছে। শুই আছে মানুহবোৰ এন্ধাৰৰ বুকুত। নিশা কুকুৰবোৰে পহৰা দিয়া কাম কৰি আছে। প্ৰথমতে এটা কলা ভতুৱাৰ ভুক্‌-ভুকনি। তাৰ পিছতে জাউৰিয়ে জাউৰিয়ে কুকুৰৰ ভুকনি। এন্ধাৰ ৰাতি গাঁওখনলৈ চাৰিও ফালে কোনোবাই আগুৰি ধৰিছে যেন অনুমান হৈছে। সীমান্তৰ সিপাৰৰ পৰাই গাওঁখনলৈ সোমাই আহিছে মানুহবোৰ। কাৰবাৰ ঘৰত জুই লগাই দিছে। কোনোবাক আকৌ ডিঙিত ধৰি ঘৰৰ পৰা গঁতিয়াই বাহিৰলৈ উলিয়াই আনিছে। মাইকী মানুহবোৰ আতংকিত হৈ পৰিছে। প্ৰতাপে শুই থকা বাঁহৰ চাংখনৰ পৰাই মানুহমখাৰ চিঞৰ-বাখৰ শুনিবলৈ পাইছে। সি তৎক্ষণাৎ শোৱাৰ পৰা বাহিৰলৈ ওলাই আহিল। দেখিলে জুইৰ পোহৰত মানুহমখাই লাঠি, দা লৈ এফালৰ পৰা খেদি আহিছে সিহঁতৰ গাওঁখনলৈ। চিঞৰ-বাখৰে গাওঁখন ভয়াল কৰি তুলিছে। এফালৰ পৰা গাঁৱৰ মানুহবোৰে দূৰণিৰ গাঁৱলৈ দৌৰিছে। মানুহবোৰ কলৈ দৌৰিছে প্ৰতাপে নাজানে। পুত্ৰ পৰিবাৰৰ সৈতে সিও দৌৰিছে তাৰ শীৰ্ণকায় আৰু শোটোৱা পৰা দেহটোৰে। নিমিষতে ভয়াবহ দুঃস্বপ্নৰ দৰে ঘটনাবোৰ ঘটিছিল। লেই-সেই হৈ পৰা তাৰ দেহটোৰে সি দৌৰিব পৰা নাছিল। এন্ধাৰত সি আধা বাট যাওঁতেই লুটি খাই পৰিছিল। তাৰ পিছত সি একো ক'ব নোৱাৰে। ৰাতিপুৱাহে সি সম্বিৎ ঘূৰাই পালে। এইখন আশ্ৰয় শিবিৰ। পুতেকৰ সৈতে পৰিবাৰক দেখা পাই তাৰ মনটো যেনিবা অলপ ভাল লাগিল।

জোনাক নিশা। আশ্ৰয় শিবিৰৰ চোতালখন জোনাকে পোহৰাই পেলাইছে। থৰক-বৰক দেহাৰে সি বিচনাৰ পৰা উঠি আহিল আৰু সিহঁতে থকা আশ্ৰয় শিবিৰৰ কোঠাৰ গবাক্ষেৰে পূবদিশত থকা সিহঁতৰ আদৰ্শ গাঁওখনলৈ দৃষ্টি নিক্ষেপ কৰিলে। এৰা সি যেন দেখিবলৈ পাইছে তাহাঁতৰ সেইজীয়া গাঁওখন। পূৰ্ণিমাৰ জোনৰ পোহৰত সিহঁতৰ শূন্য গাঁওখন জিলিকি উঠিছে। নিমিষতে তচ্‌নচ্‌ হৈ গৈছিল সুন্দৰকৈ সজোৱা আদৰ্শ গাঁওখন, সিহঁতৰ ঘৰ, পৰিচয়। ৰাউচি জুৰি তাৰ কান্দিবৰ মন গ'ল। বলিয়া বানৰ দৰে তাৰ দুচকুৰে পানী উপচি পৰিল। অনেক পুৰণা স্মৃতিয়ে তাৰ মনটোক থকা-সৰকা কৰিব ধৰিলে।

—

চাকৰি

মিন্টু ঠাকুৰীয়া
কনিষ্ঠ সহায়ক, দিশপুৰ মহাবিদ্যালয়

খিৰিকীৰ ফাঁকেৰে ৰ'দৰ ৰেঙণি আহি অংকুৰৰ চকুত পৰিছে। তথাপি শৰতৰ আমেজ লৈ অংকুৰে বিছনাৰপৰা উঠি যোৱা নাই। তেনেতে দুৱাৰত ঢকিয়াই ঢকিয়াই মাকে মাত লগালে-"অংকুৰ .... শুই উঠিবিনে আজি? আঠ বাজিল।" মাকৰ মাত শুনি অংকুৰে খৰধৰকৈ উঠি ঘড়ীটোলৈ চালে। তাৰ পিছত লৰালৰিকৈ মুখ-হাত ধুই বায়েকে বনাই থোৱা চাহ-জলপান খালে। যোৱা বছৰ প্ৰথম বিভাগত স্নাতক পাছ কৰি উঠি অংকুৰে টকাৰ অভাৱত ইচ্ছা থকা সত্ত্বেও স্নাতকোত্তৰত নাম লগাব নোৱাৰিলে। সেয়েহে ক'ৰবাত কিবা এটা কৰিব পাৰিব বুলি ভাবি কম্পিউটাৰৰ পাঠ্যক্ৰম এটাত নামভর্ত্তি কৰিছিল। আজি তাৰ কম্পিউটাৰ পাঠ্যক্ৰমৰ পৰীক্ষা। অংকুৰে লৰালৰিকৈ কাপোৰযোৰ পিন্ধি ললে। কাপোৰ যোৰ পিন্ধি আকৌ বায়েকক মাত লগালে- "অ' বা... বা.. মোৰ চোলাটোচোন হাতৰ বুটামটো চিঙি আছে, লগাই দিছোন।" বায়েকেও খৰধৰকৈ আহি চোলাটো হাতত লৈ ক'লে - "ভাইটি, তোৰ চোলাটো চিলাব পৰাকৈ একে ৰঙৰ সূতা নাই, বেলেগ হ'লে হ'বনে?" এই বুলি কৈ ভায়েকৰ উত্তৰলৈ বাট নাচাই ৰঙা সূতাৰে বগা চোলাটোৰ বুটাম লগাই দিলে। চোলাটো পিন্ধি বাটে বাটে সি বুটামকেইটা লগাই গ'ল আৰু মাকক চিঞৰি কৈ

গ'ল- "মোৰ অহাত অলপ দেৰি হ'ব মা।" অংকুৰৰ কম্পিউটাৰ পাঠ্যক্ৰম শেষ হোৱা তিনিমাহমান হ'ল। মাজে মাজে কিছুমান চাকৰিৰ বাবে সাক্ষাৎকাৰ দিয়ে কিন্তু খবৰ অহা নাই কোনোফালৰ পৰা। এদিন অংকুৰৰ লগৰ ল'ৰা মণিৰাজে অংকুৰক ফোন কৰি ক'লে - "অই অংকুৰ তই যদি এনেই ঘৰতে বহি আছ, তেনেহ'লে আমাৰ অফিচত ল'ৰা এজন দৰকাৰ হৈছে। দৰমহা তোৰ যোগ্যতা হিচাপে নাপাবি, তথাপি তই ইচ্ছা কৰিলে মই ছাৰক ক'ব পাৰো।" অংকুৰে লগে লগে সন্মতি দিলে। কাৰণ দেউতাক হ'ল এজন চতুৰ্থ বৰ্গৰ কর্মচাৰী। কোনোমতে ঘৰখন চলি আছে। তাতে আকৌ বায়েকক বিয়া দিবলৈ আছে। মানুহে কথাতে কয় বোলে "ছোৱালী কুৰিতে বুঢ়ী। বেমাৰ আজাৰতো বাদেই। সেয়েহে অংকুৰক এতিয়া পইছাৰ যথেষ্ট দৰকাৰ। যিমানে দিন গৈ আছে অংকুৰৰ দায়িত্ববোৰও বাঢ়ি গৈ আছে। অংকুৰে পিছদিনাই গৈ মণিৰাজক লগ ধৰি কামটো ঠিকঠাক কৰিলে। টকা-পইছাৰ অভাৱে অংকুৰৰ ঘৰখন জুৰুলা কৰিলেও কিন্তু তাৰ স্বভাৱটো জুৰুলা কৰিব পৰা নাছিল। অংকুৰ আছিল সহজে বিশ্বাস দিব পৰা এজন সহজ সৰল অমায়িক ল'ৰা। লগ সমনীয়াৰ লগতো হাঁহি-ধেমালি কৰি থাকে বাবে তাক সকলোৱে ভাল পায়।

অংকুৰৰ কাম কৰা প্ৰায় দুবছৰমান হ'ল। যিখিনি পইছা পায় সেইখিনিৰ পৰা এটা অংশ সি বেংকত জমা থয় ভৱিষ্যতৰ কাৰণে। এনেকে কিছু ধন সি সাঁচিছে। ঘৰত বায়েকৰ বিয়াৰ কথা ওলাইছে। সেয়েহে দেউতাক আৰু অংকুৰৰ সাঁচতীয়া ধনখিনি লগ কৰি বায়েকৰ বিয়াখন খেদোৱাৰ বাবে অংকুৰে চিন্তা কৰিলে। এদিন আবেলি গোটেইকেইজন লগ কৰি বায়েকৰ বিয়াখন খেদোৱাৰ বাবে অংকুৰে চিন্তা কৰিলে। এদিন আবেলি গোটেইকেইজন একেলগে বহি কথা পাতি আছিল। অংকুৰৰ দেউতাকে কথাৰ মাজতে ক'লে -"আমাৰ গাঁৱৰ বৰুৱা মাষ্টৰৰ পুতেক ৰমেনক আজি লগ পাইছিলোঁ। সি চহৰত ৰে'লৰে বিভাগৰ ডাঙৰ অফিচাৰ। পইছা অলপ দিব পাৰিলে অংকুৰৰো চাকৰি এটা হোৱা কৰি দিব পাৰিব বুলি কৈছে। এতিয়া তাকেই চিন্তা কৰিছো কি কৰোঁ।" অংকুৰে ক'লে - "নাই নাই দেউতা মই যেনেকৈ আছোঁ তেনেকৈই ভাল। আৰু এইবোৰ চব একো একোটা বদ্‌মাচ। চাকৰিৰ নামত পইছা লয়। কোনে ক'ৰপৰা কিমান আশাত চাকৰিৰ নামত পইছা দিয়ে সিহঁতে এবাৰো চিন্তা নকৰে।" তেতিয়া বায়েকে মাত লগাতে- "ভাইটি, তোৰ চাকৰিটো হ'লে ঘৰখনো বাচিব আৰু মোৰ বিয়াখনো দিব পাৰিবি। আৰু তোৰো এটা ভাল ভৱিষ্যৎ হোৱাটো আমি বিচাৰোঁ।" তেনেকৈ ঘৰৰ গোটেইকেইজনে জোৰ কৰাত অংকুৰে পইছা দিবলৈ মান্তি হ'ল। দেউতাক আৰু অংকুৰৰ গোটেইখিনি জমা পইছা চাকৰিৰ নামত ৰমেন বৰুৱাক পিছদিনাখন পুৱাই অংকুৰৰ দেউতাকে দি আহিল। অংকুৰৰ দুগালে চকুলো বাগৰি আহিল। এতিয়া সি বায়েকক কেনেকৈ বিয়া দিব, পইছাখিনি গোটেই শেষ হ'ল। তাৰ নিজৰো এদিন বিয়া পতা সময় আহিব। বিভিন্ন চিন্তাই তাক আগুৰি ধৰিলে। দেউতাকে তাক যথেষ্ট বুজনি দিয়াতহে সি অলপ স্থিৰ হ'ল। এনেকৈ দিন বাগৰি আছে আৰু অংকুৰৰ চাকৰিৰ আশা আৰু বায়েকৰ বিয়াৰ চিন্তা সমানে বাঢ়ি গৈ আছে।

অংকুৰে অফিচত নিজৰ কামখিনি নিয়াৰিকৈ কৰে আৰু দায়িত্বশীল হোৱা বাবে অফিচাৰে বৰ মৰম কৰে। অংকুৰৰ কামৰ বোজা বাঢ়ি যোৱাত অফিচত আৰু এজন কর্মচাৰীৰ দৰকাৰ হ'ল। অংকুৰে কথাটো গম পাই অফিচাৰৰ লগত কথা পাতি তাৰ বান্ধৱী নীলাক্ষিক সেই অফিচতে কাম কৰাৰ সুবিধা কৰি দিলে। নীলাক্ষি আৰু অংকুৰ ভাল বন্ধু-বান্ধৱী। লগতে নীলাক্ষিৰ বাবে অংকুৰৰ হৃদয়ত যথেষ্ট ভালপোৱা, কিন্তু প্ৰকাশহে কৰিব পৰা নাই। কেতিয়াবা কেতিয়াবা অংকুৰে নীলাক্ষিক কয়- "জানা নীলাক্ষি, চাকৰিটো স্থায়ী নোহোৱা বাবে আশাবোৰ পূৰণেই কৰিব নোৱাৰো।" নীলাক্ষিয়ে হুমুনিয়াহ কাঢ়ি কয়- "মানুহৰ আশাবোৰ অসীম, ই কেতিয়াও শেষ নহয়, গতিকে চিন্তা নকৰিবা সময়ত সকলো থিক হ'ব।" নীলাক্ষিৰ বুজনিত সি কিছু সকাহ পায়। নীলাক্ষিৰ প্ৰতি অংকুৰৰ অবুজ ভালপোৱা, সেয়েহে নীলাক্ষিৰ সৈতে সি তাৰ ভৱিষ্যত চিন্তা কৰিব বিচাৰে। অংকুৰে এদিন ভয় ভয়কৈ নীলাক্ষীক প্ৰেমৰ প্ৰস্তাৱ দিলে। সি নীলাক্ষীৰ প্ৰতি থকা সকলো ভাৱ তাইৰ আগত কৈ দিলে। তাৰ পিছত "তুমি বা কি কোৱা জনাবাচোন" বুলি কৈ তাইৰ ওচৰৰ পৰা গুচি গ'ল। তাৰ পিছত নীলাক্ষি দুদিন অফিচলৈ অহা নাই। ফোন কৰি নহাৰ কাৰণ সুধিবও অংকুৰৰ ভয় লাগিছে। তিনিদিনৰ দিনা নীলাক্ষি অফিচলৈ আহিল। অংকুৰে ভয় ভয়কৈ সোধো নোসোধোকৈ সুধিলে - "তুমি মোক বেয়া পাই আৰু অফিচলৈ নাহিবা বুলিয়ে ভাবিছিলো।" নীলাক্ষিয়ে ক'লে- "নাই তেনেকুৱা নহয়, দেউতাৰ গাটো অলপ বেয়া আছিল বাবে আহিব পৰা নাছিলো।" নীলাক্ষিয়েও অংকুৰৰ কথা-বতৰা স্বভাৱ চৰিত্ৰ ভাল পাইছিল। আৰু ভৱিষ্যৎ চলাৰ বাবে যদিও দুয়োজনৰ স্থায়ী চাকৰি নহয় তথাপি চলি যাব পাৰিব বুলি বিশ্বাস ৰাখি অংকুৰৰ প্ৰস্তাৱত সন্মতি দিছিল। নীলাক্ষি আৰু অংকুৰৰ সম্পর্ক ভালদৰেই আগবাঢ়িল। ইফালে অংকুৰৰ ঘৰখনক বিভিন্ন চিন্তাই

আগুৰি ধৰিলে। ৰমেন বৰুৱাই চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে পইছা নিয়া বহু দিনেই হ'ল। অংকুৰৰো হতাশা বাঢ়ি গৈ থাকিল। অংকুৰৰ দেউতাকে বেংকৰ পৰা ঋণ এটা লৈ অংকুৰৰ বায়েকৰ বিয়াখন পাতিবলৈ ঠিৰাং কৰিলে। বায়েকৰ বিয়াখন বিভিন্ন অসুবিধাৰ মাজেৰে পাৰ হৈ গ'ল। চাকৰিৰ কথা ভাবি অংকুৰৰ মাজে মাজে টোপনি নাহে। অংকুৰৰ মাক আৰু দেউতাকৰ শাৰীৰিক অৱস্থাও বৰ্তমান ভাল নহয়। গতিকে বেমাৰৰ নামতো সাঁচতীয়া ধনখিনি শেষ হয়।

মাজতে এটি খবৰ আহিল। অংকুৰৰ অফিচত এটা পদ খালী হৈছে। কিন্তু পদটো অনুসূচিত জাতিৰ বাবে সংৰক্ষিত হোৱা বাবে অংকুৰে আবেদন কৰিব নোৱাৰিলে। কাৰণ সি সাধাৰণ শ্ৰেণীৰ। কিন্তু নীলাক্ষি অনুসূচিত জাতিৰ হোৱা বাবে তাই আবেদন কৰি চাকৰিটো পালে। চাকৰিটো স্থায়ী হোৱাত নীলাক্ষিৰ লগতে অংকুৰৰো বৰ আনন্দ। অংকুৰে মনে মনে ভাৰিলে যে তাৰ চাকৰিটো নহ'লেও নীলাক্ষিৰ হৈছে যিহেতু অলপ সকাহ হ'ব ভৰিষতে। নীলাক্ষিৰ চাকৰিটো হোৱা কেইদিনমান পিছত তাই অফিচত ভোজভাতৰ আয়োজন কৰিছিল। অংকুৰেও কাম-বন কৰি সহায় কৰি দিছিল। হঠাৎ অংকুৰৰ মাকে ফোন কৰিলে - "অংকুৰ তই সোনকালে আহ, দেউতাৰৰ কিবা হৈছে।" অংকুৰ লৰালৰিকৈ ঘৰ আহি দেখে যে দেউতাকৰ অৱস্থা অতিশয় বেয়া। সি এম্বুলেন্স এখন ঠিক কৰি দেউতাকক চহৰলৈ লৈ গ'ল। চহৰৰ হস্পিতালত ডাক্তৰে দেউতাকৰ হার্টৰ অসুখ হোৱা বুলি ক'লে আৰু অস্ত্রোপচাৰৰ বাবে প্ৰায় পাঁচ লাখ মান টকাৰ প্ৰয়োজন হ'ব বুলি ক'লে। অংকুৰৰ বন্ধু মণিৰাজে তাক কিছু টকা দি সহায় কৰিলে আৰু লগতে আন আন বন্ধুবোৰেও যিখিনি পাৰে সহায় কৰিলে। তথাপি পইছাৰ প্ৰয়োজন হোৱাত অংকুৰে খেতিৰ মাটি যিখিনি আছিল গোটেইখিনি বন্ধকত থ'লে। কোনোমতে দেউতাকৰ অস্ত্রোপচাৰ কৰি অংকুৰে দেউতাকক কেইদিনমান পিছত ঘৰলৈ লৈ আহিল। এতিয়া অংকুৰৰ চিন্তা আৰু বাঢ়িল। কাৰণ দেউতাকক মাহেকত বহুত টকাৰ ঔষধ লাগে। সি ঠিৰাং কৰিলে যে ৰমেন বৰুৱাক সি চাকৰিৰ বাবে দিয়া টকাখিনি খুজিব। সেইমতে সি গধূলি ৰমেন বৰুৱাৰ ঘৰত গৈ কথাখিনি ক'লে। পইছাখিনি অংকুৰক তেওঁ ঘূৰাই দিব বুলি ক'লে। তেনেকৈ আৰু কিছুদিন গ'ল কিন্তু পইছা ঘূৰাই দিয়াৰ নাম নললে। পইছাখিনি পোৱাৰ আশাত থাকি অংকুৰ অধৈর্য হৈ পৰিল। কিছুদিনৰ পিছত অংকুৰে ৰমেন বৰুৱাক লগ ধৰি ক'লে - "দাদা মোক চাকৰি নালাগে, মোৰ পইছাখিনি ঘূৰাই দিয়ক, অনুৰোধ কৰিছোঁ আপোনাক, নহ'লে মই দেউতাক বচাব নোৱাৰিম।" ৰমেন বৰুৱাই অংকুৰক ক'লে- "কিহৰ পইছা? কোনে দিছিলে? কি প্ৰমাণ আছে তোৰ মোক পইচা দিয়াৰ?" অংকুৰ হতবাক হ'ল। সিহঁতৰ মাজত কিছুসময় তৰ্কাতৰ্কি হোৱাৰ পিছত অংকুৰে ৰমেন বৰুৱাৰ লগত মাৰ-পিতত লিপ্ত হয়। ইফালে নীলাক্ষিয়ে এই সকলোখিনি দূৰৰ পৰাই দেখি আছিল। পিছদিনা অংকুৰ অলপ দেৰিকৈ অফিচলৈ গ'ল। মুখত খং ভাব। নীলাক্ষিয়ে কিন্তু তালৈ এবাৰো চোৱা নাই। তাৰ আৰু বেচিকৈ খং উঠিল। সি নিজেই নীলাক্ষিক ক'লে- "কি হ'ল, তুমি মোক মতানাই কিয়?" নীলাক্ষিয়ে উত্তৰ দিলে- "আজি অফিচ ছুটী হ'লে অলপ দৰকাৰী কথা আছে তোমাৰ লগত। বৈ দিবা অলপ।" অফিচ ছুটী হোৱাত অংকুৰে অফিচৰ বাহিৰত বৈ আছিল নীলাক্ষিৰ বাবে। নীলাক্ষি ওলাই অহাৰ লগে লগে সি নিজেই আগবাঢ়ি গৈ ক'লে- "বলা আগতে চাহ খাই লওঁ। তাৰ পিছত তোমাৰ কথাখিনি ক'বা?" সি হাঁহি হাঁহি ক'লে। সি অলপ বৈ আকৌ ক'লে- "তুমি যে কেতিয়া আমাৰ ঘৰলৈ গৈ ভাত বান্ধিবা, কেতিয়া যে তোমাৰ হাতৰ ভাত খাবলৈ পাম... দেউতা অলপ সুস্থ হ'লেই আমি বিয়াৰ কথা পাতিম... বাইদেউৰ বিয়াখন হৈ গ'ল যেতিয়া চিন্তা নাই আৰু।" নীলাক্ষিয়ে তালৈ চাই ক'লে- "অংকুৰ তোমাৰ এইবোৰ কথা শুনিবলৈ মই তোমাক মতা নাই।" অংকুৰ আচৰিত হৈ তাইৰ ফালে চালে আৰু সুধিলে- "কি কৈছা তুমি? কিয় তেনেকৈ কৈছা?" নীলাক্ষিয়ে পুনৰ ক'লে- "চোৱা অংকুৰ, তোমাক মই যি বুলি ভাবিছিলো আচলতে তুমি সেয়া নহয়। কালি হৈ যোৱা ঘটনাটো মই দেখিছো। তুমি তেনেকৈ মাৰপিত কৰি কাজিয়া কৰা ল'ৰা বুলি মই ভবা নাছিলো।" অংকুৰে নীলাক্ষিৰ চকুত চকু থৈ ক'লে- "নীলাক্ষি ..... please মোক বুজিব চেষ্টা কৰা। মই যে তোমাক চাকৰিৰ নামত পইছা দিয়া বুলি কৈছিলো, সেইজন মানুহকে দিছিলো, কিন্তু তেওঁ আমাক ঠগিলে।" নীলাক্ষিয়ে আকৌ ক'লে - "আমি ৰমেন বৰুৱাক জানো ভালদৰে, তেওঁ এজন ভাল মানুহ। তুমি তেওঁক বদনাম কৰিবলৈ চেষ্টা নকৰিবা আৰু শুনা মই আৰু এটা কথা ভাবিছো....।" অংকুৰে আগ্ৰহৰে সুধিলে - " কি... কি..... সোনকালে কোৱা।" নীলাক্ষিয়ে ক'লে- "তোমাৰ লগত মই বিয়া হ'ব নোৱাৰিম। তোমাৰ বৰ্তমান কৰি থকা চাকৰিটোৰ কি ভাৰসা আছে? মই এনেকৈ তোমাৰ লগত আৰু আগবাঢ়িব নোৱাৰিম। মোৰ দৰে স্থায়ী চাকৰি থকা ছোৱালীৰ লগত তোমাৰ standard মিলিব জানো? আৰু ঘৰৰ পৰাও তোমাৰ লগত বিয়া দিবলৈ আপত্তি কৰিছে।" অংকুৰৰ দুগালে চকুলো নিগৰি গ'ল। থোকাথুকি মাতেৰে অংকুৰে নীলাক্ষিক ক'লে- "হ'ব

নীলাক্ষি, মই বুজি পাইছো। মোৰেই ভুল হ'ল। আৰু এটা শব্দও নক'বা please" নীলাক্ষিয়ে তথাপি ক'লে- "শেষবাৰৰ বাবে ক'লো, মোক ভৰিষ্যতে disturb নকৰিবা, মোৰ বিয়া ঠিক হৈছে, অহা ফেব্ৰুৱাৰীত মোৰ বিয়া" বুলি কৈ তাই তাৰপৰা আঁতৰি গ'ল। অংকুৰৰ এনেকুৱা লাগিল যেন কম সময়ৰ ভিতৰতে বহুত কিবাকিবি ঘটি গ'ল। এনেকৈ দিন বাগৰি থাকিল আৰু অংকুৰৰ কামত মন নবহা হ'ল। অংকুৰৰ বন্ধু মণিৰাজে তাক বহুত বুজাই পৰাই বহুখিনি উৎসাহ দিলে। অংকুৰে লাহে লাহে নিজকে বুজাব চেষ্টা কৰিলে। ইফালে নীলাক্ষিৰ বিয়াৰ কথা গম পাই অংকুৰৰ বায়েকে তাক সুধিছিল সিহঁতৰ সম্পৰ্কটোৰ কথা। তেতিয়া অংকুৰে নীলাক্ষিক একো দোষ নিদিয়াকৈ উত্তৰ দিছল- "মই নিজেই ক'লো তাইক বিয়া নাপাতো বুলি। সেয়েহে তাই আঁতৰি গ'ল।" কথাষাৰ কৈ বুকুত এটা বিষ অনুভৱ কৰিছিল অংকুৰে।

এবছৰমান পাৰ হ'ল। অংকুৰৰ বন্ধু মণিৰাজে অংকুৰক যথেষ্ট সহায় কৰে আৰু লগতে তাক যথেষ্ট উৎসাহ দিয়ে। কাৰণ অংকুৰৰ গোটেইখিনি কথা মণিৰাজে জানিছিল। মণিৰাজে অংকুৰহঁতৰ ঘৰলৈ গ'লে অংকুৰৰ মাকে মণিৰাজৰ আগত অংকুৰৰ বিয়াখনৰ কথা পাতে। বায়েকেও চিন্তা কৰিছে কথাটো। তেনেদৰে আলোচনা কৰি বায়েকে অংকুৰৰ বাবে এজনী ছোৱালী উলিয়ালে। এদিন ঘৰৰ আটাইবোৰ লগ হৈ মণিৰাজকো লগত লৈ অংকুৰৰ বাবে ছোৱালীজনী চাবলৈ গ'ল। মণিৰাজে মাজে মাজে অংকুৰক চিকুটিয়াই দি জোকাই গৈছে ৰাস্তাত। ছোৱালীজনীৰ ঘৰখনে অংকুৰহঁতক জানেই, কাৰণ ছোৱালীৰ দেউতাকে অংকুৰৰ দেউতাকক মাজে সময়ে বজাৰত লগ পাই চিনাকি হৈছিল। ছোৱালীজনীৰ নাম আছিল জাহ্নবী। সকলোৱে অংকুৰৰ লগত জাহ্নবীক চিনাকি কৰি দিলে। মণিৰাজে দুয়োকে অলপ কথা পাতিবলৈ সুযোগ দিলে। অংকুৰে জাহ্নবীক ঘৰৰ কথা সকলো খোলাখুলিকৈ ক'লে। তাৰ পিছত জাহ্নবীক সুধিলে- "মোৰ বিষয়ে আৰু কিবা জানিব বিচাৰা নেকি?" জাহ্নবীয়ে লাজুকীয়া হাঁহি এটা মাৰি উত্তৰ দিলে - "মই আপোনাৰ বিষয়ে চব্ জানো। Boys School ৰ ক্লাছ ফাইভৰ পৰা ক্লাছ টেনলৈকে continue 1st position পোৱা ল'ৰাজন আপুনিয়েই নহয় জানো?" অংকুৰে আচৰিত হৈ সুধিলে- "আৰে তুমি কেনেকৈ জানিলা?" জাহ্নবীয়ে আকৌ উত্তৰ দিলে- "মই আপুনি পঢ়া স্কুলখনৰ ওচৰৰ ছোৱালী হাইস্কুলখনত পঢ়িছিলোঁ। ইংলিছৰ টিউচন ছাৰে সদায় আপোনাৰ উদাহৰণ দি দি আমাক পঢ়াইছিল। আখৰবোৰ হেনো আপোনাৰ দৰে পৰিপাটী হ'ব লাগে।" অংকুৰৰ মনে মনে হাঁহি উঠিল। অংকুৰে অলপ গহীন হৈ ক'লে- "চোৱা, মোৰ চাকৰিটো হোৱা নাই, অস্থায়ী চাকৰি এটাহে কৰি আছো। যোগ্যতা নথকা বুলি মই নকওঁ। কিন্তু বিয়াৰ কথা চলিছে যেতিয়া সকলো কথা খোলাখুলিকৈ কৈ দিয়াই ভাল।" জাহ্নবীয়ে তলমূৰ হৈ উত্তৰ দিলে- "মানুহ সুখী হ'বলৈ বহুত টকাৰ প্ৰয়োজন নাই। মাত্ৰ সুখী হ'বলৈ জানিলেই হ'ল। মোৰ কোনো আপত্তি নাই। আৰু আপোনাৰ যোগ্যতা আছে যিহেতু আপুনি চেষ্টা এৰি নিদিব। এদিন নিশ্চয় সফল হ'ব।" জাহ্নবীৰ কথাখিনিয়ে অংকুৰৰ মন চুই গ'ল। ইফালে মণিৰাজে দূৰৈৰ পৰা মাত লগালে- "আজি কথা পতা শেষ হ'বনে তহঁতৰ?" অংকুৰ আৰু জাহ্নবীয়ে হাঁহি হাঁহি মণিৰাজক ওচৰলৈ মাতিলে। দুয়োৰে সন্মতিত অংকুৰ আৰু জাহ্নবীৰ বিয়াখন হৈ গ'ল। বিয়াৰ পিছত জাহ্নবীয়ে জোৰ কৰি অংকুৰক স্নাতকোত্তৰত নাম লগাই দিলে। অংকুৰে কামো কৰি থাকিল আৰু পঢ়িও থাকিল। দেউতাকো আগতকৈ অলপ সুস্থ হৈছে। এদিন অংকুৰ স্নাতকোত্তৰ হৈ ওলাল। জাহ্নবীয়ে তাক বিভিন্ন ঠাইত চাকৰিৰ সাক্ষাৎকাৰ দিবলৈ পঠায়। তেনেকৈ চাকৰিৰ সাক্ষাৎকাৰ দি থাকোতে অংকুৰে এটা ভাল চৰকাৰী চাকৰি পালে।

চাকৰিটো পোৱাৰ পিছত অংকুৰহঁতৰ ঘৰখনৰ অৱস্থা অলপ টনকিয়াল হ'ল আৰু হাঁহি-ধেমালিৰে এজনে আনজনৰ সুখে-দুখে সমভাগী হৈ দিনবোৰ পাৰ কৰিব ধৰিলে।

—

জীৱনৰ লয়লাস

ভট্টাৰিকা শর্মা
প্ৰাক্তন ছাত্ৰী, বুৰঞ্জী বিভাগ

আপোনাৰ নাম, ঠিকনা, বয়স, শিক্ষাগত অৰ্হতা সকলোবোৰ এইখন কাগজত লিখিব আৰু কাষত থকা কাউণ্টাৰটোৰ ওচৰত নীলা চার্ট পিন্ধা মানুহজনৰ হাতত জমা দিব। তেখেতে সকলোবোৰ চাই আপুনি যোগ্য হৈছে নে চাকৰিটোৰ বাবে কেইটামান প্ৰশ্ন কৰিব। ভয় নকৰিব দৈনন্দিন জীৱনত হোৱা প্ৰশ্নই কৰিব। যাওক এতিয়া ভালকৈ Best of luck. Thanks ৰাতুল দা, মোৰ ইণ্টাৰভিউ শেষ হোৱাৰ পিছত আপোনাক জনাই দিম বাৰু। আপুনি মোৰ ল'ৰাজনক স্কুলৰ পৰা আনিব। হ'ব বাৰু আপুনি চিন্তা নকৰিব মই থাকোতে।

কাউণ্টাৰত নীলা চার্ট পিন্ধা মানুহজন চিনাকি যেন লাগিছে, কোন হ'ব পাৰে? এই..... সোমাই যাওঁ, ছাৰ ভিতৰত সোমাব পাৰিম নে? হয়। সোমাই আহক। বহকচোন, ছাৰ আপোনাক কৰবাত দেখিছো মই ভালকৈ মনতহে পৰা নাই। প্ৰথমতে মোক ছাৰ মাতা বন্ধ কৰক, আপোনাৰ ল'ৰা স্কুল গৈ আছেনে? হয় আছে। মোৰ ল'ৰা আপোনাৰ ল'ৰা একেলগে একেখন স্কুলত পঢ়ে, মই কেতিয়াবা আনিবলৈ যাওঁতে আপোনাক দেখিছো। আপুনি ইয়াত চাকৰিৰ বাবে আবেদন দিছে যে, আপুনি কিতাপৰ দোকানত নাছিল জানো, চান্দমাৰীত। আছিলো। কিন্তু ৰাতি ৮ বজালৈ দোকানত থাকিলে ল'ৰা ঘৰত অকলে থাকিব নোৱাৰে, সেয়ে এৰি দিম বুলি ভাবিছো। যদি চাকৰি এটা পাওঁ। হ'ব বাৰু, দিয়ক, আপোনাৰ পৰিচয় পত্ৰ, চার্টিফিকেট বেয়া নাপায় যদি কথা কিছুমান সুধি লওঁ, আপোনাৰ স্বামীৰ ঘৰত থকা মহেন্দ্ৰ নামৰ মানুহজন কেনেকুৱা বাৰু? আপুনি ইমান কষ্ট কৰিবলগীয়া কিয় হ'ল?

বহুদীঘলীয়া কাহিনী, মোৰ প্ৰেম বিবাহ হৈছিল নয়ন শর্মাৰ লগত। নয়নৰ ঘৰত মোক কেতিয়াও বোৱাৰীৰ মর্যদা দিয়া নাছিল, কিন্তু নয়নৰ বাবে মই সহ্য কৰি আছিলো। মোৰ নাম পাৰিজাত কলিতা, বি এ পাছ কৰি কম্পিউটাৰ শিকিবলৈ যোৱাত নয়নৰ লগত প্ৰেম হ'ল। মোৰ ঘৰত জানে সকলোৱে, মা-দেউতাৰ সন্মতি মতে মই মন্দিৰত বিয়া হৈ ভাড়া ঘৰত থাকিবলৈ ললো। নয়নে এটা প্ৰাইভেট বেংকত সোমাইছিল। ২ বছৰ পিছত অসীম হ'ল। নয়নৰ ঘৰৰ পৰা মহেন্দ্ৰ শর্মা নয়নৰ দাদাকে আমাক নিবলৈ আহিল। আৱেগত কান্দি নয়নে মোক আৰু ল'ৰাক লৈ দাদাকৰ ঘৰত লৈ গ'ল। নয়নৰ মাক-দেউতাকে মোৰ ল'ৰাটোক

আকোৱালি ললে। মোক বহু ক্ষেত্ৰত বঞ্চিত কৰিছিল। কিন্তু নয়ন আৰু অসীমৰ সুখৰ বাবে মৌন হোৱাৰ সিদ্ধান্ত ললো। নয়নে মোক বহুত ভাল পাইছিল। কষ্ট হ'ব দিয়া নাছিল, কিন্তু ভাগ্যৰ বিড়ম্বনা, নয়নৰ পথ দুর্ঘটনাত মৃত্যু হ'ল। বিধবা সাজযোৰ পিন্ধিবলগীয়া হোৱাত অসীমৰ আপত্তি বহুত। মোৰ মা-দেউতাই মোক সিহঁতৰ লগত নিবলৈ ওলাইছিল কিন্তু মই লগত নগ'লো। নয়নৰ পেঞ্চন নাই যিহেতু সকলো দায়িত্ব মোৰ ওপৰত আহিল অসীমক স্কুলৰ পৰা খোৱালৈকে। মহেন্দ্ৰ শর্মাৰ চৰিত্ৰৰ দোষ আছিল। বহুদিন মোক অপমানিত কৰিব চেষ্টা কৰিছিল। এদিন মই নিজে অসীমক লৈ ৰাতুল দাৰ ঘৰত ভাড়া থাকিলো। ৰাতুল শর্মা নয়নৰ বন্ধু আছিল। মোক বহুত সহায় কৰিছে। অসীমক স্কুলত থৈ কিতাপৰ দোকানত বহি থাকো, মুক্ত বিশ্ববিদ্যালয়ত নাম লগাই এম. এ. কৰিলো, অর্থনীতিত। ৰাতুল দাই আপোনাৰ ওচৰত লৈ আহিলে, চাকৰিটো যদি হয় মই ল'ৰাক পঢ়াবলৈ সময় পাম। আপোনাৰ চাকৰি হ'ল বুলিয়ে ধৰক, কালিৰ পৰা আহিব। কি কি কাম আছে সকলো কালি বুজাই দিম। কফি খাব নে চাহ খাব? আপোনাক পাৰিজাত মাতিলে বেয়া নাপাই ছাগে। নাপাও, মাতিব আৰু মই কফি, চাহ নাখাওঁ, ছাৰ ধন্যবাদ। আকৌ ছাৰ মাতিছে, মোৰ নাম অভিজিত বৰুৱা, অভিজিত দা, কালি মই আহি যাম, এতিয়া কিতাপৰ দোকানত গৈ কথাখিনি কওঁ, কালিৰ পৰা যিহেতু ইয়াতেই আহিম। নিশ্চয়, কালি লগ পাম ১.৩০ হ'ল, অসীমক স্কুলৰ পৰা আনিবলৈ হ'লে। বুক ষ্টলত গৈ খুড়া কালিৰ পৰা মই আহিব নোৱাৰিম। চাকৰি এটা পালো, প্ৰাইভেট বেংক কিন্তু দৰমহা ভাল। মাজনী তুমি আগুৱাই যোৱা, তোমাৰ ভৰিষ্যত ভাল হ'ব। টকা চাৰি হাজাৰ লৈ যোৱা, তোমাৰ ১৭ দিনৰ প্ৰাপ্য। আহিছো খুড়া, ধন্যবাদ। অসীমক স্কুলত গৈ অসীমক নেদেখি ছাৰ এজনক সুধিলে, অসীম শর্মা গ'ল নেকি? ৰাতুল শর্মাৰ লগত গৈছে। ঘৰত আহি অসীমক ক'লে - বাবা শুনা এটা Good news আছে। মই মানসৰ দেউতাকৰ অফিচত কাম কৰিম। এতিয়াৰ পৰা তোমাক পঢ়াব পাৰিম। ৰাতি হ'লে ভয় কৰিব নালাগে। মই তোমাৰ লগতেই থাকিম।

অসীমক স্কুলত থৈ পিছ দিনাখন অফিচত গ'ল। সকলো কথা ভালকৈ বুজি লৈ কামত হাত দিলে। চাৰি মাহ এনেকৈ যোৱাৰ পিছত এদিন শুনিলে দেউতাক ঢুকাল মাকে এতিয়া পাৰিজাতৰ জীৱন সংগীৰ বাবে বহু ল'ৰা চালে। পাৰিজাতে মাকক বুজালে চোৱা মা, মোৰ ল'ৰাৰ লগত মই সুখত আছো, পুনঃ বিবাহ মই ভবা নাই। স্বামী নাথাকিলেও মই নিজক আৰু অসীমক ভালকৈ ৰাখিব পাৰিছো। তুমি ঘৰত অকলে থাকিব নালাগে মোৰ লগতে থাকিবা অসীমেও ভাল পাব। এনেকৈ কেই বছৰ যোৱাৰ পিছত অসীম অষ্টম শ্ৰেণী পালে। এদিন হঠাৎ অসীম নোহোৱা হ'ল। অসীমৰ খবৰ নাপাই মাৰ অৱস্থা বেয়া হৈ মৃত্যু হ'ল। নয়নৰ মাক-দেউতাকেও এবাৰ খবৰ লবলৈ নাহিল। মহেন্দ্ৰই সুযোগ বুজি মোৰ ওচৰত আহিছিল। চৰিত্ৰ দোষৰ বাবে বৰলা হৈয়ে থাকিল। মহেন্দ্ৰৰ উৎপাতত ভাড়াঘৰ এৰি নিজৰ ঘৰ তেজপুৰ গ'লো। অভিজিতৰ বেংকটোও বন্ধ হৈছিল। ওচৰৰ দুজনমান ল'ৰাক অর্থনীতি পঢ়াই পাঁচ হাজাৰ পাওঁ, জলফাই, আমৰ আচাৰ বনাই বিক্ৰী কৰি ঘৰৰ খৰছ হৈ গৈছিল। অকলশৰীয়া জীৱন, দুটা ৰুম ভাড়াত দিয়াত, এতিয়া বিপদত ভাড়াতীয়াই সহায় কৰিছিল। মোৰ মৃত্যৰ পিছত এই ঘৰটো অসীমৰ নামেৰে অনাথ আশ্ৰম খুলিবলৈ গাঁওৰ মুখিয়ালক আবেদন যোগে খবৰ প্ৰেৰণ কৰিছিলোঁ।

ইমান বেয়া বতৰ গাড়ীখন ৰাতুলৰ দাৰ হ'ব ছাগে। হঠাৎ, ৰাতুল দা তেজপুৰত আগমন আপোনাৰ? অ' পাৰিজাত বেয়া পাইছো তোমাক, ঘৰ এৰি আহিলা, এবাৰো মাত নিদিলা, ফোন নম্বৰ নাই, অতীতক এৰি আহিছা নেকি? ভিতৰত আহক, মই ভাত বনাওঁ, আজি পনিৰ আছে। পাৰিজাত, মোৰ পত্নীয়ে অন্য পুৰুষৰ লগত অবৈধ সম্পর্ক লিপ্ত হৈছিল আৰু মোৰ আগত মুখ উলিয়াব নোৱাৰি আত্মহত্যা কৰিলে। মোৰ চাৰিবছৰীয়া ছোৱালীজনীক তোমাৰ ওচৰত থম বুলি ভাবিছো তাৰ পিছত মই গুৱাহাটীতে থাকিম।

১৫ বছৰ পিছত, ৰিয়া, মাহীক ফোন দিয়াছোন। অ, ৰাতুল দা কওক, আপোনাৰ ছোৱালী মেট্ৰিকৰ বাবে পঢ়ি আছে, চিন্তা নকৰিব, ৰিয়াই অসমীয়াত লেটাৰ আনিব। ৰাখিছো দিয়ক, পিছত কথা পাতিম।

পাৰিজাত মাহী আপোনাৰ জীৱনত ইমানবোৰ ঘটনা হৈ গ'ল, তথাপিও আপুনি মনোবল হেৰুওৱা নাই, আপোনাৰ কথাবোৰ শুনি মোৰ প্ৰেৰণা পালোঁ। ৰিয়া, ধূলিসাৎ হোৱা মোৰ পাৰিজাত কিন্তু দৃঢ় মনোভাবেৰে ভ্ৰক্ষেপ নকৰি সময়ৰ গতিত আগবাঢ়ি গ'লো, এতিয়া পঢ়াগৈ যোৱা গোটেই দিনটো মোৰ কাহিনী শুনিলা, দেউতাকো ভাত খাই উঠি ফোন কৰিম।

প্ৰথম ভালপোৱা মোৰ জীৱনৰ এজাক ধুমুহা

তৃষ্ণা তালুকদাৰ
দ্বাদশ শ্ৰেণী, বাণিজ্য শাখা



হঠাৎ বুকুখন কঁপি উঠিল হাতত থকা অফিচৰ ফাইলটো হাতৰ পৰা সৰকি মজিয়াত চিটিকি পৰিল। জুৰিয়ে মোক মাতি ক'লে, "অ'ই ভাস্বতী কি হ'ল অ, চা চোন আমাৰ নতুন Boss তামান handsome" মই মুখেৰে একো নকৈই মাত্ৰ শেঁতা পৰা হাঁহি মাৰি লৰা-লৰিকৈ ফাইলটো ঠিক-ঠাক কৰি ঘৰলৈ আহিব ওলালো। অইন দিনতকৈ আজি অলপ লৰা-লৰিকৈ আহিলো, কিয় জানো আজি নিজকে বৰ ভগৱন্তী যেন লাগিছে। মনৰ ভিতৰত হেন্দুলিয়াই থকা কথাবোৰ ভাবি থাকোতে কেতিয়া ৰূপনগৰ পালো গমকেই নাপালো ঘৰলৈ আহি গাটো ধুই আহি বিছনাখনত বাগৰি এৰি অহা মোৰ ধুমুহা ভৰা স্মৃতিবোৰ ডায়েৰি খন খুলি নীলা চিয়াহীৰ কলমটোৰে লিখিব বহিলো —'১৯৯৫ চন মই H.S. 1st year দিশপুৰ কলেজত Admission ললো। অতি কম দিনৰ ভিতৰতে সকলোৰে লগত চিনাকি হৈ পৰিছিলো কলেজৰ Freshers'ৰ দিনা কলেজ গেটত মোৰ বান্ধৱী অঞ্জলী, নিৰু হ'তে Sinior কেইজন মান দাদা, বাউদেউৰ লগত কথা পাতি আছিল মোক দেখি নিৰুৱে হঠাৎ চিঞৰি উঠিলে 'অই ভাস্বতী তোক চোন বৰ ধুনীয়া লাগিছে। মানে মই

এনেই ধুনীয়া নহই ময়ো ধেমেলীয়াকৈ ক'লো। আমাৰ কাষত থকা Sinior দাদা এজনে মোৰ ফালে চাই হাঁহি আছিল হঠাৎ মোৰ চকুত চকু পৰাত বৰ লাজ পালো মই, এবাৰ দাদাজনৰ ফালে চালো, লক্ষ্য কৰিলো সিয়ো লাজ পালে। কেইদিনমান পিছত হঠাৎ দাদাজনক লগ পালো কলেজ Canteenত মোৰ কাষত বহি কিবা লিখিবলৈ মোক কলমটো খুজিলে মই দিলো মৌলে চাই সি যেতিয়া হাঁহিলে কি জানো মোৰ মনটো নাজানো কেনে লাগিছিল আকাশত উৰি-ভৰি দুখন মাটিত নাই মানে বহুত ভাল লাগিছিল। তেওঁ আমাৰ মাজৰ পৰা উঠি গ'ল। সিদিনা ৰাতি আমাৰ ঘৰত থকা Land lineটেলিফোনটোত ফোন আহিছিল দৌৰি গৈ মই ফোনটো ধৰিলো - 'হেল্ল' কোনে কৈছে, সেইফালৰ পৰা এটা অচিনাকি মাত, 'অ মই সীমান্ত, তুমি ভাস্বতী নেকি'- অ' মইয়েই পিছে তুমি মানে কোন সীমান্ত

'আজি ঃ আজিয়ে তোমাৰ কলম খুজিছিলো।

ঃ অ' তোমাৰ নাম সীমান্ত নেকি জনাই নাছিলো নহই পিছে ইমান ৰাতি ফোন কৰিছাযে কিবা কাম আছিল নেকি?

ঃ অ' ই' শুই দিয়া।

তেনেকৈ কৈ দুয়ো ফোনটো ৰাখিলো। পিছদিনা পুৱা কলেজলৈ যাওঁতে অলপ পলম হ'ল। কলেজ গেটৰ কাষত ৰৈ আছে সীমান্ত। মই মাত দিলো, 'গুড মৰ্ণিং সীমান্ত দা।'

ঃ মৰ্ণিং।

ঃ তুমি যোৱা কালি ৰাতি ফোন কৰিছিলো যে কিবা কথা আছিল নেকি।

ঃ অ' আছিল আজি ১.৫০ বজাত কেন্টিনত মোক লগ ধৰিবা হা এতিয়া মোৰ ক্লাছ আছে।

মই একো ক'বই নাপালো সি গুচি গ'ল। সীমান্ত দাই কোৱাৰ দৰে মই ১.৫৫ বজাত তাক লগ কৰিব গলো।

সি আগতে গৈ পাইছিল মোৰ ফালে চাই মিচিকিয়াই হাঁহি দিলে মই সুধিলো, 'কি কথা আছিল সীমান্ত দা'

ঃ বহা কিবা খাই লোৱা

ঃ হ'ব দিয়া চোন খাম আগতে কথাটো কোৱা।

ঃ বাপৰে ছোৱালীবোৰৰ ধৈর্য্য শক্তি বৰ কম দেই দিয়া শুনা যিদিনাৰ পৰা তোমাক মই দেখিছো বৰ ভাল লাগিছিল আৰু মই ভাবো তোমাক মই সুখত ৰাখিম।

ঃ ভালকৈ বুজাই কোৱানা। মই তেপেৰিয়াই ক'লো।

সি ক'লে 'মানে আই লাভ ইউ I love you মই তোমাক বহুত ভাল পাওঁ।'

মই চক্ খাই গলো 'মানে মই ভাবি চাব লাগিব সময় দিব পাৰিবানে মোক।'

ঃ লোৱা আকৌ সময় কাইলৈ কবা তোমাৰ উত্তৰটো।

সিদিনা ৰাতিটো মোৰ টোপনি অহা নাছিল ভাবি আছিলো কি কম প্ৰথম ভাল পোৱা অলপ ভয় লাগিছিল। পিছদিনা কলেজ গৈয়ে সীমান্তক লগ ধৰিলো আৰু তাক কলো 'মইয়ো তোমাক ভাল পাওঁ'।

সিদিনা সি বহুত সুখী হৈছিল। অতি কম দিনৰ ভিতৰত আমাৰ ভালপোৱাৰ কথা কলেজৰ সকলোৱে গম পালে। সীমান্তক মই চিঠি দিছিলো মাজে মাজে আমাৰ দুয়োৰে হাতত মোবাইল ফোন নাছিল সেয়েহে প্ৰত্যেক শনিবাৰে তাক মই আৰু সি মোক এখন চিঠি দিছিল। যাতে আমি দুয়ো দুয়োকে ৰবিবাৰৰ দিনটো মিছ (Miss) নকৰো। তেনেকৈ ডেৰ বছৰ গ'ল মোৰ হাই চেকেণ্ডাৰী পৰীক্ষা আহি পালে মই পঢ়াত ব্যস্ত সেই কেইদিন মাই সীমান্তক লগ পোৱা নাছিলো প্ৰায় দুমাহ তাক মই লগ ধৰা নাছিলো। মাৰ্চৰ ১১ তাৰিখে পৰীক্ষা শেষ ভাবিছিলো সেইদিনা সি মোক লগ ধৰিব, মই বাট চালো, নাই। আবেলি ৫ বাজি গ'ল তেওঁৰ দেখা দেখি নাই। মই খং আৰু অভিমানত ঘৰলৈ গুচি আহিলো। মাৰ্চৰ ১৩ তাৰিখ মোৰ বাৰ্থ দে' সিদিনা ৰাতি ১২ বজাৰ পৰা আমাৰ ঘৰৰ Landline ফোনটোৰ কাষত বহি আছিলো সীমান্তই ফোন এটা কৰিব বুলি নাই নকৰিলে। দুপৰিয়া ৩ বজাত মোৰ প্ৰিয় বান্ধৱী কৰবি আহিল। তাই মোক কলে, 'আৰে তই মুখখন ফুলাই কিয় বহি আছ' Birth day Girl 'নাই অ এনেই সীমান্ত মোক জান' Wish এতিয়াও কৰা নাই আক্ মই ক'লো।

ঃ অ' মহাৰাণী তাৰ মানে কথা বিষয় তোৰ হিৰ' wish ই কৰাই নাই এতিয়াও।

ঃ হ'ব হ'ব তই জোকাব নালাগে দে'।

ঃ নাই অ' জোকোৱা নাই বল অকণ ফুৰি আহো খুৰিক কৈছো দে যাব দিছে তোক যা Ready হ'।

ঃ যাবি যাবি ক'ত।

ঃ পাৰ্কলৈ ব'ল নে কি ক',

ঃ দে হ'ব দে মই Ready হওঁ।

আবেলি ৫ বাজিল আমি পাৰ্কত ঘূৰি থাকোতে হঠাৎ মোৰ চকু থৰ হৈ গ'ল, যেন মোৰ মূৰ ঘূৰাই মই পৰি যাম।

ঃ কি হ'ল অ' তোৰ গা বেয়া লাগিছে নেকি?

ঃ নাই অ' সেইফালে চা চোন সেইটো সীমান্ত যেন লগা নাইনে।

ঃ অ'ৰে আৰু সেইজনী ছোৱালী কোন হই ৰ' ইয়াত বহ্

মই আহি আছোঁ।

তেনেকে কৈ তাই লৰালৰিকৈ সীমান্তহতঁৰ ফালে গুচি গ'ল। তাই সীমান্তক মাতিলে,

ঃ অ' সীমান্ত দা কি খবৰ অ' তোমাৰ বহু দিনৰ মুৰত দেখিলো।

ঃ অ' খবৰ ভালেই ৰবা মোৰ, তোমাৰ কোৱা।

ঃ অ' ৰবা মই তোমাক এটা কথা ক'ব লগা আছিল অকনমান ৰবা নে'।

ঃ অ' কোৱা, কি কথা।

ঃ তোমাৰ যে বান্ধৱী ভাস্বতী তাইক কবা হা, মই তাইক ভাল নাপাওঁ বুলি, তাই মোৰ টাইপৰ ছোৱালী নহয়, বহুত ভদ্ৰ দেখোৱা ছোৱালী। তাই ক'তো ফুৰিব নাযায়। অমুকে দেখা পাব তমুকে দেখা পাব। তাইক কবা মই এতিয়া নেনাৰ প্ৰেমিক। সি ইমান চিম্পল ভাৱে কথাখিনি ক'লে যে সেইটো তাৰ বাবে সাধাৰণ কথা। অলপ সময় পিছত তাই মোৰ ওচৰলৈ আহিল মই কলো 'কিবা খাবি নেকি ব'ল'।

ঃ নাই মন নাই খাবলৈ অ' যাওঁ বল ঘৰলৈ বহুত দেৰি হৈছে।

কৰবি কান্দো কান্দো হৈ গৈছিল কথাখিনি কওঁতে আমি পার্কৰ ভিতৰত থকা ৰেষ্টুৰেন্টখনত বহিলো তাই একো কোৱা নাই। লাহে লাহেকৈ মই ক'বলৈ ধৰিলো।

ঃ সীমান্তই কোৱা কথাখিনিৰ কাৰণে তোৰ মন বেয়া লাগি আছে ন'।

তাই মোৰ ফালে চালে আকৌ মই ক'লো, 'তোক যেতিয়া সি কথাবোৰ কৈ আছিল তোৰ বেগখন দিবলৈ ময়ো গৈছিলো তহঁতৰ কাষত তেতিয়া মই সকলো কথাই শুনিলো।'

অলপ সময় কোনো কথা নাই কোৱা ময়েই ক'লো আকৌ।

ঃ হ'ব দে যি হ'ল হ'ল।

ঃ অ' ঠিকে কইছে ভালহে হ'ল, এতিয়া আৰু তই কাৰো কাৰণে কান্দিব নালাগে।

ঃ পাগলি। দে দে সোনকালে খাওঁ গধূলি হৈছে।

এবছৰ পিছত। হঠাৎ এদিন দেউতাই ক'লে যে মোক বুলে কোনোবাই চাব আহিব, মই একো নকলো। আবেলি ৪ মান বজাত আহিল আলহী। কৰবিয়ে মোক সজালে, সকলোৰে লগত চিনাকি হ'লো লৰাজন দেখি মোৰ চকু থ'ৰ হৈ গৈছিল। লৰাজন দিশপুৰ কলেজৰ সীমান্তৰ লগৰ লৰা মানস তাক আগতে দেখিছিলো বহুত বাৰ। দেখাত বহুত শান্ত আৰু সকলোৱে কৈছিল যে আমাৰ কলেজৰ সকলোতকৈ ভাল ল'ৰা। এনেকৈ কেইদিন মান গ'ল হঠাৎ মানসে এদিন আমাৰ ঘৰলৈ আহিল আৰু মা-দেউতাক কৈ মোক ফুৰাবলৈ নিলে বহুত সময় আমি একো কথা কোৱা নাই, মইয়েই প্ৰথমে ক'লো-

ঃ তুমিতো জানাই মই আগতে সীমান্তক.....।

মানসে কথাখিনি শেষ কৰিবই নিদিলে আৰু সি ক'ব ধৰিলে-

ঃ মই জানো সীমান্তই আগতেওঁ বহুত ছোৱালীৰ লগত টাইম পাছ কৰিছে তোমাক মই আগৰ পৰাই মনে মনে ভাল পাই আছিলো আৰু বহুত বাৰ ক'ব খুজিছিলো তোমাক সীমান্তৰ কথা কিন্তু সময় সুবিধা পোৱা নাছিলো আৰু তুমিযে দিছিলা চিঠিবোৰ সেইবোৰ লগৰবোৰক দেখাই সি হাঁহি খিকিন্দালিহে কৰিছিল। বাদ দিয়া সেইবোৰ এতিয়া, মাথোঁ মই তোমাৰ আৰু তুমি মোৰ আমাৰ মাজত আন কোনো আহিব নোৱাৰে হয়নে।

মই মূৰ দুপিয়ালো। সিদিনা ঘৰলৈ আহি মানসক মোৰ ভাল লাগিছে বুলি মা-দেউতাক ক'লো। ১৯৯৮ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখে আমাৰ বিয়া হ'ল।

হঠাৎ মোৰ হাতখন বৈ গ'ল আৰু আগ নাবাঢ়ে কলমটো। এৰি থৈ অহা জীৱনটোৰ কথা ভাবি মনটো অলপ বেয়া লাগিছিল মোৰ। আজি ইমান বছৰ পিছত সীমান্তক দেখি মই থৰ হৈ গৈছিলো। অতীতৰ মাজত ডুবি থাকোঁতে কেতিয়া মোৰ ছোৱালী নিয়ৰ কলেজৰ পৰা আহি পালে গমেই পোৱা নাছিলো। আকৌ বৰ্তমান জীৱনৰ বাটত বিলীন গলো। মনৰ ভিতৰত এযাৰ কথাই বিৰ বিৰকৈ হেন্দুলিয়াই গ'ল যে', সীমান্তই মোৰ জীৱনৰ প্ৰথম ভাল পোৱাৰ এজাক ধুমুহা।

সন্তানে মাতৃক কেতিয়াও অৱহেলা কৰিব নেপায়

বাৰ্বী দেৱী
৪র্থ সন্মাসিক, শিক্ষা বিভাগ

হঠাৎ এদিন শান্তনুৱে নলে গলে লগা বন্ধু বীৰেনক লগ পালে আৰু শান্তনুৱে বীৰেনৰ ওচৰ চাপি আহি মাত লগালে। বীৰেনহু তোক বহুদিন লগ পোৱা নাই, ভালে আছনে? ভালেই আছো বুলি বীৰেনে উত্তৰ দিলে। জান, বীৰেন কিছুদিন আগতে তোক ফোন কৰি যোগাযোগ কৰিব নোৱাৰিলো, হয়তো তোৰ ফোন নম্বৰ সলনি হৈছে। শান্তনুৱে বীৰেনক মাকৰ খবৰ সুধিলে, খুৰী মা বাৰু ভালে আছেনে? বীৰেনে কি বুলি উত্তৰ দিব ভাবিবকে পৰা নাই সি নুশুনাৰ ভাওঁ ধৰিলে আৰু ক'লে, জান'হু শান্তনু, মই আজি অলপ সোনকালে ঘৰলৈ যাব লাগিব; কাৰণ মোৰ একমাত্ৰ ল'ৰা বিমানৰ আজি জন্মদিন, সেয়েহে মই বজাৰ অলপ কৰিবলৈ বুলি অফিচৰ পৰা সোনকালে ওলাই আহিছো। অন্য বজাৰ কৰিব লগীয়া একো নাই কেৱল কেক্‌টো নিবলৈ বাকী আছে। শান্তনুৰ ভিতৰে-ভিতৰে খং উঠিলেও বীৰেনক নেদেখুৱালে। কেৱল বীৰেনক এটা কথাই ক'লে। মই খুৰীমাৰ খবৰহে সুধিছিলো, তইচোন তোৰ ল'ৰাৰ জন্মদিনৰ কথাহে পাঠ কৰিলি।

তেতিয়া বীৰেনৰ মনত খোকোজা লাগিল। সি হেকো-জোকোকৈ কবলৈ ধৰিলে, মানে..... মা বৰ্তমান আমাৰ লগত নাই, তেন্তে খুৰী মা ক'ত আছে? মাক বৃদ্ধাশ্রমত থৈছো বৃদ্ধাশ্রমত। শান্তনুৱে

আৰু ধৈর্য্য ধৰি থাকিব নোৱাৰি সি খঙত চিঞৰি উঠিল। জান, বীৰেন মই বহুদিন আগতে সকলোবোৰ কথা গম পাইছো কেবল তোৰ মুখৰ পৰা কথাটো উলিয়াবলৈহে মই নজনাৰ ভাওঁ ধৰিছিলো। কি অপৰাধ কৰিছিল খুৰীমাই। তই একমাত্ৰ ল'ৰা বুলি খুৱাই বা কি কৰি থৈ যোৱা নাই। চহৰৰ মাজ মজিয়াত আকাশলংঘী আট্টালিকা সজাই থৈ গৈছে। তোক ইঞ্জিনিয়াৰ কৰি থৈ গৈছে। খুৰীমাই নিশ্চয় নিজে চলিব পৰাকৈ পেঞ্চন পাই আছে। তেনে স্থলত তই কিয় কাপুৰুষৰ দৰে এনে হৃদয় বিদাৰক কৰ্ম কৰিলি। বীৰেন সকলোবোৰ বাদ দিলো। মই তোক এটা কথা কওঁ কাণ পাতি শুনি ল'। একমাত্ৰ পুতেক হৈ তই খুৰীমাৰ হৃদয়ত যি আঘাত হানিলি, তোৰ পুত্ৰ বিমানৰ পৰাও একে আঘাত পাবি। কাৰণ ভগৱান অন্ধ নহয়, তেওঁ সদায় সত্য-অসত্য বিচাৰ কৰি মানুহক শাস্তি ও শান্তি প্ৰদান কৰে। বীৰেন একো মাতিব পৰা নাছিল। শান্তনুৱে বীৰেণৰ ফালে চাই মাকৰ ফোন নম্বৰটো বিচাৰিলে। বীৰেনে খুউব নম্ৰভাৱে উত্তৰ দিলে মাৰ ফোনেই নাই। কথাষাৰ শুনি শান্তনুৰ হিতাহিত জ্ঞান নোহোৱা হৈ খঙৰ ভমকত কুকুৰ নিমখ হাৰাম বুলি চিঞৰি উঠিল। পথেৰে গৈ থকা মানুহবোৰে সিহঁতৰ ফালে ঘূৰি ঘূৰি চালে। কিন্তু কোনেও একো নুসুধিলে কি হৈছে বুলি। শান্তনুৱে বীৰেনৰ পিনে কেৰাহিকৈও নেচালে। কেৱল বীৰেনক ক'লে মই যাওঁ কাৰণ মই মাৰ বাবে দৰৱ এটা নিবলৈহে আহিছিলো। মই ভবাই নাছিলো তোক হঠাৎ লগ পাম বুলি। বীৰেন এয়ে আমাৰ শেষ দেখা বুলি ভাবি ল'। তোক আৰু মই কোনো দিনেই নিবিচাৰো। এতিয়া মাত্ৰ ক' খুৰীমা কোনখন বৃদ্ধাশ্ৰমত আছে। বীৰেনে লাহেকৈ উত্তৰ দিলে 'পাথৰ কোৱৰী' বৃদ্ধাশ্ৰমত। শান্তনুৱে লৰালৰিকৈ তাৰ পৰা আঁতৰি গুচি আহিল। ফামচীৰ পৰা মাকৰ বাবে দৰৱটো কিনি ঘৰমুৱা হ'ল। সেই দিনাখন শান্তনুৱে বেলেগ একো বজাৰ নকৰিলে, আনকি তাৰ পাঁচ বছৰীয়া জীয়েক মমীৰ বাবে একো এটা কিনিবলৈ মন নগ'ল। কেৱল বীৰেনৰ মাকৰ কথা ভাবি ভাবি কেতিয়া ঘৰৰ পদুলি পালে গমকে নেপালে। গাড়ীৰ মাত শুনি সিহঁতৰ ঘৰত কাম কৰা ছোৱালী গোলাপীয়ে দাদা আহিছে বুলি দৌৰি আহি গেটখন খুলি দিলে। শান্তনুৱে গেৰেজত গাড়ীখন থৈ হাতত দৰৱৰ বটলতো লৈ মাকৰ ৰুমত সোমাই ক'লে, মা এই দৰৱটো খালে তুমি ভাল পাবা। ডাক্তৰে বতৰৰ কাৰণে তোমাৰ এনেকুৱা হৈছে বুলি কৈছে। চিন্তাৰ একো কাৰণ নাই। মাকে শান্তনুৰ ফালে চাই হাঁহি মাৰি ক'লে, মইনো ক'ত চিন্তা কৰিছো, তইহে হাহাকাৰ লগাই দিয় মোৰ যেন কিবা ডাঙৰ বেমাৰহে হৈছে, তই কাপোৰ কানি সলাই মুখ হাত ধুই গৈ, আটায়ে একেলগে চাহ-জলপান খাম। এনেতে শান্তনুৰ পত্নী মায়া শাহুয়েকৰ ৰুমত সোমাই আহি ক'লে মা এওঁ আপোনাৰ দৰৱটো আনিছে নহয়, আনিছে মায়া তুমি চিন্তা কৰিব নেলাগে, কেৱল গোলাপীক চাহ-জলপানৰ দিহা কৰিবলৈ দিয়া। মা গোলাপীয়ে সকলো যোগাৰ কৰি থৈছে। কেৱল এওঁ ফ্ৰেচ হৈ আহিলে হ'ল। শাহুয়েক মণিকা সচাঁই ভাগ্যৱতী নাৰী কাৰণ এনে হেন গুণী-জ্ঞানী বোৱাৰী সকলোৰে ভাগ্যত নিমিলে। ডাঙৰ জীয়েক মিতালী দিল্লীত থাকে, কাৰণ জোঁৱায়েকে তাত চাকৰি কৰে। সিহঁতৰো একমাত্ৰ জীয়েক পম্মী। তাইৰ বয়স বৰ্তমান দহ বছৰ।

শান্তনুৱে খোৱা টেবুলত বহি মাকক মাতিলে মা আহা চাহ খোৱাহি আজি পিছে মই একো খোৱা বস্তু অনা নহ'ল বুলি মায়াক ক'লে। মায়াই ক'লে হ'ব দিয়া সকলো খোৱা বস্তু আছেই চোন সদায় যে আনিব লাগে তাৰ কিবা মানে আছে নেকি। তেতিয়া শান্তনুৱে ক'লে নহয়, মায়া আজি মোৰ মনটো একেবাৰে ভাল লগা নাই। মায়াই আচৰিত হৈ শুধিলে কিয় কি হ'ল? অফিচত একো হোৱা নাইতো। শান্তনুৱে ক'লে, নাই সেইবোৰ একো হোৱা নাই। ইতিমধ্যে মাক আহি শান্তনুৰ কথা শুনি আচৰিত হৈ সুধিলে কি হ'ল বাবা আজি তোৰ মন ভাল নলগাৰ কাৰণ কি আমাক বাৰু ক'ব পাৰিবি নেকি? পুতেকে ক'লে কম মা কম। তোমালোকক নকৈ বাৰু কাৰ আগতনো ক'ম, আগতে চাহ জলপান খিনি খাই লওঁ দিয়া। তাৰ পাছত সকলো কথা তোমালোকক কম। চাহ জলপান খোৱ পৰ্ব শেষ কৰি শান্তনুৱে বীৰেণে মাকক বৃদ্ধা আশ্ৰমত থাৱা কথাবোৰ ভাঙি-পাতি ক'লে। কথাখিনি শুনাৰ পিছত মাক আৰু মায়াই হুকহুককৈ কান্দিবলৈ ধৰিলে। শান্তনুৱো দুগালে দুধাৰি অশ্ৰু বন্যা বৈ আহিল। মাকে দুনয়ন চাদৰৰ আচলেৰে মচি শান্তনুক ক'লে, বাবা বিছলৈ আৰু বেছি দিন নাই। গতিকে বীৰেণৰ মাকক তই আমাৰ ঘৰলৈ লৈ আহিবি আৰু নিয়ম অনুসৰি তাত অনুমতি লৈ বিহুৰ কেইদিন আমাৰ ঘৰত ৰাখিম বুলি তাত জনাবি। বিহুৰ পিছত আমি তেওঁক থৈ আহিম গৈ। ধন দৌলত ঐশ্বৰ্য্য বিভূতি সকলো অৰ্থহীন যদিহে বৃদ্ধাকালত নিজৰ পুত্ৰ, বোৱাৰী, নাতি-নাতিনীৰ পৰা মৰমস্নেহৰ পৰা বঞ্চিত হ'লে জীৱনটো কটাবলৈ অতি কষ্টকৰ হৈ পৰে।

সেয়েহে বৃদ্ধাকালত ল'ৰা-ছোৱালী, বোৱাৰী, নাতি- পুতিৰ পৰা পোৱা মৰম স্নেহে এটি অতি মূল্যৱান ভিটামিন।

ৰিক্সাৱালা

কৌশিক কলিতা
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বর্ষ



"ত্ৰিশ টকা বাইদেউ"।

ৰিক্সাখন ৰখিবলৈ নৌপাওতেই ৰিক্সাৱালাটোৱে ক'লে। পৰিশ্ৰমৰ বিনিময়ত প্ৰাপ্য ধন বিচাৰি যেন এক তীব্ৰ দাবী।

গণেশ মন্দিৰৰ পৰা দিশপুৰ কলেজ আকৌ কলেজৰ কাষৰ পথটোৰে পুনৰ অলপ দূৰ আহি আনন্দপুৰ। মোটামুটি আধা মাইলতকৈ অলপ বেছি হ'ব কিজানি। মোটামুটি বাট হ'ব কিজানি, কিন্তু এইখিনি বাট আহোতেই ৰিক্সাৱালাটোক ত্ৰিশ টকা লাগে, বৰুৱানীৰ খঙেই উঠিল।

"সদায় বিশ টকাত আহি আছো, তোক ত্ৰিশ টকা কিয় দিম? — বৰুৱানীৰ হাতত তেতিয়া এই মাত্ৰ বজাৰ কৰি ভৰাই অনা দুটা মোনা। এটা মোনাত ভৰি আছে বিভিন্ন শাক-পাচলি আৰু আনটোত ঘৰৰ প্ৰয়োজনীয় অন্যান্য দুই-এপদ। সন্ধিয়াৰ সময় লাহে লাহে অন্ধকাৰে গোটেই পৰিৱেশটো গ্ৰাস কৰি আহিছে।

ৰিক্সাৱালাটো তেতিয়াও গোমাঠা মাৰি ৰিক্সাৰ কাষত ৰৈ আছে।

"নাই বাইদেউ, সৰে ইয়ালৈ ত্ৰিশটকাই দিয়ে। অলপ পিছত আৰু আন্ধাৰ হ'লেটো ভাড়া দুগুণ হ'ব।"

"কোনে ত্ৰিশ এটা দিয়ে অ তোক"? বৰুৱানী একেবাৰে দাংখাই উঠিল। ৰিক্সাৱালাটোৰ শুদ্ধ অসমীয়া শুনি তেওঁ অনুমান কৰিলে যে সি অসমীয়া, পিছে কি হ'ব? আজি কালি অসমীয়াই অসমীয়াক ঠগে। বৰুৱানীয়ে খঙেৰে পুনৰ ক'লে "লাগে যদি বিশ টকা ল'। নহ'লে তোলৈ ৰাটত বোন্দাপৰ দি ৰৈ থাকিব নোৱাৰো।" তাৰ পিছত নিজকে কোৱাদি ক'লে— "ইহতেঁ সুবিধা পালেই মানুহক ঠগিব বিচাৰে সদায় বিশ টকাত আহি আছো আজি ত্ৰিশ টকা দাবী কৰিলেই পায় নেকি?"

"নাই নাই বাইদেউ, মোৰ খাটাং কথা, ত্ৰিশ টকাতকৈ এক পইচাও মই কম নলওঁ আৰু এক পইচাও মোক বেছিকৈও নালাগে"। ৰিক্সাৱালাটোৰ কথা শুনি বৰুৱানীয়ে খঙত কপালৰ শিৰ দুডাল টনটনাই উঠিল। তেওঁ এইবাৰ ৰিক্সাৱালাটোলৈ ভালদৰে চালে। পিন্ধনত সামান্য হাফপেন্ট এটা আৰু হাফচার্ট এটা। দুয়োটা যেন সমানেই মলিয়ন, সন্ধিয়াৰ আন্ধাৰত দুয়োটা ক'লা ৰঙৰ যেনই লাগিছে। মুখখন খীণ, চকু দুটা দ, চুলি তাকৰীয়া যদিও জপৰা, ডিঙিত ৰুমাল জাতীয় কিবা এটুকুৰা কাপোৰ মেৰিয়াই থৈছে, তাক দেখিলে অনুমান হয়, হয়তো সি এইযোৰ কাপোৰকে আজি কেইবাদিনো পিন্ধি আছে।

ৰিক্সাৱালাটো তেতিয়াও একেদৰেই ৰৈ আছে, সি যি গোমোঠা লাগি থাকিল থাকিলেই, বৰুৱানী এতিয়া মহা বিপদত পৰিল। তৰ্ক নকৰি তাৰ অন্যায় দাবীনো মানে কেনেকৈ? সি খুজিলেই বিশ টকাৰ ঠাইত ত্ৰিশ টকা পাব নেকি? ভদ্ৰ মানুহ দেখিলে ঠগিবলৈ সুবিধা পাম বুলি ভাবে ইহঁতে।

অলপ পিছত বৰুৱানীয়ে উপায়ন্তৰ হৈ ত্ৰিশ টকা উলিয়াই তাৰ ৰিক্সাৰ চিটতে থ'লে। ৰিক্সাৱালাটোৱে টকা কেইটা ভোৰ ভোৱাই জেপত ভৰাই ৰিক্সাখন টানি গুচি গ'ল। বৰুৱানীয়ে যিমান পাৰে ৰিক্সাৱালাটোক শাও-শপনি দিলে।

জপনাখন খুলি ভিতৰলৈ সোমাই গৈ দজাখনৰ তলাটো খুলিবলৈ গৈ থমকি ৰ'ল। ঘৰৰ চাবিটো ভেনিটী বেগটোতহে আছিল। দুয়োটা মোনাত বেগটো বিচাৰি ওলট-পালট কৰিলে কিন্তু ভেনিটী বেগটো নোলাল। তেওঁ নিজৰ ভুল বুজি পালে আচলতে তেওঁ বেগটো ৰিক্সাখনত এৰি আহিল। বৰুৱানীয়ে দৌৰি গৈ বাহিৰত চালে কিন্তু ৰিক্সাখন দেখা নাপালে। এতিয়া তেওঁ ক'ত সেই ৰিক্সাৱালাটোৰে বেগটো পালেও জানো ঘূৰাই দিব? বিশেষকৈ সেই ৰিক্সাৱালাটোৰে?

বৰুৱানীৰ মুখখন তৎমূহূৰ্ততে শেঁতা পৰি আহিল। তেওঁৰ তেতিয়া তালুত পানী দিয়া অৱস্থা। পেঞ্চনৰ কেইটিমান টকাৰে কোনোমতেহে চলে তেওঁৰ ঘৰখন মাহেকটোৰ খৰচৰ বাবে বেংকৰ পৰা উলিয়াই অনা সাঁচতীয় টকা কেইটাও আজি মূহূৰ্ততে হেৰুৱাব লগা হ'ল। হতাশ, বিৰক্তিয়ে তেওঁ মন ভাৰ পৰিল আৰু নিজৰ ওপৰতে খং উঠিল। বহুপৰ নিতাল মাৰি একেথৰে বহি থাকিল।

নিস্তব্ধ.....

হঠাৎ ৰিক্সা এখন আহি ঘৰৰ মূখত বোৱাব শব্দ হ'ল, তাৰ পিছত পদূলিৰ পৰা এটা মাত ভাঁহি আহিল "বাইদেউ"। তেওঁ যেন নিজৰ কাণকে বিশ্বাস কৰিবলৈ টান পালে, লগে লগে বৰুৱানী জপিয়াই উঠাদি উঠি ৰাস্তালৈ চাই দেখিলে হয় সেই ৰিক্সাৱালাটোৱেই। বৰুৱানীয়ে সন্ধিয়াৰ আন্ধাৰতো তাক দূৰৰ পৰাই চিনি পালে। ৰিক্সাৱালাটোৱে পদূলি মূৰতে ৰৈ আছিল, হাতৰ মুঠিত এটা ভেনিটীবেগ, বৰুৱানীৰ ভেনিটী বেগটো।

প্ৰেমৰ বাবে

ৰাজ তালুকদাৰ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

আড্ডা ঘৰৰ পৰা ২ কিলোমিটাৰ মান হ'ব। মিন্টু পান শ্ব'প, তাতে সন্ধিয়া আগফালৰ গছজোপাৰ তলতে থকা বেঞ্চখনত আমি আটায়ে বহি আড্ডা দিও, পিছে আজি কেইদিনমান ধৰি অসীম অহা নাই, বিকি, দীপ, অংকুৰ অহাৰ লগে লগে মই মিন্টু পাণ শ্ব'প পালোগৈ, পাণ এটা খাই ভাবিলৈ অসীমলৈ ফোন এটা ক'ৰো। পিছে কৰিনো কি লাভ, তাৰ ফোন নালাগেই প্ৰায়ভাগ, এনেতে দোকানৰ ভিতৰৰ পৰা মিন্টুৱে ক'লে আজি আগবেলা অসীম আহিছিল।

ঃ কিবা কৈছিল নেকি?

ঃ একোৱে নকলে, পাণ এটা খালে আৰু ক'লে মোক আৰু আগৰ দৰে নাপাৰ।

ঃ তই নুসুধিলি কিয় ক'লে?

ঃ তাৰ অৱস্থাটো দেখি সুধিব মন নগল। মুখখন দাঢ়ি, চুলিৰে আৱৰি কিবা যেন দেখিছে।

ঃ এনেতে বিকি, দীপ, অংকুৰহঁত আহি পালেহি। তই কেতিয়াবাই আহিলি নেকি? মোক আকৌ ইহতে কাশ্যপ বুলি নামাতি এনেদৰে

জোকাৰি মাতে।

ঃ আজি বোলে অসীম আহি ইয়াত দোকানত পান খাই গ'ল। দাড়ি, চুলিৰে আৰৰা তাৰ এটা জধলা চেহেৰা।

ঃ তহঁতে তাক লৈ যিমান টেনচন লৈ আছে তাৰ আচল কথাটো মই কওঁ শুন এই দৰে কথাষাৰ দীপে আৰম্ভ কৰিলে।

আমি দুয়োটা সৰুৰ পৰা একেলগে খেলা-ধুলা কৰাৰ লগতে এল. পি. স্কুলৰ পৰা কলেজ পৰ্যন্ত একেলগে পঢ়িছো। আৰ্থিকভাবে তাৰ ঘৰখন টনকিয়াল নহয় যদিও সি চহৰত থাকি টিউচন কৰি যথেষ্ট টকা আৰ্জিলে। সি চাইকেলেৰে আহিয়ে টাউনৰ কলেজত পঢ়ি বি.এ. পাছ কৰিলে। অসীম কষ্টৰে ডাঙৰ হোৱা ল'ৰা, গতিকে সি দুখ সহ্য কৰিব নোৱাৰি তাৰ এই অৱস্থা। আজি পাঁচ দিন আগৰ কথা মই কওঁ শুনা গাঁওখনৰ কাষেদি পাৰ হৈ গৈছে ধনশিৰি নদীৰ সুঁতি সি তাত বহি আছিল মই গৈ পাছফালৰ পৰা তাৰ বাহুত হাতখন থ'লো সি ঘৃৰি চাই মোক দেখি কান্দি উঠিল বাস্তৱ জীৱনত যে কামনাৰ প্ৰেমিক হ'ব নালাগে মই অসীমৰ পৰা বুজিছিলো। কাৰণ মই তাৰ প্ৰেমিক জীৱনটো দেখিছিলো কঠোৰ বাস্তৱৰ সন্মুখীন হৈও সি শেষত হাৰ নামানিলে।

অসীম, মই আৰু যুতিকা একেলগে পঢ়িছিলো হাইস্কুলত পঢ়াত তাই আছিল মজলীয়া বিধৰ। তাইৰ লগতে প্ৰথমতে আমাৰ ইমান ঘনিষ্ঠতা নাছিল যদিও এখন চিঠিৰে তাইৰ হাতত পৰিল অসীমৰ প্ৰেমৰ প্ৰস্তাৱ। তায়ো সমাজতে সমৰ্থন জনালে অসীমক।

আদিৰ পৰা অন্তলৈকে সকলোবোৰ কথায়ে অসীমে মোক কয় আজি মই তাক ধৈৰ্য ধৰ বুলি কথাষাৰ ক'বলৈ সাহস গোটাব পৰা নাই, প্ৰতিটো মুহূৰ্ততে মোৰ পৰা পৰামৰ্শ লোৱা ল'ৰাটোৰ ওচৰত যদি বিশ্বাসৰ কথা ক'ব যাও আৰু আঘাত দিয়া হ'ব, কাৰণ অহা মাহত জুতিকাৰ বিয়া গুৱাহাটীৰ ইঞ্জিনীয়াৰ লগত। আচৰিত হ'ব লগীয়া অসীমৰ পৰাজয় কাৰণ বুজি নাপালো। এটা কথা সঁচা যে প্ৰেম মানে বিবাহ নহয়। হ'লেও প্ৰেমৰ মূল্য আছে সেয়া মই অসীম আৰু যুতিকাৰ মাজত বিচাৰি পাইছিলো। যিজনী যুতিকাই অসীমে নকৰিলেও দিনটোত পাঁচবাৰকৈ ফোন বা এছ.এম.এছ. কৰে তেনে এজনী ছোৱালী তাক এৰি গুচি যাবলৈ ওলোৱাটো আজি তহঁতেও ভাবিবলৈ বাধ্য হবি। তাই হৃদয় উজাৰি তাক মৰম দিছিল। যি মৰমৰ বাবে অসীম আজি দহি দহি শেষ হৈ গৈছে। আজি সি পৰাজয়ৰ মুখ ঢাকি বন্ধুবোৰৰ ওচৰত চকুলো মচিব লগা হৈছে, সঁচাকৈ যি আবেগ, অনুভূতি বুজি নাপায় তাৰ কোনো প্ৰেমৰ মূল্য নাই, যাৰ বাবে আজি অসীমে নিজকে পৰাজয় স্বীকাৰ কৰিছে।

"মোৰ ভুল কোনখিনিত? কিয় মোক বিশ্বাসঘাটকতা কৰিলে? কিয় মোৰ ওচৰত তাই এখন নাটকৰ অভিনেত্ৰী ৰূপে অৱতীৰ্ণ হ'ল?" সঁচাকৈ অসীমে কথাষাৰ কৈ মোৰ ওচৰত বহু দুখ কৰিছে। তাৰ চকুপানী দেখি মই ভাবিব পৰা নাই পুৰুষেও ইমান কান্দিব পাৰে।

"পৰিস্থিতিয়ে যদি বাধা দিলেহেতেন তাইক নিজৰ কৰি লোৱাত তেতিয়া হয়তো আৱেগিক হোৱাৰ থল নাথাকিলেহেতেন কিন্তু আঙঠি পিন্ধোৱাৰ আগত এবাৰো যদি লগ কৰিলেহেতেন তেতিয়া কথা বেলেগ আছিল। তাই যেতিয়া সঁচা প্ৰেমৰ প্ৰতিদান দিবই নোৱাৰিলে তই ইমান দুৰ্বল নহ'বি"। তাক কোৱা মোৰ কথাবোৰ ঢুকি পোৱা যেন অনুমান হ'ল— কথাষাৰ শুনি আমাৰ আড্ডাত থকা সকলোবোৰে তাইক ধিক্কাৰ দিলে, ধন দেখি, চাকৰি দেখি মোহভঙ্গ হোৱা সঁচা প্ৰেমৰ মূল্য নুবুজা যুতিকাৰ প্ৰতি সকলোৱে প্ৰতিশোধ লোৱাৰ সংকল্প ল'লে। প্ৰতিশোধ আকৌ চলে বলে তাইক উঠাই অনাৰ লক্ষ্য নহয়, প্ৰতিশোধ ল'ব তাই যাৰ লগত বিয়া হ'ব খোজা ল'ৰাটোক কৈ তাৰ এটা চাকৰি নাইবা তাইৰ ঘৰখনতকৈ দুগুণ সম্পত্তিৰ গৰাকী হোৱা এজন সফল ব্যৱসায়ী। সিহঁতে তাৰ প্ৰতি দেখুৱা মহানুভূতিক মই তাক বন্ধুতৰ খাটিৰত বুলিয়েই ক'ব বিচৰা নাই। কাৰণ আমাৰ আড্ডাত থকা প্ৰত্যেকে অভাৱ কি বুজি নোপোৱা ল'ৰা। এটা কথা মইও উপলব্ধি কৰো টকা-পইচা থকা ঘৰৰ ল'ৰা হৈও বেয়া কামত যোৱা নাছিল সেয়ে মইও সিহঁতে অসীমক দেখুওৱা সহানুভূতিক বিশ্বাস কৰিছো। তাৰ মই ল'ৰালি বন্ধু হিচাপে সিহঁতে দেখুৱা সহানুভূতিত মইও আনন্দিত। প্ৰেম, বিৰহে তাক যেন আৰু আমনি কৰিব নোৱাৰে সেই কথা সি মানুহ নোহোৱালৈকে মই গুৰুত্ব সহকাৰে ল'ম।

—

ৰকী

নিতুল দাস

বন্ধু বুলি ক'লে আমি সাধাৰণতে বিশ্বাসত লব পৰা, সুখে দুখে লগত কা, বিপদত ওচৰত আহি থিয় দিয়া জনক বুজো। আজিৰ যুগত প্ৰকৃত বন্ধু পোৱাটো সহজ নহয়। প্ৰকৃত বন্ধুৱে বিপদে আপদে সদায় কাষতে থাকে। বিনা স্বাৰ্থতে প্ৰকৃত বন্ধুৱে সুখে দুখে লগত থাকে। এই বন্ধুত্ব যে কেৱল মানুহৰ লগতে হ'ব পাৰে এনে নহয়। জীৱ-জন্তু বা পক্ষীকুলৰ লগতো মানুহৰ বন্ধুত্ব গঢ়ি উঠিব পাৰে।

মোৰো বন্ধুত্ব গঢ়ি উঠিছিল ৰকীৰ সৈতে। তাক মই মৰমেৰে মাতিছিলো 'জান' বুলি। মই কৰবালৈ ফুৰিবলৈ গ'লে সি সদায় মোক বাটলৈ আগুৱাই দিছিল আৰু উভতি আহিলে আধাবাটৰ পৰা আগবঢ়াইলৈ আহিছিল। মই স্কুললৈ গ'লে সি আমন জিমন কৈ বহি থাকিছিল। মই স্কুলৰ পৰা ঘৃৰি অহাৰ পাচত তাৰ আনন্দ চাব লগা হৈছিল। মোৰ আশে পাশে সি ঘৃৰি ফুৰিছিল। মোক মায়ে কিবা খাবলৈ দিলে সি ওচৰতে ৰৈ থাকে। মৰমতে মায়ে তাকো খাবলৈ দিয়ে। খাই বই সি বাৰান্দাৰ এটা চুকত গৈ শুই পৰে। আমাৰ ঘৰৰ সকলোৰে মৰম পাই সি আমাৰ ঘৰতে থাকিবলৈ ললে। ঘৰৰ চৌহদত গৰু ছাগলী সোমালে সি সদায় খেদি থৈ আহিছিলগৈ, তাক ঘৰত থৈ নিচিন্ত মনেৰে আমি ঘৰ এৰি যাব পাৰিছিলো।

এবাৰ আমি ঘৰৰ সকলোৰে পুৰী ভ্ৰমণৰ বাবে গৈছিলো। পুৰীত থকা দিনকেইটাত পুৰীৰ সাগৰৰ পাৰে পাৰে ঘৃৰি ফুৰোতেওঁ বাৰে বাৰে মনত পৰিছিল ৰকীলৈ। সি বা কি কৰি আছে। খাবলৈ পাইছে বা নাই। ওচৰ চুবুৰীয়া মানুহঘৰে তাৰ খাবলৈ দিছে বা নাই? মা হঁতৰ লগত ৰকীৰ কথাকে পাতিছিলো। পুৰী ভ্ৰমণ কৰি আমি ঘৰলৈ উভটি আহিছিলো। আমি ভাবি আহিছিলো ঘৰৰ গেটৰ মুখত আমাক দেখি ৰকী হয়তো দৌৰি আহিব। আমাৰ গাত গা ঘহাই তাৰ ভাষাৰে আমাৰ খবৰ ল'ব। কিন্তু নাই ৰকী দেখোন আমাক আগবঢ়াবলৈ নাহিল। ইফালে সিফালে তাক বিচাৰিলো। নাই সি দেখোন ক'তো নাই। নিজকে ৰৰ অকলশৰীয়া অকলশৰীয়া লাগিল। সি বাৰু ক'ত গ'ল। ঘৰত থকা সময়খিনিত তাৰ সৈতে খেলি ধুলি কটাইছিলো। সেয়ে আবেলি মই ৰকীক বিচাৰি ওলালো। নাই ৰকী ক'তো নাই। ক'লৈ গ'ল বাৰু সি? ৰকীক কোনোবাই দেখা পাইছে নেকি খবৰ কৰিলো। অৱশেষত ৰকীৰ খবৰ পালো। আমি পুৰীলৈ যোৱাৰ পাচ দিনা ৰকী হেনো আলিবাটলৈ ওলাই গৈছিল। এখন তীব্ৰবেগী ট্ৰাকে তাক মহটিয়াই লৈ গ'ল। আলিবাটত পৰি ৰ'ল ৰকীৰ নিথৰ দেহ। পাচদিনা মিউনিচিপেলিটিৰ মানুহ আহি ৰকীৰ নিথৰ দেহটো উঠাই লৈ গ'ল।

ৰকীৰ খবৰটো পাই মই কান্দিবলৈ ধৰিলো। মাহঁতক আহি ৰকীৰ খবৰটো ক'লো। মাহঁতৰো মন একেবাৰে মৰি গ'ল। সেইদিনা নিশা আমাৰ কোনেও একো নাখালে। মোৰ এনে লাগিল যেন মই এজন প্ৰকৃত বন্ধুক হেৰুৱালো। অন্তৰখনে হাহাকাৰ কৰি উঠিল কাক মই মৰম কৰিম? মোক দেখিলেই কোন মোৰ ওচৰলৈ দৌৰি আহিব? মনৰ মাজতে কৈ উঠিলো জান, তই কিয় এনেদৰে আঁতৰি গলি? তোক মই কোনো দিনে কুকুৰ বুলি ভবা নাছিলো। তই আছিলি মোৰ মৰমৰ বন্ধু, প্ৰকৃত বন্ধু, খেলৰ লগৰী।

—

একাংকিকা নাট

সাগৰ সীমাৰ সিপাৰে সমীৰণ

নিপন কুমাৰ ডেকা
তৃতীয় ষান্মসিক, ৰাজনীতি বিজ্ঞান বিভাগ

চৰিত্ৰ পৰিচয় ঃ

১। সাগৰ বৰা - অধিবক্তা । বয়স ৩৩-৩৫
২। সীমা বৰা - সাগৰ বৰাৰ ভনীয়েক, প্ৰাইভেট স্কুলৰ শিক্ষয়িত্ৰী, অবিবাহিতা। বয়স ২৪-২৬
৩। সমীৰণ বৰা - যুৱক, সাগৰ বৰাৰ ভায়েক। বয়স ২৭-২৯

দৃশ্যসজ্জা

১। উকীল সাগৰ বৰাৰ এটা ঘৰুৱা কোঠা

আৱশ্যণি : সমীৰণ বৰাৰ নাটকৰ বিহাৰ্চেল, কাষত সীমা।

সমীৰণ ঃ সূর্য্য ৰাতিতে কিয় ওলাইছে বুলি প্ৰশ্ন নকৰিব। কাৰণ আপোলোকৰ দৰে মুৰ্খ কিছুমানে সূর্য্যটোকো কিনি লব বিচাৰে। কিন্তু নাজানে যে সূর্য্যটো ফুটপাথৰ দোকানত পোৱা টেকেলীমুখত দিয়া পিঠা নহয়। কেনেকুৱা লাগিছে.....?

সীমাঃ বাঃ বাঃ বাঃ বাঃ excelent তোৰ নাটক দেখি দুটা হাত চাপৰি বেছিকৈ মাৰি দিলো যা।

সমীৰণঃ এ ৰহ ৰহ ৰহ। মোৰ last and fantastic programme টো শুন না।

সীমাঃ মোক তাত voice মিমিক্ৰি কৰিবলৈ কৈছে। মোৰ favourite artist নানা পাটেকাৰৰ মিমিক্ৰি কৰিম। শুনচোন—

'আৰে মন্দিৰ, মছজিদ কে লৰাই মে মৰ গয়া লাখো ইনচান। ধৰ্মকে নাম পে মৰগয়া হাজাৰো কোৰবান। যিচকি অন্যায় কি বিৰোধ কি ৰা-ওৱান কো মত উধাৰা। ওৰ হম, হম ভগৱান কে নিচেৰালী হো। ওচি দোকান ভিকা পকৱান খদ্দৰ কি চাংকতি জন্মুকি পিক্‌দান। চাৰাচাৰ আচ্ছি বেইমান। ফিৰ ভি মেৰা দেচমান। ক্যা কৰে, ক্যা কৰে চাল্লা এক মত্‌চৰ আদমীকো হিজাৰা বনা দেতা হে।

কি ক? এনেকৈ কৰিলে হবতো?

সীমাঃ কি কম মানে ভাষা নাই।

সমীৰণঃ এ হব দে, ডিক্সনাৰী মেলিব নালাগে। তয়ো মোক দেখি দেখি বৰ অভাৰ একটিং কৰ।

সীমা ঃ হয় নেকি? ও I see, ঠিক আছে। তোৰ একটিং চাবলৈ দৰ্শকবোৰ চোন আছেই। (চকী, মেজবোৰ দেখুৱাই) মই মিছাতে ঠাই বন্দী কৰিছো। যাও দে। বাই। (ঘৰ খোজে)

সমীৰণঃ এ ৰহ না ৰহ না। মোৰ ভুল হৈছে। I am sorry মোক নাটকৰ আগে আগে আবৃত্তি কৰিবলৈ কৈছে। কবিতাটো শুন না—

অৰনী চক্ৰবৰ্ত্তীৰ বিখ্যাত কবিতা 'কবিকণ্ঠ'

তোমাৰ মজিয়াত তুমি থাকিব পাৰিলানে?
কথা কব পাৰিলানে তুমি? থাকিব পাৰিলানে?
(সীমাই মনে মনে প্ৰস্থান কৰে)
প্ৰতিটো নজন্মা শিশুকে বেছি তুমি কেনেকৈ
টেলিভিছনৰ ৰঙীন নিছাত মাতাল হোৱা?
ময়োতো বিচাৰো.....
(হাতত পেপাৰখন লৈ সাগৰৰ প্ৰৱেশ)

সাগৰঃ ৰাৱিজহু জাষ্ট ৰাৱিজ। শান্তিত পেপাৰখনো পঢ়িব নোৱাৰা হলো। পাগল হৈ যাব লাগিব মই এতিয়া।

সমীৰণঃ হাৰে এই ক'ত গ'ল? ভন্টি, সীমা ঐ ক'ত গলি। মোৰ কবিতা নুশুন নেকি? (প্ৰস্থান)

সাগৰঃ Nonsence everywhere যা যা ডাঙৰক অলপ কমকৈ ইনচাল্ট কৰিবলৈ শিক। ধ্বংস হবলৈ আৰু বৰ বেছি অপেক্ষা কৰিব নালাগে। অপদাৰ্থ কৰবাৰ। (চিএষ্ট) সীমা, সীমা পানী এগিলাছ লৈ আহ। শিল্পী ওলাই ছে, সংস্কৃতিৰ পুজাৰী, সুন্দৰৰ সাধক।

স্কাউড্ৰেল। তিনিও সাজে সিদ্ধ ব্যঞ্জনেৰে মাৰি আছেতো। ভইচ কি একেবাৰে, ৰণ ৰণ কৰে মাত। উপাৰ্জন কৰিব লাগিলে গম পালেহেতেন শিল্প, সংস্কৃতি ক'ত থাকে? পেটত থাকে নে পকেটত থাকে। (এগিলাছ পানী লৈ সীমাৰ প্ৰৱেশ)

সীমাঃ দাদা পানী।

সাগৰঃ অ' দে। ও আচ্ছা তই ঠিকে আছতো?

সীমাঃ মানে?

সাগৰঃ মানে ই পাগলটোৰে তোকো পাগল কৰা নাইতো?

সীমাঃ ও-সো-দাদাহু সি পাগল হোৱা নাই। তই এইবোৰ কি কৈছ?

সাগৰঃ ঠিক, ঠিক তহঁতৰ বেমাৰ একেটাই। বেমাৰীহে বেলেগ বেলেগ। দিনৰ পিছত ৰাতি, ৰাতিৰ পিছত দিন। সময় নাই, অসময় নাই ২৪ ঘন্টা উদ্ভণ্ডালি। ভাল কথা কলে নুশুনে, ভালকৈ বুজালে নুবুজে। এইবোৰক মইমতালি, পাগলামি বুলি নকৈ কি বুলি ক'ব লাগে?

সীমাঃ আ-হাহু কি হৈছে তোৰ?

সাগৰঃ যি দেখিছ তাকেই হৈছে।

সীমাঃ নাটক কৰিলে, কবিতা লিখিলে, অভিনয় কৰিলে মানুহ পাগল হয় নেকি? এইবোৰ তাৰ প্ৰতিভা, মঞ্চত উঠাৰ সাহস সকলোৰে নাথাকে। মানুহৰ হাতচাপৰি সকলোৱে নাপায়।

মানুহৰ জীৱনটোৱেই খন্তেকীয়া। কিন্তু বহুত জীৱতকৈ মানুহৰ জীৱনকাল বহুত বেছিও। তথাপি আমি তেনেকৈ নকও জানো? খন্তেকীয়া জীৱনক দীঘলীয়া কৰাৰ কাৰণে আমি খাইছো আৰু জীয়াই আছো। বহু। আজিলৈকেতো এবাৰো ভবা নাই যে আমি জীয়াই থকাৰ কাৰণে খাই আছো নে খাই থকাৰ কাৰণে জীয়াই আছো।

সাগৰঃ তই এইবোৰ কথা মোক কিয় কৈ আছ'?

সীমাঃ দৰকাৰ আছে, প্ৰয়োজন বোধ কৰিছো। কেৱল খাই থকাৰ কাৰণে জীয়াই থাকিবলৈ কাকো বাধ্য নকৰাবি। কাৰো ইচ্ছা আকাংক্ষাক হত্যা নকৰিবি। কাৰণ জোৰ কৰি যোৱা লগোৱা সুতাডালত জোৰ নাথাকে।

সাগৰঃ হাঃ হাঃ হাঃ জান', কেতিয়াবা হাঁহিবলৈ মন নাযায় কিন্তু হাঁহিবলৈ বাধ্য হৈ যাওঁ। আৰু হাঁহি হাঁহি পাগল হৈ যাওঁ। আচ্ছা তই কি কৈ আছিলি, কৈ যা। দস্তুৰমত শুনি বেয়া লগা নাই।

সীমাঃ মোৰ আৰু ক'বলৈ মন নাই।

সাগৰঃ No, কথা শেষ কৰিবলৈ মন নাথাকিলে আৰম্ভ নকৰিবি। আন্দোলনকাৰী ওলাইছ নহয়। এই, কোৰ্টত মোক সকলোৱে উকীলৰ বাঘ বুলি ভাৱে। মোৰ against অত argument কৰিবলৈ থৰ থৰকৈ কপি থাকে। মোৰ মুখত মুখ থৈ তৰ্ক কৰিবলৈ তোৰ ইমান সাহস?

সীমাঃ মোক দেখিলে বাৰু জধামুৰ্খ যেন লাগে নেকি দাদা? তই কি ভাবিছ, মই তোৰ লগত যুক্তি তৰ্ক কৰি বৰ উকীলটো হৈ দপদপাৱলৈ আহিছে? উকীল তই। তোৰ সমান তৰ্ক কৰাৰ সাহস বা দক্ষতা মোৰ নাই। মই মাত্ৰ কবলৈ গৈছো যে মানুহৰ জীৱনটো এটা সৰল অংক, য'ত.....

সাগৰঃ নহয়, মানুহৰ জীৱনটো এটা ধাৰ কৰা বিয়োগ অংক য'ত যোগ কৰি যাওঁ বিয়োগ নিজে নিজে হৈ যায়। আৰু মোৰ জীৱনৰ বিয়োগ চিনবোৰ হৈছে তহঁত। মোক যা-তা কথাবোৰ বুজাই এটা ধাৰ কৰা বিয়োগ অংকলৈ ঠেলি দিব খুজিছ নহয়?

সীমাঃ দাদা, নিজকে তই পাহৰি গৈছে। যিজন সাগৰ বৰাই কবিতাৰ ছন্দত ছন্দ মিলাই কথা কৈছিল (D) সেইজন সাগৰ বৰাক তই আজি টিলটিলকৈ হত্যা কৰিছ কিয়? তয়তো এদিন এইবোৰ কৰিছিলি। আমি স্কুলত থাকোতে তয়তো কবিতা, নাটক, গল্প লিখিছিল। তই লিখা কবিতা— 'মই সূর্য্য উঠা দেশলৈ গৈছিলো'- আবৃত্তি কৰি সি যে মেডেল আনি তোক দেখুৱাইছিল (D)। তই যে তাক ভাল মানুহ হ'বলৈ, এইবোৰ জীয়াই ৰাখিবলৈ গান গাইছিলি,

'তহঁত যেতিয়া ডাঙৰ হ'বি মানুহৰ কামকে কৰি যাবি। দিন বাগৰিলে ছাঁ, সন্ধিয়া নামিব ছাঁ।'

তাক ভাল আবৃত্তিকাৰ কৰিম বুলি, এজন বিখ্যাত অভিনেতা কৰিম বুলি শপত খোৱা নাছিলি জানো? তয়েতো তাক সূর্য্য উঠা দেশলৈ যাব শিকাইছিল।

সাগৰঃ অ' শিকাইছিলো। কাৰণ সূর্য্য কোনফালে উঠে, মোৰ বুজাত পলম হৈছিল। মূৰ্খ, মূৰ্খ আছিলো মই। D

সেই কাৰণে ভুল কৰিছিলো। কবিতা আবৃত্তি কৰি, নাটক কৰি, মানুহ চলিব নোৱাৰে। যিয়ে এই সামান্য কথাটো বুজি নাপাই আত্মজাহ দিয়ে, সি জীৱন নামৰ দীঘলীয়া শব্দটো ক'ব নোৱাৰাকৈ চুটি কৰি লৈ আহে। আজিৰ পিছত যোৱাকালিৰ দিনটো তাৰ জীৱনত ঘুৰি নাহে। এদিন তাৰ বয়স হ'ব। ভৰিষ্যতৰ

সঞ্চয় নকৰিলে এদিন শিল্পী পেঞ্চনৰ কেইটামান টকাৰ বাবে অফিচ বাগৰি ঘুৰি ফুৰিব লাগিব। আৰু সাংস্কৃতিক মন্ত্রীয়ে তাৰ দৰে মানুহক চিনি নাপায়।

সীমাঃ দাদা, পশ্চিম আকাশত বেলি মাৰ যোৱা চাই চাই তই পাহৰি গৈছ যে পুব আকাশত বেলি উদয়ো হয়।

সাগৰঃ কলিয়া ডাৰৰে যেতিয়া আকাশখন ঢাকি ৰাখে তেতিয়া সূর্য্যলৈ চাব আশা কৰাটো মুৰ্খামি।

সীমাঃ কিন্তু আশা নকৰাটো পাপ।

সাগৰঃ পাপ-পুণ্যৰ বিচাৰ কৰিবলৈ মই ৮ বছৰ আগতে এৰি দিছো।

সীমাঃ ভুল, এয়া তোৰ ভুল দাদা। ৮ বছৰ আগতে তই খুৱ মৰমেৰে ৰোপন কৰা দুটা গুটি আজি অংকুৰিত হৈছে। আমিওতো মানুহহে। তই আমাক সৰুতে নিশিকালি কিয় যে তহতে মালিক হ'ব লাগিব। মহাজন, মৌজাদাৰ হ'ব লাগিব (D)।

সাগৰঃ সৰুতে নকলো নাই। এতিয়া কৈছো। এতিয়াও বহুত ডাঙৰ হৈ যোৱা নাই।

সীমাঃ বহুত পলম হ'ল। যিটো আৰু এতিয়া সম্ভৱ নহয়। কাৰণ তপত কেৰাহীত ধান আখৈহে ফুটে, গজালি নেমেলে। ঠিক যেনেকৈ পুৰণ্ঠ বাঁহ ভাঙিবহে পাৰি ভাজ লগাব নোৱাৰি।

সাগৰঃ খামোচ।।। No need advice, instruction, ideology infront of me তহঁতৰ যি ইচ্ছা তাকে কৰিবি। মইনো মাত মাতিবলৈ কোন কুটা। মাত্র এইখন ঘৰত মই শান্তিত থাকিব বিচাৰো।
I want only peace.

সীমাঃ শান্তি অ' শান্তি। শান্তি দিয়া, শান্তি দিয়া সোণৰ অসম ৰচিবলৈ। (গুণগুণাই প্রস্থান কৰিব খোজে)

সাগৰঃ এই শুনচোন। তই মোৰ কথাষাৰত গুৰুত্ব নিদিলিচোন।

সীমাঃ গুৰুত্ব? দিছোচোন।

সাগৰঃ অ' আৰু তাক কৈ দিবি যে এনেকৈ যাতে দিনে বাতিয়ে হুলস্থূল কৰি নাথাকে। ওচৰৰ মানুহে কি ভাবিব? কাজিয়া লগা বুলিহে ক'ব। অন্ততঃ মই থকা সময়ত এনেকৈ যাতে অশান্তি দি নাথাকে। মোৰ এইবোৰ সহ্য নহয়। কলা, কল্পনা, কুশলী মোৰ বাবে বিড়ম্বনা। মই ফুল আৰু ভোমোৰাৰ কাহিনী শুনিবলৈ বেয়া পোৱা মানুহ। ব্যতিক্রমিতা মোৰ জীৱনৰ আধাৰবস্তু।

মই নুফুলা ফুলৰ বাগিছা, মৰুদ্যান বিচাৰি ফুৰো। আৰু এনেকৈ ফুৰিলেই জীৱনৰ এটা সাৰাংশ পাওঁ। আনন্দ পাওঁ। আৰু তাত অশান্তিৰ বীজ সিচা কোনো মনুহকে মোৰ সহ্য নহয়। সেইকাৰণে ভালে ভালে কৈছো সাৱধানে থাকিবি। মই বিচৰামতে যদি নকৰ নিবিচৰামতেও নকৰিবি। নহলে.....

সীমাঃ কি কৰিবি? মাৰি পেলাবি? (D) তোৰ যি ইচ্ছা তাকে কৰিবি। তথাপি অম্বিকাগিৰি বায়চৌধুৰীয়ে কোৱাৰ দৰে কম, আঠুকঢ়ি জীয়াই থকাতকৈ মৃত্যুয়েই শ্রেয়। তেনে মৃত্যু আত্মাৰ দৰে অবিনশ্বৰ। তই আমাক কি বুলি ভাৱ হা? (D) আমাৰ মন, মগজু, বিবেক নাই? এইখন ঘৰত তিনিওৰে অধিকাৰ আছে। দিন ৰাতি ২৪ ঘন্টাক যদি তিনিভাগ কৰা হয় ৮ ঘন্টাকৈ ভাগত পৰে। ১৬ ঘন্টা মনে মনে থাকিলেও ৮ ঘন্টাৰ স্বাধীনতা তাৰ বা মোৰ আছে। আমি অজস্র টকা-পইচাত কেতিয়াও শুই থাকিব বিচৰা নাই। লাস-বিলাসৰ পাহাৰ বগোৱা সপোন দেখা নাই। নালাগে তই আমাক খুৱাব, নাখাওঁ ভাত। কিন্তু এনেকৈ হকে বিহকে গালি গালাজ পাৰি নাথাকিবি। প্রাইভেট স্কুলৰ শিক্ষয়িত্রী হলেও মই তিনিসাজ ভাতৰ খৰছ উলিয়াব পাৰিম। দুটা টিউচন বেছিকৈ কৰিম। তথাপি তাৰ প্রতিভাক, তাৰ পাৰদর্শিতাক এনেদৰে মৰহি যাব দিব নোৱাৰোঁ। সি নাটক কৰি ভাল পায়। এইবোৰতো বেয়া কাম নহয়। ডাঙৰ ডাঙৰকৈ, চিঞৰি চিঞৰি নাটকৰ সংলাপ কৰ। কবিতা আবৃত্তি কৰিব। ডাঙৰ ডাঙৰকৈ .....D

(সাগৰে মুখত পানী গিলাচ মাৰি দিয়ে)

সাগৰঃ enough!

সীমাঃ (মুৰজোকাৰি) ঐ.....।

সাগৰঃ সংগীত, নাটক, নৃত্য নাটিকাৰ কর্মশালা কৰিবলৈ এইটো ৰবীন্দ্র ভৱন নহয়। This is the house of advocate Mr. Sagar Ch. Bora. LLB Comma LLM.

(সমীৰণৰ প্রৱেশ হাতত দুখন কিতাপ লৈ)

সমীৰণঃ God father of econmics ৰ মতে কিছুমান বস্তুৰ অপব্যৱহাৰৰ আৰত কিছুমান মানুহৰ ভণ্ডামী,, পাগলামি লুকাই থাকে।

(সাগৰে সমীৰণৰ ফালে কেৰাহিকৈ চায়)

না-না মই তোক কোৱা নাই। পানী মানুহে খাবলৈ ব্যৱহাৰ কৰে। মগজুৰ গণ্ডগোল নাথাকিলে কোনোবাই জানো খাবলৈ অনা পানী মানুহৰ গাত মাৰে? তই যা মুখখন মচি লগে।

(লাহে লাহে সীমাৰ প্রস্থান)

সাগৰঃ এইবাৰ তই মোৰ লগত তর্ক কৰিম বুলি আহিছ নেকি?

সমীৰণঃ অ' আহিছো।

সাগৰঃ তেন্তে বহ।

সমীৰণঃ বহি বহি কোনো আদালতত তর্ক কৰা নহয় দাদা।

সাগৰঃ এইখন আদালত নহয় বাবে তোক বহিবলৈ কৈছো। বহ।

(সমীৰণ বহে)

সাগৰঃ উঠহুঁ উঠহুঁ মোৰ সমানে সমানে বহিবলৈ তোৰ লাজ লগা নাই। নিজৰ ওপৰত ধিক্কাৰ জন্মা নাই। নিজকে এটা গলগ্রহৰ দৰে অনুভৱ কৰা নাই। সময় কোনফালেৰে সোমাই কোন ফালেৰে ওলাই অনুমান কৰিব পৰা নাই।

সমাৰণঃ অ' পৰা নাই। কাৰণ সময়ক মই তোৰ দৰে এটা পন্যৰ বাকচ বুলি ভবা নাই। তহঁতৰ দৰে চতুৰ দালাল কিছুমানে সময়কো কিনি ল'ব বিচাৰ, কিন্তু নাজান; যে সময় ফুটপাথৰ দোকানত পোৱা টেকেলী মুখত দিয়া পিঠা নহয়।
জন মিল্টনে যেতিয়া time versus poem লিখিছিল গোটেই বিশ্বই দেখিছিল যে সময়ক কবিতায়ো হৰ্ৱাব পৰা নাছিল। মোক তই ইমান কঠোৰভাৱে বান্ধিব খুজিছ কিয় হা? প্রকৃতিৰ মটীয়া বুকুত সেউজীয়া সপোন ৰচা নীলা চৰাইটোক তই পিঞ্জৰাত আৱদ্ধ কৰিছ কিয়? মই যে নেৰু চাক নৰকৰ আত্মপাঠ শুনাই ভাগৰি পৰা এটা প্রাচীন ভোমোৰা।

সাগৰঃ চা ভাইটি, তর্ক কৰিবলৈ মন যাই কাৰ? তর্ক কৰিলে লাভ হয় কাৰ, তর্ক কৰিলে ক্ষতি নহয় কাৰ। তোৰ লগত যে মই তর্ক কৰিব লাগে তই মোৰ কোন কালৰ শত্রু কচোন? তোৰ ককায়েৰ হিচাপে তোক জানো মই কথাখিনি বুজাব নোৱাৰো।

সমীৰণঃ পাৰ, কিয় নোৱাৰিবি? আৰু মই জানো বুজি ল'ব নোৱাৰিম। চাচোন আমি সকলোৰে যদি সকলোৰে কথাবোৰ বুজি পাওঁ তেন্তে পৃথিৱীখন এখন সুন্দৰ সুখৰ ঠাই নহ'বনে?

সাগৰঃ ভাইটি, পৃথিবীখন কেনেকৈ চলিছে মই জানো কমকৈ বুজো? তই যি সমাজ পৰিৱর্তনৰ সপোন দেখিছ, পৰিকল্পনা কৰিছ ছব meaningless. একো কৰিব নোৱাৰ তই। চা, এটা বস্তু অন্ততঃ তোতকৈ মোৰ বেছি আছে। That is experience মই মোৰ অভিজ্ঞতাৰ পৰা কও একো কৰিব নোৱাৰ তই। এইখন দেশত দুর্নীতি কেন্সাৰৰ ৰক্ত কণিকাৰ দৰে বিয়পি গৈছে। তাত তোৰ সাধাৰণ লিখনি, সামান্য প্রচেষ্টাৰে কি কৰিবি। তই আজি নাটক কৰি দুপইচা উলিয়ালে মানুহে বু-বা কৰিব। যে কলা সংস্কৃতিৰ নামত সি ব্যৱসায় আৰম্ভ কৰিছে। এইবোৰ মানুহৰে তোক বেৰি আছে বাবেই তোৰ সততাই প্রকাশ নাপায়। তেনে অৱস্থাত সৎ হৈ থাকি তোৰ কি লাভ?

সমীৰণঃ চা, সৎ অভিনেতা হৈ মই স্বর্গলৈ যাম, মানুহৰ আগত নহ'লেও কোনোবা ঈশ্বৰৰ আগত বুকু ফিন্দাই থিয় দি কম, এইবোৰ কথা মই ভবাই নাই। কিন্তু সৎ হৈ থাকি মোৰ কি লাভ সেইটো সেইটো প্রশ্ন মোক নকৰিবি। জীৱনটো টানি আজুৰি চোচৰাই লৈ ফুৰোতে মাত্র কেইটামান কথা শিকিলো। যে জীয়াই থাকিবলৈ মানুহক এখন হৃদয় লাগে। আৰু কলা-সাহিত্য-সংস্কৃতিয়ে হৃদয়ৰ জন্ম দিয়ে। শিল্পই সভ্যতা, সভ্যতাই শান্তি আৰু শান্তিয়েই প্রগতি। শিল্পীৰ মৃত্যু হয় কিন্তু শিল্পৰ মৃত্যু নহয়। আদর্শ চিৰস্থায়ী। গতিশীল সময়ৰ মুষ্টিমেয় মনবোৰ আদর্শেৰে ভৰপুৰ কৰিবলৈ আমি জন কীটচ, শ্যালী, ৰঘুনাথ চৌধাৰী, পাবলো নেৰুডাৰ জীৱন যদি অনুকৰণ কৰো তেন্তে সেয়া ভুল শিকিছো জানো?

সাগৰঃ নাই, তই ঠিকেই শিকিছ। কিন্তু ভাইটি, মই কোৱা কথাবোৰ জানো ভ্রম? আমাৰ এজনী ভনী আছে। তাইক জানো বিয়া দিব নালাগিব?

সমীৰণঃ লাগিব।

সাগৰঃ তাইৰ কাৰণে দৰা চাব নালাগিব?

সমীৰণঃ লাগিব।

সাগৰঃ কোনে চাব?

সমীৰণঃ তই।

সাগৰঃ কি?

সমীৰণঃ না, আমি।

সাগৰঃ তাইৰ কাৰণে মই লৰা এটা পাইছো।

সমীৰণঃ পাইছ'? কৰ ল'ৰা, ক'ত থাকে, কি নাম, কি কৰে?

সাগৰঃ চব কম। মাত্র তই তাইক কথা এটা বুজাব লাগিব।

সমীৰণঃ কি?

সাগৰঃ ছোৱালী ধুমুহাৰ দৰে হ'ব নালাগে। ছোৱালী ছোৱালীৰ দৰে হ'ব লাগে। (D)

সমীৰণঃ সাগৰ আৰু সমীৰণৰ মাজত থকা ছোৱালী ধুমুহাৰ

দৰেতো হবই। তিষ্ঠিবতো লাগিব। ধেৎ, মই একেবাৰে যা-তা দে। কৰ পৰা কলৈ যাওঁ। ঠিক আছে বুজাম দে। লৰাটো ক'ত পাইছ?

সাগৰঃ অকল পোৱাই নহয়, মই একেবাৰে কথা দি আহিছো। ল'ৰাজন মুম্বাইত পঢ়ে। কেশৰ মহাজনৰ লৰা ডিম্বেশ্বৰ। (D) মার্কেট মুন্না বুলি জানে।

সমীৰণঃ কি?? কেশৰ মহাজনৰ লৰা ডিম্বেশ্বৰ। তই পাগল হৈছ নেকি? তয়ে পাগল হৈছ নে ময়ে পাগল হৈছো একো ধৰিবই পৰা নাই। এটা লম্পট, ধুৰন্ধৰ, অঘাইতং, কুলাংগাৰৰ লগত আমাৰ একমাত্ৰ ভনীজনীক বিয়া দিম বুলি তই ভাবিলি কেনেকৈ?

সাগৰঃ ইয়াত ভাবিবলৈ নাই। মই decission লৈছো।

সমীৰণঃ তই অকলে decission লবলৈ মই এতিয়াও মৰি যোৱা নাই।

সাগৰঃ থাকিবি। জীয়াই থাকিবি। অন্ততঃ মোৰ পকেটত মাল থকালৈকে জীয়াই থাকিবি।

সমীৰণঃ আজে বাজে কথা বাদ দে দাদা। সি একো নকৰে।

সাগৰঃ তই নিজে কি কৰ?

সমীৰণঃ অন্ততঃ গুন্দামি নকৰো। দহজনক সুধি আহিবি তাৰ বিষয়ে ভাল কথা নকয়।

সাগৰঃ মই এঘাৰজন আনি দিম তাৰ বিষয়ে ভাল কথা কয়। সি মুম্বাইত পঢ়ে।

সমীৰণঃ অ' মুম্বাইত পঢ়ে। But this never can be a qualification, তিনিবছৰীয়া ডিগ্ৰী কোৰ্চটো আজি সাতবছৰে মুম্বাইত পঢ়িয়েই আছে। ঘৰলৈ নাহেই। বাপেকক সুধিলে কয়, 'মোৰ লৰাটো মুম্বাইত পঢ়েতো, ঘৰলৈ আহিবলৈ সময়েই নাপায়।' — নাপায়হুঁ কাৰণ ঘৰলৈ আহিলে অসম চৰকাৰৰ যোগান মন্ত্ৰীয়ে তাক মদৰ চাপ্লাই ধৰিব নোৱাৰা হৈ যায়।

সাগৰঃ ভাইটি, just mind your language. This is my order.

সমীৰণঃ Yes order is an order, order.

সাগৰঃ সীমাক ডিম্বেশ্বৰে ফটো চাই পচন্দ কৰিছে। সি তাইক বিয়া কৰাব।

সমীৰণঃ তাৰ আগতে তাৰ হাড়কেইডাল ভাঙি মই চিমেন্টৰ বস্তাত ভৰাই থ'ম।

সাগৰঃ You Ruskel.

সমীৰণঃ Yes. মোৰ ভনীৰ বিনাসন্মতিত কোনোবাই বিয়া কৰাব আহিলে চাৰা খেলে এহি খটম কৰডুংগা। না কেছ, না তাৰিখ, চিধা ইনচাফ।

সাগৰঃ I say stop it. মোক পিছলৈ ঘুৰি চাবলৈ বাধ্য নকৰাবি। মই যি ভাবিম সেয়া কৰিম।

সমীৰণঃ Oh no এইখন সমাজত.....D

সাগৰঃ enough!!

(দুয়োৰে কথা নোহোৱাকৈ তর্ক হয়। আঙুলিত আঙুলি লগাই। বাহিৰৰ পৰা বাজনা। Soundless moments. Only acting without dialouge)

(সীমাৰ ক্ষন্তেক আগেয়ে প্ৰৱেশ ঘটে) D

সীমাঃ মই বিয়া নহও। (চিঞৰি) নহও মই বিয়া। আজীৱন চিৰকুমাৰী হৈ থাকিম। মাত্ৰ অনুৰোধ কৰি কৈছো তহঁতে এনেকৈ নমৰিবি। ঘৰৰ মাজতে গৃহকন্দলৰ সুচনা নকৰিবি। গৃহযুদ্ধৰ নায়ক হ'ব নাযাবি।

সমীৰণঃ চাচোন ভন্টি তোক বোলে সেই Black sheep এটাৰ লগত বিয়া দিব সি।

সাগৰঃ এই হ'ব দে। কিমান আৰু জ্বলা জুইত ঘিউ ঢাল? এই বিষয়টো আৰু মই উলিয়াব নোখোজো।

সীমাঃ কিয়?

সাগৰঃ তোৰ লগত মই বর্তমান কথা পাতিব নোখোজো ইয়াক মাত্ৰ দুটামান কথা শুধিম আৰু ইয়াৰ পৰা যামগৈ।

সীমাঃ কিয় হেপাহ পোলোৱা নাই?

সাগৰঃ Please তই মনে মনে থাক। ভাইটি তই মোক এটা কথা ক'— তই নিজকলৈ ইমান উদাসীন কিয়? তর্ক নহয়, মই তোক Force কৰা নাই। মাত্ৰ শুধিছো তই কিয় ভবিষ্যতৰ চিন্তা নকৰ? কিয় তোৰ বয়স পাৰ হৈ গৈ থাকিলেও অনুভৱ নকৰ?

সমীৰণঃ দাদা, যিবোৰ মানুহৰ জীৱনৰ কোনো পৰিকল্পনা নাথাকে, সেইবোৰ মানুহৰ বয়সৰ হিচাপ নিকাচ কৰি কিবা লাভ আছে জানো? আমাৰ জীৱন কাল দীঘলীয়া বাবেহে আমি ভৰিষ্যতৰ চিন্তা কৰো। এবাৰ ভাৱচোন জীৱনটো যদি ২৪ ঘন্টীয়া হয়, ২৩ ঘন্টাৰ পিছত যদি মৃত্যুৱে. তোলৈ অভিনন্দন জনাবলৈ বাট চাই থাকে, তেন্তে তই জীৱনটোক কেনেদৰে সজাবি? (D)

সীমাঃ তই কিয় তেনেদৰে ভাবিছ? (D)

সমীৰণঃ নাইহুঁ মই কথাৰ কথাটোহে কৈছো। জীৱন জীৱন বুলি দৌৰি থাকিলে জীৱনটোৱে আমাক জীৱাবলৈ সময়ে নিদিব। আৰু সময় আহিলেতো মই শান্তি নিকেতনলৈ যাম।

সীমাঃ কি নিকেতন?

সমীৰণঃ শান্তি নিকেতন

সীমাঃ মানে?

সমীৰণঃ নাট্য বিদ্যালয়।

সাগৰঃ তই বিষয়ৰ পৰা আতৰি গলি। মই কিন্তু মোৰ প্ৰশ্নৰ উত্তৰ এতিয়াও আধাখিনিহে পালো।

সমীৰণঃ সময়ত পুৰাপুৰিকৈ পায় যাবি।

সাগৰঃ ঠিক আছে। (প্ৰস্থান)

সীমাঃ ঐ কি কৈছ তই এইবোৰ? ক'ত যাবি?

সমীৰণঃ শান্তি নিকেতনত। এ বাদ দে এইবোৰ? ঐ তোৰ কাৰণে দাদাই কিন্তু most handsome চালানী দৰা এটা চাইছে দে।

সীমাঃ কিয় দেখিবলৈ বেয়া নেকি?

সমীৰণঃ ও মাই how handsome youth he is. ওচৰৰ পৰা চাবই নোৱাৰি। চকুদুটা মেকুৰীৰ দৰে, মুখখন ভকুৱা মাছৰ দৰে। আৰু নাকটো....?

সীমাঃ ফেচাৰ দৰে?

সমীৰণঃ নহয়।

সীমাঃ বাঘৰ দৰে?

সমীৰণঃ ও পাহৰিছিলোৱেই তাৰ নাকেই নাই।

হাঃ হাঃ হাঃ..... (দীঘলীয়া হাঁহি)

(হাঁহি হাঁহি গাঠি লাগে। মুৰৰ বিষ আৰম্ভ)

(D)

সীমাঃ কি হ'ল?

সমীৰণঃ মুৰটো বিষাইছে। (D)

সীমাঃ তোৰ মুৰৰ বিষটো ইমান দিন হ'ল। ডাক্তৰক দেখুৱাই নাই নেকি? বেছি হৈছে নেকি?

সমীৰণঃ নাই ৰহ। যাচোন পানী এগিলাছ লৈ আহ।

(সীমাই যাব খোজে)

ঐ শুন, তই কিন্তু পানী গিলাচ দুই মিনিট দেৰিকৈ আন হা।

সীমাঃ ইস। এগিলাচ পানী আনোতে দুই মিনিট লাগে নেকি?

(প্ৰস্থান)

(সমীৰণৰ অত্যন্ত মুৰৰ বিষ। Over acting)

(বাহিৰৰ পৰা খৰ সুৰত— যদা যদাহি ধর্মস্য গ্লানির্ভৱতি ভাৰত।.....)

(পানী লৈ সীমাৰ প্ৰৱেশ)

সীমাঃ হ ল।

সমীৰণঃ (অপ্ৰস্তুতভাৱে) দে। ইছ-ইছ-ইছ। পানী চা তাইৰ? কৰ কি পৰি আছে। অক থু। যা সলাই লৈ আহ।

সীমাঃ (পানী গিলাচ লৈ) আনোতেচোন পানী গিলাছত একো নাছিল। (প্ৰস্থান) D

.....(সমীৰণৰ আকৌ অত্যন্ত মুৰৰ বিষ)

(D) (পানী লৈ প্ৰৱেশ)

এইবাৰ চাচোন।

সমীৰণঃ অ দে। ঠিকে আছে। (পানী খায়)

সীমাঃ মই এটা কথা ভাবি পোৱা নাই।

সমীৰণঃ কি?

সীমাঃ তই শান্তি নিকেতনলৈ কিয় যাৱ?

সমীৰণঃ কৈছোৱেই চোন তাত নাটক শিকায়।

সীমাঃ এইবাৰ গলে আৰু কেতিয়া আহিবি?

সমীৰণঃ সময়েহে ক'ব। যেতিয়া আহিবলৈ দিয়ে।

সীমাঃ আৰু যদি আহিবলৈ নিদিয়ে?

সমীৰণঃ তেন্তে আহিব নোৱাৰিম।

সীমাঃ আৰু মই? মোক চৰম আশংকাত জীৱন কটাবলৈ এৰি দিলি।

সমীৰণঃ ঐ মোৰ বাপ। তাইক বিয়া দিলেও এতিয়া মই যৌতুকত যাম।

সীমাঃ নালাগে যৌতুকত যাব। কিন্তু মোক জীয়াই থাকিবলৈ প্ৰেৰণা যোগাব কোনে? মোৰ হৈ হিংসাৰ বিৰুদ্ধে যুঁজ দিব কোনে? মোৰ হৈ প্ৰতিবাদ কৰিব কোনে?

সমীৰণঃ নিজেই কৰিবি। মুলা গাভৰু, কনকলতাৰ দেশৰ নাৰী তই। নিজেই নিজৰ বিচাৰক হবি, নিজেই নিজৰ দর্শক হবি। নিজেই নিজকে বিশ্লেষণ কৰিবি, প্ৰতিবাদ কৰিবি। সমাজৰ আৱর্জনা, অপদার্থবোৰ আঁতৰ কৰিবি, আৰু যদি নিজকে আৱর্জনা বুলি ভাৰ তেন্তে চুইচাইত কৰিবি। (D)

সীমাঃ দাদা.....?

সমীৰণঃ অন্ততঃ নিজেই নিজকে শেষ কৰি দিব পাৰিবি। (D)

সীমাঃ তই এইবোৰ মোক.....?

সমীৰণঃ ইয়াতকৈ আৰু সস্তীয়া উপদেশ কি দিম ক? ময়ো সপোন দেখিছিলো জান, তোৰ বিয়া হ'ব। আয়তী উৰুলিৰে ৰভাঘৰ ভৰি পৰিব। কইনা সাজেৰে তই ওলাই আহিবি। সেৰা কৰিবলৈ আহি মোৰ ভৰিতে বাগৰি পৰিবি। আৰু মই বিয়া বুলি লোৱা নতুন পাঞ্জাৰীটোৰ অষ্টিনখনেৰে চকুপানী মছিম। (D)

(গহীনভাৱে হাতত এখন কাগজ লৈ সাগৰৰ প্ৰৱেশ?)

সীমাঃ দাদা, আকৌ আহিলে যে.....?

সাগৰঃ (নিশব্দ)

সমীৰণঃ দাদা.....?

সাগৰঃ নামাতিবি তই মোক দাদা বুলি। তই মোৰ ভাই নহয়। এটা ফাকিবাজ তই। ইমান ডাঙৰ কথা এটা মোৰ পৰা লুকুৱালি? D
(বাহিৰৰ পৰা হামিং আহিব- সাগৰ সীমাৰ সিপাৰে সমীৰণ। (কৰুণ সুৰত)
ঐ ভাইটি, সৰুতে মানুহ হ'বলৈ দিয়া শিক্ষাবোৰৰ ভিতৰত নিজৰ ককায়েৰক সকলো কথা খুলি ক'বলৈও শিকোৱা নাছিলো জানো?

সীমাঃ দাদা, কি কৈ আছ এইবোৰ? কি হৈছে তাৰ?

সাগৰঃ কেন্সাৰ হৈছে তাৰ। মেলিগনেন্ট মেলাডোমা। ব্রেন টিউমাৰ। (D)

সীমাঃ নাইহু মিছা কথা। (সমীৰণলৈ চাই)
তই এবাৰ মোৰ মুখলৈ চাই ক' দাদা এইবোৰ মিছা।

সাগৰঃ অ' ও ভন্টি এইবোৰ মিছা কথা। ইমান এটা ধুৰন্ধৰ বেমাৰলৈ ই ঘুৰি ফুৰিব পাৰিব কেনেকৈ? (D) ঐ ভাইটি তই কি কৈছিলি হা, জীৱনটো যদি ২৪ ঘণ্টীয়া হয়, তই তাক কেনেদৰে সজাবি। খুব সুন্দৰ ভাৱে তই নিজকে সজালি। (D)

সীমাঃ তই অভিনয় কৰ বুলি মই জানো, কিন্তু ইমান ভাল অভিনেতা বুলি ভবা নাছিলো। জীৱন নাটকৰ খুব সুন্দৰ চৰিত্ৰ এটা তই বাছি ললি। D

সাগৰঃ এই কাগজখন ভালদৰে থব নো�ৰাৰিলি? অন্তত: তই যাবলৈ ওলোৱা কাৰণটো গমেই নাপালোহেতেন।

সীমাঃ কি সেইখন?

সাগৰঃ বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটৰ মেডিকেল বিপোৰ্ট।

সীমাঃ চাওঁ। (কাগজখন টান মাৰি আনে। চাই লাক্ষ কৰি পেলাই হাতেৰে)
মইহু মই এতিয়া কি কৰো। মানে একো ভাৰি পো�ৰা নাই। ঐ তই সঁচাকৈয়ে যাবিগৈ আমাক এৰি থৈ? তই তামোল নাখাইছিলি, চিগাৰেট নাখাইছিলি, তোৰেই কেন্সাৰ হ'ব কোনে ভাবিব পাৰে।

সমীৰণঃ ভন্টি, কিছুমান কাম ভবা নাযায়। কিন্তু হৈ যাই। ধৰি ল'নভবাকৈ হোৱা বহুত কামৰ ভিতৰত এইটোও এটা। মই জানিছিলোৱেই কোনোবা দিনা এনেকুৱা এটা মুহূর্ত আহিবই। সেই কাৰণ এই বেগটো কোনোবাদিনাই বান্ধি থৈছো যে সময় আহিলেই মই যামগৈ। আজি সময়ে মোক হাত বাউল দি মাতিছে। — সমীৰণ। শান্তি নিকেতনলৈ যাবৰ হ'ল।

সাগৰঃ ভাইটি, মেলিগনেন্ট মেলাডোমা হলে মানুহ কিমান দিন জীয়াই থাকে মই জানো। কিন্তু এখন অচিনাকি ঠাইত চাৰিজন মানুহৰে তোৰ সৎকাৰ হ'বলৈ দিব মই নোৱাৰো। তই ইয়াতে থাকিবি। আমাৰ চকুৰ আগত থাকিবি। এইবাৰ মই কবিতা লিখিম তই শুনিবি। মই নাটক কৰিম তই দৰ্শক হবি।

সমীৰণঃ দাদা.....?

সাগৰঃ ক'ব নোৱাৰো দেচোন মই বা কিমান দিন থাকো জীৱনটো সজাব নালাগিব জানো?

সমীৰণঃ বহুহু সীমাৰ কাৰণে এজন শিল্পীৰ জন্ম হৈছে যেতিয়া মোৰ আৰু চিন্তা নাই। D মই আৰু যাব পাৰো।

সীমাঃ তই যাব নোৱাৰ দাদা।

সমীৰণঃ কিয় যাব নোৱাৰিম, মোক মৰম কৰি কৰি শেষ কৰি দিছ। তহঁতৰ পুতৌৰ পাত্র কৰি ৰাখিব খুজিছ মোক। অনাথ আশ্রমৰ শিশুৰ দৰে গা ধুৱাই দিবি। ভাত খুৱাই দিবি। মই এনেকুৱা এটা জীৱন নিবিচাৰো।
ঐ ছোৱালী হলেও এনেকৈ পেলপেনাই নাথাকিবিচোন। ঐ মুলা গাভৰু, কনকলতাৰ দেশৰ নাৰী তই। কলিজা বাঘৰ দৰে লাগিব। বাধা নিদিবি মোক। মই হাঁহি হাঁহি ইয়াৰ পৰা গুচি যাম। (D)
বেগটো কান্ধত লৈ সমীৰণে যায়। সীমাই হাতত থাপ মাৰি ধৰে। সমীৰণে হাতখন গুচাই দিয়ে। গৈ থাকে লাহে লাহে।)

সাগৰঃ একবিংশ শতিকাৰ পঞ্চম দশকতো মই তেলৈ বাট চাম।
(সমীৰণে এবাৰ উভতি চায়)

(- আৰ কাপোৰ পৰে।-)
-ঃ সমাপ্ত ঃ-

উদয়াচলত ৰবিৰ কিৰণ

নিপন কুমাৰ ডেকা
দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

ৰাতিপুৱাই গাটো ধুই দেউতা আজি বিহুৰ দিনা বজাৰলৈ যাবলৈ ওলাল। দেউতাৰ মন বিষণ্ণ। কাৰণ, ককাইদেউ চহৰত থাকে। আজি বিহুৰ দিনাও আহিবলৈ সময় নাই। অইন দিনাতো নাহেই। চহৰতে সংসাৰ কৰি আছে। মা আৰু মইপ্রায়েই দেউতাক সান্ত্বনা দিও তথাপি তেওঁ প্রায়েই ককাইদেউৰ কথা কৈ দুখ কৰে।

চাইকেলখন হাতত লৈ দেউতা চোতালত ৰৈ আছে। মায়ে মোনাখন আনিবলৈ জুহাললৈ গৈছে। মই ৰাতিপুৱা গা-ধুই দেউতাক এটা সেৰা কৰোঁতেও তেওঁ ককাইদেউৰ কথাই কৈছিল, "মইনো তাৰ কোন জনমৰ শত্রু তয়ে কচোন। মোক বাৰু খুৱাব নালাগে। আজি বিহুৰ দিনা মাত এযাৰো দিব নোৱাৰেনে। ইমান মৰম কৰিছিলো তাক।" মই দেউতাক বুজাইছিলোঁ। বুজিছিল। এতিয়া বজাৰলৈ যাব ওলাইছে। তেওঁ চাইকেলখনত উঠিব ধৰোঁতেই এনেতে গাঁৰৰ ৰজত দাদা আহিল আৰু আহি ক'লে, "খুৰাদেউ, ভৰি দুখন আগু�ৰাই দিয়কচোন সেৰা এটা কৰোঁ। মোৰ মা-দেউতা নাই নহয়। আশীৰ্বাদ এটা দিব আপোনালোকেই।" দেউতাৰ চকুৰে চকুলো বাগৰি আহিল। ৰজত দা দেউতাৰ ওচৰৰ পৰা মাৰ ফালে গ'ল। দেউতায়ো বজাৰ মুখী হ'ল। ৰাস্তাত চাগে দেউতাই ভাবিলে এয়াই আজিৰ যুৱ প্রজন্ম। এজনৰ নিজ পিতৃৰ প্রতি অশ্রদ্ধা আন এজনৰ আনৰ পিতৃৰ প্রতি ভক্তি। দেউতাৰ চাগে অন্তৰৰ উদয়াচলত কিঞ্চিত ৰবিৰ কিৰণ পৰিছিল।

তেতিয়াও নাৰিকল জোপাৰ ডালত শালিকা চৰাইটোৱে নিজৰ পো�ৰালি দুটাক আহাৰ খুৱাই আছিল।

মহাবিদ্যালয় সপ্তাহৰ 'আলোচনী বিভাগ'ৰ থিতাতে লিখা গল্প প্রতিযোগিতাত প্রথম স্থানপ্রাপ্ত।

অশান্ত সাগৰৰ ঢৌ

নিপন কুমাৰ ডেকা
দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

অৱশেষত আহত গুৰিলৈ আহিলোঁ। প্রায় সাত বছৰৰ পিছত আহিছোঁ। বসন্ত দাইটীয়ে বৰ জোৰকৈ মাতি পঠিয়াইছে বাবে আহিব লগা হ'ল।

বসন্ত দাইটিহঁতৰ ঘৰত মই শিলচৰৰ মেডিকেল কলেজত পঢ়ি থাকোতে চাৰি বছৰ ভাড়াতীয়া হিচাপে আছিলোঁ। শিলচৰ এৰি অহাৰ পিছত বহুদিন সেইফালে যোৱাই হোৱা নাই। যাবলৈ তেনেকৈ সকামো ওলোৱা নাই। কিন্তু আজি আহিব লগা হ'ল। মোৰ সেইসময়ৰ বন্ধু বিনিদ্রৰ হাতত খবৰ পঠিয়াইছে মই হেনো ততাতৈয়াকৈ যাব লাগে।

সেই মর্মে আহিলোঁ। আহি দেখিলোঁ ঘৰখনত একেবাৰে নিস্তব্ধ পৰিৱেশ। মই দাইটি আৰু খুড়ীদেউক কেইবাবাৰো মাতিলোঁ। কোনো মাত নাই। ঘৰখনৰো পৰিৱেশ বহুত সলনি হৈছে। মোৰ তলাতল ঘৰৰ ফালে যোৱা যেনহে লাগিল। ওচৰৰ মানুহ এজনক দেখি সুধিলোঁ তেওঁলোকৰ খবৰ। তেওঁ কলে, 'এখেতসকল যোৱা সপ্তাহত কৰবালৈ গ'ল। আৰু ঘূৰি অহা নাই। জানিবলৈ পোৱামতে এন.আৰ.চিত নাম নহা বাবে কিছুমান দুর্বৃত্তৰ দলে সম্পত্তিৰ লোভত তেওঁলোকক খেদি পঠিয়াইছে। মোৰ মনটো সেমেকি গ'ল। যেন মোৰ হৃদয়ত অশান্ত সাগৰৰ ঢৌ বোৱহে বৈ আছে। আৰু কেইদিনমান আগত অহা হ'লে.....।

মহাবিদ্যালয় সপ্তাহৰ 'সাহিত্য বিভাগ'ৰ থিতাতে লিখা চুটি গল্প প্রতিযোগিতাত প্রথম স্থানপ্রাপ্ত।

নীলা খামৰ চিঠি



ভট্টাৰিকা শর্মা

প্রাক্তন ছাত্রী, বুৰঞ্জী বিভাগ

মৰমৰ নিবিড়,

ভালে আছা তুমি? তুমি ছাগে ভাবিছা মই বহুত সুখত আছো বুলি। তোমাৰ প্রতি থকা মোৰ ভালপোৱা এতিয়া অভিমানলৈ ৰূপান্তৰিত হৈছে। তোমালৈ বুলি থকা মৰমবোৰ চিঠিৰ জৰিয়তে লিখিলো, প্রতিটো শব্দ মোৰ মনৰ বহু আপোন।

জানা নিবিড়, চিঠিৰ উত্তৰ পাম বুলি আশা নকৰো, আশা কৰিলে দুখৰ লগত বন্ধুত্ব কৰা যেন হয়। তুমি দিয়া মৰমখিনি সযতনে ৰখাৰ দৰে দুখবোৰো ৰাখিম বুলি ভাবিছা যদি ভুল কৰা নাই। হৃদয়ৰ এটা কোণত তোমাৰ নামৰ স্পন্দন আজিও হয়, আজি তোমালৈ বহুত মনত পৰিছে বাবে কলমটো হাতত লৈ ভাৱবোৰ এখন উকা কাগজত লিখিছো। নৱাগত আদৰণী সভাত তুমি গোৱা 'অনামিকা' গানটো আজি বাহুত গৈ থাকোঁতে শুনিলো। তোমাৰ লগত কটোৱা দিনবোৰ চকুৰ আগত ভাহি আহিল যদিও চকুৰ পানীৰে বৈ যাব দিছিলো।

ফেছবুক, হোৱাটছ এপ, ইনষ্টাগ্রামত তুমি মোক ব্লক কৰা দিনৰ পৰাই মই নিসংগ হৈ গৈছো। ভবাই নাছিলো জানা, প্রেম ইমান সস্তীয়া তোমাৰ বাবে। তুমি মোবাইল ফোনৰ বাবে সম্পর্ক ভাগিলা, ভাবিবলৈ টান। যেতিয়ালৈ টকা অর্জন কৰিব নোৱাৰো, প্রেমৰ বৰষুণ জাকত তিতিবলৈ নাযাও নিজকে প্রতিজ্ঞা কৰিলো। তোমাৰ প্রতি মোৰ আক্ষেপ আছে, কিন্তু শুনিবলৈ তোমাৰ সাহস নাই বাবে একো নোকোৱাকৈ অন্য এজনীৰ লগত সুখী হৈ আছা, তুমি দিয়া উন্মাদ বেদনা অসহ্যকৰ, । আশাকৰো চিঠিখন হাতত পৰাৰ পিছত তুমি পঢ়িবা, মোক দিয়া কষ্টবোৰ তুমি যাতে নোপোৱা কাৰণ তোমাৰ বাবে থকা মোৰ ভালপোৱা বোৰ তুলাচনীৰে জুখিব নোৱাৰি, তথাপি তুমি ভালে থাকা, তোমালৈ মোৰ পৰা এইখন শেষ চিঠি। ইতি-

মই,
অনামিকা

নীলা খামৰ চিঠি



ৰিংকী বর্মন

প্রথম ষন্মাসিক (অসমীয়া বিভাগ)

মৰমৰ অনুভৱ,

কুশলে আছা নিশ্চয়। মোৰো 'ভাল' বুলি কোৱাৰ অভ্যাস এটা হৈ গৈছে। জানাইতো আইৰ নৰীয়া ভালেখিনি বাঢ়িল। মোৰ 'ভাল'ৰ লগত সেয়ে আজি-কালি বহুতবে সুখ সংযুক্ত হৈ থাকে। মোৰ আকৌ কাকো অসুখী কৰাৰ মন এটা নাছিল কেতিয়াও; তুমিতো জানাই। তোমাকো নোৱাৰিলো অনুভৱ; মৌন হৈ ৰ'লো আজীৱন। মাথোঁ তোমাৰ বাবেই, তোমাৰ সুখৰ বাবেই। ভাবিছা চাগৈ আজি মই তোমাৰ ওচৰত কেৱল আক্ষেপ কৰিবলৈকে কলম তুলি লৈছো। যদি ভাবিছা পুনৰ ভুল বুজিছা মোক। মই মাথোঁ মোৰ কর্তব্য পালন কৰিছো। তোমাৰ প্রতি, ওপজা গাঁওখনৰ প্রতি।

শুনিছো এইবাৰ তুমি আমাৰ গাঁৱৰ বিহুলৈ বিশিষ্ট অতিথিহে আহিবা, নহয়নে? সময়ে গাঁৱলৈ যথেষ্ট পৰিৱর্তন আনিছে অনুভৱ। গাঁৱৰে এচাম সুস্থ মানসিকতাৰ নৱ-প্রজন্মৰ সৈতে মোৰ এক অন্তৰংগতা আছে। হয়তো শিক্ষকৰ প্রাপ্য সন্মানখিনি সিহঁতে সর্বদাই আদায় দিয়াৰ বাবেই হওঁক। আনহাতে আন এচাম অসাধু চক্রই কুটিল ৰাজনীতিৰ পাকচক্রত নিজৰ ভৰিতে কুঠাৰ মাৰিবলৈ প্রস্তুত হৈছে। অনুভৱ, তুমি এতিয়া যথেষ্ট প্রতিপত্তিশালী লোক। হয়তো তোমাক বিশিষ্ট অতিথি কৰি মতাৰ আঁৰতো এক অভিসন্ধি আছে। তুমি তাক প্রতিৰোধ কৰিবা বুলি আশা থাকিল। এইখন গাঁৱৰে ল'ৰা হিচাপে তুমি এইখিনি কৰিবা বুলি বিশ্বাস আছে মোৰ। তুমি নিশ্চয় গাঁৱৰ উন্নতিৰ হ'কে বুজন পৰিমাণৰ অর্থ আগবঢ়োৱা নহয়নে? তোমাক অনুৰোধ কৰিছো অনুভৱ তুমি যেন এই টকাখিনি গাঁৱৰ বিদ্যালয়খনৰ বাবেহে বুলি ঘোষণা কৰি দিয়া। নহ'লে সমুদায় ধন কু চক্রই আত্মসাৎ কৰি ক্লাৱঘৰ পতাৰ নামত ব্যক্তিগত স্বার্থতহে ব্যয় কৰিব। তুমি বহুবছৰ গাঁৱৰ পৰা আঁতৰি থাকিলা। বছৰ বঢ়াৰ বিপৰীতে গাঁৱৰ মানুহৰ মনবোৰ সৰু হৈ আহিল। এতিয়া আৰু ইয়াত তাহানিৰ দৰে বৰ আঁহতৰ তলৰ বাকৰি নাই, তাৰ ঠাইত ডাঙৰ মঞ্চ এখন হ'ল। গাঁৱৰ ডেকা ডেকেৰীয়ে বিহু গাবলৈ আগ্রহ প্রকাশ নকৰে। কেনেদৰে চহৰৰ বিহুলৈ বুলি বাট মোকলাব পাৰি, তাৰহে আখৰা কৰে। ককাইটি, দদাইটিহঁতো আঘোণৰ পথাৰৰ মাজৰ ছোৰ দৰে নামতহে বৰমূৰীয়া হৈ থকা হ'ল। নহ'লে চেঙেলীয়াৰ হাতত কেতিয়া, কাৰ মান-হানি হয় ঠিক নাই। সেয়ে সকলো বুজিও অবুজ হৈ থাকে।

অতদিনৰ বিৰতিৰ অন্তত তোমালৈ বুলি লিখিবলৈ ওলাই এটাও সু-খবৰ দিব নোৱাৰিলো। তাৰবাবে মোক ক্ষমা কৰিবা। গাঁৱলৈ আহিলে আৰু সময় সুবিধা হ'লে এপাৰ মাৰিবা। আয়ে আজিও তোমাক আগৰ দৰেই মৰম কৰে। জানা অনুভৱ, এইবেলি কুৰি বছৰৰ অন্তত পুনৰ মোৰ হৃদয়লৈ ৰ'হাগ অহা যেন লাগিছে। উপেক্ষা নকৰিবা কুৰিখন বিহুৱান পেৰাতে ৰ'ল। এইবাৰ তোমাৰ হাতত অন্তিমবাৰৰ বাবে এখন বিহুৱান গুজি দিয়াৰ আগ্রহেৰে বাট চাই ৰ'লো। ইতি-

.....

নীলা খামৰ চিঠি



নিপন কুমাৰ ডেকা
দ্বিতীয় সাম্মাষিক
(ৰাজনীতি বিজ্ঞান বিভাগ)

'আমলখি গছজোপাৰ তলেৰে নাহিবা,
নাহৰ জোপাই লাজ কৰে,
মোৰ হৃদয়ৰ সুৰুঙাৰে আহিবা,
আৰু কলিজাৰ বাটচ'ৰাত জিৰাবা,
তুমি নাহিলে নাহৰ নুফুলে।'

মৰমৰ,

কুশলে আছানে? যান্ত্রিকতাৰ বিষাক্ত বতাহজাকে তোমাকো হেঁচা মাৰি ধৰা নাইতো? আজি তোমালৈ বৰকৈ মনত পৰিছে। মনত পৰিছে সুদূৰ অতীতলৈ। আমাৰ গাওঁৰ নৱজীৱন প্রাথমিক বিদ্যালয়ত তোমাক যে প্রথম দেখিছিলোঁ। তুমি যে সৰিয়হ ফুলীয়া চোলাটো পিন্ধি আহিছিলা। বুজা-নুবুজাৰ মাজতে হয়তো তেতিয়াই মোৰ হৃদয়ত এপাহ ৰঙা জবা ফুলিছিল।

মই গাওঁৰ ল'ৰা। গাওঁতেই থাকিম। পথাৰবোৰ সেউজীয়া কৰিম। তুমি চহৰৰ পৰিৱেশত পঢ়িলেও গাওঁখন পাহৰি নাযাবা। সমনীয়াৰ সৈতে অর্থৰ ব্যয় কৰোতে দেউতাৰাৰ ককালৰ বিষবোৰলৈ মনত পেলাবা।

বুঢ়ীদিহিঙৰ কাষেৰে গ'লে তোমাক লগ পোৱা যেন অনুভৱ হয়। বুঢ়ীদিহিঙৰ পাৰৰ নাহৰ জোপাৰ তলত আমি যে আজীৱন একেলগে থকাৰ শপত লৈছিলোঁ, সেইজোপা এতিয়াও তেনেকৈয়ে আছে।

তুমি অহালৈ মই বাট চাম। বাট চাই ৰ'ব নাহৰ জোপাই। আহিবা, পলাশ ফুলা ফাগুনৰ দোকমোকালিতে আহিবা। তুমি নাহিলে নাহৰ নুফুলে।

ইতি
তোমাৰ মৰমৰ
'ক'

(মহাবিদ্যালয় সপ্তাহৰ 'সাহিত্য বিভাগ'ৰ থিতাতে লিখা 'নীলা খামৰ চিঠি' প্রতিযোগিতাত প্রথম স্থানপ্রাপ্ত)

English Section

ARTICLE



"You can always edit a bad page. You can't edit a blank page."
- Jodi Picoult

Guest

Importance of Being Bilingual

Dr. Gobinda Prasad Sarma

A piece of writing for Dispur College magazine is sought from me in English. That is important - important for our Assamese people as a whole. I say Assamese people as a whole, because we in Assam since the British Era have remained more or less monolingual, speaking and writing only in our mother tongue. But more advanced states in India like our neighbouring Bengal (now West Bengal) went over to English as much as they stuck to their own languages when the British came to rule India. The newly Western educated section of the Bengalis that formed the emerging middle class, learnt English whole heartedly not only for jobs in the government offices but also for widening their mental horizon. Side by side with acquiring knowledge and drawing pleasure from this newly gained field of language and literature, a section of this new English educated class also attempted to write in this language for creative purposes – for expressing their fine sentiments and imaginative ideas in the form of literature. In other words, they started even creating literature in this alien language, besides speaking and writing out their needs and grievances in it before the foreign rulers. Thus they started writing in English in that very dawn of Western civilisation in India.

Compared to this, we in Assam learnt this language as if out of compulsion for our mundane benefit, used this language only to apprise the foreign government of our needs and grievances officially, and wrote and spoke in this language for pedagogic and political purposes only. But we hardly felt the need to express our personal feelings and sentiments in this language for literary purposes. We did not even write about our ancient and medieval literary and cultural heritage in this language in the form of fiction or poetry to enlighten general outside readers as it was done in Bengal and other parts. They wrote not only prose works in English but also fiction, poetry and other works for expressing their personal and national sentiments before the ruling class and the outside readers. The result, Indians in Bengal and many other parts of India started producing literature in English from the very early part of the nineteenth century. This was even before they started writing in their own language. Also this was even before English became the officially introduced medium of instruction in schools and colleges of India. The result – they with their cultural heritage became familiar to the outside world that made them proud.

Bankim Chandra Chatterjee, the proverbial Bengali writer most widely known as the first great Bengali novelist, came to write his first novel in English – *Rajmohun's Wife* in 1864. Only after this he thought of writing in his own language Bengali; and his first Bengali novel, *Durgesh Nandini* came out a year after in 1865. But long before this, a

few writers also in Bengal started writing English novels and tales like *A Journal of Forty-eight Hours* by Kylash Chunder Dutt that came out in 1835 and *The Repulic of Orissa* by Sochee Chunder Dutt that came out in 1845.Toru Dutt's first poetry collection, *A Sheaf Gleaned in French Fields* came out in 1876. A collection of works by members of this literary family to which Toru Dutt belonged, entitled *The Dutt Family Album* came out in 1870. Thus, even before the Bengalis came to produce modern literature in Bengali, they started doing that in English.

The scene in Assam makes an interesting reading. In Bengal, the Serampore Missionaries attempted the first Bengali novel *Koruna o Phulmoni* by Hanna Catherine Mullens in 1852; and their first native Bengali attempt at a novel, *Alaler Ghare Dulal* by Peary Chand Mitra was published in 1858. In Assam, our first Missionary attempt at a novel was *Phulmani aru Karuna* by the same Mrs. Mullens, published in 1877. And the first native Assamese attempt *Sudharmar Upakhyan* by Padmavati Devi Phukanani was published in 1884. That we were lagging behind the Bengalis in Assamese literary works produced in the Western style or form, was because we came under the British rule about a century after the other parts of India. But why did we lag behind the Bengalis or Indians of other parts of the country in producing English literature? The answer may be the same – Assam coming under the British rule late. Naturally we were late in writing in English too. But our Kandura Ram Keot who was converted to Christianity and was Christened Nidhi Levi Farwell by the Sibsagar missionaries and was engaged in proselytizing could well have written in English. But he did not write in Assamese either unlike his Fathers and Brothers of the Mission who, though American, wrote in Assamese. Nor did any other Assamese come to create literature till Padmavati Devi Phukanani's Assamese work of 1884. Even long after that we felt shy of creating any English literary piece, though we started producing Assamese literary works in all branches soon. It is true we took to English writing as early as 1855 with Ananda Ram Dhekial Phikan's memorandum to the British government which was brought out later as a book with the title *A Few Remarks on the Assamese Language.* But it was not intended as a book for public circulation, less so as a work of literature. Since then we have had some English prose works written to serve a purpose other than literary; but till to-day, though we have no dearth of scholars, critics and writers in Assamese with very sound knowledge of English, and journalists who can wield the language deftly on all subjects, we do not have many English creative writers in Assam worth the name. Satyendranath Barkataki's *Escapades of a Magistrate* was a good literary work; but it is his lone work. And again it is a translation of his own earlier Assamese version done by himself. Hem Barua, another very deft writer and a mesmerisingly fluent speaker in English, did not confine himself to English writing alone. Though he was a poet in Assamese and collected and edited an anthology of Indian Modern Poetry in English jointly with another, he himself did not write poetry in English. But he was an English prose writer writing on various fields other than the field of creative writing. However his *Idle Hours*(1962), a collection of essays, is a good literary work .Against him we have Maheswar Neog, a professor of Assamese and a profound scholar on ancient and medieval Assam who has a collection of English poems *Under One Sky,* (1970) to his credit.

Though Banikanta Kakati and Hiren Gohain are English writers of high order, they did not produce English creative work. Against them, Arup Kumar Dutta is a writer who writes only in English. Jyotsna Bhattacharjee, who also writes only in English and writes generally on thoughtful or philosophical topics, has penned a pleasant reading novel *Shadows in the Sunshine* (1965). This has been the first English novel by an Assamese. Dhruba Hazarika is an English writer who writes in English alone like these two. Hazarika writes non-fiction unlike Arup Kumar Dutta who writes non-

fictional prose. These three paved the way for many young writers who have come forward to write regularly in English earning for themselves the appellation of Assamese English writers. These are Mitra Phukan, Indrani Raimedhi, Srutimala Duara, Jahnabi Barua,Tapati Baruah Kashyap and Aruni Kashyap. Besides fiction of which they have all brought out anthologies and volumes, they also write non-fictional prose on diverse themes. Of these Srutimala Duara,Tapati Baruah Kashyap and Aruni Kashyap are English writers who write in Assamese too – they being our bilingual English writers.

Tapati Baruah Kashyap writes mainly criticism in English of Assamese works and authors while Srutimala Duara writes in diverse fields. With these writers we can say that English literature by the Assamese has now emerged. It is noteworthy that most of these comparatively young writers have emerged from the pages of the *Assam Tribune* so that we may call these English writers of Assam the **Tribune Group of English Writers**. With these exclusive English writers who are consistently writing in English, each having a fair amount of English literary output, we may now say that Assam has also had a share of Indian English Literature now. But considering the bulk of modern Assamese literature since the Oroonodoi Age, English literature in the hands of the Assamese is still negligible not only in bulk but also in variety. One can therefore say that English literature by the Assamese is still in its nascent state.

